নিৰুপমা বৰগোহাঞিৰ

শ্ৰেষ্ঠ গল্প

সুভদ্ৰা প্ৰকাশন
দিছপুৰ, গুৱাহাটী-৬

Nirupama Borgohain's SHRESHTHA GALPA : A collection of selected Assamese short stories written by Nirupama Borgohain and Published by Kamal Das M A. M/s Subhadra Prakashan, Dispur, Guwahati- 781006 First Edition October, 1998. Price Rs 60 00 (Sixty) for General Edition and Rs 100 00 (One hundred) for Library Edition.

প্ৰকাশক :
সুভদ্ৰা প্ৰকাশন
দিছপুৰ, গুৱাহাটী-৭৮১ ০০৬

পৰিবেশক :
জ্যোতি প্ৰকাশন
যশোৱন্ত ৰোড, পাণবজাৰ
গুৱাহাটী-৭৮১ ০০১

গল্প সাহিত্য
আনন্দৰাম বৰুৱা ৰোড
(ডন বস্কো' স্কুলৰ ওচৰত)
পাণবজাৰ, গুৱাহাটী-৭৮১ ০০১

প্ৰথম প্ৰকাশ :
অক্টোবৰ, ১৯৯৮

বেটুপাত : চম্পক বৰবৰা

ডি টি পি :
ডন প্ৰিণ্টাৰ্চ, গুৱাহাটী ৩

মূল্য : ৬০ ০০ (ষাঠি) টকা (সাধাৰণ সংস্কৰণ)
১০০ ০০ (এশ) টকা (পুথিভঁৰাল সংস্কৰণ)

মুদ্ৰক :
দিছপুৰ প্ৰিণ্ট হাউচ
গুৱাহাটী-৬

উছৰ্গা

ডাঃ (শ্ৰীমতী) লক্ষ্মী গোস্বামী

আৰু

ডাঃ ৰবীন গোস্বামীলৈ

জীৱনৰ কেইটামান শ্ৰেষ্ঠ মুহূৰ্ত

যাৰ লগত কটাই আহিছোঁ।

নিৰুপমা বৰগোহাঞি

নিবেদন

লেখিকা হিচাপে বিশেষকৈ অসমৰ লেখিকা হিচাপে মোৰ সৌভাগ্যৰ কথা যে ইতিমধ্যে মোৰ কেবাটাও গল্প-সংকলন প্ৰকাশ হৈ গৈছে আৰু সেই কেইটা গল্প-সংকলনেই পাঠক-সমাজৰ পৰা আশাতীত সমাদৰ লাভ কৰিছে। এই সংকলনটোত মোৰ প্ৰায় অৰ্ধ-শতাব্দী জোৰা সাহিত্যিক জীৱনৰ বিভিন্ন সময়ত ৰচিত বাৰটি শ্ৰেষ্ঠ গল্প সন্নিৱিষ্ট হৈছে। সেয়ে এই সংকলনটো পাঠক-সমাজে অধিক আগ্ৰহেৰে আদৰি ল'ব বুলি আশা কৰিছোঁ। এই গল্পকেইটাৰ প্ৰায় সম-মানবিশিষ্ট আৰু কেইটিমান গল্প ইয়াত সন্নিৱিষ্ট কৰিব বিচাৰিছিলোঁ। কিন্তু সংকলনটোৰ কলেৱৰ বঢ়া বাবে সেই গল্পকেইটা সন্নিৱিষ্ট কৰাৰ পৰা বিৰত থাকিলোঁ। পৰৱৰ্তী সংস্কৰণত এই বিষয়ে নতুনকৈ চিন্তা কৰিম।

'এনথ্ৰ'পলজিৰ সপোনৰ পিছত' ছাত্ৰী অৱস্থাতে, ১৯৪১ চনতে লেখা গল্প; গল্পটো মোৰ প্ৰথম গল্প-সংকলন 'অনেক আকাশ' (১৯৬১)ত সন্নিৱিষ্ট হৈছিল। কিন্তু তাত গল্পটো যথেষ্ট খেলিমেলি ৰূপত প্ৰকাশ হৈছে– ছপাৰ অসাৱধানতাৰ বাবে। সেই খেলিমেলি আঁতৰাই ইয়াত গল্পটো সঠিক আৰু শুদ্ধ ৰূপত প্ৰকাশ কৰা হৈছে।

এই সংকলনটোত সন্নিৱিষ্ট প্ৰায় আটাইকেইটা গল্পই অসমৰ পটভূমিত ৰচিত, মাথো 'ঠিকনা' গল্পটোহে অসমৰ লগতে কলিকতা, দিল্লী আৰু জয়পুৰৰ পটভূমিত থিয় কৰোৱা হৈছে। এই তিনিওখন চহৰতে মই দীৰ্ঘদিন ধৰি প্ৰবাসী জীৱন কটাইছোঁ আৰু সেই সময়ছোৱাত মোৰ সংস্পৰ্শলৈ অহা বিভিন্ন অনা-অসমীয়া মানুহৰ পৰা যি অযাচিত মৰম-স্নেহ লাভ কৰিছিলোঁ তাৰেই আধাৰত 'ঠিকনা' গল্পটো লেখিছিলোঁ। আনকেইটা গল্পৰ পটভূমি বা নেপথ্যৰ কথা ক'ব লগা বিশেষ নাই।

বাস্তৱ, কল্পনা, সপোন আৰু স্মৃতিক সাঙুৰি লেখা এই গল্পকেইটাই প্ৰিয় পাঠকসকলক আলোড়িত, অভিভূত, পুলকিত কৰিব আৰু তেওঁলোকে এই সংকলনটোক আগ্ৰহেৰে আদৰি ল'ব– এই আশাৰে সামৰিছোঁ।

নিৰুপমা বৰগোহাঞি

১৫ অক্টোবৰ, ১৯৯৮

উজান বজাৰ, গুৱাহাটী-১

প্ৰকাশকৰ টোকা

অসমীয়া শ্ৰেষ্ঠ গল্প-সংকলনৰ ইতিহাসত আজিৰে পৰা এটি নতুন নাম সংযোজিত হ'ল- 'নিৰুপমা বৰগোহাঞিৰ শ্ৰেষ্ঠ গল্প'। এনে এখন মূল্যবান গ্ৰন্থ প্ৰকাশ কৰিবলৈ পাই আমি পৰম আনন্দ অনুভৱ কৰিছোঁ আৰু শ্ৰদ্ধেয়া নিৰুপমা বাইদেউৱে এই গল্প-সংকলনটো আমাক প্ৰকাশ কৰিবলৈ অনুমতি দিয়া বাবে আমি তেওঁক অশেষ কৃতজ্ঞতা জনাইছোঁ।

বিগত প্ৰায় অৰ্ধ-শতিকা ধৰি নিৰলসভাৱে অসমীয়া সৃষ্টিশীল সাহিত্যৰ সাধনাত ব্ৰতী হৈ থকা মানৱতাবাদী লেখিকা নিৰুপমা বৰগোহাঞে এতিয়ালৈকে একৈছখন উপন্যাস, কেবাখনো উপন্যাসিকা, দহোটা গল্প-সংকলন, অনুবাদ সাহিত্য, ভ্ৰমণ কাহিনী আৰু অসংখ্য সাংবাদিকতাধৰ্মী নিবন্ধ ৰচনাৰে অসমীয়া সাহিত্যলৈ বিপুলায়তন আৰু বৈশিষ্ট্যপূৰ্ণ বৰঙণি আগবঢ়াইছে। সাহিত্য-কৃতিৰ গৰিমা আৰু ব্যক্তিত্বৰ মোহনীয়তাৰ বাবে অসমৰ পঢ়ুৱৈ সমাজত অতি জনপ্ৰিয় এইগৰাকী অগ্ৰগণ্য লেখিকাক কোনো এক অজ্ঞাত কাৰণত সৌ-সিদিনালৈকে অসমীয়া সাহিত্যত যথাৰ্থ স্বীকৃতি আৰু সন্মান দিয়া হোৱা নাছিল। বহু পলমকৈ, জীৱনৰ অপৰাহ্ন পৰত, ১৯৯৬ চনত জীৱনীমূলক উপন্যাস 'অভিযাত্ৰী'ৰ বাবে তেওঁ সাহিত্য অকাডেমিৰ বঁটা লাভ কৰিলে। অৰ্থাৎ, অসমীয়া তথা ভাৰতীয় সাহিত্যৰ এগৰাকী লেখৰ সাহিত্যিকৰূপে তেওঁ আনুষ্ঠানিকভাৱে স্বীকৃত হ'ল। তেতিয়াৰ পৰা তেওঁক লৈ, তেওঁৰ সাহিত্য-কৃতিক লৈ জনসাধাৰণৰ মাজত কিছু হৈ-চৈ আৰু বৌদ্ধিক মহলত এক উদ্দীপনা পৰিলক্ষিত হৈছে। তেওঁৰ সাহিত্য-কৃতিৰ বিশেষকৈ কেইখনমান উপন্যাসৰ আলোচনা-বিলোচনা, বিচাৰ-বিশ্লেষণ হ'ব ধৰিছে। অৱশ্যে এই আলোচনা-বিলোচনা, বিচাৰ-বিশ্লেষণত তেওঁৰ ইতিমধ্যে জনপ্ৰিয় উপন্যাসকেইখনেই নতুনকৈ পোহৰলৈ আহিছে: 'সেই নদী নিৰৱধি' (১৯৬২), 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ' (১৯৭৯), 'এজন বুঢ়া মানুহ' (১৯৬৬), 'অন্য জীৱন' (১৯৮৭) আৰু 'অভিযাত্ৰী' (১৯৯২)। এই উপন্যাসকেইখন যে সাৰ্থক সৃষ্টি আৰু অসমীয়া সাহিত্যৰ মূল্যবান সম্পদ- এই বিষয়ে এতিয়া আৰু কোনো সংশয় নাই।

আংশিকভাৱে হ'লেও নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ আলোচনা-বিলোচনা হৈছে আৰু হৈ আছে কিন্তু মন কৰিবলগীয়া কথা যে গল্পকাৰ হিচাপে তেওঁক একেবাৰে উপেক্ষা কৰা হৈছে। কিন্তু অসমীয়া সাহিত্যত নিৰুপমা বৰগোহাঞি উপেক্ষণীয় গল্পকাৰ নহয়। তেওঁ অসমীয়া সাহিত্যৰ এগৰাকী অনন্য গল্পকাৰ। স্বকীয়

বৈশিষ্ট্যৰে উজ্জ্বল ভালেমান হৃদয়স্পৰ্শী গল্প তেওঁ লেখিছে। এগৰাকী বিচক্ষণ মনস্তাত্ত্বিকৰ দৃষ্টিৰে সমাজৰ বিভিন্ন নৰ-নাৰীৰ অন্তৰ্জগতত দৃষ্টিপাত কৰি তেওঁলোকৰ জীৱনৰ সুখ-দুখ, আশা-আকাঙ্ক্ষা, দ্বন্দ্ব-সংঘাত, আশা আৰু আশাভঙ্গৰ আৰ্তিক তেওঁ অতি সংবেদনশীল ৰূপত চিত্ৰিত কৰিছে। নিসৰ্গও তেওঁৰ গল্পত জীৱন্ত আৰু বাঙ্ময়। পৰম্পৰাগত বা ধ্ৰুপদী আঙ্গিকত গল্প লেখিলেও তেওঁৰ গল্প বাহুল্য বৰ্জিত, সুসংহত, প্ৰায়ে নিটোল আৰু সমাপ্তিও সুন্দৰ। বৰ্ণনাভঙ্গী সৰল আৰু অনাড়ম্বৰ হ'লেও সৰস আৰু ঠায়ে ঠায়ে কাব্যিক সুষমাময়– ধ্বনি-চিত্ৰ আৰু সঙ্গীতময়তাৰে মুখৰ আৰু মধুৰ।

আমাৰ ধাৰণা, প্ৰগতিশীল জীৱনাদৰ্শৰ অনুগামী, এক মহৎ সামাজিক আৰু সাংস্কৃতিক চেতনাৰ অধিকাৰী এইগৰাকী মানৱতাবাদী লেখিকাই আমাৰ সমাজৰ, বিশেষকৈ মধ্যবিত্ত সমাজৰ বিভিন্ন নৰ-নাৰী, তেওঁলোকৰ জীৱনৰ আৰ্থিক-মানসিক সমস্যা, সংঘাত আৰু বিনন্দীয়া প্ৰকৃতিক সূক্ষ্ম পৰ্যবেক্ষণ আৰু মনস্তাত্ত্বিক অন্তৰ্দৃষ্টিৰে অৱলোকন কৰি সহজ-সৰল, অনাড়ম্বৰ অথচ ধ্বনি-চিত্ৰ আৰু ব্যঞ্জনাময় ভাষাশৈলীৰে এনে কেইটামান অপূৰ্ব মৰ্মস্পৰ্শী গল্প ৰচনা কৰিছে যিকেইটা গল্প অসমীয়া সাহিত্যৰ শাশ্বত সম্পদ বুলি চিহ্নিত হোৱাৰ যোগ্য। তেনে কেইটিমান গল্প পাঠক-সমালোচকৰ দৃষ্টিলৈ লৈ যোৱাৰ উদ্দেশ্যেই 'নিৰুপমা বৰগোহাঞিৰ শ্ৰেষ্ঠ গল্প' –এই সংকলনটোৰ জন্ম।

এই গল্প-সংকলনটো যুগুত কৰোঁতে লেখিকাৰ ইতিপূৰ্বে প্ৰকাশিত দহোটা গল্প-সংকলনত সন্নিৱিষ্ট আটাইবোৰ গল্পৰ লগতে কাকত-আলোচনীত সিঁচৰতি হৈ থকা গল্পবোৰো পুংখানুপুংখভাৱে পঢ়ি চোৱা হৈছে আৰু সেই গল্পবোৰৰ মাজৰ পৰা অতি সতৰ্কতাৰে শ্ৰেষ্ঠ গল্পকেইটা বুটলি অনা হৈছে– লেখিকাৰ অনুমোদন সাপেক্ষে। এই শ্ৰেষ্ঠ গল্পকেইটাৰ সম-পৰ্যায়ৰ গল্প আৰু কেবাটাও আছিল– সেই গল্পকেইটাও এই সংকলনত সন্নিৱিষ্ট কৰিব পৰা গ'লহেঁতেন। কিন্তু সেইটো কৰিবলৈ গ'লে কিতাপখনৰ দাম সাধাৰণ পাঠকৰ ক্ৰয়-ক্ষমতাৰ বাহিৰলৈ গুচি যাব পাৰে বাবে সেইটো কৰা নহ'ল। সকলো পাঠকৰ বাবে সংগ্ৰহযোগ্য 'নিৰুপমা বৰগোহাঞিৰ শ্ৰেষ্ঠ গল্প'ৰ দাম আৰু অলপ কম কৰিব পৰা হ'লে আমি সুখী হ'লোঁহেঁতেন। কিন্তু কাগজ আৰু অত্যাধুনিক প্ৰিন্টিং সামগ্ৰীৰ অতিপাত মূল্যবৃদ্ধিৰ বাবে কিতাপখনৰ দাম ইয়াতকৈ কম কৰাটো কোনোপধ্যেই সম্ভৱ নহ'ল।

এই মূল্যবান গল্প-সংকলনটো আমি যথেষ্ট আন্তৰিকতাৰে নিৰ্ভুল, নিখুঁত আৰু সুদৃশ্য ৰূপত প্ৰিয় পাঠকসকলৰ হাতত তুলি দিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছোঁ। আখৰ-জোটনি বা বানানৰ ভুল যাতে ক'তো বৈ নেযায় তাৰ বাবে যথেষ্ট সতৰ্কতাৰে আমি নিজেই কেবাবাৰো প্ৰুফ চাইছোঁ। তথাপি আমাৰ চকুত নপৰাকৈ কাচিৎ দুই-এটা ভুল বৈ যাব পাৰে।

উচ্চস্তৰৰ শিল্প-চেতনাসম্পন্ন, ৰুচিবান চিত্ৰশিল্পী 'চম্পকদা'ই (চম্পক বৰবৰা) অশেষ ব্যস্ততাৰ মাজতো আমাৰ মৰমৰ দাবীত কিতাপখনৰ বেটুপাতটো আঁকি দিছে আৰু তাত তেওঁ অতি দক্ষতাৰে লেখিকাৰ ব্যক্তিত্বক পৰিপূৰ্ণ ৰূপত পৰিস্ফুট কৰি তুলিছে। তাৰ বাবে তেওঁক আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। আপোন ভাতৃ সদৃশ মৃণাল শৰ্মাই কিতাপখন নিৰ্ভুল আৰু আটোম-টোকাৰিকৈ ডি.টি.পি. কৰি দিছে। তাৰ বাবে তেওঁলৈও আন্তৰিক মৰম আৰু শুভেচ্ছা যাচিছোঁ।

'সুভদ্ৰা প্ৰকাশন', অসমৰ প্ৰকাশন জগতত তেনেই নতুন নাম। নিৰ্ভুল-নিখুঁত আৰু সুদৃশ্য ছপা-বন্ধাৰে ৰুচিসম্মত আৰু উচ্চমানবিশিষ্ট কিছু গ্ৰন্থ প্ৰকাশৰ প্ৰতিশ্ৰুতিৰে ই অসমৰ প্ৰকাশন জগতত আত্মপ্ৰকাশ কৰিছে ১৯৯৭ চনৰ এপ্ৰিল মাহত, দিছপুৰত। প্ৰিয় পাঠকসকলৰ মৰম আৰু শুভেচ্ছা পালে ই অচিৰেই অসমৰ প্ৰকাশন জগতত প্ৰতিষ্ঠা লাভ কৰিব বুলি আমাৰ বিশ্বাস।

আমাৰ প্ৰথম প্ৰকাশিত গ্ৰন্থখন আছিল কমল দাস অনূদিত কৃষণ চন্দৰৰ বিখ্যাত উপন্যাস 'গাদ্দাৰ'। দেশ-বিভাজনৰ আগে-পিছে সংঘটিত বৰ্বৰ সাম্প্ৰদায়িক সংঘৰ্ষ আৰু হত্যালীলাৰ প্ৰামাণ্য দলিলস্বৰূপ এই মৰ্মস্পৰ্শী উপন্যাসখন প্ৰকাশৰ লগে লগে পাঠকসমাজত আলোড়ন সৃষ্টি হৈছিল আৰু ছমাহৰ ভিতৰতে কিতাপখনৰ দুহেজাৰ কপি বিক্ৰী হৈ গৈছিল। অসমৰ প্ৰায় সকলো কাকত-আলোচনীতে উপন্যাসখনৰ সপ্ৰশংস আলোচনা প্ৰকাশ হৈছিল। বিভিন্ন প্ৰান্তৰ পাঠকৰ পৰাও আমালৈ ভালেমান চিঠি-পত্ৰ আহিছিল। প্ৰগতিশীল জীৱনাদৰ্শৰ অনুগামী, নলবাৰী কলেজৰ এগৰাকী অধ্যয়নশীল, প্ৰতিভাবান ছাত্ৰী তথা প্ৰচুৰ সম্ভাৱনাপূৰ্ণ তৰুণ কবি গীতা মেধিয়ে উপন্যাসখন পঢ়ি 'বিশ্বাসঘাতকৰ পৃথিৱীত অলপ ব'দ এমুঠি জোনাক' শীৰ্ষক এটি অপূৰ্ব সুন্দৰ কবিতা লেখি আমালৈ পঠাইছিল। কবিতাটো পিছত 'ন বেঙণি' (প্ৰথম বছৰ, পঞ্চম সংখ্যা, ডিচেম্বৰ-জানুৱাৰী '৯৭) নামৰ আলোচনীখনত প্ৰকাশ হৈছে। প্ৰিয় পাঠকসকলৰ চিঠি-পত্ৰৰ ব্যক্তিগতভাৱে উত্তৰ দিয়াটো আমাৰ পক্ষে সম্ভৱ নহ'লেও তেওঁলোকৰ মৰম আৰু শুভেচ্ছাৰ চিনস্বৰূপে আমি সেই আটাইবোৰ চিঠি-পত্ৰই সযত্নে সংৰক্ষণ কৰি ৰাখিছোঁ। 'নিৰুপমা বৰগোহাঞিৰ শ্ৰেষ্ঠ গল্প' আমাৰ প্ৰকাশিত দ্বিতীয় গ্ৰন্থ। এইগৰাকী শীৰ্ষস্থানীয় সাহিত্যিক তথা অগ্ৰগণ্য গল্পকাৰৰ প্ৰতিনিধিত্বমূলক গল্প-সংকলন হিচাপে এই গ্ৰন্থখনে যে পাঠকসমাজৰ পৰা অধিক মনোযোগ আৰু সমাদৰ লাভ কৰিব এই বিষয়ে বোধহয় কোনো সন্দেহ নাই। সেয়া হ'লে আমাৰ পৰিশ্ৰম সাৰ্থক হ'ব আৰু আগলৈ আমি উচ্চমানবিশিষ্ট ন ন গ্ৰন্থ প্ৰকাশৰ বাবে অনুপ্ৰাণিত হ'ম। পৰম শ্ৰদ্ধাৰে—

কমল দাস

সুভদ্ৰা প্ৰকাশন

১৫ অক্টোবৰ, ১৯৯৮ দিছপুৰ, গুৱাহাটী-৭৮১০০৬

নিৰুপমা বৰগোহাঞিৰ

শ্ৰেষ্ঠ গল্প

সূচীপত্ৰ

	পৃষ্ঠা
● এনড্ৰ'পলজিৰ সপোনৰ পিছত	১১
● ঢেঁকীৰ সৰগ	৪০
● আকাশ চৌৱা	৪৯
● ভৰি দুখন	৬২
● মধ্যবৰ্তিনী	৭৩
● নালন্দা বিশ্ববিদ্যালয়ৰ ছাত্ৰ	৯১
● নাৰী দশকত অকণ	১০৩
● ঠিকনা	১১৪
● খিৰিকী কাষৰ গছ	১২৪
● উপহাৰ	১৩৪
● এটা বনভোজৰ কাহিনী	১৪৪
● উৎসৱ	১৫৩

এনথ্ৰ'পলজিৰ সপোনৰ পিছত

ঘৰলৈ গৈ পোৱাৰ তাৰিখটো জনাই মালৈ চিঠি লেখি আছিলোঁ, আমাৰ বি-এ পৰীক্ষাৰ টেষ্ট শেষ হ'ল কালি।

দুৱাৰত কোনোবাই টুকুৰিয়ালে। লেখাৰ পৰা মূৰ দাঙি, কলমটো হাতত লৈ ঘূৰি চাই কাঁচ লগোৱা দুৱাৰৰ মাজেদি দেখিলোঁ, প্ৰীতি বৈ আছে। 'আহ্ প্ৰীতি।'

দুৱাৰখন মেলি সোমাই আহি তাই মোৰ বিছনাতে বাগৰি পৰিল। 'বৰ ভাগৰ লাগিছে অ' উমা।'

'পৰীক্ষা কেনে হ'ল? আজি এনথ্ৰ'পলজি আছিল নহয়?'

'ভালেই হ'ল, বৰ পাতল লাগিছে পৰীক্ষাটো শেষ হোৱাত।' টেবুলৰ ওপৰত থকা কালি অনা মোৰ 'ইউ, এছ্, এছ্, আৰ, ইন কনষ্ট্ৰাকছন'ৰ অষ্টম সংখ্যাটো টানি লৈ ধুনীয়া ছবিৰে ভৰা পাতবোৰ ধীৰে ধীৰে লুটিয়াই আৰামৰ পাতল উশাহ এৰে তাই।

'চাহ্ খালিনে প্ৰীতি?' লেখাৰ পৰা মূৰ নোতোলাকৈয়ে সোধোঁ।

'খালোঁ, লুচি নামৰ ছাল সেই কেইখন, চাহ্ নামৰ গৰম পানীৰে ডিঙি তিয়াই।' দুয়ো হাঁহো। গোটেইবোৰ পৃষ্ঠা চাই শেষ কৰি 'ইউ, এছ্, এছ্, আৰ, ইন কনষ্ট্ৰাকছন'খন টেবুলৰ ওপৰত দলিয়াই থৈ সোধে তাই, 'কালৈনো চিঠি লেখিছ উমা?'

'মালৈ। পৰহি ঘৰলৈ গুচি যাম নহয়।'

'ঘৰত গৈ জানো পঢ়িব পাৰিবি?'

'পাৰোঁ বা নোৱাৰোঁ, হোষ্টেলত ইমানবোৰ খৰচ কৰি থকাটো টান।'

অলপ সময় দুয়ো নিমাত হৈ থাকোঁ। তাৰপিছত তাই যেন আপোন মনেই কয়, 'মইতো মালৈ লেখিছোঁৱে ফাইনেল পৰীক্ষালৈকে হোষ্টেলতে থাকিম বুলি। কিন্তু প্ৰায় সকলোবোৰেই গুচি যাবগৈ পৰীক্ষা দিয়েই। হোষ্টেলটোত আৰু থাকিবলৈ ভাল নালাগে। দুই-চাৰিদিন বাহিৰত ঘূৰি আহিব পৰা হ'লে ভাল হ'লহেঁতেন। ঘৰলৈ গ'লে আকৌ আহিবলৈ বেয়া লাগে।'

অলপ সময় মনে মনে থকাৰ পিছত হঠাৎ উৎসাহিত হৈ উঠে প্ৰীতি– 'ব'ল না উমা, ময়ো যাওঁ তোৰ লগত। মই যে জীৱনত গাঁও দেখাই নাই। মাত্ৰ দুই-তিনি দিন থাকি গুচি আহিম।' আগ্ৰহেৰে তাই চাই থাকে মোৰ মুখলৈ।

মই অলপ বিমোৰত পৰোঁ। ঠিকনাটোৰ ওপৰতে কলমটো বুলাই বুলাই ভাবোঁ, প্ৰীতিহঁতৰ নিচিনা চহৰৰ সুখ-স্বাচ্ছন্দ্যত ডুবি থকা ছোৱালী এজনীক নি গাঁৱৰ অসুবিধাৰ মাজত পেলাওঁগৈ কেনেকৈ?

মোৰতো খুব ভালেই লাগিব প্ৰীতি। কিন্তু ভয় লাগে, হোষ্টেলত এদিন বেয়া ৰান্ধিলে ভাত খাব নোৱাৰি উঠি অহা তহঁতৰ নিচিনা আলসুৱা ছোৱালীয়ে গাঁৱৰ মোটা চাউল আৰু মাটি মাহৰ দাইলেৰে ভাত খাব জানো পাৰিবি?'

'সেইবোৰ তই ভাবিব নালাগে। ইয়াত বেয়া খাব নোৱাৰাৰ কথা বেলেগ। জানইতো, সেইদিনা আমি কছাৰী গাঁৱত 'এক্সাৰ্চন' কৰি আহিলোঁ। উৎসাহৰ মুখত কষ্টৰ কথা গমেই নাপালোঁ।' উৎসাহত উঠি বহে তাই। 'তদুপৰি গাঁৱলৈ গ'লে এনথ্ৰ'পলজিৰো নতুন তথ্য কিছু পাম নিশ্চয়।'

বি-এছ-চিৰ এনথ্ৰ'পলজিৰ ভাল ছাত্ৰী প্ৰীতি।

মোৰ হাঁহি উঠে। তাইৰ উৎসাহ দেখি আৰু আপত্তি কৰিবৰ ইচ্ছা নাযায়। সুধিলোঁ, 'তেন্তে মোটা চাউলৰ ভাত খাব পাৰিবি?'

'পাৰিম।'

'ব্ৰেড্-বাটাৰ, লুচি-ভাজিৰ সলনি চিৰা-পিঠা, আৰু চেনিৰ সলনি গুৰেৰে চাহ খাব পাৰিবি?'

'অনাযাসে আৰু আনন্দেৰে।'

'বাথৰুম নাই, লেট্ৰিন নাই, কি কৰিবি?'

'তোৰ ব্যৱস্থাই মোৰো ব্যৱস্থা।'

'ঘৰবোৰত খিৰিকী প্ৰায় নায়েই। তেনে এন্ধাৰ ঘোপ মৰা ঘৰত থাকিব পাৰিবি?'

'পাৰিম।'

'ষ্টেছনৰ পৰা আমাৰ গাঁৱলৈ তিনি মাইল দূৰ। পথাৰৰ পকা চপৰা পাৰ হৈ খোজ কাটিব পাৰিবি?'

'আঃ পাৰিম অ' পাৰিম।'

'ব'ল তেন্তে। মোৰ আৰু আপত্তি কিহৰ।'

'পুনশ্চ' দি মাক প্ৰীতি যোৱাৰ খবৰটো জনাওঁ।

অকণমানি অখ্যাত ষ্টেছনটোত গাড়ীখন ৰ'ল মাত্ৰ এক মিনিট। লৰালৰিকৈ এহাতে সৰু চুটকেছটো, আনহাতে গ্ৰামোফোনৰ ৰেকৰ্ডৰ পেকেটটো ভালকৈ বুকুত সাবটি গাড়ীৰ পৰা জাঁপ মাৰিলোঁ। প্ৰীতিয়ে তাইৰ ভেনিটি বেগটো আৰু

এটাচি কেছটো লৈ নামিল। বৰ দেউতাৰ মাজু ল'ৰা ললিতদাই আমাক নিবলৈ আহিছিল। সি লৰালৰিকৈ আৰু দুই এজনৰ সাহায্য লৈ বিছনা-পত্ৰ আদি মাল-বস্তুবোৰ নমালে। এনেতে গাড়ী এবাৰো হুইছেল দিলে। দীঘল উকিটো মাৰি দীঘলীয়া ট্ৰেইনখনে ষ্টেছন এৰিলে। গাড়ীৰ পৰা নমোৱা ট্ৰাংক্‌টো ওচৰতে থৈ কপালত পৰা চুলিকেইডাল আঁতৰাই ভাগৰৰ দীঘল উশাহ্ এটা টানি ললিতদাই চলিব ধৰা ট্ৰেইনখনলৈ চাই পঠিয়ালে। আমি দুই বন্ধুৱেও স্তব্ধ হৈ চাই থাকিলোঁ গাড়ীখনে ষ্টেছন সম্পূৰ্ণ নেৰালৈকে। তাৰপিছত মই অলপ হাঁহি প্ৰীতিলৈ চাই সুধিলোঁ– 'কেনে লাগিছে প্ৰীতি?' তাই দীঘলীয়া উশাহ্ এটা টানি কোটৰ বুটামবোৰ এটা এটাকৈ মাৰি মোলৈ চাই অলপ হাঁহিলে। এবাৰ ভালকৈ চালে, ক'ত নামিছে তাই। ইটাৰে বন্ধা ষ্টেছন ঘৰটো। ষ্টেছন মাষ্টৰৰ সৰু কোৱাৰ্টাৰটো। লগালগি টিকটৰুম। চাৰিওফালে খোলা। বহুত দিন পুৰণি এখন চাইনবোৰ্ডৰ পৰা যাক ৰেটিংৰুম বুলি জনা যায়, আৰু গুমটি ঘৰটো, –ইয়াকে লৈ আমাৰ ষ্টেছনটো। এই অঞ্চলৰ কেবাখনো গাঁৱৰ যাত্ৰীয়ে গাড়ী ধৰা এইটোৱেই একমাত্ৰ ষ্টেছন। কেইখনমান দোকান– গেলামালৰ, চাহৰ, এখন হাইস্কুল, এখন পাঠশালা, এটা পোষ্টঅফিচ্ –ইয়াকে লৈ আমাৰ ষ্টেছনটোৰ সভ্যতা, সাজসজ্জা। হাইস্কুলখন এইবাৰ নতুনকৈ পাতিছে। সৰু খেৰৰ ঘৰ এটা। এই অঞ্চলৰ বিদ্যানুৰাগী ল'ৰাবোৰে ইয়ালৈকে আহে পঢ়িবলৈ। শুনিছোঁ, ছোৱালীয়েও হেনো পঢ়িব পাৰে ইচ্ছা কৰিলে। কিন্তু হাইস্কুলত পঢ়িবলৈ ছোৱালী ক'ৰ পৰা ওলাব, ছাত্ৰ-বৃত্তি পাছ কৰা ছোৱালীও হয়তো বিচাৰি পাবলৈ টান হ'ব। মই যে আজি বি-এ পৰীক্ষা দিবলৈ ওলাইছোঁ, তাৰ মূলতেতো ভিনদেউ। আমাৰ ওচৰৰে গাঁও এখনৰ তেওঁ। পঢ়াত ভাল আছিল। বৃত্তি লাভ আৰু বিদ্যানুৰাগৰ ফলত বি-এটো পাছ কৰি গুৱাহাটীত মাষ্টৰি কাম এটা পালে। সি আজি বহুত দিনৰ কথা। বংশ-গৌৰৱত অলপ চহকী হিচাপে আমাৰ ঘৰখনৰ কিছু নাম আছিল। মোৰ বাইদেউ দেখাতো ভাল আছিল। সেয়ে তেওঁৰ লগত বিয়া হৈ গ'ল। মই তেতিয়া সৰু। সৰুৰে পৰা মাতকৈয়ো বেছি ভাল পোৱা বাইদেউৰ লগত এই বিচ্ছেদ মোৰ অতি অসহ্য হৈছিল। বাইদেউৰো। সেয়ে বহুত বাধা-আপত্তি নেওচিও বাইদেৱে মোক লৈ আহিল নিজৰ লগলৈ। তাৰপিছত ইমানখিনি পঢ়া-শুনা। ঘৰত অৱশ্যে সকলো অসন্তুষ্ট– ইমান ডাঙৰলৈকে ছোৱালী বিয়া নিদিয়াকৈ ৰখা বাবে। কিন্তু মোৰ ভিনদেউ সঁচাই বিদ্যানুৰাগী আছিল। পঢ়াত মোৰ আগ্ৰহ দেখি সকলো বাধাকে আওকাণ কৰি মোক পঢ়ালে। এবছৰ হ'ল, হঠাৎ বাইদেউহঁত যোৰহাটলৈ বদলি হৈ যাবলগা হ'ল। আৰ্থিক কষ্ট সত্ত্বেও ভিনদেৱে মোক হোষ্টেলতে থলে।

ষ্টেছন ঘৰটোৰ দুকাষৰ পৰাই আৰম্ভ হৈছিল মুকলি পথাৰ, প্ৰীতিয়ে অসীম

কৌতূহল লৈ চাৰিওফালে চাবলৈ ধৰিলে। 'ব'ল উমা, ঘৰ পাওঁতে গধূলিয়ে হ'বগৈ' –ললিতদাৰ কথাত চমক ভাঙিল আমাৰ। নিঃশব্দে তাৰ পাছে পাছে আগবাঢ়িলোঁ। ধূলিৰে ভৰা, এটাও শিল নথকা, দুকাষে দীঘল বিৰিণা নে কি বনেৰে ভৰা বাটটোৰে আমি চাৰিটা প্ৰাণী আগবাঢ়োঁ। একেবাৰে আগত ললিতদাৰ লগত অহা মানুহজন, পাছত ললিতদা, তাৰপাছত প্ৰীতি আৰু মই। খেৰৰ স্কুলঘৰটো এৰি যাওঁ, প্ৰীতিক দেখুৱাওঁ, টৈছনৰ বৰ্ণনা দিওঁ। তাই বোবা সপ্ৰশ্ন দৃষ্টি মেলি মোৰ কথা শুনি যায়, এষাৰো কথা নকয়। আমাৰ দুযোজনীৰ জোতা আৰু সিহঁতৰ শুদা ভৰিৰ ঘঁহনিত ফাগুনমহীয়া শুকান বাটটোৰ ধূলিবোৰ উৰি থাকে। ফিৰফিৰিয়া বতাহ গাত লাগে আমাৰ। মাৰ যাবলৈ ধৰা ৰঙা বেলিটোৰ ৰাঙলী আভা গাত লাগে আমাৰ। মনটো আপোনা- আপুনি পাতল লাগি যায়। 'প্ৰীতি, কেনে লাগিছে? চুটকেছটো গধুৰ পাইছ নেকি?' 'ওঁহো' –গাঁৱৰ মাটিত প্ৰথম ভৰি দিয়া প্ৰীতিয়ে মূৰ জোঁকাৰে, –'ইমান ভাল লাগিছে যে সেইবোৰ মন কৰিবলৈ আহৰিকে পোৱা নাই। সঁচাযে ইমান ধুনীয়া মুকলি পথাৰ চাৰিওফালে। মইতো কোনোদিন এনে দৃশ্য দেখাই নাছিলোঁ। ট্ৰেইনেৰে যাওঁতে দুকাষে দেখা ধাননি পথাৰ, দূৰণিৰ বাঁহৰ জোপা, আৰু হয়তো তাৰ আঁৰে আঁৰে দুই-এটা খেৰৰ ঘৰ, সেয়েই আছিল গাঁৱৰ লগত মোৰ পৰিচয়ৰ সীমা। কিতাপত পঢ়িছিলোঁ, গাঁৱৰ মানুহবোৰ হেনো খুব সৰল, মুকলিমূৰীয়া। তাৰ কাৰণ এতিয়া বুজিছোঁ। এই উদাৰ পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ হ'বই লাগিব।' উচ্ছ্বসিত হৈ উঠে তাই। নতুন নতুন সৌন্দৰ্য আৱিষ্কাৰৰ মোহত মুগ্ধ হয়। 'চাচোন উমা, সৌ বাঁহজোপাৰ তলত ক'লা স্তব্ধ পানীত পুখুৰীটো কি যেন ৰহস্যেৰে ভৰা, নহয়? আৰু যে দেহি, সৌ মেটেকাৰ ফুলবোৰ ইমান ধুনীয়া লাগিছে। সৌখন বিল নহয় জানো?' মই তাইক ক'ব নোৱাৰোঁ বাঁহৰ জোপাৰ আঁৰত থকা বন্ধ পানীত কিমান মেলেৰীয়াৰ বীজাণু, ধুনীয়া মেটেকাই খেতিৰ কিমান অনিষ্ট কৰে। 'যেতিয়া সেউজীয়া ধানেৰে পথাৰবোৰ ভৰি পৰে, তেতিয়া চাগৈ আৰু কিমান ধুনীয়া দেখায়, নহয়?' 'ওঁ, বেয়া সময়ত আহিলি প্ৰীতি। আৰু মুগ্ধ হ'ব পাৰিলিহেঁতেন।'

প্ৰীতিৰ উচ্ছ্বাসবোৰ, ভাৰ বোৱা মানুহজনৰ ভাৰৰ কোঁ কোঁ শব্দবোৰ শুনি শুনি আমি পথাৰ এখনত নামি গাঁও এখনত সোমালোঁ।

ইমান সময় নিমাত হৈ থকা ললিতদাই এইবাৰ মাত লগালে– 'উমা, তোৰ বন্ধু এই প্ৰথম গাঁৱলৈ আহিছে নহয়? এইবাৰ আমি গাঁৱত সোমালোঁ। যি দেখুৱাব লাগে, তই দেখুৱাবি দেই।' অনুভৱ কৰোঁ, ললিতদাৰ লগত প্ৰীতিৰ পৰিচয়টো কৰি দিব লাগিল। আকৌ এবাৰ ভাবিছিলোঁ কথাটো, টৈছনতে, ট্ৰেইনৰ পৰা নামি ললিতদাক দেখি। তেতিয়াই প্ৰীতিক 'এওঁ আমাৰ ললিতদা,

বৰদেউতাৰ মাজু পুতেক' বুলি ক'ব খুজিও হঠাৎ মূক হৈ গ'লোঁ: শুভ্ৰ লনি দেহ, দামী খয়েৰী ৰঙৰ লংকোট পৰিহিতা, সোণৰ দৰে উজ্জ্বল ঘড়ীটো এহাতত, ভৰিত চকচকীয়া লেডী-শু, মাখন ৰঙৰ মেখেলা-চাদৰ পিন্ধা উজ্জ্বল প্ৰীতিজনীৰ লগত ওখ, ক'লা, মলিয়ন চোলা আৰু চুটি ধুতি পিন্ধা, ভৰিত জোতা-চেণ্ডেল নথকা, চুলিত তেল নপৰা, ধূলিৰে ভৰা ললিতদাটোক পৰিচয় কৰি দিয়া কথাটো সেই মুহূৰ্তৰ কাৰণে খুব হাঁহি উঠা আৰু অবাস্তৱ যেন লাগি গৈছিল।

'প্ৰীতি, ললিতদাক চিনি পোৱা নাই নহয়? মোৰ বৰ দেউতাৰ মাজু ল'ৰা', 'অ' হয় নেকি, মই জনাই নাছিলোঁ।' এনথ্ৰ'পলজিৰ ছাত্ৰী প্ৰীতিৰ ললিতদাৰ প্ৰতি আগ্ৰহতকৈ বাটৰ দাঁতিত ৰমক-জমককৈ ফুলি থকা গছ এজোপাৰ প্ৰতিহে আগ্ৰহ বেছি দেখা পাওঁ। কিয় জানো আগে আগে তলমূৰকৈ গৈ থকা প্ৰথম দেখিয়েই শ্ৰদ্ধা আৰু বিমুগ্ধ ভাবেৰে চাই থকা ললিতদাটোৰ প্ৰতি মৰম লাগি যায়। গ্ৰাম্যতা আৰু তাৰ উপসৰ্গ অশিক্ষাৰ কাৰণে ডেকা এজনৰ যৌৱনটো যেন উপেক্ষিত হ'ল। ললিতদা যদি চহৰৰ কলেজীয়া চৌখিন ডেকা এজন হ'লহেঁতেন প্ৰীতিয়ে নিশ্চয় ইয়াতকৈ আৰু অলপ বেছি মনোযোগ দেখুৱালেহেঁতেন। কিন্তু প্ৰীতিকো দোষ দিব নোৱাৰোঁ। মই নিজেও নিজৰ পৰা ইয়াতকৈ বেছি আশা হয়তো কৰিব নোৱাৰোঁ।

চালত বগা কোমোৰা, উৰহী বগোৱা খেৰৰ ঘৰকেইটাৰ বাহিৰে আন দেখুৱাব লগা বস্তু বিচাৰি নাপাইছিলোঁ। কিন্তু প্ৰীতিৰ এনথ্ৰ'পলজিৰ মনে খোৰাক পালেই। 'উমা, কি আচৰিত কাণ্ড তহঁতৰ এইফালে। মাইকী মানুহবোৰে বুকুত মাত্ৰ মেখেলাখন পিন্ধিয়ে থাকে নেকি?' মোৰ কাৰণে অতি স্বাভাৱিক কাৰণেই কথাটো মোৰ মনত খেলোৱা নাছিল। হঠাৎ মই সচেতন হৈ যাওঁ, মোৰ মায়োতো ইযাকে পিন্ধে। প্ৰীতিৰ কেনে লাগিব বাৰু? নিৰুপায় লাজত কথাষাৰ ভাবোঁ। পিছত প্ৰীতিয়ে নিজে দেখি নাৰ্ভাচ হোৱাতকৈ ময়েই তেতিয়া জনাই থওঁ– 'প্ৰীতি, মোৰ মায়োতো এনে পোছাকেই পিন্ধে।' 'কৰ কি? তই দিয় কিয়?' –'যুক্তিহীন প্ৰশ্ন প্ৰীতি, তাতকৈ সোধ, মোক কিয় পঢ়িব দিছে, জোতা পিন্ধিব দিছে, কোট পিন্ধিব দিছে?' তাই মনে মনে থাকে। দুকাষে বাঁহৰ জোপা, কেতিযাবা শাৰী শাৰী জুপুৰি ঘৰ, তাৰ মাজেৰে সৰু বাটটোৰে গৈ গৈ গধূলি ঘৰ পাওঁগৈ।

আমাৰ ঘৰৰ ভিতৰৰ চোতালত জাবৰ আৰু তুঁহগুৰিৰ জুই একুৰাৰ কাষত বহি আছিল মোৰ মা আৰু ঘৰৰ ল'ৰা-ছোৱালীবোৰ। ভাইটিও বহি আছিল। বায়েকক অপেক্ষা কৰি কৰি হয়তো সি পঢ়িবলৈ যোৱাই নাই।

এখন হুলস্থুল লাগি পৰিল। তাৰ মাজতে মাৰ মৰমৰ কোমল মাতটো শুনিলোঁ, 'মাই, আহিলিনে ভালে ভালে?' 'ওঁ মা, এয়া মোৰ বন্ধু প্ৰীতি, মা।'

'আমাৰ দুখীয়া গাঁৱৰ দুখীয়া মানুহৰ ঘৰলৈ কিয় আহিলা আই, বৰ কষ্ট পাবা।' মায়ে চেনেহ সনা মাতেৰে প্ৰীতিৰ মূৰত হাত বুলাই কয়। জুইৰ পোহৰত অলপ উজ্জ্বল হৈ থকা মাৰ ফাললৈকে চাই আছিল প্ৰীতিয়ে। গাত এখন চাদৰ উৰি লোৱা মাৰ বুকুত পিন্ধা মেখেলাখন সেই সময়ত তাই দেখা নাপালে। 'নাই মাহীদেউ, সেইবোৰ কষ্ট একো নহয়, মোৰ খুব ভালহে লাগিছে।'

হঠাতে আৰু এটা কথা মনত পৰে। উজনি অসমৰ ছোৱালী প্ৰীতি, আমাৰ গাঁও নামনি অসমত। ভাষাৰ বহুতখিনি পাৰ্থক্য আছে, খাঁটি গাঁৱৰ মাত-কথা বুজিবলৈ তাইৰ অলপ টানেই হ'ব। মই তাইক কথাষাৰ কোৱাত তাই আমোদৰ আৰু এটা পথ পালে। 'অ' উমা, তয়ো এই ভাষাতে কথা কবি নহয়, বাঃ কি মজা লাগিব।' তাই কৌতুকত হাঁহি উঠে।

ল'ৰা-ছোৱালীবোৰে প্ৰীতিৰ ফালে নিমিষ নপৰাকৈ চাই আছিল। মোকো সিহঁতে দেখিছে অৱশ্যে এই বেশতেই, কিন্তু প্ৰীতিৰ কোটটো নতুন সিহঁতৰ কাৰণে, নতুন তাইৰ উজনিৰ ভাষাৰ কথাবোৰ। মোৰ মুখত তেনে ভাষা, গাত কোট দেখা নাছিল সিহঁতে। আৰু এনেয়োতো নতুন ছোৱালী এজনী। তথা লাগি চাই থাকে সিহঁতে, ৰ লাগি শুনি থাকে কোনোদিন নুশুনা নতুন ভাষাৰ কথাবোৰ। মোৰ মৰম লাগে সিহঁতলৈ, লেতেৰা গামোচা একোখন ধুতিৰ দৰে পিন্ধা ল'ৰাবোৰ। ছোৱালীবোৰৰ পিন্ধনত একোখন চুটি মেখেলা– কাৰো গাত চোলা– কাৰো গাত চাদৰ। আটাইবোৰ বৰদেউতাৰ ল'ৰা-ছোৱালী– মোৰ ভাই-ভনী। 'কি অ' দূৰ্পতি, শুই আছিলি নেকি?' একাষত কেতিয়াবাই আহি থিয় হৈ থকা দ্ৰৌপদীজনীক সোধোঁ। তাই বৰদেউতাৰ নুমলীয়া জীয়েক। আমাৰ এইফালৰ গাঁওবোৰত নামবোৰ সাধাৰণতে এইদৰে বিকৃত হৈ যায়। তাইৰ নামো সেইদৰে সকলোৰে মুখত দূৰ্পতি। দ্ৰৌপদীতো বাৰু উচ্চাৰণ কৰিবলৈ টানেই, কিন্তু যাৰ নাম হেম, তাকো বিকৃত কৰি কোৱা হয় হেমা–।

দূৰ্পতিয়ে একো উত্তৰ নিদি লাজকুৰীয়া হাঁহি মাৰে। এইবাৰ হাতত চাকি এটা লৈ বৌজনী ওলাই আহে। বৰদেউতাৰ ডাঙৰ ল'ৰা অভয়দাৰ ঘৈণীয়েক। এবছৰ হ'ল বিয়া কৰোৱা– বয়সত বেছি ডাঙৰ নহয়; মোতকৈ সৰুৱেই হ'ব। অলপ হাঁহি সুধিলে– 'আহিলা উমা? আমাৰ ইহঁতৰ গাত ততেই নাই, আবেলিৰে পৰা খাপ পাতি বৈ আছে ইয়াতে' চাকিটো দাঙি অলপ চায় প্ৰীতিক, –বৌৱে যেন প্ৰীতিক মাতিব খোজে। কিন্তু লাজতে মনে মনে থাকে হয়তো। মই প্ৰীতিক বৌক চিনাই দিওঁ। প্ৰীতিয়ে সস্মিতভাৱে চায়, বৌৱেও প্ৰত্যুত্তৰৰ লাজকুৰীয়া হাঁহি মাৰে।

'হেৰা সৰুখুৰীয়েক, তুমি ছোৱালী দুজনীক বাহিৰতে থিয় কৰাই ৰাখিবা নেকি? বাছাহঁত ইমানদূৰ ভাগৰে-জুগৰে আহিছে, ক'ত পানীদুনি এটোপা

খুৱাবা, কষ্টহে দিব ধৰিছা!' পাকঘৰৰ পৰা বকি বকি ভাতৰন্ধা ৰঙা মেখেলাখন পিন্ধি ডাঙৰ মাই ওলাই আহিল।

'ভালে আছা ডাঙৰ মাই?' মই হাঁহি মুখেৰে তেওঁৰ ফালে চাওঁ।

'আছোঁ বাছা একৰকম।' ওচৰলৈ আহি তেওঁ প্ৰীতিৰ মূৰত হাত ফুৰাই কয়– 'এইজনীয়ে তোৰ বন্ধু নহয়নে? আমাৰ দুখীয়া ঘৰত কি খুৱাম আই, চহৰৰ ছোৱালী, কষ্ট খাবা–'

'নাই ডাঙৰমা, আপোনালোকৰ ইমান মৰমৰ ভাবনাৰ জ্বালাতহে কষ্ট পাব লাগিব দেখিছোঁ।'

'অ' তইঁত এতিয়া ভিতৰলৈ ব'ল, উমা,' মায়ে মাতি লৈ যায় আমাক।

ঘৰত সোমোৱা দুৱাৰখনৰ সমুখতে পৰ্দাৰ সলনি আঁৰবেৰ দিয়া। চোতালৰ পূবফালে থকা আমাৰ সৰু ঘৰটোত সোমাওঁ। দুটা কোঠালি, এটাত মা আৰু ভাইটি থাকে– আনটোত মাৰ সা-সম্পত্তি আছিল। এতিয়া আমাৰ কাৰণেই হয়তো যথাসাধ্য মাল-পত্ৰবোৰ আঁতৰাই থৈছে।

হাতৰ বস্তুখিনি এচুকত মাটিতে থৈ জোতাযোৰ খুলি বাগৰি পৰোঁ মাৰ বিছনাতে। 'আহ প্ৰীতি' –তাই একো নামাতি নিঃশব্দে এটাচি কেছটো খোলে। ভিতৰৰ পৰা লজেঞ্চ-বিস্কুট কিছুমান উলিয়াই দুৱাৰমুখত জুম বান্ধি থকা ল'ৰা-ছোৱালীবোৰক ভগাই দিয়ে। মই সেই ফালে চাই হাঁহো– প্ৰীতিজনীৰ দেখিছোঁ বিবেচনা খুব।

'তোৰ ভাইটি ক'ত উমা?' আৰু কিছুমান লজেঞ্চ-বিস্কুট উলিয়াই সোধে তাই। মোৰ একমাত্ৰ ভাইটি অবনী তেতিয়া চুচুক-চামাককৈ মোৰ ওচৰত বহিছিলহি। সি চাৰ্ট আৰু পেণ্ট পিন্ধে। 'এইজনেই মোৰ সহোদৰ।' মই হাঁহি মাৰি তাৰ পিঠিত হাত থৈ কওঁ। 'খোৱা ভাইটি, কি নাম তোমাৰ?' সি লাজতে তলমূৰকৈ কোনোৰকমে হাতখন মেলি আধাফুটা মাতেৰে কয়, 'শ্ৰীঅ-ব-নী চন্দ্ৰ চৌধুৰী।' মোৰ যে অলপ অস্বস্তি লাগি যায় তাক অস্বীকাৰ কৰিব নোৱাৰোঁ। ইমান লাজুক ই। প্ৰীতিৰ ভায়েকক এবাৰ দেখিছিলোঁ, ইয়াৰ সমনীয়াই হ'ব নেকি, কিন্তু কি সপ্ৰতিভ, মনতে আপোনা-আপুনি এটা তুলনা আহি মনটো অলপ বেয়া লগাই দিয়ে।

'আগে চাহ খাই লৈ ভৰি-হাত ধুবি নেকি উমা?'

'ওঁ মা, চাহেই খাওঁ দিয়া আগে।'

এটা কাপৰ ধৰা নালডাল ভঙা, এটা যেনিবা অক্ষত, দুকাপ চাহ লৈ বৌ সোমাই আহে। ভাল কাপটো প্ৰীতিক দি ইটো মই নিজে লওঁ। প্ৰীতিয়ে চাহৰ কাপ মুখত তুলি মোৰ ওচৰত বহেহি। চাহটোপা সিমান বেয়া হোৱা নাই। হোষ্টেলত খোৱাৰ তুলনাত বহুত ভালেই। মায়ে দুখন প্লেটত গুৰৰ নাৰিকলৰ

লাৰু আৰু তিলপিঠা লৈ আহে। চাহত যেনিবা চেনি দিয়া আছিল। ষ্টেছনৰ দোকানৰ পৰা মায়ে বোধহয় ললিতদাৰ হতুৱাই অনাইছিল। দুয়ো অলপ খাওঁ।

ভৰি-হাত ধুব লাগে। দুয়ো কাপোৰ-কানি সলাবলৈ যাওঁ। পাছে পাছে ল'ৰা-ছোৱালীবোৰ আহে। এইটো আৰু এটা অসুবিধা গাঁৱত। যিখন ঘৰত নতুন কিবা এটা দেখে তাতেই দিন-ৰাতি মানুহ ভৰি থাকেই। ইহঁতো মোৰেই ভাই-ভনী; কালিৰ পৰা যে জুম বান্ধি বহিব ওচৰৰ ঘৰবোৰৰ ল'ৰা-ছোৱালী, জীয়ৰী-বোৱাৰী। চহৰৰ ভদ্ৰতা ইয়াত নাই। যিকোনো পোছাকেৰে এখন গাঁৱৰ মানুহবোৰে পৰস্পৰৰ ঘৰলৈ অহা-যোৱা কৰাৰ ভদ্ৰতাহীনতাৰ অবাধ মুক্তিখিনি খুব বেছিকৈয়ে আছে ইয়াত। মই ইয়ালৈ অহা বেছিভাগ সময়ে এইদৰে পৰিবেষ্টিত হৈ থাকোঁ– কি পঢ়া-শুনা কৰি থকা সময়ত, কি আন কামত ব্যস্ত থকা সময়ত।

প্ৰীতিৰ অসুবিধা বুজোঁ। জানো ডাঙৰমাই মনে মনে অসন্তুষ্ট হ'ব, তথাপি ভাই-ভনীবোৰক আঁতৰাই পঠাওঁ।

বৌৱে এবাল্টি পানী আৰু ঘটিটো চোতালৰ এফালে থকা কাঠৰ পাত এচটাৰ ওচৰত থয়। আমি দুয়ো কাপোৰ সলাই চেণ্ডেল হাতত লৈ ধূলিৰে ভৰা ভৰিত পানী ঢালোঁ। বৌৱে চাকিটো হাতত লৈ গাৰ চাদৰখন ভালকৈ মেৰিয়াই আমাৰ ওচৰতে বৈ থাকে। দীঘল হাতৰ ব্লাউজটোৰ হাতখন অলপ কোঁচাই টাৱেলেৰে ভৰিখন মচি মচি প্ৰীতিয়ে বৌক সোধে 'আপোনাৰ ঠাণ্ডা লগা নাই বৌ? আমাৰ হ'লে বৰ ঠাণ্ডা লাগিছে। গুৱাহাটীতকৈ ইয়াত বেছি ঠাণ্ডা। গৰম কাপোৰ নলয় কিয়?' প্ৰশ্নটো কৰি উঠি প্ৰীতি যেন অলপ অপ্ৰস্তুত হৈ যায়, বৌও। মই লগে লগে সহজ হাঁহিৰে বুজাই কওঁ– 'কপাহৰ সূতা কাটি ঘৰত বোৱা চাদৰেই আমাৰ ইয়াত গৰম কাপোৰ, প্ৰীতি। পিন্ধিবলৈকে যাৰ কাপোৰ নিমিলে, সি আৰু গৰম দামী কাপোৰ পিন্ধাৰ বিলাস কৰিব পাৰেনে? আৰু এওঁতো বোৱাৰী মানুহ। সদায় কামতেই ব্যস্ত থাকে। গৰম কাপোৰৰ প্ৰয়োজনেই নহয়।' প্ৰীতিয়ে আৰু একো নামাতি নিঃশব্দে ঘৰত সোমায়গৈ। চাকিৰ পোহৰ আমাক অলপ দূৰ দেখুৱাই বৌ গুচি গ'ল পাকঘৰলৈ। মাছ এসোপা বাছিবলৈ আছে বোলে।

'প্ৰীতি, ভাত হোৱাত অলপ পলম আছে। তই বিছনাত বাগৰি ল। মই ডাঙৰমাইহঁতৰ ওচৰৰ পৰা আহোঁ।' তাই মূৰ দুপিয়াই ললিতদাই বেডিং খুলি দিয়াৰ পিছত মায়ে সযত্নে পাৰি দিয়া বিছনাত গাত লেপখন টানি লৈ বাগৰি পৰে।

'ডাঙৰ মাই' –মই পাকঘৰত সোমাওঁ। চেণ্ডেলযোৰ বাহিৰতে থওঁ।

'সৌ পীৰাখনকে টানি লৈ বহ, উমা।' মাছ কেইডোখৰ ভাজি থকাৰ পৰা

ডাঙৰমায়ে মাত লগায়। তেলৰ অভাৱ বোধহয়, ভজামাছৰ লোভনীয় গোন্ধটো নাপাওঁ।

'কি ৰান্ধিছা ডাঙৰমাই?'

'এ মাই কিনো ৰান্ধিম, তহঁত দুজনীলৈ এই মাছ দুডোখৰকে ভাজি থবলৈ খুজিলোঁ। জানই নহয়, তেলৰ কিমান অভাৱ। তইতো ঘৰৰে ছোৱালী, শাকে-পাতে আমাৰ লগতে এমুঠি খাব পাৰিবি, তেওঁক কিটো খুৱাওঁ। মাৰে যেনিবা ললিতৰ হতুৱাই ইষ্টেছনৰ পৰা দুটামান আলু-দাইল অনাই থৈছিল, কিয়নো আনিলি ছোৱালীজনীক, বৰ কষ্ট পাব।'

'হ'ব দিয়া। তাইক আগতেই এইবোৰ অসুবিধাৰ কথা কৈ আনিছোঁ। অ' ডাঙৰমাই খাবৰ আঞ্জা ৰান্ধিছাতো? কিমান দিন যে খোৱা নাই।'

তাৰপিছত ৰান্ধি ৰান্ধি এঘণ্টামান গল্প কৰে ডাঙৰমায়ে। প্ৰীতিৰ কথাবোৰ সোধে, কি জাত, কি পঢ়ে, দেউতাকে কি কৰে, ক'ত থাকে, তাইৰ বিয়াৰ কিবা ঠিক হৈছে নে নাই ইত্যাদি। বিয়াৰ কথাত মই হাঁহি হাঁহি কওঁ– 'নাই ডাঙৰমাই, তাইৰ এতিয়াই বিয়া নহয়। ডাঙৰ মানুহৰ ছোৱালী, পঢ়া-শুনাতো ভাল, ইয়াত পঢ়া সাং কৰি আমেৰিকালৈ আৰু বেছি পঢ়িবলৈ যাব।'

'আমেৰিকা আৰু কি?' হাতৰ হেতাখনেৰে ভাতখিনি লৰাবলৈ পাহৰি আচৰিত হৈ চাই থাকে ডাঙৰমায়ে। চাকিৰ পোহৰত এচুকত মাছ বাছি থকা বৌৰ ডাঙৰ চকু দুটাও দেখোঁ ওৰণিৰ তলত সপ্ৰশ্ন দৃষ্টিত নিশ্চল হৈ গৈছে। অলপ হাঁহি উত্তৰ দিওঁ– 'সাতসাগৰৰ সিপাৰৰ দেশ ডাঙৰমাই, খুব বগা মানুহবোৰ থাকে তাত।'

'তোমাৰ বন্ধুৰ সমান বগানে উমা?' হঠাতে প্ৰশ্ন কৰি পেলায় বৌৱে। প্ৰীতিৰ ৰং খুব সুন্দৰ, তদুপৰি প্ৰাচুৰ্যত আৰু বেছি উজ্জ্বল; মোৰ হাঁহি উঠে– 'তাতকৈও বহুত বেছি বগা বৌ, চুলিবোৰ ৰঙা, আমাৰ ইয়াৰ ল'ৰা-ছোৱালীবোৰতকৈও বেছি ৰঙা। মতা মানুহবোৰে ভিনদেউৰ দৰে ঠেঙা পিন্ধে। মাইকীবোৰে চোলা, মই যে আগতে পিন্ধিছিলোঁ তেনে চোলা।'

'কোৱা কি? ডাঙৰ ছোৱালীবোৰেও নে?'

'ওঁ, ডাঙৰ ছোৱালী কি, তিৰোতায়ো, বুঢ়ীয়েও। আৰু এটা আচৰিত কথা, তাৰ ছোৱালীবোৰে নিজে দৰা পছন্দ কৰি বিয়া কৰায়–'

'ছিঃ এনে নিলাজী নে সিহঁত' –বিস্ময় পৰিহাৰ কৰি এইবাৰ বৌৱে মন্তব্য কৰি পেলায়। মই ঢেকঢেকাই হাঁহি দিওঁ।

ইয়াৰ পিছত মই ডাঙৰমাইক ইমান সময়ে দেখা নোপোৱা ডাঙৰদাদা, বৰদেউতাহঁতৰ খবৰ সোধোঁ। তেওঁলোক বোলে ভকতসেৱালৈ গ'ল। 'তোৰ ভাগ্য ভাল উমা, ভকতসেৱাৰ লাৰু খাবলৈ ভাল পাৱ নহয়?' ডাঙৰমায়ে সোধে।

এৰা ঘৰত ভৰি দিয়েই মোৰ পছন্দৰ বস্তু এটা খাব পাম, ভাগ্য ভালেইতো! প্ৰীতিৰ বা কেনে লাগে। তাই বোধহয় ভকতসেৱা নামটোকে জীৱনত শুনা নাই।

কিছু সময় ডাঙৰমাইৰ লগত কথা-বতৰা পাতি মই আকৌ আমাৰ কমলৈ গুচি আহোঁ। প্ৰীতিৰ ওচৰত বহি মায়ে গল্প কৰি আছে। চাৰিওফালে ল'ৰা-ছোৱালীবোৰ।

'কি অ' প্ৰীতি? মাৰ ভাষা বুজিবলৈ তোৰ অসুবিধা হোৱা নাই?'

'নাইতো। মাহীদেৱে দেখোন আমাৰ ভাষা ভালকৈ বুজি পায়। ম৯ো তেখেতৰ কথা বেছ ধৰিব পাৰিছোঁ।'

'ওঁ, মা বাইদেউৰ লগত বহুতদিন চহৰত আছিল নহয়।' মোৰ যেন অলপ গৌৰৱেই ওপজে।

বৌৱে ভাত খাবলৈ মাতে। বৌৰ চাকিৰ পোহৰত দুয়ো পাকঘৰত সোমাওঁগৈ। আহু চাউলৰ মোটা ভাতকে সদায় বান্ধে গাঁৱৰ ফালে। আমাৰ কাৰণে বোধহয় বিশেষকৈ শালি চাউল বান্ধিছে।

কাঁহীখন গাৰ ওচৰলৈ টানি নি প্ৰীতিয়ে আপত্তি কৰে– 'বহুত ভাত দিছে ডাঙৰমাই–' কিন্তু ডাঙৰমায়ে শুনিব নোখোজে, 'এ বাছা ইমান দূৰ ভোকে-ভাগৰে আহিছা, সেই দুটা ভাতকে খাব নোৱাৰানে?'

'ইমানবোৰ ভাতক দুটা ভাত কয় আপুনি? অতি সাংঘাতিক ভোক লাগিলেও ইমান ভাত খোৱা অসম্ভৱ। দুটামান ভাত সঁচায়ে লৈ যাওক ডাঙৰমাই।' অগত্যা ডাঙৰমায়ে 'তহঁত চহৰৰ ছোৱালীবোৰ যে কি খাই থাক, ইমান পঢ়া-শুনা কৰিব লাগে, এনেকৈ খালে চলেনে' –ইত্যাদি আক্ষেপেৰে ভাত লৈ যায়। খোৱাৰ মাজত একোবাৰ প্ৰীতিলৈ চাওঁ খাব পাৰিছেনে নাই। ডাঙৰমাইৰ যথাসাধ্য চেষ্টাতো আঞ্জাবোৰ হোষ্টেলত খোৱাতকৈও বেয়া হৈছিল। বস্তুৰ অভাৱ, তেল কম, মছলা নাই, তাতে ইমানবোৰ মানুহৰ ভাত-আঞ্জা।

বৌৰ সেই নিজস্ব ভংগী– এহাতে চাকিটো লৈ ওৰণিখন বহুতখিনি টানি বটা এখনত তামোল লৈ আমালৈ বাট চাই আছে দুৱাৰমুখত। তেওঁৰ ফালে চাই হাঁহি প্ৰীতিয়ে হাত পাতে– 'দিয়ক, কিন্তু চুণ নিদিব দেই।' বৌৱেও সংকুচিত-ভাৱে অলপ হাঁহি এখিলা পাণৰ পৰা চুণখিনি আঙুলিৰে লৈ ওচৰৰ চুণ নথকা বেৰখনত মচি, –য'ত আৰু তেনে মচা চুণৰ দাগ– প্ৰীতিৰ ফালে আগবঢ়াই দিয়ে। কাম কৰি খহটা হৈ যোৱা হাতখন যেন অলপ ইচ্ছা কৰিয়েই প্ৰীতিৰ ধুনীয়া কোমল হাতখনত লগাই দিয়ে।

'বৌ আমি শোওঁগৈ নে? আপুনি কেতিয়া খাব? অলপ গল্পই কৰিলোঁহেঁতেন আপোনাৰ লগত।'

'গল্প বাৰু পিছতো কৰিবি, প্ৰীতি। এতিয়া শোওঁগৈ ব'ল। এওঁ যেতিয়া ভাত খাব আমি এঘুমটি মাৰি সাৰ পাম। আজি আমিয়ে প্ৰথম ভাত খালোঁ। ঘৰৰতো আৰু কোনেও খোৱা নাই। ইয়াৰ পিছত ল'ৰা-ছোৱালীবোৰ, তাৰপিছত পুৰুষৰ দল, তাৰ পিছতহে মা-বৌহঁত। আৰু এদলে খোৱাৰ ইণ্টাৰভেলৰ লগে লগে বৌৰ কাঁহী-বাটিবোৰ ধুই অনাৰ ভাৰখিনিতো আছেই।' তাৰপিছত প্ৰীতিক হাতত ধৰি টানো। তাই হাতৰ ঘড়ীটোত বাতি দহটা বজা চাই করুণভাৱে বৌলৈ চাই হাঁহে। বৌয়েও হাঁহি চাকিটো লৈ আমাক বাট দেখুৱাই আনে। প্ৰীতিয়ে কয়– 'লেডি উইথ দ্যা লেম্প' –নুবুজাকৈয়ে আকৌ হাঁহে বৌয়ে। খুব হাঁহে দেখিছোঁ এই বৌজনীয়ে; বকিলেও হাঁহে, নুবুজা কথা শুনিলেও হাঁহে, সকলোতে কেৱল হাঁহিয়েই থাকে।

মায়ে আমি শোৱাৰ পিছত পাকঘৰলৈ গুচি গ'ল। মাৰ পাছে পাছে ভাইটিও যায়। দুয়ো লেপৰ তলত সোমাওঁ। দিনটোৰ পৰিশ্ৰমৰ পিছত লেপৰ তলৰ উম আৰু প্ৰীতিৰ তপ্ত সান্নিধ্যই তৃপ্ত কৰি তোলে। নিজান গাঁওখনৰ নিবিড় নীৰৱতাৰ মাজত বাঁহত ঠেকা লাগি লাগি উঠা সো-সোৱনি শুনি শুনি সীমাহীন ভাবনাৰ ৰাজ্যত ডুবি যাওঁ। ক্লান্তি বেছি হ'লে মোৰ সোনকালে টোপনি নাহে। নতুন পৰিবেশত হয়তো প্ৰীতিৰো টোপনি নাহে। কেবাবাৰো বাগৰ সলায়। কিছু সময় নীৰৱ হৈ থকাৰ পিছত তাইৰ ফালে ঘূৰি তাইৰ হাত এখন মৰমেৰে মোৰ হাতৰ মাজত সোমাই লৈ সোধোঁ, 'কি ভাবিছ প্ৰীতি?' তাইৰ দীঘল উশাহ এটা শুনো। তাই মোৰ আৰু ওচৰ চাপি আহিল, –'বাৰু বৌৰ গিৰিয়েকজন কেনেকুৱা?' প্ৰশ্নটোৰ আকস্মিকতাত প্ৰথমে উত্তৰ দিব নোৱাৰোঁ। তাৰপিছত লাহে লাহে তাইৰ হাত দুখন আলফুলকৈ ওচৰলৈ আনি কওঁ– 'হঠাৎ যে এনে এটা অদ্ভুত প্ৰশ্ন প্ৰীতি? ওঁ, হাঁহি ভৰা মুখখনেৰে বৌজনীক কঠোৰ গাঁৱলীয়া খেতিয়ক এজনক তেওঁৰ গিৰিয়েক হিছাপে কল্পনা কৰিবলৈ টান লাগে নহয়? কিন্তু দুৰ্ভাগ্যক্ৰমে পৃথিৱীত ৰসহীন গদ্যই বেছি। আমাৰ বৌজনীৰ গিৰিয়েকো এজন সাধাৰণ খেতিয়কৰ বাহিৰে একো ৰোমাণ্টিক নহয়।'

প্ৰীতিয়ে আৰু একো নামাতে। ভাববোৰৰ মাজত ভাঁহি ফুৰোঁতে কেতিয়াবা টোপনি আহে।

লোহাৰ সলনি বাঁহৰ চিক লগোৱা– কোঠালিটোৰ এখন মাত্ৰ সৰু খিৰিকীৰ ফাঁকেদি অহা পুৱাৰ কোমল ৰ'দ এচেৰেঙা চকুত পৰেহি। সাৰ পাওঁ। আমাৰ পুৰণিকলীয়া পেৰাটোত চকু পৰে। মনত পৰি যায় হোটেলত নাই আৰু আমি, মনত পৰি যায় প্ৰীতি আহিছে মোৰ লগত। লৰালৰিকৈ তাইলৈ চাওঁ, অকাতৰে শুই আছে। বাহিৰত কথা-বতৰা, ল'ৰা-ছোৱালীবোৰৰ চিঞৰ-বাখৰ শুনো। বহুত দেৰি হৈছে, উঠিবই লাগিল, অনিচ্ছাসত্ত্বেও লেপখন আঁতৰাই চকু-মুখ

মোহাৰি উঠি বহোঁ। বৌয়ে বাটনীটাৰ লৈ সোমাই আহে– 'উঠিলা উমা? মই আৰু এবাৰ আহিছিলোঁ, তোমালোক দুয়ো শুয়ে আছা তেতিয়াও।' চিৰলগৰী হাঁহিটোৰে কথা কয় বৌয়ে। এঙামুৰি দি কওঁ, 'পুৱাই বাটনীৰে সৌশৰীৰে আবির্ভাব! আজি মোৰ গোটেই দিনটো বেয়াকৈ যাব যেন পাইছোঁ বৌ।' আকৌ সেই হাঁহি। আঁঠুৱাখন তুলি দিয়ে। কিছুসময় একেথৰে চাই থাকে প্ৰীতিলৈ। দিনৰ পোহৰত প্ৰীতিৰ ৰং আৰু বেছি উজ্জ্বল হৈ উঠিছে। আপোনা-আপুনিয়েই মোৰ বৌলৈ চকু যায়। বহুত দিন তেল নপৰা শুকান চুলিকেইডালমান। লেতেৰা চাদৰখনৰ ওৰণিৰ ফাঁকেৰে ওলাই আছে। গাত এটা ছাৰ্টিৰ কাপোৰৰ তাহানিৰ ষ্টাইলৰে ব্লাউজ। হাতৰ সীয়নি স্পষ্টকৈ ওলাই থকা ৰঙা ফুলৰ পাৰিৰে আমাতকৈ বহুত ওখকৈ পিন্ধা মেখেলাখন। হাতত ৰূপৰ খুব মোটা দুপাট বালা, ডিঙিত নকল মুক্তাৰ মণিৰে সোণৰ অকণমান দুগদুগি এটা। নাই, প্ৰীতিৰ লগত ক'তো অলপো মিল নাই। বৌৰ ৰং হ'লে বগা কিন্তু প্ৰীতিৰ আগত মই আৰু বগা বুলিব নোৱাৰোঁ।

'তেওঁক নামাতা কিয়? বহুত বেলা হ'ল। ৰ'দ উঠি আহিছে। চাহ-কৰি থৈছোঁ কেতিয়াবাই। তোমালোকৰ কোঠাটো 'পাৰোঁ দিয়া।'

ঠেলি ঠেলি জগাও প্ৰীতিক। বিৰক্তিৰে টোপনিৰ আৱেশ লগা চকু দুটা মেলে তাই। চকু দুটা মোহাৰি মোহাৰি চাৰিওফালে চাই নতুন পৰিবেশৰ লগত যেন তাই নিজকে খাপ খুৱাই লয়। হাস্যময়ী বৌক দেখি হাঁহে তায়ো– 'বৌ নহয়নে?'

'মনত আছে?' সহজভাৱে কয় বৌয়েও। কালি সকলো সময়তে প্ৰীতিৰ ওচৰত লাজ কৰি থকা বৌক কওঁ– 'বাঃ খুব সুন্দৰকৈ প্ৰীতিৰ লগত কথা কৈছাতো। বৌ, মুখ ধুবলৈ পানী আনি দিবা নেকি, নে প্ৰীতি পুখুৰী পাৰলৈযে যাবি অ'?'

'পুখুৰীলৈকে ব'ল' –উৎসাহিত হৈ উঠে তাই। হাতত টাৱেল আৰু 'পেষ্ট' লগাই ব্ৰাছ লৈ দুয়ো ওলাই যাওঁ। প্ৰীতিয়ে ভৰিত চেণ্ডেলযোৰ সোমাই লয়, মই শুদা ভৰিৰেই থাকোঁ।

আমাৰ ঘৰৰ পাছফালে বহুত দূৰলৈকে বাৰীখন– নাৰিকল, আম, কঠাল, তামোল আদিৰে ভৰা। একাষত খেৰৰ পুঁজি এটা, মন্দিৰৰ আকৃতিৰে বহুত ওপৰলৈ মূৰ তুলি আছে। বাৰীখনৰ সীমাৰ লগে লগে বাঁহৰ চুপাবোৰ। ঘন গছৰ ফাঁকবোৰৰ মাজেদি অলপ অলপ ৰ'দৰ জিলিঙনি সোমাইছে। প্ৰীতিৰ কথা কি কম, অভ্যস্ত হৈও বাৰীৰ এই ৰূপটো মোৰেই বৰ ভাল লাগে। স্তব্ধ, সৌম্য, প্ৰশান্ত ৰূপ। দুই কাষৰ দীঘল দীঘল গছবোৰৰ মাজেদি সৰু ঠেক বাটটো সেই পুখুৰীটোলৈকে পোনভাৱে গৈ আছে। কি সুন্দৰ মৌন শান্তি এটা

বিৰাজ কৰিছে যেন। এই ঠেক বাটেদি গৈ থাকিবলৈ মোৰ বৰ ভাল লাগে। প্ৰীতিতো আত্মহাৰা, –'উমা, ইমান ডাঙৰ, ইমান ধুনীয়া বাৰীখন তহঁতৰ নিজা? সঁচাই? মঠৰ দৰে খেৰৰ সেই যে দ'মটো, কি হ'ব তাৰে?'

'অ' সেইটো খেৰৰ পুঁজি, মাজতে এডাল বাঁহ পুতি তেনেকৈ খেৰবোৰ সজাই থয়, গোটেই বছৰটো যাতে ভালকৈ থাকে। গৰুবোৰক খুৱাবলৈ লাগে নহয়। মোৰ ল'ৰালিৰ বহুত ছবি ভাঁহি উঠে, জান প্ৰীতি– এই পুঁজিটো যেতিয়াই দেখোঁ। ইয়াৰ খেৰবোৰৰ মাজত লুকাই সৰুতে ললিতদাহঁতৰ লগত কিমান যে লুকাভাকু খেলিছিলোঁ!'

'বাৰু অকণমান পাতেৰে সেইবোৰ কি ঘাঁহ, –ৰঙা ৰঙা গুটি লাগি আছে যে?'

'অ' বন কমলাৰ গছ? সেই ৰঙা গুটিবোৰৰ নাম বন কমলা। আমি সৰুতে খুব খাইছিলোঁ।'

'বন কমলা? বাঃ খুব 'পয়েটিক' নামতো।' তাই তেতিয়াই চিঙি আনে কেইটামান, মুখ নোধোৱাকৈয়ে মুখত সোমায়।

দুকাষৰ বাঁহৰ ছাঁ পৰা পুখুৰীটো দেখি আৰু উচ্ছ্বসিত হৈ উঠে তাই– 'আঁয়ে দেহি, ইমান সুন্দৰ পুখুৰীটো তহঁতৰে? মই যেন ইয়াৰ পাৰতে বহি থাকিম! আমাৰ দীঘলী পুখুৰীটো বা আন পুখুৰীও দেখিছোঁ, কিন্তু তাৰ নিজস্ব ৰূপটো যেন প্ৰসাধনেৰে ঢাকি থয়। কিন্তু ইয়াৰ সৌন্দৰ্য কিমান প্ৰাকৃতিক।' আৱিষ্কাৰৰ নিচাত মচগুল হৈ যায় তাই। মোক নানা ৰকম প্ৰশ্ন সুধি অস্থিৰ কৰি তোলে, –এইজোপা কি গছ, এই ডাল কি লতা, সৌ বাঁহৰ জোপাবোৰ কাৰ– কত কি।

কাষত এটা কলহ আৰু হাতত এটা বাল্টি লৈ বৌ পুখুৰীৰ ঘাটলৈ আহে। মুখ ধোৱা হোৱাৰ পিছতো প্ৰীতি বৈ থাকে বৌলৈ। 'এই ভৰা কলহটো আৰু বাল্টিটো অকলে নিব পাৰিবা বৌ?' আচৰিত হৈ চাই সোধে প্ৰীতিয়ে। হাঁহিৰে মূৰ দুপিয়াই পানী ভৰোৱাৰ পিছত কঁকালত কলহটো তুলি লয় বৌৱে।

'ব'ল প্ৰীতি, এইবাৰহে তোৰ এনথ্ৰ'পলজিৰ খোৰাক পাবি।'

চোতালত ইতিমধ্যে ভিৰ আৰম্ভ হৈছে, চহৰৰ পৰা অহা কোট পিন্ধা ছোৱালীজনীক চোৱাৰ অসীম কৌতূহল সকলোৰে। প্ৰতাপশালিনী ডাঙৰমায়ে যেনিবা আমাক জনতাৰ মাজৰ পৰা বচাই নি চাহ খাবলৈ লৈ যায়। ৰাতিৰ সেই একে জলপানেৰে চাহ। লগত আৰু এবিধ নতুন বস্তু, মই অনা বিস্কুট। অলপ আঁতৰত সতৃষ্ণ দৃষ্টিৰে চাই বহি থকা দ্ৰৌপদীক মোৰ বিস্কুট দুখন দি দিওঁ।

চাহ খাই ওলাই আহোঁ। চোতালত বৈ থকা সকলো মোৰ পৰিচিত। হাঁহিৰে সম্বৰ্ধনা জনাওঁ সকলোকে; প্ৰশ্নৰ উত্তৰ দিওঁ। তেল নপৰা ৰঙা চুলি আৰু ওৰে গাতে ধূলিৰ প্ৰলেপৰ বৈশিষ্ট্যৰে ল'ৰা-ছোৱালীবোৰক ইতিমধ্যে আকৌ প্ৰীতিয়ে

বাকী থকা লজেঞ্চ-বিস্কুট ভগাই দিয়েছি। লাজ আৰু লোভ মিহলোৱা চকুৰ দৃষ্টিৰে লেতেৰা লেতেৰা হাত দুখন একেলগ কৰি বস্তুখিনি লৈ নিমিষ নপৰাকৈ সিহঁতে প্ৰীতিলৈ চাই থাকে। এই ঘৰ, এই মানুহ, সকলোৰে মাজত প্ৰীতিৰ উপস্থিতি ইমান বিসদৃশ লাগে– তাইৰ ৰংটো আৰু অলপ অনুজ্জ্বল, কাপোৰ-বোৰ আৰু অলপ মলিয়ন, বেণী দুডালত টাইলকৈ নাইলনৰ ফিতা নমৰা-হেঁতেনেই যেন ভাল লাগিলহেঁতেন মোৰ। ইমান নিস্প্ৰভতাৰ কাষত ইমান উজ্জ্বলতা যেন মোৰ চকুৱে সহ্য কৰিব নোৱাৰে।

এবাৰ ল'ৰা এজনে সাহ গোটাই ক'লে– 'তোমালোকে বোলে কলৰ গান এটা আনিছা, আমাক গান নুশুনোৱা কিয়?' চিনি পাওঁ বক্তাক, মোৰেই সমনীয়া গোবিন্দ– সৰুতে তাৰ লগত একেলগে টাংগুটি খেলিছিলোঁ, কুঁহিয়াৰ চুৰি কৰিছিলোঁ, নৈত সাঁতুৰিছিলোঁ, আৰু বহুতো ল'ৰালিৰ স্মৃতি জড়িত। মই তাৰ ফালে চাই হাঁহো। কিন্তু সি সংকোচ কৰে। বেয়া লাগি যায়– সৰুতে কিমান বন্ধু আছিল, আজি মোৰ শিক্ষাৰ বাবেই কেনেকৈ এই সংকোচৰ ব্যৱধান গঢ়ি উঠিল।

গ্ৰামোফোনটো গাঁৱত কিমান আপুৰুগীয়া বস্তু গুৱাহাটীতে কৈছিলোঁ মই প্ৰীতিক। সেয়ে তাই গুৱাহাটীত থকা মাহীয়েকৰ পৰা লৈ আহিছিল সেইটো।

আমাৰ কোঠাত থকা মেজখন আৰু চকীখন গোবিন্দৰে সহায়ত বাহিৰলৈ লৈ আহোঁ। গ্ৰামোফোনটোও আনি থওঁ।

ইতিমধ্যে ৰবদেউতা সোমাই আহে। মই ওচৰলৈ যাওঁ। কুশল প্ৰশ্নৰ পিছত প্ৰীতিকো লৈ যাওঁ। বৰ দেউতা যোৱাৰ পিছত তাই সুধিব নাপাহৰে অভয়দা ক'ত। আঁঠুৰ ওপৰলৈকে মলিয়ন ধুতিখন পিন্ধি হোকাটো টানি পথাৰলৈ যোৱাৰ আগতে গ্ৰামোফোন শুনি যোৱাৰ লোভতে চোতালৰ এচুকত বহি থকা অভয়দাক দেখুৱাই দিওঁ। আগতে আভাস দি থোৱা সত্ত্বেও প্ৰীতিৰ মুখত হতাশাৰ ছাঁ।

প্ৰীতিয়ে ৰেকৰ্ড বাছিবলৈ ধৰে। ৰেকৰ্ডত বাজি থকা গানটো তাই লগে লগে গুণগুণাই গাই যায়। মানুহবোৰে দুটা বিস্ময়ৰ ফালে অবাক হৈ চাই থাকে। এজনী ছোৱালীয়ে ফুচফুচোৱা শুনো– 'কি গাননো গাইছে অ' তেওঁ?' আন এজনীয়ে কয়– 'কলৰ গানত শুনাটোৱে বুলি বুজা নাই জানো তইঁতে?' ল'ৰাবোৰৰ মাজত শুনো কোনে কাৰ বিয়াত আগতেও এই কলৰ গান দেখিছিল তাৰে আলোচনা। সৰু ল'ৰা এটাই ভয়ে ভয়ে গ্ৰামোফোনটোৰ এদাঁতিত হাতখন দি চাইছিল। আমাৰ দ্ৰৌপদীৰ তীক্ষ্ণ চকুই ঠিক ধৰা পেলালে। বেচেৰাই তাইৰ এক ধমকিতে হাত কোঁচাই নিয়ে।

বুঢ়ী এজনী অলপ আগবাঢ়ি আহে। চকীখনত বহি বজোৱাৰ ভাব লোৱা প্ৰীতিক সোধে– 'মাই, ইয়াৰ ভিতৰত মানুহ সোমাই থৈছ নেকি?' প্ৰীতিয়ে কি উত্তৰ দিব বুজিব নোৱাৰি মোৰ ফালে অসহায়ভাৱে চাই থাকে। মই গহীন হৈ

কওঁ, 'ওঁ আমাৰ বিদ্যাৰ বলত মানুহটোক সৰু কৰি সোমাই থৈছোঁ। সিয়েই তাত থাকি গান গায়।' বুঢ়ীয়ে সপ্ৰশংস বিস্ময়ত মোৰ ফালে চাই ৰয়। কিন্তু বিজ্ঞানৰ বতাহে অলপ ছুই যোৱা আজিৰ গাঁৱৰ নতুন জীৱনবোৰক বিশ্বাস কৰাব নোৱাৰি। সিহঁতে হো-হোৱাই হাঁহি উঠে। বুঢ়ীলে করুণাৰ চকুৰে চায়।

বৌকো টানি আনিছিল প্ৰীতিয়ে। ওৰণিৰ ফাঁকেৰে চাই আছিল গ্ৰামোফোনটো। কিন্তু গাঁৱৰ বোৱাৰী এজনীৰ কোনো ৰকম উপভোগৰ আজৰি খুব কমেই, —ললিতদাই খাল সিঁচি অনা এসোপা মাছ বাছিবলৈ লাগে। প্ৰীতিৰ ফালে করুণ চকুৰে চাই, তথাপি মুখত হাঁহিটোৰে নীৰৱে বিদায় লৈ গুচি গ'ল।

প্ৰীতিক তাতে থৈ আমাৰ ৰুমলৈ যাওঁ। মায়ে নিজৰ ৰুমতে থকা সৰু জুহালখনৰ ওচৰত বহি আছিল। সৰু চৰু এটাত ভাত কেইটামান ফুটি আছিল। মই গৈ ওচৰত বহোঁ। 'মা ইয়াত এনেকৈ ৰান্ধিছা কিয়?' 'জানই দেখোন এইখন ঘৰত ভাত হওঁতে হওঁতে সেই বেলা পৰি যায়। এতিয়া দুমুঠি সিজালোঁ তহঁত দুটালৈ। আলু সিজোৱা আৰু কেঁচা জলকীয়াৰে খাবি। ভাততো খাবি সেই গধূলিহে।

মাক ভাত বাঢ়িবলৈ কৈ মই প্ৰীতিক মাতি আনো।

লোণ-তেল অকণমানেৰে ভাত কেইটামান সানি লৈ প্ৰীতিয়ে সোধে— 'ৰুমতে ৰান্ধনী ঘৰ কিয় কৰিছে মাহীদেউ?'

'আমাৰ ইয়াত আই এনেকুৱাই, প্ৰত্যেকৰে শোৱনি কোঠাত অলপ জুই ধৰাৰ ব্যৱস্থা আছে—'

'স্বাস্থ্যৰ কাৰণে জানো বেয়া নহয়?'

মাৰ সলনি ময়ে উত্তৰ দিওঁ— 'গাঁওবোৰত আৰু বহুত অস্বাস্থ্যকৰ নিয়মেই প্ৰচলিত আছে প্ৰীতি, দেখা নাইনে ঘৰবোৰ কিমান এন্ধাৰ, খিৰিকী নাই। দেখুৱাম ব'লচোন আমাৰ গাঁৱৰ পানী খোৱা পুখুৰীটো। আমাৰ বা আন দুই-এঘৰৰহে নিজা পুখুৰী আছে, বাকী সকলোৱেতো তাৰেই পানী খায়।'

বাঁহৰ দুৱাৰখনৰ ওচৰতে জুপুকা মাৰি বহি থকা মেকুৰীটোক এটা ধমকি দি মায়ে খেদাই দিয়ে— আমি দুয়ো খাই উঠোঁ। মায়ে ভাইটিক পঠাই দিবলৈ কয়, ভাত খাই স্কুললৈ যাব।

চোতালৰ এমূৰে দেখোঁ ভাইটিয়ে চিঞৰি চিঞৰি কিবা পঢ়ি আছে। আৰু তাক আগুৰি ধৰি থকা ল'ৰা-ছোৱালী এগালে শুনি শুনি হাঁহিছে। তাৰ মাজত এগৰাকী দুগৰাকী তিৰোতাও আছে। কাষত কলহটো লৈ বৌকো এবাৰ ভুমুকি মৰা দেখোঁ।

দুয়ো ওচৰলৈ গৈহে কথাটো বুজোঁ। আজৰি সময়বোৰ কটাবলৈ প্ৰীতিয়ে এনগ্ৰ'পলজিৰ কিতাপ এখন আনিব ওলাওঁতে মই ভৰিয়াইছিলোঁ, বোলো

সেইবোৰ 'ষ্ট্ৰবেৰি' এৰ, আজৰি সময়ৰ বাবে কিবা 'লাইট' ধৰণৰ কিতাপ এখন ল। তেতিয়া তাই 'শাৰদীয় নতুন জীৱন' এখনকে লৈ আহিছিল। ভাইটিয়ে হয়তো লগৰীয়াবোৰৰ আগত নিজৰ বিদ্যাৰ গৌৰৱ বঢ়াবলৈ বায়েকৰ কিতাপ পঢ়িব পৰাটোকে বাহাদুৰি দেখুৱাৰ প্ৰকৃষ্ট পথ হিছাপে সেইখনকে আনি উচ্চাৰণবোৰ অদ্ভুত বিকৃত কৰি 'আমাৰ প্ৰথম প্ৰেম'টো চিঞৰি চিঞৰি পঢ়ি গৈছে। বন্ধু-বৰ্গই একো বুজি নাপাই তাকেই আমোদৰ খোৰাক কৰি পাৰেমানে হাঁহিছে।

আমি গৈ পোৱাত ভাইটিয়ে পঢ়া বন্ধ কৰি সোধে– 'সৰু বাইদেউ, তোমালোকৰ কিতাপত একে নামৰ লেখাই বহুত থাকে নেকি বাৰু? চোৱাচোন, এই 'প্ৰথম প্ৰেম'কে দেখোন কেবাটাও দেখিছোঁ।' মই হাঁহোৱেই নে কান্দোৱেই!

'অ' উমা, মীৰালৈ চিঠি দিবি?' বিছনাত বহি লৈ ওচৰত থকা টেবুলখনৰ ওপৰত পেডটো লৈ লেখি থকা প্ৰীতিৰ ওচৰত থিয় হওঁগৈ। প্ৰায় শেষ হৈ অহা চিঠিখনলৈ চাই সোধোঁ– 'পঢ়োঁনে প্ৰীতি? তাই অলপ লাজকুৰীয়া হাঁহি মাৰি পঢ়িবলৈ দিলে, পঢ়ি যাওঁ, '. আৰু এটা মজাৰ কথা মীৰা ইয়াৰ মানুহবোৰে গ্ৰামোফোনৰ ৰেকৰ্ডবোৰক কাঁহী কয়, পিনবোৰক কয় গজাল আৰু বজাবলৈ হ'লে কয়– 'কাঁহী এখন মাৰাচোন মাৰা' –বৰ হাঁহি উঠে নহয়নে? মই খুব উপভোগ কৰিছোঁ। ভাল লাগে ইয়াৰ সহজ-সৰল জীৱনবোৰ। মানুহবোৰক সুখী যেনেই লাগিল। ভালেই সকলো, কেৱল অশিক্ষাৰ ফলত অস্বাস্থ্যকৰ নিয়ম কিছুমান প্ৰচলিত আছে। মানুহবোৰো বেছ লেতেৰা। তিৰোতাবোৰে এখন মাত্ৰ মেখেলাৰে লজ্জা নিবাৰণ কৰে। ওঁ, এনথ্ৰ'পলজিৰ খোৰাক পাইছোঁ, বিশেষকৈ ল'ৰা-ছোৱালীবোৰক চাইছোঁ– চুলিবোৰ ৰঙচুৱা, প্ৰথমতে কাৰণটো বুজিব পৰা নাছিলোঁ। পিছত উমাই ক'লে তেল নোলোৱাৰ ফল বুলি। ... বেছ আৰামত আছোঁ, –উমাহঁতৰ ঘৰৰ আদৰ-যত্ন আৰু মৰমত ডুবি। অ' উমাৰ এজনী বৌৱেক আছে, –ধুনীযাই। মুখত সকলো সময়তে হাঁহি। তেওঁ হ'লে ব্লাউজ পিন্ধে। ৰাতি চাকিটো লৈ আৰু দিনত ওৰণিখন টানি কাম কৰি ঘূৰি ফুৰে। ভাল স্পৰ্টচমেন জনী হ'ব পাৰিলেহেঁতেন, প্ৰকাণ্ড প্ৰকাণ্ড কলহ, বাল্টিবোৰ দাঙে। মোৰ খুব ভাল লাগিছে বৌক।

অৱশ্যে এটা কথা মীৰা– 'এনজয়' কৰা হিছাপেহে আমি থাকিব পাৰিম গাঁৱত কেইদিনমান। কিন্তু ইয়াৰ চিৰস্থায়ী বাসিন্দা হৈ থকা কথাটো কল্পনা কৰিবই নোৱাৰোঁ। আমাৰ শিক্ষা-দীক্ষা, ৰুচি, চাল-চলন সকলোৰে লগত ইয়াৰ জীৱন-ধাৰাৰ কি বিৰাট অমিল। শিক্ষিত সভ্য কৰি তুলিবলৈ বহুতখিনি সংস্কাৰৰেই প্ৰয়োজন হ'ব... অ' সেই নাইলন কাপোৰখিনি কিনা হ'লনে তোৰ? মোৰহে আৰু নহ'ব বোধহয়...'

চিঠিখন পঢ়া শেষ হৈ যোৱাৰ কেইমুহূৰ্তমান পিছলৈ সেইফালে চাই থাকোঁ। নাই, বেয়া একো লেখা নাই– বৰং ভালেই লেখিছে যিখিনি মই হয়তো আশা কৰিবই নোৱাৰিছিলোঁ। তথাপি! মনৰ মাজত ক'ৰবাত কাঁইট এডালে যেন খচ খচাই থাকে– 'এনথ্ৰ'পলজিৰ খোৰাক।'

প্ৰীতি আছিল আৰু চাৰিদিন। তাৰপিছত গুচি গ'লগৈ– বৌজনীৰ চিৰ হাঁহিভৰা চকুযুৰি পানীৰে ওপচাই। আশীৰ্বাদ দি উঠি ডাঙৰমায়ে স্তব্ধ হৈ চাই আছিল। বৰ দেউতায়ো প্ৰাণভৰি আশীৰ্বাদ দিলে। ললিতদাৰ ভীৰু করুণ সংকোচভৰা চকুযুৰি দেখিছিলোঁ। সি বেচেৰালৈ দুখ লাগে– তাতকৈ বহুত ওখৰ– ৰিজাব গ'লে সৱগেই বুলিব পাৰি– এজনী খুব ভাল লগাব পৰা ছোৱালীয়ে তাঁৰ তৰুণ প্ৰাণত যেন কিবা অলপ ওলট-পালট কৰি থৈ গ'ল। মনত পৰে– প্ৰীতিয়ে লেখা চিঠিবোৰ লৈ সি আগ্ৰহেৰে ডাকঘৰলৈ যোৱা, 'উমা, তোৰ বন্ধুৱে খাবলৈ ভাল পায় নহয়, এইকেইটা নাৰিকল পাৰি আনিলোঁ' বুলি আনি দিয়া নাৰিকলবোৰ। 'ললিতদাটো বৰ ভাল' –প্ৰীতিৰ সেই অগভীৰ কৃতজ্ঞতা মিহলোৱা কথাষাৰত সি আনন্দত আপ্লুত হোৱা, সকলোবোৰ এটা এটাকৈ মনত পৰি যায়।

এৰা, প্ৰীতিয়ে আমাৰ ঘৰখনৰ সকলোৰে মনত বহুতখিনি ঠাযেই অধিকাৰ কৰি থৈ গ'ল। 'তোমাৰ উচ্চাকাঙ্ক্ষাৰ কথা জানিছোঁ আই, ভগৱানে যেন সফল কৰে' –মাযে আশীৰ্বাদ দিছিল। ভাইটিযে হাতত ধৰি আগ্ৰহেৰে মুখলৈ চাই সুধিছিল– 'নতুন বাইদেউ আৰু কেতিয়া আহিবা?'

ধুনীয়া, নতুনকৈ কৰা মেখেলা-চাদৰ এযোৰ ফুলাম চিল্কৰ ব্লাউজ এটাৰ লগত জোৰকৈয়ে প্ৰীতিয়ে বৌক দি গ'ল। ভাইটিক এয়াৰ গান এটা ল'বলৈ টকা পাঁচোটা হাতত গুজি দিলে, নতুন বাযেকৰ মৰমৰ উপহাৰ হেনো ল'বই লাগিব।

বাকচৰ কাপোৰ আৰু মণিবেগৰ টকা প্ৰায় উদং কৰিয়েই গ'ল প্ৰীতিয়ে। মই তাইক কৈছিলোঁ, 'দিবলৈ তোৰ ইচ্ছা গৈছে দে, প্ৰীতি, কিন্তু নাভাবিবি তোৰ এই সামান্য দানেৰে বিৰাট দাৰিদ্ৰ্য আঁতৰোৱাত কিবা কৰিব পাৰিছ বুলি। ঠিক যেন ভাঙি পচি যাবলৈ ওলোৱা ঘৰ এটাক অ'ত ত'ত অকণি মেৰামতি কৰি থকাৰ প্ৰহসন। বেয়া নাপাবি, সিদিনা নীলিমালৈ লেখা চিঠিত তোৰ এনে মনোভাৱ দেখিয়েই ক'বলৈ বাধ্য হৈছোঁ।' আঘাত পালে তাই। মাথো ক'লে– 'গোটেই ঘৰটো নতুনকৈ বান্ধিবৰ মোৰ সামৰ্থ নাই কাৰণেই জোৰা-টালি দি সান্ত্বনা লৈছোঁ, উমা।'

আমি কিন্তু অতি সামান্যহে দি পঠাব পাৰিলোঁ তাইক। অৱশ্যে মানসিক অভিজ্ঞতা আৰু জ্ঞানৰ ভঁৰালটো বহুতখিনি পূৰ্ণ কৰি লৈ যাব পাৰিছিল তাই।

মনত পৰে তাই থকা দিনকেইটা। মনত পৰে একোটা ঘটনা।

সেইদিনা 'আমাৰ প্ৰথম প্ৰেম'টো পঢ়ি আছিল প্ৰীতিয়ে বিছনাত দীঘল হৈ পৰি। বৌ ওচৰত থিয় হ'লগৈ চিৰলগৰী হাঁহিটো লৈ। পিছলৈ বৌ আৰু প্ৰীতিৰ মাজত বহুতখিনি প্ৰীতি গঢ়ি উঠিছিল। সিহঁতৰ বহুত কথা-বতৰাৰ মাজত এদিন প্ৰীতিক 'লেডি উইথ দ্যা লেম্প'ৰ গল্প কোৱা শুনিছিলোঁ। অলপ সময় পালেই বৌ থিয় হয়গৈ প্ৰীতিৰ ওচৰত।

প্ৰীতিলৈ চাই ক'লে– 'কি পঢ়িছা ডাঙৰকৈ পঢ়াচোন আমিও শুনো।' 'এইবোৰ বঙালী, তুমি জানো বুজি পাবা?' 'নাপালেও ভাল লাগে তোমাৰ মুখত শুনি, পঢ়ানা।' 'বাৰু পঢ়িম। কিন্তু তাৰ আগতে এটা কথা কোৱাচোন, তুমি আগতে কাৰোবাৰ প্ৰেমত পৰিছিলা নে? নে অভয়দায়ে প্ৰথম আৰু শেষ?' বৌয়ে লাজত ৰঙা নপৰি প্ৰশ্নসূচক চকু দুটা মেলি প্ৰীতিলৈ চাই থাকে। অৰ্থাৎ বৌয়ে বুজি পোৱা নাই। প্ৰীতিৰ ওচৰতে বহি বৰদেউতালৈ ৰুমাল এখন চিলাই কৰি আছিলোঁ। এইবাৰ মূৰ তুলি তাইলৈ চাওঁ।

তাত দুষ্টালিৰ মাজতো গাম্ভীৰ্যৰ চিন। সঁচাকৈয়ে সুধিছে তাই।

'প্ৰেম মানেই নো কি আগে তাকে সোধচোন প্ৰীতি' – তাইৰ সপ্ৰশ্ন চাৱনিৰ ফালে চাই কওঁ। 'আমি প্ৰেম বুজো যি অৰ্থত সি তেওঁলোকৰ কেতিয়াও নজনা নুশুনা কথা। ইয়াত প্ৰায় বেছিভাগ ছোৱালীৰ বিয়া হৈ যায় যি সময়ত, সেই বয়সত চহৰত ফ্ৰক পিন্ধি খেলি ফুৰে ছোৱালীবোৰে। সেয়ে 'লিগেলি' সেই প্ৰথম প্ৰেম চলে স্বামীদেৱতাৰ লগত। তাৰ পিছৰ অংশ তোক নক'লেও চলিব, বৌক দেখিছই। দিনটো পথাৰত কাম কৰি অহা ক্লান্ত গিৰিয়েকে ভাত খাই হয়তো বহুত সময়ত শুয়েই পাৰে। বোৱাৰী মানুহ, কাম-বনৰ পৰা আজৰি হৈ যেতিয়া শুৱলৈ যায় ইয়াৰ হিছাপত ৰাতি প্ৰায় দুই প্ৰহৰ হয়গৈ। আৰু তাৰ ভিতৰতো যি প্ৰেম চলে তাত নিশ্চয় ৰোমাণ্টিক ভাষাৰে আৱেগ যচাৰ অৱকাশ নাথাকে।' একেটা পৃষ্ঠাতে স্তব্ধ হৈ থকা প্ৰীতিক আকৌ কোৱাৰ লোভ সামৰিব নোৱাৰোঁ– 'স্বামীৰ ভালপোৱাৰ সুযোগ দিনতো কেতিয়াবা ঘটে অৱশ্যে, যদিও অইন ৰূপেদি। পথাৰত কাম কৰি অৱশ হৈ আহি দুপৰীয়া বা গধূলি যেতিয়া ঘৈণীয়েকৰ দোষৰ বৰ্ণনা শুনিব লগা হয়, ভোকে-ভাগৰে মন-মেজাজ গৰম হৈ থকা স্বামীয়ে আৰু নিজক সংযত কৰিব নোৱাৰে– অৰ্ধাঙ্গিনীৰ ওপৰত কোবৰ জাউৰি তোলে।'

'সঁচাই? কিতাপত পঢ়িছোঁ অৱশ্যে। কিন্তু বাস্তৱতো ঘটে বুলি বিশ্বাস হোৱা নাছিল মোৰ। বাৰু বৌ, তোমাকো মাৰেনে? তোমাকতো দেখিছোঁ দিন-ৰাতি সমানে কাম কৰি আছাই–'

বৌয়ে হাঁহে। অতি সাধাৰণ সহজ কথা এটাৰ দৰে কয়– 'কত দিন মাৰ খালোঁ।'

তাৰপিছত এদিন নিজ চকুৰেই দেখিছিল প্ৰীতিয়ে বৌৰ কথাৰ সত্যতা। অৱশ্যে এটা গোৰতেই সেইদিনা শেষ হৈছিল ঘটনাটো। গধূলি বৌয়ে নিত্য-নৈমিত্তিক কৰ্ম ঢেঁকীত ধান বান্ধিবলৈ অস্বীকাৰ কৰিলে– কাৰণ কলহটোত পানী লৈ ভৰাই উঠিবলৈ ধৰোঁতে হেনো ভৰিখন পিছলি মোচোকা খালে। কিন্তু ডাঙৰ মাইৰ বিশ্বাস, কামত ফাকি দি প্ৰীতিৰ ওচৰত বহি কলৰ গান শুনিবলৈ বুদ্ধি সাজিছে।

সন্ধিয়াৰ আকাশৰ তলত চোতালত বহি চাকিৰ পোহৰত খৰাহিৰ কাৰণে বাঁহ চাঁচি থকা অভয়দাৰ মূৰ গৰম হৈ গ'ল। গোহালিৰ আগফালে মাটিৰ উধানত বৰ থালীটোত ধান সিজাই থকা বৌক পাছফালৰ পৰা গোৰ এটা মাৰি দিলেগৈ। প্ৰীতি আছিল বৌৰ ওচৰতে থিয় হৈ। সেয়ে হয়তো সেইদিনা সিমানতে শেষ হ'ল।

অভিজ্ঞতাৰ সঞ্চয় হৈছিল বহুত ফালেদিয়েই। বাহিৰৰ ধুনীয়া সেউজীয়া আৱৰণটোৰ তলত লুকাই থকা গাঁৱৰ বিষাক্ত কদৰ্যতাবোৰৰ বহুখিনিয়েই তাইৰ আগত উদ্‌ঘাটিত হৈছিল। স্বীকাৰ কৰিবলৈ বাধ্য হ'ল যে তলত বহল পথাৰ, ওপৰত উদাৰ নীলাকাশৰ আৱেষ্টনীত জীৱন কটোৱা মানুহবোৰ, তাইৰ কল্পনাৰ হোজা আৰু উদাৰ গাঁওবাসী নহয়। আকাশৰ নীলিম উদাৰতা আৰু পথাৰৰ সেউজী পৱিত্ৰতাই বাস্তৱ জীৱনত সিহঁতক স্পৰ্শ কৰিব পৰা নাই।

প্ৰীতিয়ে নিজেই পাইছিল এই পংকিলতাৰ আঘাত। সাঁতোৰ চাবলৈ খুব ভালপোৱা প্ৰীতিয়ে বেছিভাগ সময় মোৰ লগত আৰু কেতিয়াবা অকলেও ললিতদাৰ অপূৰ্ব কৌশলৰ সাঁতোৰ আৰু ডুব সাঁতোৰ চাবলৈ নৈৰ ঘাটটোত থিয় দি থাকিছিলগৈ। মই জানো ইয়াৰ প্ৰতিক্ৰিয়া কি হ'ব গাঁৱৰ নাৰীমহলত। অথচ মুখ ফুটাই তাইক কথাটো ক'বলৈও বেয়া লাগে– তদুপৰি আছে মাথো তিনি-চাৰিদিন। কিন্তু সকলো কথাকে প্ৰীতিক কৈ দিয়া বৌয়ে মই বাধা দিবলৈ নৌপাওঁতেই কৈ দিলে– তাই আৰু ললিতদাক লৈ হোৱা সৰস আলোচনাবোৰৰ খবৰ। হোজা বৌয়ে ভাবিছিল, তাকে লৈ ধেমালি কৰিব পাৰিব প্ৰীতিৰ লগত।

গধূলি ভাইটিক অংক এটা বুজাই দি আছিলোঁ। তাৰ উপস্থিতি পাহৰি আৰু বৌক হতভম্ব কৰি একেকোবেই মোৰ ওচৰলৈ আহি অত্যন্ত উত্তেজিতভাৱে প্ৰীতিয়ে মোৰ হাতত ধৰিলেহি– 'উমা, মই আৰু তহঁতৰ ইয়াত একমুহূৰ্তও থাকিব নোখোজোঁ। মোক এতিয়াই ষ্টেছনত থৈ অহাৰ বন্দবস্ত কৰ' –খং, অপমান, দুখত কিবা হৈ গৈছিল তাই। প্ৰীতিৰ ওচৰত আহি অপৰাধীৰ দৰে থিয় হৈ থকা বৌৰপৰা সকলোবোৰ শুনি খুব কোমলভাৱে কওঁ– 'প্ৰীতি, ইমান উত্তেজিত নহ'বি। যাৰ এনেবোৰ আলোচনাই আনন্দ, –পাৰে জানো সামান্য এটা চেলু পালেও তাৰ পৰা নিজকে বঞ্চিত কৰিবলৈ? বুজিছোঁ, তোৰ যথেষ্ট

অপমান হৈছে, আৰু তাৰ বাবে ময়েই প্ৰধান জগৰীয়া, কাৰণ আমাৰ ইয়াৰ পংকিলতা কদৰ্যতাবোৰৰ কথা জানিও তোক ইয়ালৈ লৈ আহিছোঁ। মোক ক্ষমা কৰিবি। কিন্তু তোক কাবৌ কৰিছোঁ, তই শিক্ষিতা ছোৱালী, ইমান অধীৰ নহবি। আৰু এনে মিছা ৰটনা শুনাৰ অভিজ্ঞতাওতো নোহোৱা নহয় তোৰ। যোৱাবাৰ জানো অৰুণ কাকতিক লৈ তোৰ বিষয়ে এনেবোৰ আলোচনাই হোষ্টেলৰ বহুতৰে প্ৰধান বিষয়বস্তু হৈ পৰা নাছিল? তোৰ পৰা আৰু অলপ সহিষ্ণুতা আশাকৰোঁ প্ৰীতি-'

'কিন্তু' -তাই অধীৰ হৈ প্ৰতিবাদ কৰিব ওলায়। মই বাধা দি কওঁ- 'বুজিছোঁ প্ৰীতি, তোৰ অপমান বেছি হৈছে এই কাৰণেই যে অৰুণ কাকতি আছিল তোৰ একে 'ষ্টেণ্ডাৰ্ড'ৰ। কিন্তু আমাৰ ললিতদা হ'ল এনে এটা শ্ৰেণীৰ যি শিক্ষা-দীক্ষা, আভিজাত্য, ৰুচি, সভ্যতা সকলোতে তোতকৈ বহুত তলত, নহয়নে? পিছে অশিক্ষিতা গাঁৱলীয়া তিৰোতাসকলক এই বিষয়ে মইতো ভাবো অতি সহজেই ক্ষমা কৰিব পাৰি। তইঁতৰ মাজৰ বিৰাট সামাজিক পাৰ্থক্যটোৰ সম্বন্ধটোতকৈ আগে তেওঁলোকৰ চকুত পৰিব ল'ৰা-ছোৱালীৰ চিৰন্তন সম্বন্ধ এটা। চহৰৰ শিক্ষিতা ছোৱালীযেই যেতিয়া মুখৰোচক কুৎসা ৰটনা কৰিব পাৰে, গাঁৱৰ শিক্ষা নোপোৱা তিৰোতা.যাৰক আৰু কি দোষ দিবি?'

এইটোতো সাধাৰণ কথা এটা। প্ৰীতিযে দেখিলে ইয়াৰ মানুহবোৰৰ নীচতা আৰু শঠতা, আনৰ উন্নতিত হিংসাত অধীৰ হোৱা। শুনিলে,- ভায়েকে ককায়েকক দা লৈ কাটিবলৈ খেদি যোৱা, সাধাৰণ কাজিয়া এটাৰ মকৰ্দমাত পৰিণতি হোৱা। প্ৰীতিক এই বিষযে কৈছিলোঁ- কেনেকৈ আমাৰ বাৰীৰ পুখুৰীত ওচৰৰ ঘৰৰ ল্ৰ'ৰা এটাই মনে মনে মাছধৰা আৱিষ্কাৰ কৰাত প্ৰথমে কাজিয়া আৰু শেষত চহৰৰ আদালতলৈ গৈ তাৰ মীমাংসা কৰিব লগা হ'ল। এই মকৰ্দমাত আমাৰ অতি কমেও দুশমান টকা খৰচ হৈছিল আৰু সেই টকাৰ ব্যৱস্থা কৰিব লগা হৈছিল মাটি এডৰা বন্ধক থৈ। কাজিয়া! এই কাজিয়াৰ এটা অনন্ত প্ৰবাহ চলি আছে গাঁওবোৰত। বাপেক পুতেকৰ কাজিয়া, গিৰিয়েক ঘৈণীয়েকৰ কাজিয়া, শাহুৱেক বোৱাৰীয়েকৰ কাজিয়া, ভাই-ককায়েকৰ কাজিয়া, ওচৰ-চুবুৰীয়াৰ লগত কাজিয়া। কেৱল কাজিয়া আৰু কাজিয়া।

প্ৰীতিৰ সৌভাগ্যই হওক বা দুৰ্ভাগ্যই হওক, যি দুই-চাৰিদিন আছিল তাৰ ভিতৰতে নিজ চকুৰেই বহুত ঘটনা দেখিলে। এদিনতো এই কাজিয়াৰ ৰূপ ঘৰতেই দেখিলে।...

কি জানো এটা কথাত ওচৰৰ ঘৰৰ গিৰিহঁতনী, যাক আমি খুৰী বুলি মাতো, তেওঁৰ লগত ডাঙৰমাইৰ কাজিয়া লাগিল। ডাঙৰমাই আমাৰ ঘৰৰ পৰা, আৰু তেওঁ নিজৰ ঘৰৰ পৰা অশ্ৰাব্য গালি, তাতেই আছিল প্ৰথমতে কাজিয়াৰ সীমা।

নানাৰকম অশ্লীল গালি, বিশেষকৈ বাপেক-জীয়েক, মাক-পুতেক, ভায়েক-ভনীয়েকৰ মূৰ খাবলৈ দিয়া আৰু বিকৃত সম্পৰ্ক পতা। শেষত কাজিয়া আৰু এঢাপ ওপৰলৈ আহিল। খুৰীয়ে চোতাল সাৰি থকাৰ পৰাই বাঢ়নীটাৰ লৈ খেদি আহিল– আমাৰ ঘৰৰ লগত তেওঁলোকৰ ঘৰৰ সংযোগৰ বাটটোৰেদি। আমাৰ ঘৰৰ অশিক্ষা, দাৰিদ্ৰ্য একোতে লাজ পোৱাৰ দুৰ্বলতা নাছিল মোৰ। কিন্তু আজি ঘৰৰ ভিতৰত আটাইতকৈ বেছি ব্যক্তিত্বসম্পন্না ডাঙৰমাইৰ স্বৰূপ দেখিহে লাজতে ভাবিলোঁ– প্ৰীতিক আমাৰ ইয়ালৈ আনিলোঁ কিয়? প্ৰথম ৰাতিয়েই ডাঙৰমাইৰ প্ৰতি প্ৰীতিৰ হেনো ভাল ধাৰণা উপজিছিল, ক্ষমতাশালিনী তিৰোতা বুলি। প্ৰীতিৰ সেই শ্ৰদ্ধা অটুট ৰাখিবলৈয়ে সেই কেইদিন ধপাত ব্যৱহাৰ নকৰিবলৈ কৈছিলোঁ। প্ৰায় আন দহজনী গাঁৱলীয়া তিৰোতাই খোৱাৰ দৰেই আমাৰ মা, ডাঙৰমাৰ সেই নিচাৰ অভ্যাস আছিল। মায়ে চহৰত থকা জীয়েকৰ প্ৰভাৱত ভদ্ৰতাখিনি বচাব পাৰে; সেইবাবে অকল ডাঙৰমাকে সাৱধান কৰি থৈছিলোঁ।

বাঢ়নী লৈ কিবা কাণ্ড কৰাৰ আগতেই ডাঙৰমাইক টানি ভিতৰলৈ লৈ যাওঁ। বাহিৰত চলি থকা গালি শুনি তেওঁ মোৰ হাতৰ পৰা বাৰে বাৰে আঁজোৰ মাৰি যাব খোজে। প্ৰত্যুত্তৰ দিবলৈ ওলোৱা মুখত হাতেৰে ঢাকি ধৰি জোৰকৈ ৰাখি থওঁ। কওঁ– 'ছিঃ ডাঙৰমাই, আজি প্ৰীতিৰ আগত বাৰু কি কাণ্ডটো কৰিলা ভাবি চোৱাচোন। কি ভাবিব বাৰু তাই? তোমাক ইমান শ্ৰদ্ধা কৰে তাই।' সেই ঔষধে অলপ কাম দিলে। ভিতৰতে গুজৰি-গুমৰি বটাখন টানি লৈ সকলো খং খুন্দনাটোৰ ওপৰতে পেলাই খুব জোৰে জোৰে তামোল খুন্দিবলৈ লাগিল।

বাহিৰত তেতিয়াও বৈ গালি পাৰি থকা খুৰীক হাতত ধৰি হাঁহি মুখেৰে আমাৰ ঘৰলৈ টানি লৈ যাওঁ– 'ব'লা খুৰী, কলৰ গানটো শুনি এগিলাচ চাহ খাই যাবা। গালিবোৰ পাৰি ডিঙি শুকাই যোৱা নাইনে?'

আমাৰ ৰুমটোত বেছিভাগ সময়ে ভৰি থকা ল'ৰা-ছোৱালীবোৰক পঠিয়াই দি চাইলৈ জুইকুৰা ধৰোঁ।

সৰু ল'ৰা-ছোৱালীৰ মুখতো এই বিকৃতিবোৰ। সেইদিনা প্ৰীতি মোৰ ওচৰলৈ হাঁহি হাঁহি আহি ক'লে– 'উমা, বৰ ইন্টাৰেষ্টিং কাণ্ড এটা দেখিলোঁ অ' আজি।' তাই হাঁহিয়েই তৎ নাপায়। 'তহঁতৰ দূপতি আৰু চানামাকো নে কি নামৰ ছোৱালীজনী, দুয়ো একেলগে তহঁতৰ বাৰাণ্ডাতে বহি কলপাতত হাতৰ আখৰ লেখি আছিল। মই ওচৰত বৈ চাই আছিলোঁ। এবাৰ চানামাকোৱে দূপতিৰ ফালে চাই ক'লে– 'তোৰ আখৰ ভাল নহ'ল দূপতি'– দূপতিয়ে মুখ ভেঙুচাই কি উত্তৰ দিলে জান– 'যা যা তোৰ গিৰিয়েৰেই ভাল লেখে যা' –জান উমা, ইয়াৰ ল'ৰা-ছোৱালীবোৰক খুব কোৱা শুনিছোঁ এনেধৰণৰ কথাবোৰ। প্যাভলভে ফ্ৰয়েডৰ

বহুত তথ্য মিছা বুলি প্ৰমাণ কৰিছিল নহয়, কিন্তু তহঁতৰ গাঁৱৰ ল'ৰা-ছোৱালীবোৰক দেখিলে বাধ্য হ'ব স্বীকাৰ কৰিবলৈ যে ফ্ৰয়েডেই ঠিক।'

গাঁও সম্বন্ধে চহৰৰ পৰা গঢ়ি অনা ধাৰণাখিনিত বাৰুকৈয়ে আঘাত এটা খাব লগা হ'ল প্ৰীতিয়ে। তাই নিজে দেখাৰ বাহিৰেও মই বহুতখিনিয়ে জনাইছিলোঁ তাইক। তাইৰ ভাবপ্ৰৱণ মনে আঘাত পাব। কিন্তু দেশৰ খবৰ নৰখা এই বিলাসত উঠা ধনীৰ দুহিতাসকলে জানকচোন নিজ দেশৰে বিৰাট অংশ এটাৰ কি অৱস্থা। হয়তো অলপ চকুও মুকলি হ'ব পাৰে। কিন্তু ফল যাতে ওলোটা নহয়, তাইৰ মন যাতে বিৰূপ হৈ নুঠে, তাৰ কাৰণে লগতে ক'বলৈ পাহৰা নাছিলোঁ– 'কিন্তু প্ৰীতি, সেই বুলিয়ে গাঁওবাসীসকলৰ ওপৰত বেয়া ধাৰণা লৈ তোৰ মনক বিমুখ কৰিবি তাৰ কোনো মানে নাই। চহৰৰ শিক্ষা আৰু শালীনতাৰ আঁৰত যি কদৰ্য আৰু ভয়াৱহ পাপাচাৰ চলি থাকে, তাৰ তুলনাত গাঁওবাসীসকল দেৱতাই। অশিক্ষা আৰু অভাৱে হেঁচি থকা গাঁওবাসীসকলে যি অজ্ঞানকৃত সামান্য অপৰাধ কৰে তাক লুকঢাক নকৰাকৈয়ে কৰে, –চহৰৰ দৰে শিক্ষা বা সংস্কৃতিৰ মুখা পিন্ধিতো নহয়। গাঁৱৰ এই গ্লানিখিনিৰ কাৰণতো একমাত্ৰ অশিক্ষা আৰু অভাৱ।'

দেশৰ ভৱিষ্যত সন্তানসকলৰ বেছিভাগেই আছে যি গাঁওবোৰত সিহঁতৰ শিক্ষা প্ৰতিষ্ঠান চাবলৈ মন গ'ল প্ৰীতিৰ। আমাৰ গাঁৱত স্কুল নাই। ইয়াৰ পৰা ডেৰমাইলমান দূৰত এটা পাঠশালা আছে। চাৰিও কাষৰ কেবাখনো গাঁৱৰ কাৰণে সেইটোৱে একমাত্ৰ স্কুল।

দুজন মাত্ৰ পণ্ডিতৰ ওপৰত ভাৰ ক-শ্ৰেণীৰ পৰা তৃতীয় শ্ৰেণীলৈ পঢ়োৱাৰ। দুয়ো ছাত্ৰবৃত্তি পাছ। দৰমহা পায় ত্ৰিছ টকাকৈ। তাৰে এজন হেনো ললিতদাৰ বন্ধু। দুয়ো সৰুতে একেলগে পঢ়িছিল। বন্ধুজনে যেনিবা ছাত্ৰবৃত্তিটো পাছ কৰিলে আৰু আমাৰ বৰদেউতাই পাঠশালা পাছ কৰি উঠাৰ পিছতেই 'হালোৱা চহুৱৰ ঘৰৰ ল'ৰাই নালাগে ব'ল লেখা-পঢ়া শিকি চাকৰি কৰিবলৈ। খেতি কৰিলেই আমাৰ পেটৰ ভাত মিলিব' –বুলি পঢ়াৰ পৰা একেবাৰে আনি ললিতদাক খেতিত লগাই দিলে।

ললিতদাক ক'লোঁ– 'কালি আমাৰ দুয়োজনীক তোমাৰ বন্ধুৰ স্কুলখন দেখুৱাবলৈ নিবাচোন।' আনন্দেৰেই সম্মতি দিলে সি।

এই কেইদিন অলপ লেতেৰা হৈ থকাৰ পিছত আজি এযোৰ পৰিষ্কাৰ কাপোৰ পিন্ধি, ধূলি লাগি থকা জোতাযোৰ ব্ৰাছ কৰি প্ৰীতি ওলাল। ললিতদাৰ বিমুগ্ধ দৃষ্টিৰ আগেদি প্ৰীতি ওলাই আহিল। ললিতদাকো দেখিলোঁ বেছ পৰিষ্কাৰ কাপোৰ-কানি পিন্ধি ওলাইছে। তেলেৰে মূৰটো জপজপিয়া হৈ আছে, গালৰ কাষেদিও বৈ গৈছে। হাঁহি উঠে। এই সামান্য মিঠাতেলখিনিৰ অভাৱতে তাৰ

ভায়েক-ভনীয়েকহঁতৰ চুলিবোৰ ৰঙা হৈ গৈছে। তাৰো আছিল তেনে তেল নথকা দিনবোৰ। কালি মই কথাটো কোৱাৰ পিছতে যে আমি স্কুল চাবলৈ যাম- সি মোৰ পৰা চাবোন খুজি বৌক ধুতি চোলাযোৰ দিছেগৈ ধুই দিবলৈ।

ধান শেষ হৈ যোৱা পথাৰবোৰৰ পকা চপৰা ভাঙি ভাঙি স্কুল ঘৰটো পাওঁগৈ।

বাঁহৰ চাপৰ বেৰ এখন। স্কুল ঘৰটোৰ চাৰিওফালে অ'ত ত'ত অলপ ভঙা। দুয়োফালে বাঁহ। মাজে মাজে বন কমলাৰ গছ। তাৰ মাজেৰে যোৱা মাটিৰ ওখ বাটটোৰেদি স্কুলত সোমাওঁ।

কাহানিবাই চূণ দিছিল নেকি এবাৰ, অ'ত ত'ত বেৰবোৰত মাজে মাজে গোবৰ-মাটিয়ে উকি মাৰিছে। আগফালৰ বাৰাণ্ডাৰ ভেটি অ'ত ত'ত ভাঙি পৰিছে।

ভিতৰত সোমাওঁ। মাত্র এটা কোঠালিৰে ঘৰটো। মুঠতে বোধ হয় ৩০/৪০ জন মান ছাত্র-ছাত্রী হ'ব। কোঠালিটোৰ দুযোমূৰে দুখন মেজ আৰু তাৰ লগত দুখন চকী। এখন চকী খালী দেখিলোঁ। ইখনত ললিতদাৰে বয়সৰ ডেকা এজন। খুব লেতেৰাও নহয় পৰিষ্কাৰো নহয়, ধুতি এখন পিন্ধিছে। গাত মোটা সূতাৰ চাদৰ এখন।

মেজৰ ওপৰত দোৱাত এটা, কলম এডাল, ৰেজিষ্টাৰ বহী এখন আৰু পণ্ডিতজনৰ হাতত এখন কিতাপ।

চাৰিওফালে বহিছে ল'ৰা-ছোৱালীবোৰ, শাৰী শাৰীকৈ, নিজেই ঘৰৰ পৰা লৈ যোৱা ঢাৰিবোৰত। ছোৱালীৰ সংখ্যা স্বাভাৱিকতেই কম। দুপতি আৰু চানামাকোই আমালৈ চাই হাঁহি গৌৰৱেৰেই বন্ধুবোৰলৈ চায়।

আমি যোৱা মাত্রকে সকলোবোৰ উঠিল। মাষ্টৰো চকী এৰি থিয় হ'ল। আমাক বহিবলৈ অনুৰোধ কৰিলে। ললিতদাই সিখন খালী চকীও আনি দিলে। আমি নবহিলোঁ। ললিতদাই গৌৰৱেৰে পৰিচয় কৰি দিয়াৰ পিছত প্রীতিয়ে পণ্ডিতক সুধিলে কিমান ল'ৰা-ছোৱালী, কোনটো কি ক্লাছ, সিজন পণ্ডিত যে অনুপস্থিত, ক্লাছ কোনে চলাইছে ইত্যাদি।

তাৰপিছত ওলাই অহাৰ আগতে তাই আৰু এবাৰ ঘূৰি চালে। জেকা মাটিৰ ঘৰটো। বেছিভাগেই লেতেৰা ল'ৰা-ছোৱালী। চুলিত তেল নিদিয়া, কাপোৰত চাবোন নপৰা। এজনী ছোৱালীৰ সেন্দূৰৰ ফোটটো এনেকুৱাই আছিল যে বৈ আহি নাকৰ তলত পৰিছিল। তাইৰ ফালে চাই প্রীতিয়ে হাঁহিলে। তাই বৰ ৰং পালে।

বাটৰ পৰা আকৌ এবাৰ ঘূৰি চালোঁ। পণ্ডিত ছাত্র সকলোৱে এক দৃষ্টিৰে চাই আছে আমালৈ।

দুখ লাগে প্ৰীতিলৈ। খুব উৎসাহেৰে গাঁও চাবলৈ আহিছিল আৰু প্ৰথম ষ্টেছনত নামিয়েই ভাল পাই পেলাইছিল গাঁৱৰ সৌন্দৰ্যবোৰ। তাৰপিছত সেউজী স্নিগ্ধতাৰ আঁৰত লুকাই থকা কুৎচিৎৰ আত্মপ্ৰকাশে প্ৰীতিৰ সৌন্দৰ্যপিপাসু মনৰ আৱেগ ধ্বংস কৰি পেলালে। দুখ লাগে শেষলৈ তাইৰ সেই উপলব্ধিৰ ডাৱৰে গাঁৱৰ প্ৰকৃতিৰ ধুনীয়া ৰূপখিনিও ঢাকি পেলালে।

জোনাকত আমাৰ ঘৰৰ আগখিনি বৰ ধুনীয়া হৈ পৰে, কিবা এক অপাৰ্থিৱ ৰহস্যময় সৌন্দৰ্যই আৱৰি থাকে। পৰিষ্কাৰ মিহি ধূলিৰ বগা বাটটোৰ ইফালে ঘৰৰ শাৰীবোৰ আৰু সিটো পাৰত আমাৰ ঘৰৰ সমুখৰ খালটো– তাৰপিছতে বহুত দূৰলৈকে বিস্তৃত পথাৰ। খালটোৰ পাৰত থকা ওখ গছডালৰ ফাঁকেদি ওলোৱা জোনটো– খালৰ পানীৰ মাজেদি জিলিকি থকা যেন লাগে। গোটেই পথাৰখনে লয় উপচি পৰা জোনাকৰ আৱৰণ। গধূলিতে গাঁওখন যেন এখন নিজান সপোনপুৰী।

জোনটোৱে আকাশত বেঁকা হৈ দেখা দিয়াৰ আঠ দিন পিছত এদিন প্ৰীতিক লৈ সন্ধিয়াৰ গাঁৱৰ সেই অপৰূপ ৰূপটো চাইছিলোঁগৈ, গছডালৰ তলত-থিয় হৈ। কালি তাই যাবগৈ। দুয়ো খুব ওচৰা-উচৰিকৈ থিয় হৈ আছিলোঁ। বহুত সময়ৰ নিস্তব্ধতাৰ পিছত তাইৰ কান্ধত আলফুলকৈ হাত এখন থৈ লাহেকৈ সোধোঁ– 'পৃথিৱীখনৰ সৌন্দৰ্যৰ শেষ নাই, নহয় প্ৰীতি? জান, প্ৰত্যেক বাৰে যেতিয়াই জোনৰ পোহৰত এই গছৰ তলত থিয় হৈ এনেকৈ মুগ্ধ হোৱাৰ সুযোগ পাওঁ কোনোদিনেই পুৰণি নলগা এই অসীম ৰূপটো দেখি মনে মনে এবাৰ উচ্ছ্বসিত নহৈ নোৱাৰোঁ– 'ভালোবেসেছিণু এই ধৰণীৰে–'

প্ৰীতিয়ে হাঁহিলে, জোনৰ পোহৰত সেই হাঁহি খুব ম্লান হৈ জিলিকিল। তাৰ পিছত তাই ক'লে– 'তোৰ কঠোৰ মনোবলক ধন্যবাদ নিদি নোৱাৰোঁ উমা, –এই ৰূপৰ কুঁৱলীৰ তলত লুকাই থকা বিৰাট কদৰ্যতাৰ কথা জানিও যি অসাৰ সৌন্দৰ্যত আত্মহাৰা হৈ থাকিব পাৰে।'

অলপ সময় উত্তৰ নিদিলোঁ। তাৰপিছত হাঁহি বৰ মৰমেৰে তাইক কওঁ– 'সকলো ঠিক হৈ গ'লহেঁতেন প্ৰীতি, তই ইয়াৰ অৱস্থাৰ সতে অভ্যস্ত হৈ যোৱা হ'লে। তোৰ অলপ বেছি ভাবপ্ৰৱণতা, দৰদী মন আৰু জীৱনত এই প্ৰথম গাঁৱলৈ অহা– সকলো মিলি তই বেছি অভিভূত হৈ পৰিছ। বাৰু প্ৰীতি, তোক যে আজি অলপ বেছি ব্যাকুল যেন দেখিছোঁ, কাৰণটোনো কি?'

তাই একো নামাতে, খালৰ স্থিৰ পানীলৈ অচঞ্চলভাৱে চাই থাকে। বসন্তৰ ধীৰ মলয়াৰ এছাটি জুৰ পৰি যোৱা বা আহি কপালৰ আগত পৰি থকা শুকান চুলিকেইডাল কঁপাই দি যায। সন্ধিয়াৰ জোনাকৰ আধা পোহৰ আধা ছাঁত উদাস কৰি থৈ যায় মনবোৰ। কালি গুচি যাবলৈ ওলোৱা প্ৰীতিলৈ বৰ মৰম লাগি

আয়। বেজাৰৰ কাৰণটো যেন হঠাৎ বিচাৰি উলিয়াওঁ– অ' কালি তাই যাবগৈ নহয়, সেয়ে বেয়া লাগিছে হয়তো। কিন্তু আকৌ ভাবোঁ, বিদায়ৰ দুখৰ ৰূপতো বেলেগ। প্ৰীতিৰ বেজাৰ যেন আন ৰকমৰ সকলো মিহলি হৈ থকা কিবা এটা বুজিব নোৱাৰা অসহায় দুখ। অলপ ভাবি কিবা এটা হঠাৎ মনত পৰে– 'গধূলিৰ ঘটনাটো পাহৰিব পৰা নাই নেকি অ' প্ৰীতি? তই সঁচায়ে বৰ চেণ্টিমেণ্টেল ছোৱালী।' মই জোৰেৰে হঁহাৰ চেষ্টা কৰোঁ।

আজি গধূলি এন্ধাৰ হোৱাৰ লগে লগে চাহ কাপ দি গুচি যাব খোজা বৌৰ হাতত খপকৈ ধৰি প্ৰীতিয়ে কৈছিল– 'তুমি মোক অলপো ভাল নোপোৱা বৌ। কালি পুৱাতেই মই গুচি যাম। অলপ সময়তো মোৰ ওচৰত থাকিব পাৰা। ধানতো অলপ পিছত বান্ধিলেও হ'ব। সঁচাই মোলৈ তোমাৰ অলপো টান নাই?' ইমান ডাঙৰ অভিযোগটো বৌৱে কেনেকৈ মূৰ পাতি লয? হাতৰ চাকিটো মেজখনৰ ওপৰতে থৈ প্ৰীতিৰ ওচৰতে বহি পৰিল। মুহূৰ্তৰ আৱেগৰ উত্তেজনাত বৌৱে পাহৰি গ'ল যে অভযদাই চাহৰ গিলাচ হাতত লৈ বৌৱে নিবলৈ অহা গুৰলৈ বাট চাই আছে।

খোৱাত ইফাল-সিফাল হোৱাটো সহ্য কৰিব নোৱাৰে অভযদাই। এনেয়ে খুব ভাল মানুহ। দিনটো নিমাতে কাম কৰিয়েই থাকে, কিন্তু ঠিকমতে খোৱাখিনি লাগিবই। খোৱাৰ সময়ত স্থান-কাল-পাত্ৰ জ্ঞান নাথাকে।

সৰিয়হৰ তেল পেৰি আহি চাহ এটোপা হাতত লৈ গুৰলৈ বাট চাই বহুত সময় থকাতো যেতিয়া বৌক আমাৰ ঘৰৰ পৰা ওলাই অহা নেদেখিলে, খঙে তাৰ মূৰৰ চুলি পালেগৈ। একে কোবেই বহাৰ পৰা উঠি প্ৰীতিৰ লগত হাঁহিমুখে ওৰণি নোহোৱাকৈ কথা পাতি থকা বৌক চুলিত ধৰি টানি আনিছিল।

হাঁহি হাঁহি কওঁ, প্ৰীতিক– 'বৌক চুলিত ধৰি টানি অনা দেখিয়েই তই মন মাৰি পেলালি প্ৰীতি; অভযদাই ঠিকেই কৰিছিল। গিৰিয়েকক ভোকে-ভাগৰে অহা জানিও তেনেকৈ বহুৱাই থৈ কিযনো তোৰ লগত আড্ডা দি আছিলগৈ?'

অলপ সময়ৰ কাৰণে প্ৰীতিয়ে যেন মোৰ কথা বুজিয়ে নাপায়। তাৰপিছতে উচ্ছ্বসিত হৈ কয়– 'উমা। ছিঃ। ইমান নিষ্ঠুৰ তই? এই কঠুৱা হিয়াখন লৈয়ে আকৌ তই কৃষক-বনুৱাৰ দুখ গুচাবলৈ যাব নহয়? অৱশ্যে জানোইতো, ক্ষমতাৰ লোভত সিহঁতৰ দুখত 'ক্ৰোকোদাইলচ টিযেৰছ' টুকি সেই বিৰাট জনতাক হাত কৰিবৰ ফন্দী তহঁতৰ। তোৰ যদি সঁচায়ে কৃষক-বনুৱাৰ দুৰ্দশাত আন্তৰিক সহানুভূতি থাকিলহেঁতেন তেন্তে আজি তহঁতৰ গাঁৱত এই অৱস্থা নহ'লহেঁতেন। অন্ততঃ তই এখন পাঠশালাকে কৰি ল'ৰা-ছোৱালীবোৰক শিক্ষাৰ পোহৰ দেখুৱাব পাৰিলিহেঁতেন।'

অলপ সময় মনে মনে থাকোঁ। প্ৰীতিয়ে ইমানদিন একেলগে থাকিও মোক

নিচিনাৰ আঘাতটো সহি লওঁ। তাৰপিছত অলপ হাঁহিবৰ চেষ্টা কৰি কওঁ– ‘প্ৰীতি, কৃষক-বনুৱাৰ প্ৰতি মোৰ ভালপোৱা আছেনে নাই, তাক তোৰ আগত প্ৰমাণ কৰিবলৈ নোখোজোঁ। কিন্তু এ ইটো গৌৰৱেৰেই স্বীকাৰ কৰিবলৈ আপত্তি নাই যে সেই ‘ইণ্ডিভিজুৱেল’ আদৰ্শবাদটোৰ অবাস্তৱতাখিনিৰ ওপৰত মোৰ অলপো বিশ্বাস নাই। সদায়ে তোক মই কওঁ– ভাঙি উঁৱলি যোৱা বস্তু এটা অ’ত ত’ত অলপ-অচৰপ মেৰামত কৰিলে নচলে। তাক ভাঙি নতুনকৈ গঢ়ি লোৱাৰ বাহিৰে আন পথত আস্থা নাই মোৰ। দেশৰ অসীম অশিক্ষা, কুসংস্কাৰ, দাৰিদ্ৰ্যৰেইতো প্ৰতীক আমাৰ এই গাঁওখনো। এখন গাঁৱত দুটা-এটা পাঠশালা নাইবা হাইস্কুল এটাকে পাতি, আন ইটো-সিটো সংস্কাৰ কৰি এই বিৰাট এন্ধাৰৰ অনন্ত দ’মটোত সামান্য এডাল পোহৰৰ ৰেখা সুমুৱা প্ৰচেষ্টাৰ সেই আৱেগময় ভ্ৰান্ত আদৰ্শবাদটো আজিৰ দিনত অবাস্তৱ আৰু হাস্যকৰ, প্ৰীতি–’

‘কিয়? অকলে কিয় কৰিব লাগে এই সংস্কাৰ? চৰকাৰেতো কাম হাতত লৈছেই। আৰু গাঁওবাসীক যদি ভালকৈ বুজোৱা যায়, তেওঁলোক কি অজ্ঞান-আন্ধাৰত ডুবি আছে, কি জঘন্য জীৱন-যাপন কৰিছে, উন্নত জীৱনৰ ছবি যদি তেওঁলোকৰ চকুৰ আগত দাঙি ধৰা যায়, অলপো কি টলাব পৰা নাযাব, অলপো কি আগবাঢ়ি নাহিব কুসংস্কাৰ কাটি নিজৰ উন্নতি, নিজৰ গাঁৱৰ উন্নতিৰ কাৰণে?’ উত্তেজিত হৈ অলপ কঠোৰভাৱে সোধে তাই।

‘অলপ ধীৰেৰে প্ৰীতি। তোক দোষ দিব নোৱাৰোঁ। জীৱন যুদ্ধৰ লগত পৰিচয় নথকা কলেজ-স্কুলৰ একৰকম অৰ্থহীন শিক্ষাত শিক্ষিত এজনী ছোৱালীৰ পৰা ইয়াতকৈ প্ৰেক্টিকেল ৰাজনীতিজ্ঞান আশা কৰাটো মোৰ ভুল হ’ব। কথা এটা প্ৰীতি, চাৰি-পাঁচ দিন গাঁৱত থাকি লাভ কৰা অভিজ্ঞতাৰ জোৰেৰে এই ভুল ধাৰণাটো নকৰিবি যে তই গাঁৱৰ ৰাজনীতিৰ একো জানিবলৈ বাকী নাই। মোৰ ইযাতে জন্ম, আছোঁ ইয়াত বহুতদিন, এই বিষয়ে তোতকৈ মোৰ জ্ঞান অলপ বেছিয়েই হ’ব বোধহয়। চহৰৰ অভাৱত নথকা কিছুমানৰ শিক্ষিত মনবোৰৰ দৰে সূক্ষ্ম দৃষ্টিভংগী নহয় ইহঁতৰ। অজ্ঞান এন্ধাৰ দূৰ কৰা, স্বাস্থ্যলৈ চকু দিয়া, জীৱনৰ মান উন্নত কৰা– এইবোৰ ডাঙৰ ডাঙৰ কথা নকৈ যদি গাঁওবাসীক অভাৱ নোহোৱাকৈ ভাত-কাপোৰ পোৱাৰ উপায়টো উপলব্ধি কৰাব পাৰ, দেখিবি সিহঁত জাগি উঠিছে। তেতিয়া সিহঁতৰ সেই উপলব্ধিৰ জ্ঞান, সাহস আমাৰ চহৰীয়া কিতাপ পঢ়ি গোটোৱা মনোবলতকৈ বেছি হ’ব। আৰু সমাজ-ব্যৱস্থাই য’ত ভাঙি পৰিছে সকলো ফালেদি– কি ৰাজনৈতিক, কি অৰ্থনৈতিক, তাত তোৰ এনেধৰণৰ গাইগুটীয়া আদৰ্শবাদৰ মোহটো কেনে লাগে জান? ঘৰটোৰ ভেটি দৃঢ় নকৰি খিৰিকীত আইনা লগোৱা, দুৱাৰত পৰ্দা লগোৱা আদি সৰু সৰু কামবোৰ প্ৰথমে কৰিব ওলোৱা যেন লাগে। অথচ ভেটিটো ইমান দুৰ্বল। আৰু

ধৰ, তৰ্কৰ খাতিৰত মানি ল'লোঁ যে শিক্ষিত ল'ৰা এজন বা ছোৱালী এজনীয়ে গাঁও এখনক সকলোখিনি কদৰ্যতা অশিক্ষা কুসংস্কাৰৰ পৰা মুক্ত কৰিব পাৰিব। কিন্তু প্ৰীতি, তই মোক তেনে কেইজন আদৰ্শবলিয়া শিক্ষিত ডেকা বা গাভৰুৰ সন্ধান দিব পাৰিবি যি বি-এ বা এম-এ পাছ কৰি সুখী জীৱন এটাৰ সপোন নেওচা দি গাঁৱলৈ গুচি আহিব? প্ৰেৰণাই বা ক'ৰপৰা পাব? আৰু যি শিক্ষা পাইছোঁ, সেই শিক্ষাই যে প্ৰেৰণা নিদিয়ে। অৱশ্যে সঁচা, গাঁৱলৈ আমাৰ শিক্ষিতসকল আহিবই লাগিব– কিন্তু তাৰ পথটো একাত্মক প্ৰচেষ্টাৰ নহয়, সামূহিক প্ৰচেষ্টাৰহে। কৰ্তব্য নহয় কেৱল সৰু-সুৰা উন্নতিৰ কামতেই আবদ্ধ থকা, প্ৰধান কৰ্তব্য হ'ল সিহঁতৰ মানুহৰ দৰে জীয়াই থকাৰ জন্মগত দাবীক জগাই তুলি তাক সফল কৰাৰ পথত আগুৱাই লৈ যোৱা।'

'কিন্তু গাইগুটীয়াভাৱে কিয়নো কৰিম– এই বুলিয়েই তই ইমানবোৰ অন্যায় অবিচাৰ চকুৰ আগত লৈ জোনাকত ইয়ালৈ আহি– 'ধৰণীক ভাল পাইছিলোঁ' –বুলি স্বাৰ্থপৰ তৃপ্তিত ডুবি থাকিবি নেকি?'

'বাঃ, বৰ ধুনীয়াকৈ কথা ক'ব জান দেখিছোঁ।' অলপ হাঁহি তাইক কওঁ। পিছ মুহূৰ্ততে গহীন হৈ যাওঁ– 'মোৰ ওপৰত তোৰ ইয়াতকৈ আৰু অলপ ভাল ধাৰণা থকা হ'লেই ভাল পালোঁহেঁতেন প্ৰীতি। হোষ্টেলত তই নেদেখা নহয়, বাজে ৰোমাঞ্চৰ বিলাস লৈ কটোৱাতকৈ কিতাপ এখনকে পঢ়ি সময়ৰ সদ্ব্যৱহাৰ কৰা ভাল বুলি ভাবোঁ মই সদায়ে। গাঁৱত মই ভালকৈ জনা হোৱাৰে পৰা বেছিদিন থকাৰ সুযোগেই পোৱা নাই। যি কেইদিন থাকোঁ অকল সৌন্দৰ্যতে ডুবি থাকোঁ নে, কি কৰোঁ আৰু কেইদিনমান থকা হ'লে বুজিলিহেঁতেন। অৱশ্যে নিজৰ গাঁৱত কাম কৰাটো অলপ টান। কিন্তু লগে লগে এইটোও ঠিক যে পঢ়া-শুনা এৰি দি অকলে অকলে এখন গাঁৱক আদৰ্শ গাঁও কৰি তোলাত মোৰ শক্তিৰ অপব্যয় কৰিবলৈ মই ৰাজী নহওঁ। সেই বুলি নাভাবিবি শিক্ষাৰ মোহত গাঁৱলৈ আহিব নোখোজোঁ। এই শিক্ষা-ব্যৱস্থাৰ ওপৰত অকণো আস্থা নাই মোৰ। আমাৰ স্কুল-কলেজীয়া শিক্ষাই কাৰ মনক কিমান শিক্ষিত কৰে জানিবলৈ বাকী নাই। সেই শিক্ষাৰ মোহটোক আৱশ্যক হ'লে বিসৰ্জন দিয়াৰ ঔচিত্যখিনিক নাপাহৰোঁ। যেতিয়া দৰ্কাৰ হ'ব, তেতিয়া নিশ্চয় ডিগ্ৰীটোৰ মোহ এৰি গুচি আহিব লাগিব।'

দুয়ো অলপ সময় মনে মনে থাকোঁ। মোৰ কথা এটা মনত পৰে,– 'প্ৰীতি, এইটো মই মানো, যিমানেই সামান্য নহওক, যেতিয়াই সুবিধা পোৱা যায় ভাল কাম কৰা উচিত। পাঠশালা এটা পতাৰ কথা ময়ো নভবা নহয়।'

কিবা ভাবি তলমূৰকৈ নিমাতে থকা প্ৰীতিৰ ফালে চাই আগৰ কথাৰ প্ৰসঙ্গ লৈ হাঁহি কওঁ– 'নিষ্ঠুৰ? হয়তো। নহ'লে যি সন্ধিয়া এজনী মোৰ বয়সৰেই

ছোৱালীয়ে ভাৰত কঁপি আৰু গৰমত ঘামি ঢেঁকী দি দি তাইৰ যৌৱনটোক ব্যৰ্থ কৰি দিছে, তেনে সন্ধিয়াবোৰত কেনেকৈ মই জোনৰ হাঁহিৰে উপচি পৰা পৃথিৱীলৈ চাই ভাবিব পাৰোঁ– 'ভালোবেসেছিণু এই ধৰণীৰে?' কিন্তু শুনিবি প্ৰীতি, এই ৰোমাণ্টিক পৰিবেশত থাকিও, ধুনীয়া পৃথিৱীক ভালপাওঁ বুলি ভবাৰ বাহিৰেও আন কি অৰোমাণ্টিক ভাবনাবোৰ মনলৈ আহে? নিজকে কঠোৰভাৱে সাজু কৰোঁ– কেনেকৈ এখন জগত গঢ়ি তুলিব পাৰোঁ, য'ত অকল ময়েই নহয়, বৌহঁতৰ দৰে সকলোৱে সন্ধিয়াৰ জোনাকৰ সৌন্দৰ্য উপভোগ কৰিব পাৰিব। সপোন দেখোঁ কেনেকৈ এই সৌন্দৰ্যৰ কুঁৱলীৰ আৱৰণ ভেদ কৰি তাৰ তলত লুকাই থকা সকলো মলিনতা আঁতৰাই, স্বাস্থ্যবান সুখী শিক্ষিত কৰি তুলিম; অকল বৌৰে নহয় দেশৰ সকলোবোৰ বোৱাৰীকে নতুন জীৱনৰ, যৌৱনৰ পোহৰত উদ্ভাসিত কৰি তুলিম, যেতিয়া আৰু প্ৰেমৰ নাম শুনি আচৰিত হৈ চাই থাকিবলগীয়া নহ'ব। সেই দেশ গঢ়াৰ বাবে সাজু কৰিছোঁ নিজকে– য'ত নহ'ব সামান্য কাজিযাকে লৈ মকৰ্দমাৰ সূত্ৰপাত, য'ত নচলিব ওচৰ-চুবুৰীয়াৰ লগত অশ্লীল গালি আৰু বাঢনীৰ কোবৰ প্ৰতিযোগিতা, আৰু যি দেশৰ ল'ৰা-ছোৱালীবোৰৰ মন অকালতে এনেকৈ বিকৃত হৈ নাযাব।'

ওখ গছডালত, অকণমান বাহটোত শুই থকা সৰু চৰাই এটাই সাৰ পাই চিঞৰি উঠে। প্ৰীতিৰ চেঁচা হাতখন মৰমেৰে তুলি লৈ কওঁ– 'মোৰ কথাবোৰ তোৰ আৱেগৰ প্ৰলাপ যেন লাগিছে নেকি প্ৰীতি? কিন্তু মোৰ ভাষাত আৱেগৰ উত্তাপ থাকিলেও সঁচাযে আজি এই নতুন দিনৰ সপোনটো কেৱল সপোনেই হৈ থকা নাই প্ৰীতি। তাৰ বাস্তৱ পৰিণতি দেখিছুই পৃথিৱীৰ বৰ্তমান ঘুৰঞ্জীৰ পাতে পাতে। কাগজৰ পাতত পঢ়া নাই জানো কেইখনমান দলিত দেশে কেনেকৈ সকলো অবিচাৰ-অত্যাচাৰৰ বিৰুদ্ধে মূৰ দাঙি উঠিছে? এয়েই ইতিহাস। সেইবোৰ দূৰৰ উদাহৰণলৈ বাৰু যাব নালাগে, কিন্তু নতুন জীৱনৰ সপোনে যে সকলোকে অলপ উতলা কৰি তুলিছে তাকতো মই নিজেই আমাৰ গাঁৱতে দেখিছোঁ। যোৱা দুবছৰমান আৰু আজিৰ পাৰ্থক্য কিমান। আজি আমাৰ গাঁৱত ল'ৰা-ছোৱালীবোৰে উচ্চাৰণ কৰে ছ'চিয়েলিষ্ট, কমিউনিষ্ট, কংগ্ৰেছ; উচ্চাৰণ কৰে চন্দ্ৰলৈ যোৱা ৰকেটৰ নাম। বয়সস্থসকলে আলোচনা কৰে দেশৰ পৰিস্থিতি।

বৌৱে হাতত চাকিটো লৈ আমাক ভাত খাবলৈ মাতি চ'ৰাঘৰলৈ আগবাঢ়ি আহি ৰৈ আছিল। গধূলিৰ ঘটনাটো পাহৰি গৈছিল বোধহয়, –চাকিৰ পোহৰত দেখিলোঁ হাঁহিৰে মুখখন উদ্ভাসিত হৈ উঠিছে।

নমতাকৈ আগবাঢ়ি গৈ থকা প্ৰীতিলৈ চাই ঠিক বুজিব নোৱাৰোঁ– মোৰ কথাত তাইৰ মনত কি প্ৰতিক্ৰিয়া হৈছে।

আমাৰ তিনিওৰে মাজৰ থমথমিয়া পৰিবেশটো পাতল কৰিবলৈ মই হাঁহি সোধোঁ– 'তাৰপিছত প্ৰীতি? তোৰ এনথ্ৰ'পলজিৰ সপোনৰ পিছত কি হ'ল, কি কবি মীৰাহঁতক?'

আহিবৰ সময়ত এনথ্ৰ'পলজিৰ ভাল ছাত্ৰী প্ৰীতিয়ে হাঁহি হাঁহি মীৰাহঁতক কৈছিল– 'মীৰা, মোৰ এনথ্ৰ'পলজিৰ সপোনৰ এটা অংশ ইহঁতৰ গাঁৱত পূৰাবলৈ ওলালোঁ।'

তলমূৰকৈ থকা ছোৱালীজনীয়ে এইবাৰ মূৰটো অলপ তুলি ধীৰভাৱে উত্তৰ দিলে– 'ক'ম, সাৰ পাই উঠি আমি কঠোৰ বাস্তৱৰ সন্মুখীন হ'ব লগাত পৰোঁ।' তাৰপিছত তাই বৌৰ হাতখন টানি আনি আলফুলকৈ নিজৰ ধুনীয়া কোমল হাত দুখনৰ মাজত সুমুৱাই লয়।

চাকিৰ পোহৰত দেখোঁ তৃপ্তিৰ হাঁহিত বৌৰ মুখখন উজলি উঠিছে। ❑

ঢেঁকীৰ সৰগ

বেৰৰ আঁৰত লুকাই সকলো শুনিলে স্মৃতিয়ে। ভিতৰৰ পৰা দীঘল উশাহ এটা ওলাই আহিল তাইৰ, ঠিক বেজাৰৰ নহয়– বেজাৰ-স্বস্তি মিহলোৱা একধৰণৰ আনন্দৰ দীৰ্ঘশ্বাস। জীৱনৰ তেইছটা বছৰ য'ত সুখে-দুখে পাৰ হৈ গ'ল, সেই ঘৰখন এইবাৰ চিৰদিনলৈ এৰি থৈ যাব লাগিব। করুণ অনুভূতি এটাই স্মৃতিৰ মনটোক আৱৰি ধৰিলে, কিন্তু পুলকো কম জগা নাই। লগতে একধৰণৰ সকাহৰ ভাব। অষ্টপ্ৰহৰ চকৰিৰ দৰে ঘূৰি তাই যত কাম কৰিব লাগে, এইবাৰ সেই বলদৰ ঘানীৰ পৰা তাই চিৰদিনলৈ মুক্তি পাব। এইবাৰ তাই নিজাকৈ ঘৰ এখন পাব য'ত তায়ো নিজৰ মতামত খটুৱাৰ অধিকাৰ পাব, য'ত অন্ত হ'ব তাইৰ এই অন্তহীন কৰ্মময় জীৱন। কাৰণ তাই এইমাত্ৰ নিজ কাণেৰে শুনিলে– কাকতিহঁতৰ তাইক পছন্দ হৈছে। কিন্তু কথাটো কেৱল সেইখিনিতে ৰৈ থকা নাই, তেওঁলোকে একেবাৰে দিনবাৰো ঠিক কৰি যাব খোজে– এই বহাগতে হেনো বিয়াখন হ'ব লাগে! এই সকলোবোৰ কথা তাই নিজ কাণেৰে বেৰৰ আঁৰত লুকাই শুনিলে। অৱশ্যে ইয়াতকৈ বেছি শুনাৰ সুযোগ স্মৃতিয়ে নেপালে, ভিতৰত টুনিৰ টেঁটুফলা চিঞৰ শুনি তাই যথাসম্ভৱ শব্দ নকৰাকৈ দৌৰ মাৰিলে।

স্মৃতি বিনোদ দত্তৰ বৰ জীয়েক, অৱশ্যে প্ৰথম সন্তান নহয়। স্মৃতিৰ ওপৰত তাইৰ আৰু দুজন ককায়েক আছে, তলতো দুজনী ভনীয়েক আছে– প্ৰীতি আৰু নীতি। তাইৰ দুই ককায়েক প্ৰণৱ আৰু ৰাজীৱ, দুই ভনীয়েক প্ৰীতি আৰু নীতি– আটাইবোৰ পঢ়া-শুনাত ভালেই। কিন্তু তাইহে সিহঁতৰ মাজত ব্যতিক্ৰম হৈ ৰ'ল। প্ৰণৱ এম.এ. পাছ কৰি প্ৰফেছৰ হৈছে আৰু ৰাজীৱ ওকালতি পাছ কৰি উকিল হৈছে। প্ৰীতিয়ে ক'তো খোকোজা নলগাকৈ পাছ কৰি গৈ এতিয়া স্নাতকোত্তৰ মহলাত নাম লেখাইছে আৰু নীতিয়ে সকলো পৰীক্ষাতে প্ৰথম বিভাগত পাছ কৰি এইবাৰ বি.এ. দিবলৈ প্ৰস্তুতি চলাইছে। কিন্তু বেচেৰী স্মৃতি এবাৰ মেট্ৰিক ফেল কৰি দ্বিতীয়বাৰ যেনিবা তৃতীয় বিভাগত

পাছ কৰিলে, কিন্তু আই.এ.ৰ দেওনাখন আৰু কোনোমতেই পাৰ হ'ব নোৱাৰিলে। তৃতীয়বাৰো যেতিয়া তাই অকৃতকাৰ্য হ'ল, আই সৰস্বতীক বিদায়ী প্ৰণাম জনাবলৈ স্মৃতি বাধ্য হ'ল। তাৰ পিছৰ পৰা এই তিনিটা বছৰ তাই ঘৰতে বহি আছে বুলি ক'লে অৱশ্যে ভুল কোৱা হ'ব, তাই কাম কৰি আছে, অজস্ৰ ঘৰুৱা কাম।

বিদ্যাদেৱীৰ অৱহেলাই তাইক কাম কৰা যন্ত্ৰ কৰি তুলিলে। দুই ককায়েকে বিয়া কৰাইছে, দুয়ো বৌয়েক ল'ৰা-ছোৱালীৰ মাক, সিহঁতক লৈ তেওঁলোক ব্যস্ত, বহুক্ষেত্ৰত সঁচা ব্যস্ততাতকৈ ব্যস্ততাৰ অজুহাত বেছি। ইফালে প্ৰীতি, নীতি ব্যস্ত পঢ়া আৰু কলেজ লৈ। স্মৃতিৰহে তেনে নিজস্ব একো লৈ ব্যস্ত হ'বলগীয়া নাই, গতিকে তাই কাম-কাজ লৈয়ে ব্যস্ত হৈ থাকিবলগীয়া হ'ল। মাক থকা হ'লে হয়তো তাইৰ মূৰত ইমানখিনি কামৰ বোজা নপৰিলহেঁতেন। মাকে নিশ্চয় নিজেও কাম কৰি আৰু বোৱাৰীয়েকহঁতৰ হতুৱায়ো কাম কৰাই তাইৰ কৰ্মশ্ৰান্তি লাঘৱ কৰিব পাৰিলেহেঁতেন। কিন্তু সিহঁতৰ মাক কেতিয়াবাই ঢুকাইছে, গতিকে দুবেলা ভাত ৰন্ধাকে আদি কৰি সকলো কামৰ ভাৰ তাইৰ ওপৰতে পৰিছিল। মাক নথকা বাবে বোধহয় আৰু এটা কথা হৈছিল– এই যে স্মৃতি এনেকৈ আবিয়ে হৈ থাকিবলগীয়া হৈছে। বৰ পুতেকৰ বিয়া পাতি দি মাক ঢুকাল, বাকীজনে বিয়া কৰালে প্ৰেমত পৰি। স্মৃতিৰ কথা কোনেও খুব বেছি নেভাবে। দেউতাক আছে অৱশ্যে, কিন্তু সদায়ে তেওঁ অসাংসাৰিক মনৰ। স্মৃতিৰ বিয়া লৈ পুতেকহঁতৰ অৱশ্যে অলপ উৎসাহ দেখা যায়, কিন্তু ঘৈণীয়েকহঁতৰ গা এৰা ভাবে তেওঁলোকৰো উৎসাহ কমায়। অ'ত ত'ত অলপ কথা-বতৰা– এইখিনিলৈকে স্মৃতিৰ বিয়াৰ ব্যৱস্থা চলি আছিল। দুই বৌয়েকে জানে, স্মৃতি নহ'লে তেওঁলোকৰ সংসাৰ নিশ্চয় অচল নহয়, কিন্তু প্ৰায়ে বিকল হৈ পৰিব। গতিকে স্মৃতিৰ বিয়া হ'বই লাগিব যিকোনো প্ৰকাৰে– এনে এটা চেষ্টাত তেওঁলোক নলগাটো স্বাভাৱিক। স্মৃতি শান্ত, নিৰ্জু আৰু অঁকৰা ধৰণৰ ছোৱালী, তাই অলপো বিৰক্ত নোহোৱাকৈ নীৰৱে দিনৰ দিনটো কাম কৰি যায়, কিন্তু তাইৰোতো তেজ-মঙহৰ শৰীৰ, পৈণত নহ'লেও তাইৰো মন বোলা বস্তু এটা আছে, গতিকে সেই মনটোৱেও মাজে মাজে বিদ্ৰোহ কৰি উঠিব জানে। যি সংসাৰ তাইৰ নিজৰ নহয়, য'ত তাই অকণো প্ৰভুত্ব খটুৱাৰ অধিকাৰ নেপায়– মাথো আদেশ শুনি তাক যথাযথভাৱে পালন কৰি যাব লাগে, সেই সংসাৰৰ বাবে তাই আৰু অবিশ্ৰান্তভাৱে কিমান দিন খাটি মৰিব? যি ল'ৰা-ছোৱালী তাইৰ নিজৰ নহয়, সিহঁতৰ আলৈ-আহকাল সহ্য কৰি কিমান দিন আৰু আলপৈচান ধৰি চলি থাকিব?

চলিল অৱশ্যে তিনিটা বছৰ। তিনি বছৰ হয়তো তেনে একো সুদীৰ্ঘ কাল

নহয়, কিন্তু স্মৃতিৰ বাবে এতিয়া সময় গধুৰ। কাম কৰাত তাইৰ আপত্তি নেথাকিব পাৰে, কিন্তু আনন্দ নাই। আনন্দৰ উৎস লুকাই আছে নীতি-প্ৰীতিহঁতৰ দৰে পঢ়াৰ জীৱনত, কিন্তু বাণীদেৱীয়ে তাইক সেই আনন্দৰ পৰা বঞ্চিত কৰি ৰাখিলে।

কিন্তু এইবাৰ বোধহয় স্মৃতিৰ এই তিনি বছৰীয়া দুখৰ ওৰ পৰিব, এইমাত্ৰ নিজ কাণেৰে তাই সেই সম্ভাৱনাৰ খবৰ শুনি আহিছে। তাইৰ বিয়া হ'ব আৰু হ'ব এই বহাগতে। অকল সেয়ে নহয়– আৰু বহুত কথা, বহুত সম্ভাৱনা আৰু বহুত আনন্দ। কাকতিহঁত হেনো বেছ চহকী মানুহ, তাইৰ ভাবী স্বামী অনিল কাকতি ঘৰৰ ডাঙৰ ল'ৰা, খুব বিদ্বান বুলি নাম আছে হেনো। অৰ্থাৎ এইকেইটা খবৰৰ পৰা তাই এইবোৰ সম্ভাৱনাৰ আশা দেখেঃ প্ৰথম কথা, এই তিনি বছৰীয়া কামৰ বোজাৰ পৰা তাই এইবাৰ মুক্ত হ'ব; দ্বিতীয় কথা, চহকী ঘৰৰ ল'ৰাৰ বোৱাৰীযেক যেতিয়া তাই নিশ্চয় সকলোৰে খুব আদৰৰ পাত্ৰী হ'ব; আৰু তৃতীয় আৰু শেষ কথা যে তাইৰ ইমান বিদ্বান স্বামী হ'ব। কি গৌৰৱৰ কথা। একেবাৰে আকাশ-কুসুম হাততে পাই যোৱা যেন লাগে স্মৃতিৰ। তাইৰ আগ্ৰহ দেখিলে সেই স্বামীয়ে হয়তো তাইৰ আকৌ পঢ়াৰ সুযোগ কৰি দিব আৰু তেনে বিদ্বান স্বামীযে চাই-চিতি দিলে তাই হয়তো এইবাৰ আই.এ. পাছ কৰিব পাৰিব। স্মৃতি আনন্দতে আচৰিত হৈ যায়– তাইৰো কপালত এনে সৌভাগ্য লেখা আছিলনে? ই কি অভাৱনীয় কথা। এনে অকস্মাতে তাইৰ সৰগবাসিনী হোৱাৰ ভাগ্য কোন বিধাতাৰ অভিপ্ৰেত হ'ল? স্মৃতিৰ মন আচ্ছন্ন হৈ ৰ'ল অবাক আনন্দত।

টুনিৰ চিঞৰত ভিতৰলৈ দৌৰি যোৱা স্মৃতিযে দেখিলে তাই আলহীলৈ, অৰ্থাৎ কাকতিহঁতলৈ অনা সন্দেশৰ ভাগ নোপোৱা বাবে ৰাউচি জুৰিছে। ভুজিয়া, লুচি আদি অপেক্ষাকৃত সাধাৰণ বস্তুৰ পৰা সিহঁতক অৱশ্যে বঞ্চিত কৰা হোৱা নাই, কিন্তু কোনো বিশেষ উপলক্ষ্য নোহোৱাকৈ এইবোৰ দামী বস্তু প্ৰফেছৰ আৰু নতুনকৈ হোৱা উকিলৰ ঘৰত সকলোৰে বাবে আনি অপব্যয় কৰাৰ উপায় নাই। বাকী ল'ৰা-ছোৱালীকেইটিক বুজাব পৰা গৈছিল, কিন্তু টুনিজনীৰ বৰ জেদ।

স্মৃতিযে গৈ টুনিক কোলাত তুলি লৈ আঁচলেৰে চকুপানী মচি দিলে। তাইৰ মনত আজি আনন্দৰ জোঁৱাৰ, মনটো ইমান উদাৰ হৈ গৈছিল যে টুনিযে যি খোজে সকলো যেন দি দিব। কিন্তু সেইবোৰ অবাস্তৱ। গতিকে মুখেৰে ক'ব নোৱাৰা কথা এবাৰ তাই মনৰ ভিতৰতে আওৰালে– 'মোৰ বিয়াত তোমাক হেঁপাহ পলুৱাই সন্দেশ ৰসগোল্লা খুৱাম, টুনি।'

সৰু বৌৱেক, অৰ্থাৎ টুনিৰ মাকে কিন্তু তাইৰ মনৰ কথা মুখ ফুটায়ে ক'লে– 'তোৰ বৰ পেহীয়েৰৰ কেইদিনমান পিছতে বিয়া হ'ব টুনি, তেতিয়া তই যিমান মন যায় সিমান সন্দেশ খাবি।'

স্মৃতিৰ মুখখন ৰঙা পৰাৰ সময়খিনিৰ ভিতৰতে ডাঙৰ বৌয়েকৰো সঁহাৰি পোৱা গ'ল, তেওঁ আলহীৰ ওচৰৰ পৰা আহি স্মৃতিৰ ফালে চাই ক'লে– 'টুনিক কোলাৰ পৰা নমাই আকৌ অলপ চাহৰ পানী বহোৱাগৈচোন স্মৃতি, কাকতিহঁতক বোলে আৰু এককাপ চাহ দিব লাগে।'

টুনিক কোলাৰ পৰা নমাই থৈ স্মৃতি ক্ষিপ্ৰ গতিৰে পাকঘৰলৈ গৈ যথাযথ-ভাৱে আজ্ঞা পালন কৰাত লাগি গ'ল। আনদিনাৰ যান্ত্ৰিক তৎপৰতাৰে কাম কৰা হাত দুখনত যেন আজি প্ৰাণৰ পৰশ লাগিল। খুব আগ্ৰহেৰে তাই টি-পটত গৰম পানীখিনি ঢালিলে, তাইৰ ভাবী শহুৰেকৰ ঘৰৰ মানুহক তাই আজি এই চাহ খুৱাব– যাৰ ঘৰখন অচিৰেই তাইৰো নিজৰ ঘৰ হ'ব; তাইৰ সপোনৰ সৰগ।

ৰাতি ভাত ৰান্ধি ৰান্ধিও স্মৃতিয়ে তাইৰ এই হ'ব খোজা বিয়াখনৰে কথা ভাবি আছিল। ভাবি ভাবি তাই ইমানেই আপোন-পাহৰা হৈ আছিল যে নীতিৰ মাতত একৰকম উচাপ্ খায়ে উঠিছিল–

'বাইদেউ, চাহ একাপ খুৱাবি? ক'লৰিজৰ মেটাফিজিকেল্ প'য়েট্ৰি খুব টান লাগে। গধূলিৰে পৰা তাকে পঢ়ি পঢ়ি মূৰ বিষাই গ'ল মোৰ।'

স্মৃতিৰ অলপ গৌৰৱবোধেই জাগে যে নীতিয়ে তাইৰ বিদ্যাৰ ওপৰত একেবাৰে অনাস্থা ৰখা নাই, অন্ততঃ তাই এইখিনি সন্মানো দিছে যে ক'লৰিজ নামটো বায়েকক ক'ব পাৰি, তেওঁৰ মেটাফিজিকেল প'য়েট্ৰিৰ কথাও ক'ব পাৰি, আচলতে যদিও সেইটো শব্দ স্মৃতিয়ে কোনোদিনেই শুনা নাই।

স্মৃতিয়ে এতিয়া নীতিৰ কথাত প্ৰসন্ন মুখেৰে উত্তৰ দিলে– 'দিছোঁ ৰ–'। তাৰপিছত কেৰাহিত ভাজি থকা বিনখিনি এবাৰ লৰাই দি, তাৰ তলৰ চৌকাৰ পৰা এডাল জ্বলা খৰি আনি চাহৰ চৌকাত সুমুৱাই কেটলিটো বহাই দিলে।

নীতি কিন্তু পঢ়া কোঠালিলৈ সেই মুহূৰ্ততে উভতি নগ'ল, পীৰা এখন পাৰি তাই চাহৰ চৌকাৰ ওচৰতে বহি পৰিল। তাৰপিছত কৰ্মৰতা বায়েকৰ শান্ত মুখখনলৈ অলপপৰ চাই থাকি আধা মৰম আৰু আধা দুষ্টালি সনা হাঁহি এটা মাৰি নীতিয়ে সুধিলে– 'বহাগৰ এঘৈছ তাৰিখে তোৰ বিয়াৰ দিন ঠিক হৈ গ'ল, জান বাইদেউ?'

জুইৰ তাপত ৰঙচুৱা হোৱা স্মৃতিৰ মুখখনৰ বৰণ সলনি হোৱা বুজা নগ'ল। মাথো অলপ সময় মনে মনে থাকি, হঠাতে এবাৰ চেষ্টাৰে সংকোচ কাটি কৰি তাই হঠাৎ সুধি পেলালে– 'বাৰু কচোন নীতি, মইতো বুদ্ধিহীন মূৰ্খ ছোৱালী, কাকতিৰ ল'ৰা বোলে বিদ্বান আৰু মানুহঘৰো চহকী, মোকনো তেওঁলোকে কিয় পছন্দ কৰিলে? ৰাজ্যতনো আৰু ছোৱালী নোহোৱা হ'লনে?'

জুইৰ পোহৰত উজলি উঠা বায়েকৰ প্ৰায় ধুনীয়া নিৰীহ মুখখনলৈ চাই অলপ ভাবি নীতিয়ে উত্তৰ দিলে– 'তোৰ বিদ্যা নহ'ব পাৰে বাইদেউ, কিন্তু

তইতো দেখাত বেয়া নহৱ। আমাৰ ভাবী ভিনদেৱে হয়তো লেখা-পঢ়া জনা ছোৱালীতকৈ ধুনীয়া ছোৱালীহে বিচাৰে। আমাৰ লগৰে বেণু–' ইয়াৰ পিছত নীতিয়ে সিহঁতৰ লগৰ বেণু ধুনীয়া হোৱা বাবে ক'ত কেনেকৈ ভাল দৰা পালে তাৰে গল্প কোৱাত লাগি গ'ল, যদিও স্মৃতিক পিছত সোধা হ'লে বেণু ধুনীয়া নে অধুনীয়া এই কথাটোকে ক'ব নোৱাৰিলেহেঁতেন। তাইৰ মন তেতিয়া সেই পাকঘৰটোৰ ঠেক গণ্ডীৰ সীমা পাৰ হৈ ঘূৰি ফুৰিছিল তাইৰ ভৱিষ্যতৰ অতি আপোন ঘৰখনত, য'ৰ আৰামপূৰ্ণ পৰিবেশ এটাত তাই মধুৰ অলসতা আৰু সুদীৰ্ঘ জিৰণিত তিনিবছৰীয়া ভাগৰটো পলুৱাব পাৰিব।

বহাগৰ এঁকেছ তাৰিখে যথাযথভাৱে স্মৃতিৰ বিয়া হৈ গ'ল। কাকতিহঁতৰ ঘৰৰ বোৱাৰী হোৱাৰ পিছতো আৰু দুটা মাহ পাৰ হৈ গ'ল– এঁকেছ জেঠ আহিল আৰু গ'ল, এঁকেছ আহাৰো। ইতিমধ্যে নীতিৰো বি.এ. পৰীক্ষা হৈ গৈছিল আৰু পৰীক্ষা দি উঠি তাই বায়েকলৈ দীঘলীয়া চিঠি এখন লেখিলে; প্ৰথমে তাইৰ পৰীক্ষা ভাল হোৱাৰ খবৰ দি, পিছত অলপ ঘৰুৱা খবৰ দি– বৌৱেকহঁতৰ বিৰুদ্ধে কিছুমান বিষোদ্‌গাৰ আৰু টুনি বেনিহঁত উপযুক্ত শাসনৰ অভাৱত কিমান উদণ্ড হৈ উঠিছে সেইবোৰ লেখি– শেষত তাই বায়েকৰ খবৰ সুধিলে– তাই যেন দীঘলীয়াকৈ বিবাহিত জীৱনৰ বৰ্ণনা দি লেখে। বিশেষকৈ ৰূপ আকলুৱা 'ভিনদেউ'টোৰ স্মৃতিৰ প্ৰতি কিমান ভালপোৱা উপজিছে, স্মৃতিৰে বা স্বামীৰতুক কেনে লাগিছে সকলো যেন তাই অতি সোনকালে আৰু বহলাই নীতিক জনায়।

বয়সৰ হিছাপত স্মৃতিৰ প্ৰীতিৰ লগতহে বেছি ঘনিষ্ঠতা হোৱাৰ কথা। কিন্তু কিয় জানো সেইটো নহ'লগৈ, নীতিহে তাইৰ বেছি বন্ধু হৈছিল।

বায়েকৰ চিঠিলৈ বাট চাই যেতিয়া নীতিৰ আমনি লাগি শেষত খং উঠি গৈ সোঁৱৰাবৰ মনেৰে আৰু এখন চিঠি লেখাৰ কথা ভাবিছিল– তেতিয়াই স্মৃতিৰ চিঠি আহি পাইছিল। খামটোৰ ওপৰত এক অনাৰ ডাক টিকট বেছি লগোৱা। নীতিয়ে বিচৰাতকৈও দীঘল চিঠি। নিজান ঠাই এডোখৰ বিচাৰি লৈ তাই স্মৃতিৰ খবৰৰ লেখাবোৰ লৈ পঢ়িবলৈ বহি গ'ল:

মৰমৰ নিতী, (নীতিয়ে ভাবিলে– বায়েকে তাইৰ নামৰ বানানটোও শুদ্ধকৈ নেজানে)

তোৰ চিঠি কেতিয়াবাই পালোঁ। পিছে তই লেখা মতে উত্তৰহে দিব পৰা নাই। তোৰ হয়তো শুনিলে আচৰিত লাগিব যে কামৰ হেঁচাতহে মই তোলৈ চিঠি দিব পৰা নাই। কিন্তু কথাটো একেবাৰে সঁচা। এইখন ঘৰত বৰ কাম অ' নিতী, আমাৰ ঘৰতকৈও। ইয়াত মানুহ-দুনুহ বেছিতো। এওঁলোক যদিও বৰ ধনী মানুহ কাম কৰা মানুহ-দুনুহ বৰ বেছি নাই, কাৰণ আয়ে কয়–

চাকৰ-বাকৰৰ ওপৰত ভেজা দিয়াটো ভাল নহয় আৰু কাম-কাজ কৰিলে স্বাস্থ্যও ভালে থাকে। সেই কাৰণে আয়ে বোলে ইমানদিনে পুতেকলৈ কাম-বন জনা ছোৱালী এজনী বিচাৰি আছিল। আমাৰ ওচৰৰ লীলাহঁত যে সেই লীলাৰ মাক আইৰ দূৰ সম্পৰ্কৰ বায়েক হয়, তেওঁলোকৰ পৰাই বোলে মোৰ কথা শুনিছিল। ধৰিবলৈ গ'লে লীলাহঁতৰ বাবেই মোৰ এই বিয়া হ'ল।

এতিয়া শুন মোৰ কামৰ হিচাপ। জানই মোৰ দুজন দেওৰ আৰু দুজনী ননদ। ডাঙৰ ননদজনীৰ অৱশ্যে বিয়া হৈ গৈছে। এওঁলোক সকলোবোৰ স্কুল-কলেজলৈ যায়। মই খুব ৰাতিপুৱাতে উঠি গাটো ধুই লওঁ, তাৰপিছত চাহ-জলপান কৰোঁ। আইৰ বহুত চুৱা-ভাল, গা নোধোৱাকৈ পাকঘৰত সোমাব নিদিয়ে। চাহ-জলপান কৰি উঠি কাৰোবাক কাৰোবাক দিওঁ কাৰণ সকলোৱে আকৌ একেলগে চাহ নেখায়। কেইজনমান টোপনিৰ পৰা বৰ দেৰিকৈ উঠে, আয়ে অৱশ্যে বকি বকি সকলোকে মাতি থাকে। চাহপানী দি উঠি দেওৰহঁতৰ বিছনাবোৰ ঠিকঠাক কৰি দিওঁ। তাৰপিছত ঠাকুৰক মাছ-তৰকাৰী কাটি-বাছি দিওঁ– মাজতে এবাৰ ঠাকুৰ ঘৰলৈ গৈছিল, তেতিয়া ময়ে প্ৰায় ৰন্ধা-বঢ়া কৰিবলগা হৈছিল। ইমান মানুহৰ ৰন্ধা-বঢ়াৰ অভ্যাসতো ঘৰত নাছিল, খুব দিগদাৰত পৰিছিলোঁ। ভাত খাবৰ সময়ত সকলোকে ময়ে ভাত ভগাব লাগে, তাকো একেলগে নহয়, কাৰ কেতিয়া স্কুল-কলেজ ঠিক নাইতো। এজনৰ পিছত এজনকৈ ভগাই থাকিব লাগে। ঠাকুৰৰ হতুৱাই বিলাবলৈ আইৰ হেনো ভাল নালাগে, তেখেতে কয় বোলে ল'ৰা-ছোৱালীবোৰক ঠাকুৰে ৰন্ধা ভাতকে খাবলৈ দিব মন নেযায়, উপায় নাই বাবেহে–' নীতিয়ে পঢ়ি গ'ল, এইখিনিৰ পিছতে এডাল দীঘল আঁচ টানি স্মৃতিয়ে লেখিছে– 'সেইখিনিতে মই উঠি যাব লগা হ'ল, লনিয়ে বোলে সাৰ পাই উঠি গাখীৰ খোৱাৰ জেদ ধৰিছে, তায়ো আদৰতে বাঢ়ি আমাৰ টুনিৰ দৰেই জেদী হৈছে। গতিকে মই উঠি গৈ আইৰ কথামতেই গাখীৰ গৰম কৰি আনিলোঁগৈ। অ' লনি কোন তইতো নেজানই হবলা, তাই হ'ল মোৰ ডাঙৰ ননদৰ ছোৱালী, তেওঁৰো আইৰ দৰেই বহুত ল'ৰা-ছোৱালী, আহুকাল সহ্য কৰিব নোৱাৰি লনিক ইয়াতে ৰাখিছে, শুনিছোঁ লনিৰ সৰু ভায়েকটোকো ইয়াতে থব, কাৰণ মোৰ ডাঙৰ ননদৰ হেনো আকৌ ল'ৰা-ছোৱালী হ'বৰ হৈছে। আই বোধহয় দুই-এদিনতে জীয়েকৰ তালৈ যাব। লনিজনী বৰ মৰমলগা ছোৱালী, কিন্তু সেই জেদটো উঠিলে আৰু ৰক্ষা নাই। মোক হ'লে তাই বৰ ভাল পায়, কিন্তু তাইৰ বাবেও মোৰ বহুত কাম বাঢি যায়। অ' তোক মই ভাত-পানী ভগোৱাৰ কথা কৈছিলোঁ নহয়, এনেয়ে কোনো কথা নাই, কিন্তু কেতিয়া যে কোনে আহি খাবহি তাৰ ঠিক নাই বাবেহে বৰ মস্কিল। কাৰোবাক ভাত দি থাকোঁতে কোনোবাই আহি চাহ খুজিবহি। আৰু

তোৰ ভিনদেৱেৰাইতো ইকাপৰ পিছত সিকাপকৈ চাহ খায়েই থাকে। আয়ো চাহ খোৱাত প্ৰায় পুতেকৰ দৰেই। আই আকৌ বেছিভাগ সময় বাগানতে ঘূৰি ফুৰে। এওঁলোকৰ আগফালে পিছফালে বিৰাট বাগান। সকলো ধৰণৰ শাক-পাচলিযে এওঁলোকৰ বাগানত হয়। নানা ফল-মূলৰ গছো আছে। এওঁলোকৰ বাৰীৰ শাক-পাচলি আই যেতিয়া খৰাহি ভৰাই তুলি লৈ আহে আৰু মই সেইবোৰ কটা-বছা কৰি থাকোঁ, তেতিয়া মোৰ খুবকৈ আমাৰ ঘৰলৈ মনত পৰে। আমাৰতো তাত সদায় বজাৰৰ শুকান পাচলি কিনি খাওঁতেই যায়।

যি হওক, ভাতপৰ্বৰ পিছত লনিক গা-পা ধুৱাই তাইৰ কাপোৰ-কানি ধুই ঘৰৰ আন কানি-কাপোৰ দুই-এখনো ধুই তাইক ভাত খুৱাওঁগৈ। লনি যদিও বেছিভাগ আইৰ লগতে থাকে, তথাপি তাইৰ কামবোৰতো আই কৰিব নোৱাৰে। জানই নহয় সৰু ল'ৰা-ছোৱালীক লৈ কত কাম। শাহু আয়ে মোক প্ৰথমতে এদিন কৈছিল– 'ইহঁতে কয় লনিৰ কাৰণে আয়া ৰাখি দিবলৈ, মই কিন্তু দিব নোখোজোঁ, চাকৰ-বাকৰৰ হাতত দিলে ল'ৰা-ছোৱালী নষ্ট হয়–' এই বুলি আয়ে ওচৰৰ ঘৰৰ উদাহৰণ দিলে। অৱশ্যে ওচৰৰ ঘৰৰ লগত মোৰ এতিয়াও ভালকৈ চিনাকি হোৱা নাই– সময়েই নাপাওঁতো।

দুপৰীয়া মই ভাত খাওঁতে এটা বাজি যায়, ইমান ভাগৰ লাগে তেতিয়া, কিন্তু জিৰাওনো কেনেকৈ? দুজন দেওৰ আৰু ননদজনী লেজাৰৰ ছুটীত তেতিয়া ঘৰলৈ আহে, সিহঁতক খাবলৈ দিব লাগে। দেওৰ দুজনৰ কিন্তু এনেকৈ ঘৰলৈ আহি খাই যাবলৈ আপত্তি, কিন্তু আয়ে কয় বাহিৰৰ খোৱা খালে নানা বেমাৰ হোৱাৰ ভয় থাকে। ইয়াৰ পিছত যিখিনি সময় পাওঁ আইক মহাভাৰত-ৰামায়ণ পঢ়ি শুনাব লাগে। ভাল কথা পঢ়ি মোৰো মন ভালে থাকিব বোলে আৰু স্কুল-কলেজত পঢ়ি অহা বিদ্যাৰো তেতিয়া মূল্য থাকিব। আয়ে কোৱা কথাটো অৱশ্যে মিছা নহয়। ইয়াৰ পিছত আবেলিৰ চাহ-জলপানৰ সময় আহে। কাপোৰ-কানি চপাই মেলি ঘৰ-দুৱাৰ চাফ-চিকুণো কৰিব লাগে। কাম কৰা ল'ৰা এটা আছে, সি ঘৰ-দুৱাৰ সৰা, বাচন-পত্ৰ ধোৱা এইবোৰ কাম কৰে। চাহ পৰ্ব শেষ কৰি যেতিয়া অলপ আজৰি পাওঁ, তেতিয়া প্ৰায়ে মানুহ-দুনুহ আহে, নহ'লেবা আয়ে লনিকে ঘৰৰ কম্পাউণ্ডত অলপ ফুৰাবলৈ কয়– কাৰণ আয়ে কয় মামীয়েক যে আপোন সেই কথা এনেকৈ ফুৰালে-মেলিলেহে গম পোৱা যাব। ৰাতি পাকঘৰৰ কামৰ পিছত ভাত-পানী খাই আজৰি হওঁ, কিন্তু তেতিয়া টোপনিয়ে হেঁচা মাৰি ধৰে, কোনোমতে চিঠি লেখিবৰ মন নেযায়। সেয়েহে আজি বহুত দিনৰ এলাহ কাটি কৰি থৈ জোৰকৈ বহিছোঁ তোলৈ লেখিবলৈ, তোৰ ভিনদেৱেৰাই কেবাদিনো আগতে এনভেলপ আনি দিছে।

মোৰ কামৰ বৰ্ণনাটো শুনিলিয়েই। অ' তোক তাঁতশালৰ কথা কোৱাই নাই, সেইবিধো আছে। আয়ে কয় যি ঘৰত তাঁতশাল নাই সেইখন কিহৰ ঘৰ? অৱশ্যে মই বেছি নবও দেই, আযেই বেছিভাগ বয়। এওঁলোকৰ এটা ঢেঁকীও আছে, প্ৰাযে পিঠাগুড়ি খুন্দো আমি। আযে কয় কেৱল ৰুটি-লুচি খালে আমুৱাই যায, মাজে মাজে পিঠাপনাও হৈ থাকিব লাগে। আমাৰতো আৰু ঢেঁকীৰ অভ্যাস নাই, এদিন মোৰ বাৰুকৈয়ে হাত খুন্দিলে।

এতিযাতো বুজিলি মই কিয় ইমান দিনে চিঠি দিব পৰা নাই। ইয়াৰ পিছত তই আৰু নিশ্চয খং নকৰ। তই কিন্তু মই উত্তৰ নিদিলেও ঘনাই ঘনাই চিঠি দি থাকিবি দেই, মই যে সদায়ে ঘৰৰ চিঠিৰ বাবে আশাৰে বাট চাই থাকোঁ। অ' এটা কথা কিন্তু– চিঠিত যেন এইবোৰ ঘৰুৱা কথা একো নেলেখ– মোৰ চিঠি সকলোৱে পঢে নহয় ইযাত। আযে কয মই এতিয়া এওঁলোকৰ ঘৰৰ বোৱাৰী যেতিযা মোৰ চিঠিও বেলেগ প্ৰাইভেট হৈ থাকিব নাপায।

মই ভালেই আছোঁ। নিতী, ভালকৈ পঢ়া-শুনা কৰ, নিজৰ ভৰিত থিয় দি চাকৰি-বাকৰি কৰি খোৱাই ভাল। বিয় [illegible] কথা নহয় অ'। মাজে মাজে ৰাতি যে মোৰ ইমান ঘৰলৈ ম [illegible] ন যায় তহঁতৰ ওচৰলৈ গুচি যাবলৈ, খুব কান্দোন ওলায তেতিযা। তোৰ ভিনদেৱেৰাই সাৰ পায বুলি বিছনাৰ পৰা নামি গৈ পকাতে বাগৰি কান্দো, এওঁলোকৰ পকাবোৰ আমাৰ ঘৰৰ পকাতকৈও মিহি বোধহয়, ইমান যে ধুনীয়া এওঁলোকৰ ঘৰটো, এতিয়া গৰমতো, ইমান মিহি পকাত শুই বৰ আৰাম লাগে, সেইবাবে মাজে মাজে মই কান্দি কান্দি তাতেই টোপনি যাওঁ।

অ' তই ভিনদেৱেৰাৰ খবৰ সুধিছিলি নহয়। বৰ গহীন মানুহ অ', ভয়েই লাগে মোৰ, এতিযা ইমান দিনৰ পিছতো ভয় ভগা নাই। ঘৰত থকা সময়খিনিত চাহৰ কাপ হাতত লৈ কিতাপ পটি থাকোঁতেই যায়। এদিন মই ভয়ে ভয়ে সুধিছিলোঁ– 'আপুনি ইমান বিদ্বান মানুহ, বেছি লেখা-পঢ়া জনা ছোৱালী এজনী বিয়া নকৰালে কিয়?' তেতিয়া উত্তৰ দিলে– 'মোৰ যথেষ্ট বিদ্যা আছে, তাৰেই আঁটিব, আনৰ বিদ্যাৰ দৰ্কাৰ নাই মোৰ।'

ইমান সময় বায়েকৰ চিঠি পটি পঢ়ি নীতিৰ দুখৰ লগতে খং মিহলি অনুভূতি এটাও জাগি আছিল। কিন্তু এইবাৰ তাই দাঁত কৰচিলে– মুখৰ ভিতৰতে অস্পষ্ট উচ্চাৰণ কৰিলে– 'দাম্ভিক ক'ৰবাৰ'– তাৰপিছত আকৌ পটি গ'ল স্মৃতিয়ে টোপনি ক্ষতি কৰি, ভাগৰ কাটি কৰি লেখা ৰাতিৰ চিঠিখন– 'তোৰ ভিনদেৱেৰা কিন্তু বেছ বিবেচনা থকা মানুহ, তেওঁ বিদ্যাহীনতাক অৱজ্ঞা বা ইতিকিং নকৰে। এদিন মোক আকৌ কৈছিল যে ছোৱালীৰ বিদ্যাৰ কি দৰ্কাৰ, ঘৰ ধৰিব পৰা হ'লে, ৰূপ থাকিলেই হ'ল। দেখিছ কেনেকৈ বিদ্যা

নথকাক হীন ভাব নেদেখুৱালে। আকৌ এবাৰ দাঁত কৰচিলে নীতিয়ে– 'আঁকৰী বাইদেউজনী, ভাল এজন চিনিকৰ পাল্লাত পৰিলি–'

শেষ হৈ অহা চিঠিখন আকৌ পঢ়ি গ'ল নীতিয়ে– চিঠিখন বৰ গধুৰ হ'ব অ'। নিশ্চয় বেছি পইছা ভৰিব লাগিব। ভিনদেৱেৰাই যদি সোধে– ইমান গধুৰ হ'ল কিয়, কি বুলি কম বাৰু? ৰ, মনত বুদ্ধি এটা খেলাইছে, কম পৰীক্ষা দি উঠি তই এতিয়া চিলাইত লাগিব খুজিছ, মোৰ তাত থকা টেবুলক্লথৰ নমুনা খুজি পঠাইছিলি, তাকে পঠাওঁতে গধুৰ হ'ল। পঢ়া-শুনাত বুদ্ধি নেথাকিলে কি হ'ব, মোৰ কথাত একেবাৰে বুধি নোহোৱা নহয়, কি কৱ নিতী?

উস্, ভালেমান ৰাতি হ'ল। এওঁলোকৰ কুকুৰটোৰ ভুকভুকনিহে শুনা গৈছে মাথো। অৱশ্যে ভিনদেৱেৰাৰ নাকৰ ঘোৰ্ঘোৰণিও। জান নিতী, প্ৰথম প্ৰথম মোৰ এই নাকৰ শব্দ বৰ অসহ্য লাগিছিল, টোপনিয়ে নাহিছিল, এতিয়া পিছে শুনি শুনি অভ্যাস হৈ গ'ল।

নাই, এৰোঁ আৰু। কথাত কথা বাঢ়ে। তই কিন্তু মোলৈ ঘনাই চিঠি দি থাকিবি। প্ৰীতিকো কবি। নবৌহঁতক কবি, সময় পালে যেন চিঠি লেখে। এতিয়া ৰাতি হ'ল, পুৱাতেই উঠিব লাগিবতো, তদুপৰি গধুৰো হ'ল খুব, গতিকে আজি আৰু কালিকো লেখিব নোৱাৰিলোঁ। টুনিহঁতক সকলোকে মোৰ মৰমৰ চুমা দিবি– সিহঁতক যে ইমান চাবলৈ মন যায়! ককাইদেউহঁতৰ খবৰ কি? দেউতাৰ গা-মূৰ ভালে আছেতো? দেউতাৰ যত্ন লবি দেই, নিতী। দেউতাৰ কথা মনত পৰিলেও মোৰ কান্দোন ওলায়। জান নিতী, দেউতাই মোক ইয়ালৈ আহিবৰ সময়ত কান্দোতে মূৰত হাত বুলাই কৈছিল– 'নেকান্দিবি আই, কিমান চহকী ঘৰত পৰিলি তই, ৰাজৰাণীৰ সুখত কাল কটাব পাৰিবি নহয়!' প্ৰায় শেষ হৈ অহা চিঠিখন, সেইখিনিলৈকে পঢ়ি নীতিয়ে আকৌ মনৰ ভিতৰতে ভোৰ-ভোৰালে– 'দেউতাইতো আৰু সেই সময়ত ভবা নাছিল যে ঢেঁকী স্বৰ্গলৈ গ'লেও ধান বানিব লাগে–' তাৰপিছত নীতিয়ে চিঠিখন পঢ়া শেষ কৰিলে– বাৰু এইবাৰ সঁচায়ে উঠোঁ দেই নিতী। শেষত তয়ো মোৰ হিয়াভৰা মৰম ল'বি।

ইতি– তোৰ বাইদেৱেৰা

পুনশ্চঃ চিঠিখনত দ্বিতীয়বাৰ আৰু চকু ফুৰাব নোৱাৰিলোঁ, সেইবাবে বহুত বানান ভুল হ'ব পাৰে দেই। আৰু অ'– দেউতাক মোৰ চিঠিখনৰ কথা নকবি। মাথো কবি মই ভালেই আছোঁ। □

আকাশ চোঁৱা

ব্রজনাথ শর্মাৰ গাড়ীখনৰ এটা দুৰ্ঘটনা ঘটিল। শ্বিলঙৰ পৰা গুৱাহাটীলৈ নামি আহোঁতে সিফালৰ পৰা আহি থকা যাত্রীবাহী গাড়ী এখনৰ লগত খুন্দা লাগিল। কিয় লাগিল কোৱা টান আৰু দুৰ্ঘটনা মানে দুৰ্ঘটনাই। ফলস্বৰূপে তেওঁৰ সৰু ফিয়েট গাড়ীখন প্রায় চেপেটা লাগিল আৰু তেওঁ কোনোমতেহে প্ৰাণে বাচিল। ড্রাইভাৰে বিশেষ আঘাত নেপালে আৰু সেই কথাযো পিছত ব্রজনাথ শর্মাৰ জ্বলা জুইত ঘিউ ঢালিছিল। অকল ফিয়েটখন ধ্বংস হোৱাৰ লোকচানেইতো নহয়, তাতোকৈ ডাঙৰ লোকচান হ'ল সময়ৰ, যি সময় ব্রজনাথ শর্মাৰ বাবে অমূল্য, অপূৰণীয। বিখ্যাত ব্যৱসায়ী ব্রজনাথ শর্মাৰ জীৱনত এক ঘণ্টাৰো দাম অতি বেছি, সেই এক ঘণ্টাত তেওঁ অদ্ভুত সুদক্ষ ব্যৱসায়ী মগজটো খটুৱাই কত টকা ঘটিলেহেঁতেন, ব্যৱসায়ৰ কত নতুন নতুন জাল বিস্তাৰ কৰিলে-হেঁতেন। কিন্তু এতিয়া ড্ৰাইভাৰ ছবিনৰ অসাৱধানতাতে তেওঁৰতো ভৰি ভাঙিলেই আৰু লগতে অমূল্য তিনিটা মাহো নষ্ট হৈ গ'ল। তিনিটা মাহ! কি সুদীর্ঘ সময়! খঙৰ জ্বালাত ব্রজনাথ শর্মাই মনৰ ভিতৰত কৈ উঠিছিল যে ছবিনটো মৰি গ'লেই তেওঁ ভাল পালেহেঁতেন। কিন্তু মৰাতো দূৰৰ কথা, তেওঁৰ দৰে তিনি মাহ কিয় তিনি দিনো হাস্পতালত পৰি থাকিব লগা নহ'ল সি। কিন্তু তাৰ অসাৱধানতাত তেওঁ অকথ্য যন্ত্রণা ভুগি তিনি মাহলৈ হাস্পতালত পৰি থাকিবলগা হৈছে, –ভৰিৰ হাড় ভাগিল, নতুন গাড়ীখন ভাগিল আৰু এই সকলোতকৈ ডাঙৰ কথা তেওঁৰ আপুৰুগীযা তিনিটা মাহ একেবাৰে বৰবাদ হৈ গ'ল।

ব্যৱসায়ী মানুহৰ বাবে সময়ৰ কিমান বেছি দাম ব্রজনাথ শর্মাই সেই কথাৰ অলপ গম ধৰিব পাৰিছিল তেওঁ নিজে ব্যৱসায়ত লগাৰ বহুত আগতেই। তেতিয়া ব্রজনাথ শর্মা কলেজৰ ছাত্র। কিবা এটা অসুখৰ বাবে ডাক্তৰ এজনৰ চেম্বাৰলৈ গৈছিল তেওঁ, অসুখটো ডাঙৰেই আছিল, তেওঁ যাৰ ওচৰলৈ চিকিৎসাৰ বাবে গৈছিল সেইজনো আছিল ডাঙৰ ডাক্তৰ। ডাক্তৰৰ অপেক্ষা

কৰি থকা লোকসকলৰ ভিতৰত এজন মাৰোৱাৰীও আছিল। ডাক্তৰক দেখাৰ লগে লগে তেওঁ হাঁহি মাৰি কৈ উঠিছিল– 'আপুনি ইমান দূৰৈত চেম্বাৰ কৰি আমাৰ দৰে ব্যৱসায়ী মানুহৰ বাবে বৰ অসুবিধা কৰিলে ডাক্তৰ চা'ব। টেক্সীত অহা-যোৱা কৰোঁতেই মোৰ ত্ৰিছ টকা যায়। কিন্তু সেই টকাটো ডাঙৰ কথা নহয়। ডাঙৰ কথা হ'ল সময় যায় বহুত। আমাৰ ব্যৱসায়ী মানুহৰ বাবে সময়ৰ দাম বৰ বেছি ডাক্তৰ চা'ব।'

তাৰপিছত ব্ৰজনাথ শৰ্মাও এসময়ত ব্যৱসায়ত লাগিল আৰু তেতিয়াৰে পৰা সেই মাৰোৱাৰীজনৰ কথাৰ সত্যতা উপলব্ধি কৰি আহিছে।

হাস্পতালত ব্ৰজনাথ শৰ্মা তিনি মাহমান থকাৰ কথা। তাৰে প্ৰথম এমাহ উকলিল। ভৰিত প্লাষ্টাৰ লগাই মানুহজনক বিছনাত পেলাই থোৱা হৈছে, উঠিব-বহিব নোৱাৰে, কেৱল বিছনাতে পৰি থাকিব লাগে– দিনৰ পিছত ৰাতি আৰু ৰাতিৰ পিছত দিন। নেযায়-নুপুৱায যেন লগা দিন-ৰাতিবোৰ। তথাপি সময় যেতিয়া গতিশীল, তেনে নেযায-নুপুৱায যেন লগা দিন ৰাতিবোৰো লাহে লাহে শেষ হৈ আহে আৰু তেনেকৈয়ে এটা মাহ পাৰ হয়।

এটা মাহ পাৰ হোৱাৰ পিছত ব্ৰজনাথ অলপ আচৰিতেই হ'ল– হ'লেই নে এটা মাহ শেষ? অথচ দিন-ৰাতিবোৰ কি অসহ্যভাৱে দীঘলীয়া দেখোন।

কিন্তু আৰু কেইদিনমান যোৱাৰ পিছতহে তেওঁ বুজি পালে– সেই এটা মাহনো কেনেকৈ অপেক্ষাকৃত সোনকালেই পাৰ হোৱাৰ দৰে লাগিল। আচলতে তেওঁৰ খবৰ ল'বলৈ অহা বন্ধু-বান্ধৱ, আত্মীয়-স্বজনেই তেওঁৰ বহুতো অসহনীয় সময় ক'ব নোৱাৰাকৈ পাৰ কৰাই দিছিল। কিন্তু যেতিয়া এটা মাহ পাৰ হ'ল, এতিয়া আৰু বন্ধু-বান্ধৱ বা আত্মীয়-স্বজনসকলে আগৰ দৰে তেওঁৰ খবৰ ল'বলৈ নাহে বা আহিবও নোৱাৰে।

হঠাতে এক অদ্ভুত ধৰণৰ শূন্যতা অনুভৱ কৰিলে ব্ৰজনাথ শৰ্মাই। তেওঁৰ মনটোত একধৰণৰ অভিমানবোধ এটায়ো মূৰ দাঙি উঠিল, কিন্তু লগতে নিজেও সেই কথা বুজিলে যে তেওঁৰ সেই অভিমান অৰ্থহীন অভিমান। মানুহবোৰৰোতো তেওঁৰ দৰেই সময়ৰ দাম আছে, কাম আছে সকলোৰে– সেই সকলো বাদ দি তেওঁৰ দৰে সুদীৰ্ঘ দিন হাস্পতালত পৰি থকা ৰোগী এজনৰ খবৰ লৈ থাকিব নোৱাৰে নহয় কোনেও।

ব্ৰজনাথ শৰ্মাৰ পুতেক তিনিজন। ডাঙৰজন তেওঁৰ লগতে ব্যৱসাযত সোমাইছে, মাজুজনে নামত কিবা এটা চাকৰি কৰিছে যদিও দেউতাকৰ আৰ্জনেৰেই সুখেৰে খাই-বৈ আছে আৰু সৰুজনে ইঞ্জিনীয়াৰিং পঢ়ি আছে। ছোৱালী দুজনী, ডাঙৰজনী তেওঁৰ প্ৰথম সন্তান– তাইক বিয়া দিয়াৰে পাঁচিছ বছৰ হৈছে। দ্বিতীয়জনী দ্বিতীয় ল'ৰাটোৰ পিছৰে, তাইৰো বিয়া হোৱাৰ বহুত

দিন হ'ল। তেওঁৰ দুৰ্ঘটনাৰ খবৰ পাই দুয়োজনী ছোৱালী আৰু জোঁৱাই দুজন দূৰ-দূৰণিৰ পৰা আহি তেওঁক চাই গৈছে।

তেওঁক চোৱা-মেলা কৰাৰ ক্ৰটি অৱশ্যে হোৱা নাই। ঘৈণীয়েক আহি আছে, পুতেককেইজন আহি আছে। বোৱাৰীয়েক- এজনীয়ে বোৱাৰীয়েক তেওঁৰ- আহিবলৈ অৱশ্যে নোৱাৰে। প্ৰথম সন্তানৰ মাক হোৱা আজি কিছুদিনহে হৈছে।

কিন্তু ঘৈণীয়েকৰ উপস্থিতিয়ে তেওঁৰ সময়বোৰ তেনেকৈ পাতল কৰিব নোৱাৰে, বৰং বেছি গধুৰ কৰি তোলে বুলিহে ক'ব পাৰি। গিৰিয়েকৰ দুৰ্ঘটনাই মানুহজনীৰ মুখখন যি ক'লা মেঘেৰে ঢাক খুৱালে খুৱালেই আৰু। সেই মুখৰ পৰা হা-হুমুনিয়াহৰ বাহিৰে আন একো যেন ওলাবই নোখোজে। অৱশ্যে তেওঁৰ এনে অৱস্থাত ঘৈণীয়েকৰ হাঁহি-স্ফূৰ্তি ভৰা মুখ এখন যে তেওঁৰ সহ্য হ'ল-হেঁতেন তাতো সন্দেহৰ অৱকাশ আছে। কিন্তু সি যিয়েই নহওক, ঘৈণীয়েকৰ গহীন বিষাদে আৱৰা মুখেও তেওঁৰ সময় ভাৰাক্ৰান্ত কৰি ৰাখে। পুতেকহঁতৰ লগত ব্ৰজনাথ শৰ্মাৰ তেনেকৈ কোনোদিনেই কথা-বতৰা নচলে আৰু মনে মনে তেওঁ সদায়ে পুতেকহঁতৰ ওপৰত অলপ অপ্ৰসন্ন হৈয়ে থাকে- সিহঁত যেন ঠিক তেওঁ আশা কৰাৰ দৰে নহ'ল, সিহঁতে যেন তেওঁৰ কিবা প্ৰত্যাশা পূৰ্ণ কৰিব পৰা নাই। অৱশ্যে ঠিক কি যে প্ৰত্যাশা তাকো বোধহয় ব্ৰজনাথ শৰ্মাই নিজেই ভালকৈ বুজিব নোৱাৰে। কিন্তু তথাপি পুতেকহঁতে যে ব্ৰজনাথ শৰ্মাক সুখী কৰিব পৰা নাই, সেইটো সঁচা।

জীৱনত ব্ৰজনাথ শৰ্মাই ব্যৱসায়ৰ বাহিৰে একো নেজানে, আন একোতে ইন্টাৰেষ্ট ল'বলৈ নিশিকিলে। টকা আৰ্জনৰ বাবেই তেওঁ কেৱল টকা আৰ্জি গৈছে, টকা অৰ্জাই তেওঁৰ ধ্যান আৰু জ্ঞান। টকা টকাই, সেই টকাৰ বিনিময়ত পৃথিৱীৰ বহুতো কথাই যে নিজৰ মনোমত কৰি লৈ তাক উপভোগ কৰিব পাৰি তাক ব্ৰজনাথ শৰ্মাই কোনোদিনেই গম নেপালে। ব্যৱসায় কৰা আৰু সংসাৰৰ প্ৰাত্যহিক কাজ-কাম কিছুমান কৰি সময় খৰচ কৰাৰ বাহিৰে যে আন আৰু কিবা কথাত সময় খৰচ কৰিব পাৰি সেই কথা ভবাৰে কোনোদিন অৱকাশ হোৱা নাছিল অতি ব্যস্ত মানুহজনৰ। গতিকে সেই মানুহেই যেতিয়া ব্যৱসায়ত লগাব নোৱাৰা অখণ্ড সময়ৰ মুখামুখি হ'ল, ব্ৰজনাথ শৰ্মাৰ অৱস্থা হ'ল পানীৰ মাছ আহি মাটিত পৰাৰ দৰে।

কিতাপ-পত্ৰৰ লগত ব্ৰজনাথ শৰ্মাৰ আন একোৰে লগত নথকাৰ দৰেই সম্পৰ্ক নাই। অৱশ্যে খবৰৰ কাগজ হ'লে তেওঁ পঢ়ে। 'ট্ৰিবিউন' আৰু 'দৈনিক অসম' দুয়োখনেই তেওঁ পঢ়ে। কিন্তু সেই দুখন কাগজে সুদীৰ্ঘ সময়ৰ কিমান কণনো খৰচ কৰিব পাৰে?

গতিকে সমুখৰ আৰু দুটা মাহৰ কথা ভাবি ব্ৰজনাথ শৰ্মা যে শিয়ৰি উঠিব

তাত একো আচৰিত মানিবলগা নাই। তেনে অৱস্থাৰ সম্ভাৱনাৰ আগত মানুহ-জনে ড্ৰাইভাৰ ছবিনৰ উদ্দেশ্যে আৰু এবাৰ ভয়ংকৰ গালা-গালি দি উঠিল।

আৰু ঠিক তেনে সময়ৰে এটা দিনৰ এটা আবেলি মাধুৰী উপস্থিত হ'লহি। টিনোপাল ব্যৱহাৰ কৰি ধোৱা নীলা পাৰিৰ শুধ বগা চাদৰ এখনে আলফুলভাৱে মেৰাই ধৰিছে তাইৰ লাহি গাটো, বতাহত কপালৰ আগত ওলমি থকা চুলি-কেইডাল অলপ অলপ কঁপিছে, দোতালালৈ উঠি অহাৰ পৰিশ্ৰমতে বোধহয় নাকৰ আগত বিন্দু বিন্দু মুকুতাৰ দৰে ঘামৰ টোপাল ওলমিছে, মিহি বগা ধুনীয়া মুখখনৰ আটাইতকৈ দৰ্শনীয় বস্তু উজ্জ্বল গভীৰ ক'লা চকুযুৰিত বিষাদৰ পৰিৱৰ্তে ফুটি উঠিছে এক কৌতুকৰ তিৰ্‌বিৰ্‌ণি।

ছোৱালীজনীৰ উপস্থিতিত মুহূৰ্ততে যেন চাৰি নম্বৰ কোঠালিটোৰ এই এমাহৰ বেমাৰী, বিষাক্ত পৰিবেশ এটা ছিন্ন-ভিন্ন হৈ গ'ল। বন্ধ কৰি থোৱা দুৱাৰখন খুলি যেন হঠাতে সোমাই আহিল এক শুভ্ৰ আৰু সতেজ ফুলৰ সুবাস আৰু কথাটো একেবাৰে আক্ষৰিক অৰ্থতেই। শুভ্ৰ-বসনা ছোৱালীজনীৰ হাতত সঁচাকৈয়ে এথোপা খৰিকাজাঁহি ফুলৰ থোপা আছিল। তাইৰ মুখৰ হাঁহিটোৰ দৰেই ফুল থোপায়ো যেন হাঁহি আছিল।

'নাগিনী! তই হঠাৎ ক'ৰ পৰা।' ব্ৰজনাথ শৰ্মাই এনেকৈ গাটো লৰচৰ কৰিলে যেন তেওঁ উঠি বহিবহে ওলাইছে। তেওঁৰ মাতত যিটো সুৰ ফুটি ওলাল– সি বিভিন্ন আৱেগৰ সংমিশ্ৰণৰ ফল। তাত আছিল আনন্দ, আছিল উত্তেজনা, আছিল বিস্ময় আৰু আছিল অভিমানো। আৰু এইবাৰৰ এই অভিমান যেন যুক্তিসংগতো। যোৱা এমাহ ধৰি যিজনী ছোৱালীৰ আগমনৰ বাবে প্ৰতিদিনেই মনত অলপ আশা লৈ লৈ বাট চাই আছিল, তাই আহিল আজি সেই সুদীৰ্ঘ এমাহ পাৰ হৈ যোৱাৰ পিছতহে।

'হঠাৎ কিয় হ'ব, গৰমৰ বন্ধ হ'ল, গুচি আহিলোঁ। পিছে তোমাৰ যৰ বুদ্ধি দেই ককা, কাম কৰি জিৰাবলৈ আইতাৰ বাবে সাহস নাই, সেয়ে একেবাৰে এক্সিডেন্ট এটাকে কৰি তিনি মাহৰ জিৰণি যোগাৰ কৰি ল'লা।'

মাধুৰীয়ে খিলখিলাই হাঁহি উঠিল আৰু ককাকে কিবা কোৱালৈ বাট নেচাই ইফালে-সিফালে চাই কাঁচৰ গিলাচ এটা মেজ এখনৰ ওপৰত দেখি তাৰ ওচৰত পানীৰে ভৰি থকা বটলটো লক্ষ্য কৰি ক'লে, 'ককা পানী খোৱা যদি খাই লোৱা। মই কিন্তু গিলাচত ফুলবোৰ সজাই থম। পিছৰবাৰহে আন গিলাচ এটা আনিম।'

কিন্তু ব্ৰজনাথ শৰ্মাৰ কাণত যেন সেই কথা সোমোৱাই নাই, তেনেকৈয়ে আগৰ সুৰতেই– আৰু তাত এতিয়া অভিমানৰ মাত্ৰাটো আগতকৈও বেছি– ক'লে– 'এই এমাহ পৰি থাকিলোঁ, কত যে মানুহ-দুনুহ আহি মোৰ খবৰ নল'লে,

এনেকি মোৰ অফিচৰ জমাদাৰটোৱেও আহি খবৰ লৈ গ'ল। মাৰ-মাহীয়েৰহঁতো দূৰৰ পৰা বাছ-ৰেলগাড়ী ভাড়া কৰি আহিল। কিন্তু তোৰ হ'লে বুঢ়া ককাৰটোলৈ এবাৰো মনত নপৰিল। নগাৰ ৰাজ্যত থাকিলে মানুহৰ মনবোৰ বোধহয় কঠোৰ হয়, তোৰ নাগিনী নামটো বোধহয় মই ঠিকেই দিছিলোঁ!'

মিচিকিয়াই হাঁহিলে মাধুৰীয়ে, সৰু ল'ৰাৰ অভিমানভৰা কথা শুনি মাকে ইংহা– প্ৰশ্ৰয় আৰু চেনেহ মিহলি হাঁহি। তাৰপিছত তাই মুখৰ ভিতৰতে গুণ্‌গুণালে– 'আজ ৰজনীতে হয়েছে সময়, এসেছি বাসবদত্তা।'

'ককা তুমি এনেয়ে অভিমান কৰিছা। যোৱা এটা মাহৰ মানুহৰ ভিৰৰ মাজত আহি মই তোমাৰ কি উপকাৰ কৰিলোঁহেঁতেন কোৱা? কিন্তু এতিয়া তোমাৰ খবৰ কৰা মানুহ পাতলি আহিব, এতিয়াহে তুমি ব'ৰ্ হৈ যাবা। সেই হিছাপ কৰিহে মই এতিয়া দুটা মাহৰ গৰমৰ বন্ধ হোৱাত আহিছোঁ। তোমাৰ এক্সিডেণ্টৰ খবৰ পাই দৌৰি আহি দুই-তিনিদিন থাকি যোৱাতকৈ একেবাৰে এনেকৈ দুমাহৰ বাবে অহাটো বেছি ভাল হোৱা নাইনে? মইতো সেই হিছাপকে কৰিলোঁ যে পিছৰ সময় ডোখৰত খবৰ ল'বলৈ অহা শুভাকাঙ্ক্ষীৰ ভিৰ ইমান কমি যাব যে তুমি অকলে অকলে পাগল হৈ যাবা' –আকৌ এবাৰ হাঁহিলে মাধুৰীয়ে– 'অৱশ্যে তুমি মৰিবলৈ ওলোৱা বুলি শুনিলে শেষ দৰ্শনৰ বাবে ঠিকেই আহিলোঁহেঁতেন। কিন্তু ট্ৰাংক কল কৰি জানিলোঁ যে তোমাৰ ভৰিৰ হাড় ভাঙিছে, আঘাত মাৰাত্মক নহয়।'

ব্ৰজনাথ শৰ্মা এইবাৰ গলি গ'ল। তেওঁৰ আদৰৰ নাতিনীজনীৰ কথা-বতৰাৰ ধৰণবোৰ যিদৰে একে হৈ আছে, তেওঁৰ প্ৰতি মৰম আৰু তেওঁৰ সুখ-দুখৰ প্ৰতি মনোযোগো একেদৰেই অক্ষুণ্ণ হৈ আছে।

'তই এই দুটা মাহেই আমাৰ লগত থাকিবলৈ আহিছ নাগিনী?'

ব্ৰজনাথ শৰ্মাই উৎফুল্ল হৈ সুধিলে।

'ওঁ। মাহঁতক চিঠি লেখি দিছোঁ যে কলেজ খুলিবৰ সময়ত মই ঘৰত সোমাই দুই-তিনিদিন থাকি যাম। চাওঁ ককা, তোমাৰ মুখখন অলপ তিতা গামোচাৰে মচি দিওঁ....'

মাধুৰী ব্ৰজনাথ শৰ্মাৰ বৰ-জীয়েকৰ প্ৰথম সন্তান, অৰ্থাৎ নাতি-নাতিনী-সকলৰ ভিতৰত প্ৰথম। তেৱেঁই তাইৰ নামটো ৰাখিছিল মাধুৰী। মাধুৰীৰ জন্মৰ সময়ত তেওঁৰ জীয়েক তেওঁলোকৰ ঘৰত আছিলহি। ফুলকলিৰ দৰে নাতিনী-জনীৰ জন্মত প্ৰথমবাৰৰ বাবে ককা-দেউতাক হোৱা ব্ৰজনাথৰ আনন্দৰ সীমা-পৰিসীমা নাছিল। চহকী মানুহ, মনত আনন্দ, আত্মীয়-স্বজন, বন্ধু-বান্ধৱক নাতিনীৰ জন্ম উপলক্ষে তেওঁ মাছ-মিঠাই দুয়োবিধ ভগাই দিছিল।

মাধুৰী নামটো তেওঁ ৰাখিছিল আৰু আদৰতে ঘৰত মাতিছিল মৌ বুলি।

কিন্তু এতিয়া সেই মৌ-মাধুৰীক তেৱেঁ আকৌ নতুন নাম এটা দিছে– নাগিনী।

ডাঙৰ হৈ অহাৰ পিছৰে পৰা এই প্ৰাণ-সমা নাতিনীজনীয়ে তেওঁক সিমান সুখ দিয়া নাই। তাইৰ অইন কোনো কথা অৱশ্যে তেওঁৰ মনস্তাপৰ কাৰণ হোৱা নাছিল, পঢ়া-শুনাত তাই চোকা আছিল, ব্যৱহাৰত সাদৰী, আজিকালিৰ বহুত ছোৱালীৰ দৰে পোছাক-সৰ্বস্ব বা উদণ্ড মুঠেই নহয়। কিন্তু ছোৱালীজনী অলপ বিপ্লৱী ধৰণৰ– ককাকে তেনেকৈ ভাবে। ব্যৱহাৰত ইমান সাদৰী, ইমান মৰমিয়াল, অথচ কেতিয়াবা কথাবোৰ শুনিলে তাইক কঠুৱা যেনো লাগি যায়। কিন্তু এইবোৰ ডাঙৰ কথা নহয়; এইবোৰ তেওঁক দুখ দিবলগীয়া কথাও নহয়। মাধুৰীয়ে তেওঁক প্ৰথম দুখ দিলে তাই ইংৰাজীত অনাৰ্চ লৈ বি-এ পঢ়ি থকাৰ সময়ত। তাইক বিয়া দিবলৈ হেঁপাহ কৰি তেওঁ প্ৰশান্ত বৰুৱা নামৰ ল'ৰা এজন ঠিক কৰিছিল, এই ল'ৰাজন দেখনিয়াৰ, সচ্চৰিত্ৰবান, পৰিশ্ৰমী আৰু ভদ্ৰ। ল'ৰাজনে ব্যৱসায় কৰে। কম বয়সতে সি যথেষ্ট ব্যৱসায় প্ৰতিভা দৰ্শাইছে। এই কথাটোতে বিশেষকৈ প্ৰশান্তক তেওঁৰ বৰ পছন্দ হৈছিল। খোৱা-জীয়াৰ লক্ষণ আছে ল'ৰাটোৰ। বৰ হেঁপাহ আছিল তেওঁৰ মৰমৰ নাতিনী মাধুৰীৰ লগত বিয়া দি প্ৰশান্তক নাতি-জোঁৱাই হিছাপে পাবলৈ। কিন্তু সেই আশা একেটা আঘাতেৰে চূৰ্ণ-বিচূৰ্ণ কৰি দিছিল তেওঁৰ মাধুৰীয়ে। 'মোৰ বিয়া? প্ৰশান্ত বৰুৱা নামৰ সেই বিজিনেছমেন ল'ৰাজনৰ লগত?' মাধুৰী হাঁহিৰ-উচ্ছ্বাসত যেন ভাঙিয়ে পৰিব, পৃথিৱীত ইযাতকৈ হাস্যকৰ, অসম্ভৱ কথা যেন আৰু একোবে নাই –'ককাৰ যে match-making আৰু। তোমাক চকুৰ আগত জন্মৰ দিন ধৰি দেখি অহাৰ পিছতো মই বিজিনেছমেন বিয়া কৰাম? পাগল নেকি। তেনে মানুহে মই তেজ-মাংসৰ মানুহজনীতকৈ সদায় টকাৰ ভাৰমূৰ্তিকে বেছি মূল্য দি চলিব। এই বিয়াৰ কথা তুমি কল্পনাতো নেভাবিবা ককা।' তাৰ পিছতে তাই ককাকৰ মূৰটো তাইৰ কোমল বাহুৰে মেৰিয়াই ধৰি কৈছিল– 'ককা, তোমাক মই জোকাইছোঁহে দেই, তুমি কিন্তু হৃদয়হীন বিজিনেছমেন নোহোৱা।'

প্ৰশান্তৰ লগত বিয়া নহ'ল মাধুৰীৰ। ব্ৰজনাথ শৰ্মাৰ ঘৰত থাকি কটন কলেজৰ পৰা বি-এ পাছ কৰাৰ পাছত জালুকবাৰীৰ হোষ্টেলত থাকি ইংৰাজীত এম-এ পাছ কৰি মাধুৰীয়ে কহিমা কলেজত চাকৰি কৰিবলৈ নগালেণ্ডলৈ গুচি গৈছিল। সেযাও এটা আঘাত ব্ৰজনাথ শৰ্মাৰ বাবে। কলেজত কাম কৰিলি কৰিলি, কহিমাতহে কৰিব লাগেনে? নাতিনীযেকে কয়– অইন ঠাইত চাকৰি নেপালে তাই কি কৰিব, তদুপৰি কহিমা কি বেয়া? প্ৰকৃতিৰ জীয়ৰী কহিমা, অইন সৰু চহৰৰ বিবৰ্ণ-বিস্বাদ কলেজতকৈ কাম কৰি নিশ্চয় বেছি ভাল লাগিব। এনেকুৱাই কথা ছোৱালীজনীৰ। কিন্তু চাকৰি কৰিবলৈ তোৰ কিহৰ

গৰজ পৰিছে, কোনে কৈছে তোক চাকৰি কৰি আলফুলীয়া শৰীৰৰ কোমলতা আঁতৰাই কঠিন-কৰ্কশ কৰিবলৈ?

ইফালে প্ৰশান্তক বিয়া নকৰোৱাৰ যুক্তি যে তাইৰ মাথো ছল, সেই কথাৰ প্ৰমাণ ওলাই গ'ল তাই এম-এ পঢ়ি থাকোঁতে। ব্ৰজনাথ শৰ্মাযে আকৌ দ্বিতীয়বাৰৰ বাবে নাতিনীৰ বিয়াৰ কাৰবাৰত লাগি দ্বিতীয়জন ভাল ল'ৰাৰ বন্দৱস্ত কৰিছিল। নলিনী শৰ্মা, মেজিষ্ট্ৰেট। আকৌ এইবাৰো ব্ৰজনাথ শৰ্মাৰ বুকুত খুন্দা লগাই মাধুৰীযে জোৰেৰে হাঁহি উঠিছিল– 'মেজিষ্ট্ৰেট? বাপৰে বাপ। যিহে দিনকাল পৰিছে দেশৰ, আজি বোলে টকা দিলেও বস্তু নাই, বস্তু থাকিলেও দাম জুই-ছাই, ব্লেক মাৰ্কেট, আকাল, দুৰ্ভিক্ষ, বানপানী– হেজাৰ সমস্যা। শাসনকাৰ্যত থকা অফিচাৰসকলৰ চিন্তাত টোপনি আহে নে নাই মোৰ সন্দেহ। ব্যৱসায়ীযে যদিওবা এবেগেতকৈ হ'লেও ঘৈণীয়েকৰ কথা ভাবিব পাৰে মেজিষ্ট্ৰেটে তাকো নোৱাৰিব। তেনে মানুহক বিয়া কৰাই মোক জ্বলা জুইত জাঁপ মাৰিবলৈ দিয়ানে ককা?'

এইবাৰেই সকলোৰে মনলৈ সন্দেহ আহি গ'ল যে কথা বেলেগ, মাধুৰীৰ বিয়া নকৰোৱাৰ যুক্তিৰ আঁৰত অইন কিবা আছে। তাৰপিছত তেওঁলোকে গম পাইছিল শৈলেনৰ কথা। শৈলেন বৰা। বামুণ নহয়। ধনী মানুহৰ ঘৰৰ নহয়। মাধুৰীৰ লগতে একেলগে, একে বিষয়তে পাছ কৰি ডিমাপুৰ কলেজত কামত সোমাইছিল– তাৰ ঘৰো ডিমাপুৰতে। (আৰু নাতিনী নাগিনী হোৱাৰ ৰহস্যও ভেদ হৈ গ'ল।) কলেজৰ কামত সোমাইছে, অৰ্থাৎ ভাত নিমিলা চাকৰি। চেহেৰা-স্বাস্থ্য সুবিধাৰ নহয়। সাহিত্য- চৰ্চাৰ নিচিনা একেবাৰে অনা-অৰ্থকৰী কাম কৰাৰ অভ্যাস আছে। তাতে গল্প-উপন্যাসো নহয়, গধুৰ গধুৰ প্ৰবন্ধহে লেখে বোলে।

ব্ৰজনাথ শৰ্মাই জীৱনৰ আটাইতকৈ ডাঙৰ আঘাতটো পালে। আঘাতটো বেছি মাৰাত্মক হ'ল এইবাবেই যে পৃথিৱীৰ সকলোতকৈ প্ৰিয়জনৰে পৰা সেই আঘাতটো আহিছিল।

কিন্তু তেওঁলোকে মানি ল'বলগীয়া হৈছিল। উপায় নাই। মাধুৰীক সকলোৱে ভালকৈ চিনে। ফুলৰ দৰে কোমল ছোৱালীজনী যে বজ্ৰৰ দৰে কঠোৰো হ'ব পাৰে সময় বিশেষে, সকলোৱে জানে। ব্ৰজনাথ শৰ্মা সংসাৰ অভিজ্ঞ মানুহ। বহুত দেখিছে তেওঁ। বহুত অভিভাৱকে জীয়েক-পুতেকৰ তেনে বিয়া ওফৰাই প্ৰস্তাৱ ল'বলগা হোৱা নাই সঁচা, কিন্তু বহুত অভিভাৱকে হৈছে। তেওঁলোকৰ নিজ ল'ৰা-ছোৱালীৰ সংকল্পৰ দৃঢ়তা বুজি নেপাই শেষত তেওঁলোকৰ অমতে ৰেজিষ্ট্ৰী কৰি বিয়া কৰোৱা ল'ৰা-ছোৱালীক নিজেই গৈ লাজ-মান কাটি কৰি আদৰি ল'বলগা হৈছে। ব্ৰজনাথ শৰ্মা পিছৰ দলৰ দৰে অন্ধ অভিভাৱক নহয়।

তেওঁ নাতিনীক চিনে। তেওঁ কেলেংকাৰীলৈ যাব নোখোজে। গতিকে বুকুত দগদগীয়া ঘাঁ এডোখৰ লৈ সকলোকে তেওঁ মানি ল'বলৈ কৈছিল।

হাস্পতালৰ পৰা মাধুৰী ৰাতি চাৰে আঠ বজাতে গ'ল। সৰু মোমায়েকে ককাকৰ ভাত লৈ আহিছিল, ককাকক খুৱাই-বুৱাই তাই গ'ল। সেই মোমায়েকৰ কলেজ বন্ধ। গতিকে ৰাতি ৰাতি বৰ্তমান সিয়ে দেউতাকৰ লগত থকাৰ কথা।

মাধুৰী যোৱাৰ পিছত দেউতাকৰ লাইটটো নুমাই দি সৰু পুতেক শিৱনাথ অলপ বাহিৰৰ ফালে ওলাই গ'ল। বোৱাৰী মানুহৰ দৰে চাৰে আঠ-নটাতে শুব নোৱাৰি। হাস্পতালত নাইট ডিউটি কৰি থকা তাৰ দুই-এজন চেঙেলীয়া ডাক্তৰ বন্ধু থাকিবও পাৰে।

লাইট নুমাই যোৱাৰ লগে লগে কোঠালিৰ সকলো বস্তু প্ৰায় অদৃশ্য হৈ গ'ল কিন্তু ব্ৰজনাথ শৰ্মাৰ চকুৰ আগত থকা বগা খৰিকাজাই ফুলৰ থোপাটো অদৃশ্য নহ'ল। সেইফালে চাই থাকিল তেওঁ। তেওঁলোকৰ বাগানত বহুতো খৰিকাজাই ফুলৰ জোপোহা আছে। কিন্তু আজি এটা মাহে কোনেও তেওঁলৈ এনেকৈ ফুল অনা নাই। আজি মাধুৰী আহিছে.. মাধুৰী আহিছে, বগা ফুলকেইটালৈ চাই চাই শুই থাকিল ব্ৰজনাথ শৰ্মা– লাহে লাহে তেওঁৰ চকু মুদ খাই আহিল আৰু চকুৰ আগৰ বগা ফুলকেইটা লাহে লাহে নাইকিয়া হৈ গৈ তাৰ ঠাইত জিলিকি উঠিল ফুল কুমলীয়া দেহৰ শুভ্ৰ বসন পৰিহিতা এজনী ছোৱালী।

পিছদিনা ৰাতিপুৱা আঠমান বজাত মাধুৰী হাস্পতাল পালে আৰু কান্ধৰ বেগটো মেজৰ ওপৰত থৈ ককাকৰ ফালে চাই হাঁহি মাৰি ক'লে– 'ককা গুড্‌মৰ্ণিং। মাজু মামাই চাহ খুৱাই গ'ল নহয়? আজি তোমাৰ মোক দেখি দেখি চকু বিষাব দেই আৰু আইতাৰ অদৰ্শনৰ দুখো সহিব লাগিব। আজি আইতাক ইয়ালৈ অহা বন্ধ কৰি আহিছোঁ– নতুন নাতিক বেচেৰীযে তোমাৰ বাবে সুখেৰে একোলা ল'বও পৰা নাই। মই একেবাৰে গা-পা ধুই আহিছোঁ, গতিকে ভাত খোৱাৰ পৰলৈকে তোমাৰ ওচৰত পেক-পেকাই বহি থাকিম। অ', এতিয়া তুমি গাখীৰ টোপা খাই লোৱা। ৰাতি ভাল টোপনি আহিছিলনে?'

'ওঁ', ব্ৰজনাথ শৰ্মাই মূৰ দুপিয়ালে আৰু ফিডিং বটলেৰে নাতিনীয়েকৰ হাতৰ পৰা গাখীৰ খাই খাই তাইলৈ চাই ৰ'ল। আজিও মাধুৰীয়ে বগা কাপোৰকে পিন্ধিছে, কিন্তু আজি গোটেই চাদৰখনতে সেউজীয়া ৰঙৰ বুটা বছা। পিন্ধিছে এটা সেউজীয়া ব্লাউজ। কপালতো এটা সেউজীয়া ৰঙৰ ফোট। কাণত দুটা সেউজীয়া বাখৰৰ 'টপ'। মাধুৰীয়ে নিজকে সদায় যত্ন কৰি সজায়। তাই ভাবে যে সুন্দৰকৈ সাজ-পাৰ কৰি থকাটোও এটা আৰ্ট আৰু ছোৱালী মানুহৰ লগত সৌন্দৰ্য কথাটো একপ্ৰকাৰ ওতঃপ্ৰোতভাৱে সাঙোৰ খাই থাকে।

গাখীৰখিনি খাই উঠি ব্ৰজনাথ শৰ্মাই হাঁহিলে– 'তই দেখোন আজি সেউজীয়া

নাগিনী সাজি আহিছ?' নাতিনীৰ সেউজীয়া স্নিগ্ধ ৰূপত তেওঁৰ চকু জুৰ পৰি গৈছিল।

মাধুৰীয়েও হাঁহিলে, তাৰপিছত তাই খিৰিকীৰে বাহিৰলৈ চাই ক'লে- 'ফুটপাথৰ দাঁতিৰ কৃষ্ণচূড়া কেইজোপাৰ পাতবোৰ বৰ সুন্দৰ ঘন সেউজীয়া হৈছে। এডাল গছত আকৌ এই অসময়তো এটা টিক্-টিকিয়া ৰঙা ফুল ফুলি আছে। ককা, ক্রিষ্টাবেল নামৰ ইংৰাজী কবিতা এটা আছে, ইংৰাজ কবি ক'লৰিজৰ- বি-এত পঢ়িছিলানে? তাত ঠিক এনেকুৱাকৈ এটা মাত্র পাত নে ফুল গছডালত বাকী থকাৰ বর্ণনা এটা আছে। সেইটো বর্ণনা পঢ়ি ভয় লাগে, কিন্তু এই ঘন সেউজীয়া পাতৰ মাজত অকলশৰীয়া ৰঙা ফুলটো দেখি মোৰ খুব ভাল লাগিছে- তাৰপিছত কিবা এটা মনত পৰাৰ দৰে তাই লগে লগেই ককাকলৈ ঘূৰি চালে আৰু চেলাউৰি দুটা থুপ খুৱাই সেইফালে চাই একপ্রকাৰ মূৰে-কপালে হাত দিলে। 'অ' হৰি। ককা, তুমি আজি এমাহে সেই দুৱাৰৰ ফালে মুকৰিয়ে শুই আছা নহয়? তাৰ মানে এই এটা মাহে প্রকৃতিৰ সকলো দুৱাৰেই তোমাৰ বাবে একেবাৰে ৰুদ্ধ হৈ আছে নহয়? হৰি! হৰি! তুমি বাৰু পগলা নোহোৱাকৈ কেনেকৈ আছা ককা? পানীৰ মাজত থাকিও দেখোন তুমি পিয়াহত মৰিব ধৰিছা। গুৱাহাটী মেডিকেল কলেজ হাস্পতালৰ ভাল কিবা আছে যদি সি হ'ল ব্রহ্মপুত্র, সিপাৰৰ পাহাৰ, পাৰৰ গছ-গছনি- এইবোৰেই, আৰু তুমি বঞ্চিত হৈ আছা সেইবোৰৰ পৰাই। কি যে কাণ্ড! কাৰোনো ভাব হোৱা নাইনে- নিজৰ স্বভাৱ অনুসৰি বকি বকি মাধুৰীয়ে জোতা খট্‌খটাই ৰুমৰ বাহিৰলৈ ওলাই গ'ল আৰু অলপ পিছতে 'ওৱার্ড বয়' এটা লৈ সোমাই আহিল।

'চাওঁ, তুমি খাটখনৰ ভৰিৰ ফালে ধৰা, মই এই মূৰৰ ফালে ধৰোঁ-

ব্রজনাথ শর্মাই আতংকগ্রস্তৰ দৰে প্রায় চিঞৰি উঠিল- 'এই পাগলী, তই লোহাৰ খাটখন ভাঙিব ওলাইছ? আৰু মই এই মস্ত মানুহ এটাও বিছনাখনৰ ওপৰতে আছোঁ....'।

মাধুৰীয়ে ওৱার্ড বয়ৰ সাহায্যত খাটখন দাঙিলেই আৰু লগে লগে হাঁহি ক'লে- 'মইতো নাগিনী, গাত জোৰ বেছি আৰু তোমাৰ ওজন! বিছনাত পৰি থাকি তোমাৰ পেটটো অন্ততঃ সৰিল।'

খাটখন ঘূৰোৱা হৈ গ'ল আৰু ওৱার্ড বয় ওলাই গ'ল।

মাধুৰীয়ে খিৰিকীৰ ওচৰলৈ গৈ পর্দা ভালকৈ কোঁচাই দিলে। মে' মাহৰ উজ্জ্বল নীল আকাশ দেখা গ'ল। ৰ'দৰ প্রখৰতা বঢা নাই গতিকে আকাশৰ ৰং তেতিয়াও স্নিগ্ধ কোমল হৈয়ে আছে। আকাশৰ গাত আউজি থকা ব্রহ্মপুত্রৰ সিপাৰৰ পাহাৰৰ শাৰীবোৰ প্রথমে সেউজীয়া হৈ শেষত ক্রমে নীলা হৈ গৈছে।

নীলা আকাশৰ বুকুত কাউৰী নে শগুণ ধৰিব নোৱাৰি– উৰি আছে চক্ৰাকাৰে। তলত ব্ৰহ্মপুত্ৰৰ বিশাল জলধাৰা টলমলাই আছে।

মাধুৰী ককাকৰ ওচৰত প্ৰথমে আহি বহিল, তাৰপিছত তেওঁৰ ওচৰত এবাৰ বাগৰিও চালে।

'ওঁ, শুই শুই ব্ৰহ্মপুত্ৰৰ পানী দেখা নেযায় সঁচা, কিন্তু ব্ৰহ্মপুত্ৰৰ ঘোলা পানীতো নীলা নহয়, কিন্তু তুমি যি দেখি থাকিবা সেই আকাশখন হ'লে নীলা আৰু দেখিবা নীলা পাহাৰ আৰু সেউজীয়া পাহাৰ, কৃষ্ণচূড়া গছৰ জোপোহাৰ সেউজীযা মূৰটো। তোমাৰ এতিয়া অলপ ভাললগা নাইনে ককা? তোমাৰ ৰুমৰ দুৱাৰখন বা দুৱাৰৰ ফাঁকেৰে দেখা সিমূৰৰ জেনেৰেল ওৱাৰ্ডটোৰ দুৰ্দশাগ্ৰস্ত ৰোগীবোৰ এমাহে চাই থকাৰ পিছত এই পৰিৱৰ্তনটো নিশ্চয় ভাল লাগিছে?'

'ওঁ, নেলাগিব কিয়।' ব্ৰজনাথ শৰ্মাই সস্মিত মুখেৰে ক'লে।

ব্ৰজনাথ শৰ্মা ব্যৱসায়ী মানুহ, প্ৰকৃতিৰ লগত তেওঁৰ কোনো দিনে কোনো সম্পৰ্ক নাই। জীৱনত প্ৰকৃতিৰ স্পৰ্শৰ কিবা প্ৰযোজন আছেনে এদিনলৈও ভাবি চোৱাৰ অৱকাশ বা দৰ্কাৰ হোৱা নাই। কিন্তু এতিযা নাতিনীযেকে এইদৰে অতদিনৰ মূৰত আকাশখন দেখুওৱাত, অদ্ভুত ধৰণৰ শান্তিৰ শিহৰণ এটা জাগিল। অসহ্য গৰমত ছটফটাই থকা মানুহ এজনে যেন সন্ধিযাৰ শান্ত শীতল পুখুৰীৰ পানীত গা জুৰ পেলালে।

কিন্তু ভাল লগা অনুভূতি প্ৰকাশৰ উপযুক্ত ভাষা নেজানে ব্যৱসায়ী ব্ৰজনাথে। গতিকে নাতিনীয়েকৰ প্ৰশ্নত সংক্ষিপ্ত উত্তৰ দি থলে।

মাধুৰীৰ ভাষাৰ অভাৱ নাই। আকৌ ক'লে তাই– 'ককা, দুজন মানুহে একেখন খিৰিকীৰেই মূৰ উলিযাই বাহিৰলৈ চাইছিল– এজনে দেখিলে ওপৰৰ আকাশ, এজনে দেখিলে তলৰ বোকা। তোমাৰ অৱস্থা অতদিনে বোকা দেখা মানুহজনৰ দৰে হৈ আছিল। অথচ এই একেটা ঘৰতে একেখন বিছনাতে তুমি আজি আকাশ দেখা পালা। ককা, আকাশ দেখা পোৱা বোধহয বৰ দৰ্কাৰ। আকাশে বোধহয মানুহৰ মন কিছু উদাৰ আৰু নিৰ্মল কৰে। জানা ককা, মোৰ লগত পঢ়া ছোৱালী এজনীৰ বাযেক-ভিনিহিযেক বিলাতত থাকে। বহুত বছৰৰ মূৰত ভাৰতলৈ আহিল, আৰু বন্ধুৰ মাকে কিবা-কিবি কথাত বিলাতী নাতিযেকৰ ব্যৱহাৰত অসন্তুষ্ট হৈ মন্তব্য দিলে– 'ইযাৰ মনটো দেখোন বৰ ঠেক হৈ আছে অ'। ইহঁত বিলাতত থাকিলেওনো এনে সৰু মনৰ হ'ব লাগেনে? আচলতে সেই ঠাইত আকাশ নেদেখে নহয, সেই কাৰণে এনেকুৱা হৈ আছে ই।'

মাধুৰীৰ হাঁহিত ব্ৰজনাথ শৰ্মায়ো যোগ দিলে আৰু ক'লে– 'মানুহগৰাকীয়ে বোধহয় ঠিকেই কৈছে, মৌ। আকাশখন মানুহক লাগে। মোৰেই কথা চাচোন,

যোৱা এটা মাহে এখন্তেকৰ কাৰণেও মই পাহৰিব পৰা নাছিলোঁ যে মই এখন হাস্পতালত পৰি আছোঁ। কিন্তু এতিয়া তই বিছনাখন ঘূৰাই দিয়াৰ পিছত আকাশখন দেখাৰ লগে লগে কিমান বেলেগ লাগি গ'ল।'

মাধুৰীৰ মুখত এটা সন্তুষ্টিৰ হাঁহি ফুটি ওলাল। তাই আৰু একো নেমাতি ককাকৰ আধা পকা চুলিত ধীৰে ধীৰে আঙুলি বুলাবলৈ ধৰিলে।

এঘাৰমান বজাত ঘৰৰ পৰা ভাত আহিল, মাধুৰীয়ে সযতনে ব্ৰজনাথ শৰ্মাক খুৱালে আৰু তাৰপিছত তাই ঘৰলৈ যাবলৈ ওলাল। 'ককা, মই আবেলি আহিম। আইতাযো বোধহয় এবাৰ আহিবলৈ খুজিব। তুমি এতিয়া অলপ শুই থাকিবলৈ যত্ন কৰা। মই খিৰিকীৰ পৰ্দাখনো এতিয়া টানি থৈ যাওঁ, এতিয়া আৰু আকাশখন চাই ভাল নেলাগে, ৰ'দে চকুত ধৰে।'

মাধুৰীয়ে পৰ্দাখন টানি দিলে। ব্ৰজনাথ শৰ্মাৰ চকুৰ পৰা আকাশখন অদৃশ্য হৈ গ'ল।

আবেলি মাধুৰী আইতাকৰ লগতে আহিল। ককাকক মুখ ধুৱাই দিলে, তাৰ পিছত চাহ-জলপান খুৱালে। আইতাকে ক'লে– 'এইজনী আহি আমাক বৰ তৰিলে। আপোনাৰ বাবে থকা চিন্তাৰ বোজা এই মোৰ পৰা আধামান নমালে।'

ৰাতিপুৱাতে মাধুৰীয়ে ফুলদানী এটা আনি ফুলবোৰ সজাই থৈছিল। এতিয়া তাৰ লেৰেলি যোৱা দুই-তিনিপাহ ফুল বাছি বাছি তাই হাঁহি হাঁহি ক'লে– 'তোমাৰ কান্ধৰ গোটেইটো বোজা মোৰ কান্ধত জাপি দি বুঢ়া দুৰ্বল কান্ধখনক অলপ সকাহ দিয়াচোন আইতা।'

আইতাকে ককাকৰ পিনে চাই এটা পাতল হুমুনিয়াহ এৰিলে– 'এইজনীৰ অলপো পৰিৱৰ্তন নাহিল।'

মাধুৰীয়ে উচ্ছলভাৱে হাঁহিলে, ব্ৰজনাথ শৰ্মাৰ মুখতো অলপ হাঁহি বিৰিঙিল।

কিছু সময়ৰ পিছত মাধুৰীক অবাক কৰি ব্ৰজনাথ শৰ্মাযে ক'লে– 'পৰ্দাখন টানিব নোৱাৰিনে মৌ? ৰ'দৰ তাপ এতিযাও বেছি হৈ আছে নেকি?'

মাধুৰীয়ে পৰ্দা আঁতৰাই বাহিৰলৈ অলপ চালে। 'ওঁহো ককা, অলপ সময় আৰু ৰ'ব লাগিব। ৰ'দ এতিযাও প্ৰখৰ হৈয়ে আছে।'

ব্ৰজনাথ শৰ্মাই ঘৈণীযেকৰ ফালে চাই হাঁহি হাঁহি ক'লে– 'বুজিছানে, এই বুঢ়া বযসত তোমাৰ নাতিনীযে মোক আকাশ চাবলৈ শিকাইছে।'

ঘৈণীযেকে নিৰ্বিকাৰভাৱে ক'লে– 'তাইৰো আৰু কথা।'

'নহয়হে, আকাশ চাই সঁচায়ে বৰ বেলেগ ধৰণে ভাল লাগে। তাই ঠিকেই কৈছে– মনটো বৰ উদাৰ উদাৰ লাগি যায।'

ঘৈণীয়েকে এইবাৰ সেইবোৰ কথা কাণলৈকে নিনিলে। তেওঁ ক'লে– 'গাড়ীখন নোহোৱাই আন অসুবিধাৰ লগতে বজাৰ-সমাৰ কৰাৰো বৰ অসুবিধা

হৈছে। আমাৰ উজান-বজাৰত মাছ পাবলৈকে নোহোৱা হৈছে, ল'ৰাহঁতনো গাড়ী নোহোৱাকৈ ফচীবজাৰ, পল্টনবজাৰলৈ কেনেকৈ যায়? আপোনাক কিহেৰে ভাত মুঠি দিওঁ সেই চিন্তাই লাগি থাকে।'

মাধুৰীয়ে হাঁহি হাঁহি খিৰিকীৰ কাষলৈ গ'ল– 'আইতা, তুমি মানুহজনী বৰ বেৰসিক। ককা, আইতা সেই তলৰ বোকা চোবা মানুহজনহে, নহয়নে বাৰু? অ' ককা! আকাশৰ ৰূপ চোৱাচোন– একেবাৰে লালে লাল!' মাধুৰীয়ে পৰ্দাখন কোঁচাই দিলে, তাৰ পিছত গুণগুণাই উঠিল–

"The blessed damozel
leaned out
From the gold bar of
Heaven
Her eyes were deeper than
the death
Of waters stilled at even "

ব্ৰজনাথ শৰ্মাই নাতিনীয়েকৰ নিৰ্দেশমতে আকাশলৈ চালে; তাৰপিছত তেওঁৰ নিশ্বাস এটা ওলাল। 'আকাশখন ইমান সুন্দৰ, দিনটোৰ ভিতৰতে সি কতবাৰ বৰণ সলায়! আমাৰ কিন্তু সেইবোৰলৈ নেচাওঁতে নেচাওঁতে জীৱনটো শেষ হৈ গ'ল। নাগিনী, তই এতিয়া মুখৰ ভিতৰতে গুণগুণাই কি পদ্য গালি অ'?'

মাধুৰীযে মুখৰ হাঁহিটোৰে ককাকৰ ফালে ঘূৰিলে। 'ককা, ইংৰাজী সাহিত্যত ৰছেটি নামৰ এজন কবিৰ 'ব্লেছেড ডেমোজেল' নামৰ এটা বৰ ধুনীযা কবিতা আছে। কবিযে কল্পনা কৰিছে তেওঁৰ প্ৰেযসী মৰি আকাশলৈ গৈ আকাশৰ সোণালী ৰেলিঙত আউজি তলৰ পৃথিৱীলৈ চাইছে!'

সিদিনা মাধুৰী ৰাতিলৈ থাকিব নোৱাৰিলে। আইতাকেই কিবা এটা দৰ্কাৰত তাইক নিজৰ লগত লৈ গ'ল। তেওঁলোক যোৱাৰ পিছত সিদিনা সোনকালেই সৰু পুতেকে ভাত লৈ আহিল। ৰাতি দেউতাকৰ শুৱৰ পৰত সি পৰ্দাখন টানি দিব ওলোৱাত দেউতাকে বাধা দিলে– 'পৰ্দাখন টানিব নেলাগে দে, বৰ সুন্দৰ জোনাক হৈছে বাহিৰত।' ইঞ্জিনীয়াৰিং পঢ়া পুতেক খন্তেকৰ বাবে অবাক হৈ ৰ'ল, তাৰপিছত নিঃশব্দে দেউতাকৰ আদেশ পালন কৰিলে।

পিছদিনা পুৱাৰে পৰা দবাপিটা বৰষুণ হ'ল, কিন্তু সন্ধিযাৰে পৰা আকৌ সমস্ত মেঘ আঁতৰি জোন ওলাল।

ককাকে নাতিনীয়েকক ক'লে– 'কালি ৰাতি মোৰ আকাশ চাযে বহুতো টোপনি নধৰা সময় কাটি গ'ল। জোনাক ৰাতিৰ আকাশখন যে এনে আচৰিত

হয় মই কোনোদিনে জনা নাছিলোঁ। সেই আকাশ চাই এই পৃথিৱীত থকা যেন আৰু নেলাগে।'

মাধুৰীয়ে হাঁহি হাঁহি ক'লে– 'ককা, তোমাৰো কল্পনাৰ পাখি গজিবলৈ আৰম্ভ কৰিছে লাহে লাহে।' তাৰপিছত তাই গুণগুণাব ধৰিলে–

'আকাশৰ পাৰ ভাঙি আহে
জোনাকৰ ঢল
ৰূপালী পৰশ লাগি তাৰ
জ্বলি উঠে নিশাৰ কাজল..

'সেয়া কি গান গাইছ, মৌ?' ককাকে সুধিলে।

'চাওঁ, মোৰ ওচৰত বহি গুণগুণাই গোটেই গানটো গাহিচোন'–

'কিন্তু ওচৰৰ বেমাৰীসকলৰ অসুবিধা নহ'ব জানো?'

'অসুবিধা হ'ব? সিহঁতৰ কাণ জুৰ পৰি যাব। আৰু মোৰ ওচৰৰ সিটো ৰুমৰ তিৰোতাজনীয়ে যিহে ডাঙৰ ডাঙৰকৈ ট্ৰেনজিষ্টৰ বজায়, তাৰ তুলনাত তোৰ গান। আহ মোৰ ওচৰত বহহি।'

মাধুৰী বহিলহি আৰু অনুচ্চ সুৰত আৰম্ভ কৰিলে– 'আকাশৰ পাৰ..'

ইযাৰ পিছত ব্ৰজনাথ শৰ্মাই বাৰিষাৰ ক'লা মেঘে ঢাকি ধৰা গুৰুগম্ভীৰ আকাশ দেখিলে, অ'ত ত'ত একোচপৰা নিৰুদ্দেশ যাত্ৰাৰ বগা মেঘৰ খণ্ড বুকুত লৈ থকা অলপ অলপ নীলা আকাশ দেখিলে, এন্ধাৰ ৰাতিৰ তৰাই বুটা বছা ক'লা আকাশ দেখিলে আৰু তাৰপিছত এদিন নাতিনীযেকক সস্নেহে ওচৰত বহুৱাই লৈ লাহে লাহে ক'লে– 'নাতি-জোঁৱাইটো যদি কেতিযাবা গুৱাহাটীলৈ আহে এবাৰ এই বুঢ়া পংগু ককাকটোৰ ওচৰলৈও লৈ আহিবি দেই নাগিনী।'

ককাকৰ ওচৰত বহি চুলিত হাত বুলাই থকা হাঁহি মুখৰ ছোৱালীজনীৰ হঠাতে চকুহাল পানীৰে উপচি পৰিল। ◻

ভৰি দুখন

মই লেঙেচিয়াই লেঙেচিয়াই ৰেলিঙত ধৰি ধৰি দোতালাৰ অৰ্থোপেডিক চিকিৎসা কেন্দ্ৰটোলৈ বুলি মাধ্যাকৰ্ষণৰ বিৰুদ্ধে যুঁজি যুঁজি চিৰি বগাই উঠি বাৰ দিনৰ দিনাও সেই একেটা কথাকে ভাবিলোঁঃ হাড়ৰ বিভিন্ন ৰোগত, ভৰি-হাত-কংকাল-কান্ধ, অৰ্থাৎ শৰীৰৰ প্ৰতি অঙ্গ-প্ৰত্যঙ্গ বিকল হ'ব খোজা ৰোগীৰ বাবে বাৰু ডাক্তৰে কি বিবেচনাত দোতালাত এই চিকিৎসা কেন্দ্ৰটো পাতিছে? সঁচাযে অদ্ভুত বিচাৰ ডাক্তৰৰ– নে এই চিৰি বগোৱাটোও তেওঁৰ ফিজিও-থেৰাপিৰে এটা অংগ? এইখিনি ব্যায়ামৰ দ্বাৰা শৰীৰত অকণ তেজৰ সঞ্চালন হওক– (কোনোবা ডাক্তৰে জানো কোৱা নাছিল যে মানুহৰ হৃৎপিণ্ডটো কেৱল বুকুতেই নাথাকে, ভৰিতো থাকে?) সেই প্ৰাথমিক চিকিৎসাৰে এই ব্যৱস্থা নেকি?

মোৰ আৰু পাঁচটা চিৰি বগাবলৈ বাকী আছিল– তেতিয়াই সেই অৰুণাচলী মহিলাগৰাকীয়ে মোক অতিক্ৰম কৰি সেই পাঁচটা চিৰিও বগাই গ'ল– তাৰ আগতে সুন্দৰ দাঁত দুপাৰি উলিয়াই সৰল.পাহাৰী হাঁহি এটাও উপহাৰ দি গ'ল। কিন্তু তাইৰ সেই খোলা হাঁহিৰ বিনিময়ত মই আধা আন্তৰিক হাঁহি এটাহে ওঁঠত বিৰিঙাব পাৰিলোঁ। পৰাজিতৰ মুখত অন্তৰ-খোলা হাঁহি ওলাযে বা কেনেকৈ? এই মানুহগৰাকী সুদূৰ ইটানগৰৰ পৰা হাতৰ বিষৰ চিকিৎসা কৰাবলৈ আহিছে। তাইৰ এই ফিজিওথেৰাপি চেণ্টাৰটোলৈ অহা দহদিন হৈছে– অৰ্থাৎ মোতকৈ দুদিন কম। তাইক তিনিধৰণৰ চিকিৎসা কৰা দেখিছোঁ, বেৰত লগাই থোৱা চকা এটা ঘূৰোৱা, কিছু উতলা মমৰ মাজত হাতখন ডুবাই ৰখা (আঃ, তাৰ পৰা হাতখন উঠাই অনাৰ পিছত তাইৰ বগা সুঠাম হাতখনৰ ৰংটো হৈ পৰে যেন সাইলাখ পূবত উদয হ'ব ধৰা বেলিৰ পৰা বিচ্ছুৰিত ৰঙা ৰং) আৰু তাৰপিছত 'ইনফ্ৰা ৰে'ৰ উত্তাপ লোৱা। জীৱনত আগতে কোনোদিন লগ নোপোৱা এই অৰুণাচলী মহিলাগৰাকীৰ ওৱাক্স ট্ৰিটমেণ্টটো মোৰ চাইকেলখনৰ ওচৰতে দিয়া হয বাবে সম-বিষত জৰ্জৰিত মানুহ দুজনীৰ এনেধৰণৰ মুখ-চিনা পৰিচয়েই

মুখত সৌজন্যৰ হাঁহি বিৰিঙায়। পিছে ক'তনো সম-বিষ, তাইৰ বিষ হাতত আৰু মোৰ বিষ ভৰিত, সেয়েতো মমত হাত ডুবাই কেঁকাই থকা মানুহ-গৰাকীয়ে, মই অনায়াস ভংগীত চাইকেলত পেডেল মাৰি থকা দৃশ্যটোলৈ মাজে মাজে দৃষ্টি নিক্ষেপ কৰা– (নিশ্চয় ঈৰ্ষাৰ দৃষ্টি) মানুহগৰাকীয়ে তলৰ পৰা কেনেকৈ সহজ বলিষ্ঠ খোজেৰে উঠি আজি মোক অতিক্ৰমি গ'ল। আচলতে শৰীৰত ভৰি দুখনৰ দৰে গুৰুত্বপূৰ্ণ অঙ্গ আৰু একো নাই– কথাতেই আছে– নিজৰ ভৰিত থিয় দিয়া। হয় হয়, ভৰি দুখনেই সকলো– এই ভৰিত ভৰ কৰি মানুহে জীৱন জয় কৰে, পৃথিৱী জয় কৰে আৰু বহুত কিবাকিবি জয় কৰে...।

মই গৈ যাৱতীয় কাগজ-পত্ৰবোৰ ফিজিওথেৰাপি চেণ্টাৰটোৰ তত্ত্বাৱধায়ক-জনৰ হাতত গতাই দি চিৰাচৰিত অভ্যাসবশতঃ বিশাল কোঠাটোৰ চাৰিওপিনে চকু ফুৰাই ল'লোঁ। শকত মাৰোৱাৰী তিৰোতাগৰাকীয়ে সৰ্বশৰীৰত চুমকি লগোৱা সেউজীয়া শাৰীখন পিন্ধি এক মূৰ ওৰণি লৈ অৰুণাচলীৰ ওচৰৰে আন এটা চকা ঘূৰাই আছে– এই কেইদিন সদায় দেখাৰ দৰে চকা সহিত হাতখন ওপৰলৈ যাওঁতে চুটি ব্লাউজটো দাং খাই যোৱাত মানুহজনীৰ থপথপীয়া পেট আৰু স্তনৰ তলভাগ আজিও মই পূৰা দেখিবলৈ পালোঁ; তত্ত্বাৱধাযক আৰু তেওঁৰ সহকাৰী-জনীৰ সেই দৃশ্যটো মোতকৈও বেছি প্ৰকট হৈ চকুত পৰিব পৰাৰ দূৰত্বতে তেওঁলোকৰ চকী টেবুল– কিন্তু তেওঁলোকক, অন্ততঃ তত্ত্বাৱধায়কজনক (সহকাৰিণীৰ কথা বাৰু এৰিছোঁ, তাই মাইকী মানুহ) মই কোনোদিনে সেইপিনে লোলুপতো বাদেই, সাধাৰণ আধা-কৌতূহলৰ দৃষ্টি এটাও নিক্ষেপ কৰা নেদেখোঁ। হায় বিধ্বস্ত যৌৱন, হায দেহ, হায় সময়ৰ নিষ্ঠুৰ নিষ্পেষণ। চাইকেল চলাই চলাই স্থবিৰ হৈ থকা মই চকু দুটাকেইতো অনবৰত কামত লগাই থাকোঁ– প্ৰকাণ্ড হলটোৰ অ'ত ত'ত মোৰ চকুহালে সন্ধানী দৃষ্টি নিক্ষেপ কৰিয়েই থাকে আৰু তেতিয়া অকস্মাৎ সেই তত্ত্বাৱধায়কজনৰেই লোলুপ দৃষ্টি মোৰ চোৰাংচোৱা চকুযোৰে আৱিষ্কাৰ কৰি পেলায়– যি দৃষ্টি নিক্ষেপিত হৈছে তেওঁৰ সহকৰ্মীজনীৰ পাতল চাদৰ বা অসাৱধান চাদৰৰ দয়াত উদ্ধত হৈ ওলাই থকা বুকুৰ দুই উত্তুংগ চূড়াত।

এই চাইকেল চলায়ো মই স্থবিৰ হৈ থকাৰ ফেলাচিটোত মনত পৰে কলেজত বিজ্ঞান পঢ়া দিনবোৰলৈ, গতিও যে স্থবিৰ হ'ব পাৰে সমান্তৰালভাৱে একে গতিত চলি থকা ট্ৰেইন দুখনৰ কিবা relative rest আৰু motion-ৰ উপমাৰে আমাক জানো বুজোৱা হোৱা নাছিল? গতিকে চাইকেল চলায়ো মই স্থবিৰ। পিছে হয়নে, হয়নে, মই জানো আগবাঢ়িব পাৰিছোঁ– নাই, নাই, কলেজত পঢ়া বিজ্ঞানৰ দ্বাৰাও মই এতিয়া আৰু তাৰ ব্যাখ্যা আগবঢ়াব নোৱাৰা হ'লোঁ, মোৰ কিবা খেলিমেলিখন লাগি গৈছে। বৰং মোৰ মনত এতিয়া আন

ছবি এখনহে ভাঁহি উঠিছে। বহুত বছৰৰ আগৰ ছবি। ভাৰতীয় গণনাট্য সংঘৰ সাংস্কৃতিক সন্ধিয়া এটা চাবলৈ গৈছিলোঁ, ঘৰৰ পৰা দুমাইল দূৰৈৰ সেই অনুষ্ঠানটোলৈ, মই মোৰ উৎসাহী ককাইদেউজনৰ লগত খোজকাঢ়িয়ে গৈছিলোঁ– হয়, এই দুখন ভৰিৰেই গৈছিলোঁ, আজিৰ এই অচল আৰু তেতিয়াৰ সচল ভৰি দুখনেৰেই সেই দুমাইল পথ লঘু চঞ্চল পদক্ষেপেৰে মই হেলাৰঙে অতিক্ৰম কৰিছিলোঁ। সেইদিনা মঞ্চত এনে এটা নাচ দেখিছিলোঁ যি নাচটো মোৰ এই চাইকেল চলোৱাৰ স্থবিৰতাৰে সমাৰ্থক। বেকগ্ৰাউণ্ডত কোনোবাই ৰাণাৰ ৰাণাৰ বুলি চিঞৰি চিঞৰি গান গাইছে (মোৰ বাওঁপন্থী ভাৱধাৰাৰ ককাইদেৱে তেতিয়া মোক কৈছিল যে সেই গানটো বঙ্গৰ কোনোবা সুকান্ত ভট্টাচাৰ্যই লেখিছিল– ওঠৰ নে ঊনৈছ বছৰ বয়সতে যি প্ৰতিভাধৰ বিনা চিকিৎসাত টি.বি. বেমাৰত ঢুকাইছিল) আৰু পিঠিত চিঠিৰ টোপোলাটো লৈ সেই ৰাণাৰ অৰ্থাৎ পিয়নে প্ৰাণপণে দৌৰিছে। পিছে বেচেৰা দৌৰিছেহে দৌৰিছে, এখোজো আগবঢ়া নাই (আগবাঢ়িলেইতো নাচটো এক মিনিটো নালাগে, প্ৰায় এক চেকেণ্ডতে শেষ হৈ যাব!) –মইতো সেই দৌৰ দেখি হাঁহিয়েই তৎ নোপোৱা হৈছিলোঁ আৰু তেতিয়া মোৰ ওচৰত বহা ককাইদেৱে খুব জোৰেৰে এই বুলি ডবিযাই উঠিছিলঃ 'অ'ই বুলি, চুপ কৰ। ইয়াকেই বোলে গৰুৰ আগত টোকাৰি বজোৱা। শম্ভু ভট্টাচাৰ্যই কি অপূৰ্ব নাচ নাচিছে, তোৰ ভাগ্যৰ গুণতহে এনেকুৱা নাচ চাবলৈ পাইছ। ভৰি দুখনৰ পিনে চা চোন– একে ঠাইতে থাকিও কেনেকৈ ভৰি দুখনে বিৰাট বেগেৰে দৌৰাৰ ইল্যুশ্যন সৃষ্টি কৰিব পাৰিছে–'

সঁচায়ে সেই যে ভৰি দুখন। সেই ভৰি দুখনে কি যে অপূৰ্ব কলাৰ সৃষ্টি কৰিব পাৰিছিল আজিহে মই পৰিণত বয়সত উপলব্ধি কৰিব পাৰিছোঁ। সেই পুৰণি স্মৃতিত ডুবি খালী হৈ থকা চাইকেলখনত উঠি ওচৰত গৰম মমত হাত ডুবাই বিষণ্ন মুখেৰে বহি থকা অৰুণাচলীজনীৰ পিনে চাই হাঁহি এটা মাৰি মই চাইকেল চলাবলৈ ধৰিলোঁ। প্ৰথমতে লাহে লাহে পেডেল ঘূৰাব ধৰিলোঁ, পিছত ভৰিলৈ কিছু শক্তি অহাত সেই পেডেল জোৰে জোৰে ঘূৰিল, চকাৰ স্প'ক ঘূৰিল, স্পীড বাঢ়িল, কিন্তু মই একে ঠাইতে বহি থাকিলোঁ, শম্ভু ভট্টাচাৰ্যৰ ভৰি দুখনৰ দৰে ইমান বেগেৰে চাইকেল চলায়ো মই এক তিলাৰ্ধও আগ নাবাঢ়িলোঁ– এনেকি সমুখৰ দেৱালত থকা সেই বিৰাট ফটোখনৰ ওচৰলৈ গৈ তাৰ উপলা নদীখনৰ পানীখিনি– সি ফটোৰ প্ৰাণহীন পানী হ'লেও– চাইকেলৰ পৰা হাঁউলি চুই চোৱাৰ মোৰ যি হেঁপাহ তাকো মই পূৰাব নোৱাৰিলোঁ।

ফিজিওথেৰাপিৰ হলটোৰ পূৰ্বোল্লিখিত যান্ত্ৰিক আৰু তেজ-মাংসৰ যিবোৰ 'বস্তু' আৰু প্ৰাণীয়ে মোৰ দৃষ্টি কাঢ়ি নিয়ে, সেইবোৰৰ উপৰিও আৰু তিনিটা সঁচাকৈয়ে দৰ্শনীয় বস্তুৱেও মোৰ চকুৰ পৰিক্ৰমাত বৈচিত্ৰ্য আনে। তাৰে এটা

হ'ল সমুখৰ দেৱাল জুৰি থকা অলপ আগতে উল্লেখ কৰি অহা প্ৰকাণ্ড ফটো-খনঃ কি যে সুন্দৰ তাৰ দৃশ্যৰাজি। ঘন সেউজীয়া এখন হাবি, তাৰ মাজেৰে শিলাখণ্ডৰ ওপৰেৰে নীল নিজৰাই বগা ঢৌ তুলি ফটোৰ ফ্ৰেমত হেৰাই গৈছে কলকল ধ্বনি তুলি– (আঃ মই যেন সচাঁকৈয়ে সেই কল্‌কল ধ্বনি শুনিবলৈ পাওঁ।) তাৰপিছত সেই ফটোখন চাই চাই পেডেল মাৰি মাৰিও অচল হৈ বহি ৰোৱা মই মানুহজনীৰ চকুৰ আগত প্ৰায় একেধৰণৰ দৃশ্য এটাই ভাঁহি উঠে– সেইটো হ'ল টিভিৰ বিজ্ঞাপনত দেখা এটা দৃশ্য। এনেকুৱাই এখন উপলা নদী, তাৰ শিলৰ ওপৰেদি কেইজনমান কিশোৰ আগবাঢ়িছে খুপি খুপি, সাৱধানে-পিছত সিহঁত গৈ সিপাৰো পালেগৈ। টেলিভিছনৰ বিজ্ঞাপন, গতিকে সমুখৰ ছবিখনৰ দৰে স্থবিৰ নহয়, নৈখন সঁচাযে বৈ আছে, কিশোৰ-কিশোৰীহঁতো সঁচাযে গৈ আছে। সেইখন আচলতে কিবা এবিধ জোতাৰ বিজ্ঞাপন, তেনে জোতা পিন্ধা বাবেহে সিহঁত সেই পিছল আৰু থৰক-বৰক শিলৰ ওপৰেদি খোজ কাঢ়ি উপলাকীৰ্ণ নদীখন পাৰ হ'ব পাৰিছে– বিজ্ঞাপন কোম্পানীটোৱে ইমান টকাৰ স্পনচ'ৰ কৰি তাকেই প্ৰতিপন্ন কৰিছে। মই কিন্তু ব্যঙ্গৰ হাঁহিৰে অদৃশ্য কোম্পানীটোক সম্বোধন কৰি কওঁঃ বোপাইহঁত, তোমালোকৰ জোতা নহয়, ল'ৰা-ছোৱালীকেইটিৰ শক্তিশালী ভৰিকেইখনৰ জোৰ আৰু ভাৰসাম্য ৰাখিব পৰাৰ ক্ষমতাইহে সিহঁতক সেই পিছল পাথৰৰ স্ৰোতস্বিনী পাৰ কৰাই নিছে। গতিকে আনক ভুলালেও মোক ভুলাব নোৱাৰা!

সেই দৃশ্যটো দেখিলে মোৰ আকৌ নন্দিতালৈও মনত পৰি যায়, তাইৰো ভৰিত জোৰ আছে, তায়ো ট্ৰেকিং কৰে, কিন্তু ৰবীনে, আমাৰ একমাত্ৰ সন্তান ৰবীনে তাইৰ ভৰি দুখনৰ অইন ধৰণৰ প্ৰশংসাহে কৰে। দেউতাকৰ মৃত্যুৰ পিছত সেই ছোৱালীজনীয়ে সংসাৰ-পথত দুঃসহ কষ্টৰ বাট বুলি এতিয়া নিজে নিজৰ ভৰিত থিয় হ'ব পাৰিছে। ঠিকেই, ৰবীনে তাইৰ ঠিকেই মূল্যায়ন কৰিছে– কিন্তু...

ফটোখনৰ বাহিৰেও মোৰ চকুৱে বাৰে বাৰে দৃষ্টি দিয়া আন দুটা বস্তু হ'ল দুটা মানুহৰ জঁকা। এটা মতা মানুহৰ, এটা মাইকী মানুহৰ। অৱশ্যে শুদা হাড়কেইডালৰ পৰা মতা-মাইকীৰ পাৰ্থক্য জানিবলৈ মইতো কোনোদিন এনাটমীৰ শিক্ষা লাভ কৰা নাই। কিন্তু এদিন এই চেন্টাৰৰে এজন চকীদাৰ আৰু তেওঁক বিচাৰি অহা মানুহ এজনৰ কথোপকথনৰ পৰা গম পাইছিলোঁ যে মোৰ সমুখৰ বাওঁফালৰ আইনাৰ বাকচটোত থকা জঁকাটো মতা মানুহৰ আৰু সোঁফালে থকা জঁকাটো মাইকী মানুহৰ। মই এনেকি সেই কথা-বতৰাৰ পৰা এই জঁকা দুটাৰ জীৱিত কালৰ অলপ ইতিহাসো গম পাই গৈছিলোঁ– অৱশ্যে জীৱিত কালৰ হ'লেও সিহঁত দুটাৰ মৰণৰ ইতিহাসহে। চকীদাৰক সিদিনা

তেওঁৰ বন্ধুজনে সুধিছিল (তেতিয়া দুপৰীয়া খোৱাৰ সময় হৈছিল বাবে তত্ত্বাৱধায়কজন আৰু তেওঁৰ সহকৰ্মিণীগৰাকী ক'ৰবাত কিবা খাবলৈ ওলাই গৈছিল– আৰু ঠিক তেনে সময়তে সুবিধা বুজি চকীদাৰক লগ পাবলৈ অহা বন্ধুজনে সুধিছিল)– 'এই যে জংকা দুটা থৈছ– ইহঁত মতা নে মাইকী? চালা, মগুহৰ লদাবোৰ গাত নাথাকিলে কোনটো যে মতা কোনটো মাইকী ধৰাই টান–'

বন্ধুজনে কিবা অশ্লীল কথা কয় বুলিয়েই নেকি, চকীদাৰজনে অনুচ্চ স্বৰেৰে ধমকৰ দৰে কোৱা যেন শুনিলোঁ (মই তেনেবোৰ সময়ত চকু দুটাতকৈ কাণ দুখনকহে বেছি সজাগ কৰি ৰাখোঁ), তাৰপিছত তেওঁৰ মাতটো সামান্য ডাঙৰ হ'ল আৰু মই জংকা দুটাৰ ইতিহাস উৎকৰ্ণ হৈ শুনিবলৈ ধৰিলোঁঃ 'এই যে প্ৰথমটো দেখিছ– এইটো মতা আৰু দূৰৈৰ সৌটো মাইকী মানুহৰ জংকা। দুয়োটাৰে কাহিনী মই জানো। প্ৰথমটো আমাৰ ওচৰৰ গাঁৱৰ বাবে আৰু দ্বিতীয়টোৰ ঘটনা আমাৰ ইয়াত কাম কৰা বাইদেউজনী যে আছে, তেওঁৰ পৰা শুনিছোঁ। এই যে মতা জংকাটো– সি আছিল এটা মহা তামোল চোৰ, লোকৰ বাৰীয়ে বাৰীয়ে ৰাতি তামোল চুৰ কৰিব, আৰু দিনত সেইবোৰ হাটত-বেচিব। কাম-বন কৰাৰ মন নাই, চুৰি কৰিয়ে তাৰ জুতি লাগে। পিছে সিবাৰ কি হ'ল, আমাৰ ওচৰৰ গাঁৱৰ পৰমা মহাজনৰ বাৰীলৈকে সি তামোল চুৰ কৰিবলৈ আহিল। পৰমা মহাজনৰ বিশাল বাৰী, আৰু তামোলেই নহয়, কল-নাৰিকলকে ধৰি কি নাই বাৰীখনত? আৰু সেয়ে বোধহয় ফল-মূলবোৰ চোৰে চুৰি কৰাৰ চিন্তাত মহাজনৰ ৰাতিৰ টোপনি বৰ পাতল, বাৰীৰ পকা ফল নালাগেই, বুঢ়া পাত এটা সৰি পৰিলেও হেনো সেই শব্দতে তেওঁ সাৰ পাই উঠে। এই কথা আমাৰ গাঁৱৰ চোৰবোৰে জানে, গতিকে সেই বেটাহঁতে উপাৰ্জন বিনে পেটত লাগে পানী-গামোচাই বান্ধি থব, তথাপি পৰমা মহাজনৰ বাগানত উকি এটাও নামাৰে। কিন্তু ই বেটা 'জংকা'ই, (চকীদাৰৰ হাঁহি, লগতে সংগীৰো যোগদান) দূৰৈৰ গাঁবৰ হোৱা হেতুকে অহুকাণে-পহুকাণে পৰমা মহাজনৰ বাৰীখনৰ কথা শুনিলেও বুঢ়াৰ পাতল টোপনিৰ কথা নাজনিছিল বোধহয়। গতিকে এদিন ৰাতি সি সোমাল মহাজনৰ বাৰীত। আৰু পায় কোনে? লগে লগেই পাতল টোপনিৰ মহাজনে সাৰ পাই উঠি তাক খেদি গ'ল। পৰমা মহাজনৰ বয়স হ'ব পাৰে প্ৰায় তিনি কুৰিৰ ওচৰ, কিন্তু বাৰীৰ টাট্‌কা ফল-মূল খাই শৰীৰত একেবাৰে ভীমৰ দৰে বল। সেই পালোৱান মূৰ্তিয়ে যি চোঁচা ল'লে তাকে দেখি ই বেটা চোৰৰ ধাতু উৰি গ'ল আৰু দিগ্‌বিদিগ্ জ্ঞানশূন্য হৈ লৰ ধৰিলে। মহাজনেও ঘৰৰ কাকো নজগাই গ'ল পিছে পিছে খেদি, অকলেই। অৱশ্যে গাত ভীমৰ বল হ'লেও তেওঁৰতো আৰু চোৰৰ দৰে পলোৱাৰ অভ্যাস নাই, গতিকে তেওঁ বাহুবলী হ'লেও ভৰি-বলী নহয়। (আকৌ দুয়োৰো হাঁহি)– আমাৰ

ই জংকাইচুকীয়া গাঁৱৰ জংকাচোৰ কিন্তু (এইবাৰ মোৰো ওঁঠত বিৰিঙিব ধৰা হাঁহিটো সংযত কৰা টান হৈ পৰিছিল) পলোৱাৰ প্ৰেকটিচ কৰি কৰি পবন পুত্ৰৰ দৰেই হৈ পৰিছিল। গতিকে তাৰ আৰু মহাজনৰ মাজত বাঢ়ি অহা দূৰত্বটোত বেচেৰাৰ বোধহয় ভাব হৈছিল যে তামোল চুৰি কৰিব নোৱাৰিলেও সি বোধহয় ·ভীমৰ পৰা সাৰিল। কিন্তু মৃত্যু যাৰ বাবে খাপ পাতি বহি থাকে, সি আৰু তাৰ পৰা বাচে কেনেকৈ? হ'ল কি, পথাৰৰ এফালে কুলীয়ে মাটি কাটি নি কাৰোবাৰ ভেটি বন্ধাৰ ফলত তাত এটা পুখুৰী হৈ গৈছিল, কালক্ৰমত তাক মেটেকা-পুণিয়ে ঢাকি ধৰিছিল। তামোল চোৰ আমাৰ গাঁৱৰ নহয় বাবে সেই পুখুৰীৰ কথা নাজানিছিল, ফলত দৌৰি গৈ অজানিতে সি তাতে পৰিলগৈ। দৌৰি দৌৰি ভাগৰি পৰি, মেটেকা-পুণিত জোঁটা-পোটা লাগিয়েই নেকি সি পানীৰ পৰা আৰু উঠিব নোৱাৰিলে। তাতেই মৰিল, হয়তো হাৰ্টফেল কৰিলে বপুৰাই। তাৰপিছত তাৰ লাছটো কেনেকৈ জানো আমাৰ ডাক্তৰ ছাৰে কিনি আনিলে।'

চকীদাৰৰ সংগীৰ লগতে মযো কাহিনীটো তন্ময় হৈ শুনি আছিলোঁ। এইবাৰ মই মতা জংকাটোৰ ফালে ইমানপৰে অকামিলা হৈ থকা চকুযোৰৰ দৃষ্টি নিক্ষেপ কৰিলোঁ। মোৰ চাৱনিত পুতৌ ফুটি ওলাইছিল, কিন্তু তাত ঘৃণা আৰু বিতৃষ্ণাৰ পৰিমাণহে বেছি আছিল। বেটা চোৰ, এনেহেন মজবুত আৰু বেগী ভৰি দুখন পাযো তাৰ সদ্ব্যৱহাৰ কৰিব নিশিকিলি, সেই অমূল্য সম্পদক চোৰৰ পলায়ন বিদ্যাৰ কামতহে লগালি, নিজৰ ভৰিত থিয় হ'ব নিশিকিলি– ধিক তোৰ জীৱন আৰু তাতোকৈও ধিক তোৰ এই আওমৰণ।

'বাৰু, এইবাৰ মাইকী জংকাটোৰ কাহিনী কচোন ব্ৰাদাৰ–'

চকীদাৰে চকিত দৃষ্টি হানি এবাৰ দুৱাৰৰ পিনে চালে, হলটোতো ঘূৰি-পকি লৈ ফিজিওথেৰাপি কৰি থকা ৰোগীসকলক এবাৰ পৰিদৰ্শন কৰি আহিল, তাৰপিছত পুনৰ সংগীৰ ওচৰত টুলখনত বহি লৈ অলপ বিতৃষ্ণাৰেই যেন ক'লে– 'এই জংকাজনীৰ কথা ক'বলৈ আৰু কিটো আছে? ক'ৰবাৰ বেমাৰী ভিখাৰী তিৰোতা, নিশ্চয় দেছুৱালী হ'ব। আমাৰ এই চেণ্টাৰৰ ফুটপাথতে বোলে মৰি পৰি আছিল, পেটত বোলে কেঁচুৱাও আছিল. চালী ৰাণ্ডী ক'ৰবাৰ...'

অলপ আগতে সংগীক অশ্লীল কথা কোৱাৰ বাবে সকীয়নি দিয়া চকীদাৰে এতিয়া নিজেই পাৰিপাৰ্শ্বিকক পাহৰি অশ্লীল মন্তব্যটো দিলে আৰু লগে লগে মুখখন কৌতূহলৰ বিকৃত হাঁহিৰে চিকচিকাই উঠা সংগীযেও কৈ উঠিল– 'আবে চালা, এইটোতো বৰ জব্বৰ কাহিনী শুনালি। তাৰপিছত কচোন ক, তাইৰ পেটৰ বাচ্চাটো কেনেকৈ উলিযালে–'

চকীদাৰৰ পুনৰ আগৰ দায়িত্ববোধ উভতি আহিছিল। সি চেপা খঙৰ মাতেৰে

ক'লে– 'চুপ কৰ চালা, আৰু মই সেইবোৰ বেছি একো নাজানোও, মই ইয়ালৈ কাম কৰিবলৈ অহাৰ আগৰে ঘটনা সেইবোৰ। আৰু শুন, তই ইয়ালৈ এনেকৈ সঘনে আহি নাথাকিবি, ছাৰহঁতে গম পালে খং কৰিব; এতিয়া তই যাগে যা, বাইদেউহঁত ঘূৰি অহাৰ সময় হ'ল–।'

ইফালে মই খণ্ডত উতলিব ধৰিছিলোঁ, উত্তেজনাত মোৰ পেডেল মৰা ভৰিৰ গতি খৰ হৈ উঠিছিল, যদিও প্ৰায় এঘণ্টামান পেডেল মাৰি মোৰ যথেষ্ট ক্লান্তি আহিছিল। উস্, চোৰৰ কাহিনীতকৈ বোলে ভিখাৰিণীৰ কাহিনীত ক'বলগা একো নাই! হেৰৌ, সেইটোৱেই দেখোন প্ৰধান কাহিনী, সৰ্বকালৰ সকলো দুখুনী নাৰীৰ চিৰন্তন কাহিনী, পুৰুষৰ দ্বাৰা লাঞ্ছিতা, ধৰ্ষিতা, অত্যাচাৰিতা হোৱাৰ কাহিনী! পিছে অ' তইতো সেইদৰে কৰিয়েই– তয়ো যে সেই বীৰ পুৰুষ জাতিৰে এজন প্ৰতিনিধি পুৰুষ-পুঙ্গৱ। তহঁতেও অসহায় তিৰোতাৰ দেহটো– লাগে তাই লেতেৰী ভিখাৰিণীয়েই হওক– কাউৰী কুকুৰে খোৱাদি ছিন্ন-ভিন্ন কৰি খাবি আৰু তাৰপিছত নিষ্ঠুৰ ব্যঙ্গ ঘৃণাৰে অশ্লীল মন্তব্য দিবি–।

খণ্ডত, উত্তেজনাত মোৰ ভৰি দুখনত যেন আসুৰিক শক্তি আহি গ'ল্, মই জোৰে জোৰে পেডেল মাৰিবলৈ ধৰিলোঁ আৰু মোৰ চকুৰ আগৰ পৰা সেউজীয়া বন-বননি, উপলা নদীৰ কুলুকুলু ধ্বনিৰ কাল্পনিক মৃদু-মধুৰ ঝংকাৰৰ দৃশ্য সমন্বিতে সেই বৃহৎ ছবিখন অদৃশ্য হৈ গ'ল আৰু তাৰ ঠাইত কোনোবা পোষ্টাৰ মৰা মানুহৰ অদৃশ্য হাতে যেন এই ছবিখন লগাই দিলেঃ 'জঁকা'জনী পৰি থকা ফুটপাথৰে এটা দৃশ্য– এজনী তিৰোতা, উলংগ, তাইৰ দুই ভৰিৰ ফাঁকেৰে ওলাই আহিব ধৰিছে এটি মানৱ শিশু– এই পৃথিৱীৰ একচ্ছত্ৰী সম্ৰাট মানুহৰে এক প্ৰতিভূ। কিন্তু সি পৃথিৱীত ভূমিষ্ঠ হ'বলৈ ওলাইছে কোনো ৰাজকুমাৰৰ দৰে নহয়।' এই ছবিখন কিছুদিন আগতে আমাৰ দৈনিক বাতৰি-কাকত এখনত ওলাই গৈছে। আদি আৰু অকৃত্ৰিম ছেনছেছনেলিজমৰ এক কুৎসিত প্ৰযাস। নিজৰ মাতৃভাষাটোকে শুদ্ধকৈ লেখিব নজনা আমাৰ বাতৰি-কাকতৰ সাংবাদিকৰ হালধীয়া সাংবাদিকতাৰ চূড়ান্ত নিদৰ্শন। মোৰ ভৰি দুখন ৰুগীয়া, মই গুৱাহাটীৰ পৰা দূৰৈৰ এই ডিব্ৰুগড চহৰত থাকোঁ, গতিকে এই ফটোখন তোলা সাংবাদিকজনক লগ ধৰি মোৰ এই কথা সোধাৰ উপায় নাই যে তেওঁ এই ফটোখন তোলাৰ সময়ত, ভৰি দুখনৰ ফাঁকেৰে সংঘটিত হ'ব ধৰা পৃথিৱীৰ ভিতৰতে মহত্তম, অনিৰ্বচনীয়, আশ্চৰ্যজনক, আৰু সুন্দৰ কাৰ্যটোৰ ফটোখন তোলাৰ সময়ত মাতৃগৰাকীৰ যন্ত্ৰণা-বিকৃত মুখখন দেখিছিল নে নাই? (যি যন্ত্ৰণাৰ মাজেৰে এদিন সেই ফটোগ্ৰাফাৰৰ মাতৃযেও তেওঁকো ঠিক তেনেকৈয়ে এই পৃথিৱীলৈ আনিছিল)। মোৰ এই কথাও জানিবৰ উপায় নাই যে ফটোখন তোলাৰ পিছত তেওঁ সেই মাতৃগৰাকীৰ উলংগ গাটো ঢাকি

দিবলৈ বিচাৰ-খোচাৰ কৰি ক'ৰবাৰ পৰা কাপোৰ এডুখৰি আনিছিল নে নাই, জানিবৰ উপায় নাই, প্ৰসৱৰ পিছত সেই মাতৃ আৰু নৱজাতকক বচাবলৈ ফুটপাথৰ পৰা উঠাই কোনোবা হাস্পতাল বা মাতৃ আৰু শিশু মঙ্গল প্ৰতিষ্ঠানলৈ লৈ যোৱাৰ ব্যৱস্থা কৰিছিল নে নাই। মোৰ আৰু এটা কথা জানিবৰ উপায় নাই, ফুটপাথৰ এই 'মাতৃত্ব অনাকাংক্ষিত নে আকাংক্ষিত, স্বামীৰ লগত মিলনৰ মধুৰ ফল নে কোনোবা বৰ্বৰ পুৰুষৰ বিকৃত কামনাৰ কুফল? পিছে পিছৰতো হোৱাৰে সম্ভাৱনা বেছি, নহ'লে এনেকুৱা সময়ত তাইৰ স্বামী ওচৰত নাথাকিলেহেঁতেননে, যিমানেই দৰিদ্ৰ নহওক সেই স্বামীয়ে আসন্ন-প্ৰসৱা ঘৈণীয়েকৰ গাত অন্ততঃ এখন কাপোৰ জাপি নিদিলেহেঁতেননে?

ফটোগ্ৰাফাৰজনৰ ফটোখন তোলাৰ সময়ত এই ভাৱবোৰ মনত খেলাইছিলনে? মাতৃৰ মহান সৃষ্টিকাৰ্যক এইদৰে কলংকিত কৰাত তেওঁ নিজেও এক মাকৰ পুতেক হিছাপে ন্যায়সংগত ক্ৰোধত জ্বলি উঠিছিলনে? নাই, নিশ্চয় নাই, জ্বলি উঠা হ'লে তেওঁ ফটোখন তুলিবই নোৱাৰিলেহেঁতেন।

মই জোৰে আৰু জোৰে পেডেল মাৰিবলৈ ধৰিলোঁ। পৰিশ্ৰমত, উত্তেজনাত, ক্ৰোধত মোৰ মুখৰ পৰা দৰদৰকৈ ঘাম ওলাবলৈ ধৰিলে। উস্– আমাৰ মাইকী মানুহৰ এই যে ভৰি দুখন। এই দুখন যদি আমি কেতিয়াও ফাঁক নকৰাকৈ ৰাখিব পাৰিলোঁহেঁতেন, তেন্তে সৃষ্টিৰ দুৱাৰখনকে বন্ধ কৰি ৰখাৰ এক বিৰাট বৈপ্লৱিক প্ৰতিবাদৰ কাৰ্য সংঘটিত কৰি পেলাব পাৰিলোঁহেঁতেন আৰু তেতিয়া পুৰুষতো পুৰুষেই, স্বয়ং ভগৱানেও আহি তেওঁৰ সৃষ্টি ৰক্ষাৰ বাবে আমাৰ মাইকী মানুহবোৰৰ হাতে-ভৰিয়ে ধৰিব লগা হ'লহেঁতেন। আঃ ঘটনাটোৰ কল্পনাতেই মোৰ মুখৰ পৰা তৃপ্তিৰ শব্দ এটা নিৰ্গত হৈছিল।

তাৰপিছত আৰু এটা ঘটনা ঘটিছিল, অৱশ্যে আকৌ মোৰ মনোৰাজ্যতে। এই ভৰি ফাঁক কৰাৰ প্ৰসংগতে নেকি, মোৰ চকুৰ আগৰ পৰা বাতৰি-কাকতৰ সেই সন্তান প্ৰসৱ কৰি থকা ছেনছেছনেল ছবিখনো আঁতৰি গৈছিল আৰু তাত আন এখন ছবি লিপিট খাই ধৰিছিল। সেই ছবিখন আছিল হান্স ক্ৰিষ্টিয়ান এণ্ডাৰছনৰ সাধুৰ লিটল্ মাৰমেডজনীৰ, তাই সাগৰৰ ঢৌৱে ঢৌৱে মনৰ আনন্দত সাঁতুৰি ফুৰিছে, তাইৰ উৰ্ধাংগ সাধাৰণ মানৱীৰ দৰে হ'লেও নিম্নাংগ হ'ল মাছৰ ফিছা– অৰ্থাৎ মানৱীৰ দৰে তাইৰ দুখন ভৰি নাই।

এতিয়া এই ছবিখন মোৰ বেডৰুমৰ পৰা আহি যেন ঘন বননি আৰু নিজৰাৰ ছবিখনৰ ওপৰতে লিপিট খাই লাগি ধৰিলেহি। আজি কিছুদিন আগৰ কথা। ৰবীন কলিকতালৈ গৈছিল তাৰ ব্যৱসায়ৰ কামত, খিদিৰপুৰত থকা বিদেশী বজাৰখনত ঘূৰি-পকি ইবিধ-সিবিধ বস্তু চাই থাকোঁতে আৰু কিনোতে তাৰ হেনো এখন প্ৰকাণ্ড টাৱেলত চকু পৰিল, যিখনত লিটল মাৰমেডৰ এই

ছবিটো অঁকা আছে। ৰবীনে লিটল মাৰমেডৰ গল্পটোৰ প্ৰতি থকা মাকৰ দুখানুভূতিখিনিৰ উমান পায়, সেয়ে লগে লগেই সি টাৱেলখন কিনি পেলাইছিল। পিছে মোৰ মৰমৰ জলকন্যাজনীৰ ছবিখন গাত মোহাৰি মোহাৰি তাইক ধূসৰ কৰি পেলোৱাৰ সত নগ'ল, সেয়ে মোৰ বেডৰুমৰ দেৱালতে সেইখন ছবিৰ নিচিনাকৈ ওলোমাই থলোঁ।

এতিয়া সেই ছবিখনেই আহি এই ফিজিওথেৰাপি চেণ্টাৰটোত মোৰ চকুৰ আগত ওলমি ৰ'লহি আৰু তাইৰ অখণ্ড ফিছাখনলৈ চাই মোৰ মনটো বিজয়ৰ এক পৈশাচিক উল্লাসত ভৰি গ'ল– এই ধুনীয়া জলকন্যাজনীৰ অন্ততঃ মানৱীৰ ভৰিৰ দৰে দুখন ফিছা নাই, কোনো পুৰুষ জল কোঁৱৰে– কিন্তু সেইখিনিলৈ ভবাৰ লগে লগে মোৰ মনত যেন এক ভূমিকম্পৰ জোঁকাৰণি লাগিল, সাগৰৰ ঢৌ, সাগৰৰ পানী– সকলো ওলট-পালট হ'বলৈ ধৰিলে। তাত জলকন্যাজনীয়ে ভীষণ জোৰে হাঁহিবলৈ ধৰিলে। ইস মই জলকন্যাৰ পিছৰ কৰুণ কাহিনীটো কিয়, কেনেকৈ কি ভ্ৰান্তিত বাৰু পাহৰি পেলাইছিলোঁ? সেই একে হৃদয়হীন পুৰুষৰ প্ৰবঞ্চনাৰ কাহিনীযেই এইটো। প্ৰিয়তম ৰাজকুমাৰৰ লগত মিলিত হ'বলৈ মোৰ অকণমানি আজলী জলকন্যাজনীয়ে জানো তাইৰ সুৰীয়া গীত নিগৰি ওলোৱা জিভাখনৰ বিনিময়ত ডাইনীৰ পৰা ফিছাৰ সলনি ভৰি দুখন কটাই নল'লে? (উস– আকৌ সেই দুখন ভৰি।) কিন্তু বিনিময়ত তাই কি পালে? আমাৰ দুষ্মন্তই শকুন্তলাক চিনি নোপোৱাৰ দৰেই দেখোন ৰাজকোঁৱৰেও তাইক চিনি নাপালে আৰু শেষত তাই সাগৰৰ বুদবুদ হৈ গভীৰ নীলা পানীতে চিৰকাললৈ হেৰাই যাব লগা হ'ল। একপ্ৰকাৰ যেন স্বামী-লাঞ্ছিতা সীতাই পাতাল মাতৃৰ গৰ্ভত লীন হৈ যোৱাৰ দৰেই ঘটনা।

যথানিযমত ৰবীনে মোক তাৰ গাড়ীৰে ঘৰলৈ নিব আহিছিল। সি মোক সদায় থৈযো যায, কিন্তু দোতালাত উঠাৰ সময়ত তাৰ সাহায্য নলওঁ, কওঁ– এইখিনি মোক নিজৰ ভৰি দুখনৰ ওপৰত নিৰ্ভৰ কৰিবলৈ দেচোন– যি কষ্ট হয় হ'ব।

'মা, তোমাক আজি কিয় ইমান ৰানডাউন দেখাইছে? আজি চাইকেল চলাওঁতে বেছি কষ্ট হ'ল নেকি?'

মই বিৰস মুখেৰে ক'লোঁ– 'চাইকেল চলাওঁতে সদায়ে মোৰ কষ্ট হয়, কিন্তু সেই কষ্ট বেছিখিনি মানসিক। মোৰ মনত পৰে যে মোৰ ভৰি দুখনৰ যি বিষ তাৰ মূলতে হ'ল আমাৰ পুৰুষ-প্ৰধান সমাজৰ দ্বাৰা নিৰ্ধাৰিত নীতি-নিয়ম। সেই ৰক্ষণশীল নিয়মৰ বাবেই সৰুকালত মোৰ ইমান হেঁপাহ থকা সত্ত্বেও কোনেও মোক চাইকেল চলাব নিদিছিল, এনেকি মোৰ বাওঁপন্থী ভাৱধাৰাৰ ককাইদেৱেও। চাইকেলত উঠিলেই মই দাংকাটি আখ্যা পাম আৰু তেতিয়া মোৰ

বিয়া হোৱাটো টান হ'ব। সেইবাবেই মই মনৰ হেঁপাহটো পূৰাবলৈ শেষ ৰাতিতে উঠি সকলোবোৰ শুই থকাৰ সময়ত আন্ধাৰতে চাইকেল চলাই ফুৰাৰ ফলত এবাৰ কিবা এটাত খুন্দা মাৰি দি পৰি গৈ ভৰি ভাঙি তিনিমাহ যে বিছনাত পৰি থাকিছিলোঁ জানই নহয়। সেই বিষেই এতিয়া বোলে বুঢ়া বয়সত উক দিছে। মতা মানুহৰ আধিপত্য চলা সমাজ বাবেই মোৰ আজি ভৰি দুখনৰ এই দুৰ্দশা। সেই কাৰণে মনটোতো সদায় অশান্তি লাগি থাকেই, আজি আকৌ তিৰোতাৰ ওপৰত চলা অত্যাচাৰৰ এনে এটা কাহিনী শুনিলোঁ যে মনটো আৰু বিমৰ্ষ হৈ গ'ল।'

ৰবীনে সেই অস্বস্তিকৰ প্ৰসংগ এৰাবলৈকে বোধহয় ক'লে– 'তোমাৰ প্ৰহসনটো চোৱাচোন মা– যি চাইকেল চলোৱা কাৰ্যই তোমাৰ ভৰিৰ এই দুৰ্দশা কৰিলে, সেই চাইকেল চলাই চলাযে এতিয়া তুমি ভৰি নিৰাময় কৰিব লাগিব।' কথাখিনি কৈ ৰবীনে হাঁহিলে, মই কিন্তু তাৰ লগত হাঁহিত যোগ নিদিলোঁ, মোক আজি অন্য চিন্তা এটাই বাৰে বাৰে অন্যমনস্ক কৰি ৰাখিছিল।

ঘৰ পোৱাৰ পিছত স্বামীযে লাঠীত ভৰ দি খোৰাই খোৰাই আগবাঢ়ি আহি ক'লে– 'আজি দেখোন পলম হ'ল? চাইকেল খালী নাছিল নেকি?'

মোৰ আজি কাৰো লগতে বেছি কথা কোৱাৰ মন নাছিল, মোৰ কেৱল নিজৰ চিন্তাতে ডুবি থাকিবৰ মন গৈছিল। তথাপি কৰ্তব্য বুলিয়েই এনেযে দেৰি হ'ল বুলি কৈ তেওঁৰ ভৰিৰ খবৰ ল'লোঁ। মানুহজনো মোৰ দৰেই খোৰা হ'ল, অৱশ্যে সেই অৱস্থাটো সাময়িক, কাৰণ বাথৰুমত পৰি মোচোকা খাই ভৰিত যি বিষ হৈছে, সি কিছুদিন পিছতে ভাল হৈ যাব বুলি ডাক্তৰে কৈছে। হাজাৰ হওক সুবিধা-পুষ্ট পুৰুষৰ ভৰিতো!

সন্ধিয়া হ'ল। চিৰাচৰিত নিয়মমতে আমি দুয়ো, মানে মই আৰু গৃহস্থই আগফালৰ বাৰাণ্ডাত বহি ইটো-সিটো কথা পাতি আছিলোঁ। কিন্তু সেইটো আমাৰ চিৰাচৰিত নিয়ম হ'লেও সেইদিনা মই আমাৰ সেই খুচুৰা কথাবোৰত মন বহুৱাব পৰা নাছিলোঁ। মই তলে তলে অলপ অধৈৰ্যই হৈ উঠিছিলোঁ। ৰবীনৰ আগত নন্দিতাক মাতি পঠোৱাৰতো বহুত সময়েই হ'ল, কিয় তাই এতিয়ালৈকে অহা নাই? কিবা ভয় খাইছে নেকি বাৰু? এদিনতো ৰবীনে মোক কৈছিলেই 'মা, নন্দিতা আমাৰ ঘৰলৈ আহিলে তুমি কিয় মুখখন আহাৰ-মহীয়া মেঘৰ দৰে ওন্দোলাই থাকা? তাই সেইবাবে তোমাৰ আগত কেতিয়াও সহজ হ'ব নোৱাৰে। তুমি এনেকুৱা কৰি থাকিলে তোমালোকৰ সম্পৰ্ক দেখোন সেই চিৰন্তন শাহু-বোৱাৰীৰ তিতা সম্পৰ্কই হৈ থাকিব?'

শাহু-বোৱাৰী! হুঃ নন্দিতাক বোৱাৰী কৰাৰ মোৰ একেবাৰেই ইচ্ছা নাছিল, বাপেক নোহোৱা ছোৱালী, ঘৰৰ অৱস্থা সাধাৰণ, দেখাতো তাই একো অপেশ্বৰী

নহয়। ইফালে ৰবীন আমাৰ একেটি ল'ৰা, তাৰ বাবে কিমান ভাল ঘৰৰ ভাল ভাল ছোৱালী যাচি আছে। কিন্তু নাই, মোৰ ল'ৰা একেবাৰে একনিষ্ঠ প্ৰেমিক। নন্দিতাৰ দৰে ছোৱালীৰ হেনো কোনো সমকক্ষই হ'ব নোৱাৰে, তাইৰ বাহিৰে অইন ছোৱালীক সি হেনো কেতিয়াও বিয়া কৰোৱাৰ কথা কল্পনাও কৰিব নোৱাৰে। কেৱল মাকৰ প্ৰতি মৰম দেখুৱাই সি এইটো প্ৰতিশ্ৰুতি দি থৈছে যে মই সম্মতি নিদিয়ালৈকে সি নন্দিতাক বিয়া নকৰায়। বাপেকৰতো মত-অমত বোলা কোনো কথাই নাই। তেওঁ হাঁহেৰেও ৰাজী, মাহেৰেও ৰাজী।

তাৰপিছত আজিৰ সেই ফিজিওথেৰাপি চেণ্টাৰৰ ঘটনাবোৰ। মই কোন পুৰুষৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিছোঁ বাৰু? নাৰীক প্ৰৱঞ্চনা আৰু লাঞ্ছনা কৰা 'পুৰুষ' দেখোন মযো এজন, মোৰ ল'ৰা 'পুৰুষ'জনতো নহয়।

অলপ পিছত নন্দিতা আহিল, অকলেই। ৰবীন অইন ক'ৰবালৈ গুচি গ'ল বোধহয়। নিশ্চয় ভযতে, মই নন্দিতাৰ লগত এখুন্দা লগোৱাৰ সম্ভাৱনাৰ ভয়তে। মোৰ আগত সি নন্দিতাৰ ফলীযাও হ'ব নোৱাৰে। বেচেৰা। 'অ' খুৰা-খুৰী। আন্ধাৰতে বহি আছে দেখোন, ৰাস্তাৰ পোহৰৰ পৰা অহা বাবে মই প্ৰথমতে ধৰিবই পৰা নাছিলোঁ–'

'নন্দিতা, আমাক খুৰা-খুৰী নুবুলি খোৰা-খুৰী বোলাই ভাল, বেছি এপ্ৰ'প্ৰিয়েট–'

আমাৰ হাঁহিত নন্দিতাই সংকোচেৰে যোগ দিলে যদিও তাই ক'লে– 'খুৰাই যে কি কথাবোৰ কয়।

মই ক'লোঁ– 'নন্দিতা, তুমি আমাক খুৰা-খুৰী, একো বুলি মাতিব নালাগে, মাতিবা– মা, দেউতা। আৰু শুনা, আমাৰ ৰবীন সকলোপিনে বলশালী ডেকা, তাৰ জীৱনৰ আত্মবিশ্বাসৰ শিপা বহু গভীৰলৈ পোতা, কিন্তু সেইবুলি তুমি যেন লতাৰ দৰে তাক মেৰিয়াই নধৰা, নিজৰ শিপাও যেন একে গভীৰলৈ বিয়পাই দিব পাৰা। নাৰী-মুক্তিৰ চাবি-কাঠিও তাতেই। পিছে এইখিনি কথা তোমাক নক'লেও চলিলহেঁতেন, তুমি যে কেতিয়াও লতা নোহোৱা, সেই বিশ্বাস তোমাৰ ওপৰত আছে, কাৰণ তোমাৰ নিজৰ ওপৰত থিয় দি থাকিব পৰা দুখন সবল ভৰি আছে।

আন্ধাৰত মই নন্দিতাৰ মুখখন ভালকৈ দেখা নাছিলোঁ, তথাপি এই বিশ্বাসে মোক তৃপ্তি দিছিল যে তাইৰ মুখখন আনন্দ আৰু আত্মপ্ৰত্যয়ৰ প্ৰভাৱে জ্যোতিষ্মান হৈ উঠিছে। □

মধ্যবৰ্তিনী

বাহিৰত গাড়ী এখন ৰোৱাৰ শব্দ শুনি ৰেখাৰ অন্তৰখন ধ্বক কৰি উঠিল। মিনতিয়েও বোধহয় শব্দটো শুনিছিল, কাৰণ ৰেখাই দেখিলে বৌৱেকে পুনুক কোলাত লৈ ভিতৰৰ পৰা ওলাই আহিছে।

"ৰেখা, ককাইদেৱেৰাহঁত বোধহয় আহিল। চাওঁগৈ আহা।"

"তুমিহে গৃহিণী, তুমিয়ে অতিথিক অভ্যৰ্থনা কৰাগৈ যোৱা। মই বৰং কাঞ্চকে পাকঘৰত অলপ সহায় কৰি দিওঁগৈ।" ৰেখাই অন্তৰৰ কৌতূহল আৰু চাঞ্চল্য গোপন কৰি বাহিৰত ঔদাসীন্যৰ ভাব ফুটাই তুলিবৰ যত্ন কৰি বৌৱেকৰ কথাৰ উত্তৰ দিলে।

মিনতিয়ে অলপ হাঁহিলে– "অতিথিৰ খোৱা-বোৱাৰ তদাৰক কৰাটোহে বোধহয় গৃহিণীৰ প্ৰধান কৰ্তব্য। গতিকে অতিথিৰ প্ৰতি কাৰ মনোযোগ বেছি ভালকৈয়ে বুজা গ'ল দেই ৰেখা" ...হাঁহি হাঁহি মিনতি বাহিৰলৈ ওলাই গ'ল, আৰু ৰেখাই লাজ পাই প্ৰথমে পাকঘৰলৈ নেযাবলৈকে ঠিক কৰি অলপ সময় একে ঠাইতে ৰৈ থাকি আকৌ পিছত পাকঘৰলৈকে লাহে লাহে যাবলৈ ধৰিলে।

ৰেখাৰ ককায়েক অনিল দত্ত বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ। তেওঁৰ অন্তৰংগ বন্ধু বিমল বৰুৱা। অনিল দত্তই অৰ্থনীতিত এম.এ. পাছ কৰি বিশ্ববিদ্যালয়ৰ চাকৰি কৰিছে আৰু বিমলে এম.এ. আৰু ল পাছ কৰি ব্যাৰিষ্টাৰী পঢ়িবলৈ লণ্ডনলৈ গৈছিল। দুমাহমান হ'ল বিমলে পঢ়া শেষ কৰি ঘৰলৈ উভতিছে; এতিয়া বন্ধু অনিলৰ অনুৰোধত তেওঁৰ লগত কিছুদিন কটাই যাবলৈ আহিছে। বিমল বিলাতলৈ যাবৰ সময়ত অনিলে বিয়া কৰোৱা নাছিল। কিন্তু বিমল যোৱাৰ দুমাহ পিছতে তেওঁৰ বিয়াখন হৈ গ'ল অলপ অভাৱনীয়ভাৱেই। মিনতিৰ বিয়ালৈ অনিল দৰাপক্ষৰ মানুহ হিছাপেহে গৈছিল, দৰা হিছাপে নহয়। অনিল আচল দৰাৰ সম্বন্ধীয়া ভায়েক আছিল। পিছত বিয়াৰ থলিত এনে এটা ঘটনা ঘটিল যে তাৰবাবে দৰাই বিয়া কৰাবলৈকে অসম্মত হ'ল। দোষটো অৱশ্যে কইনাৰ দেউতাকৰে আছিল। তথাপি অনিলে ককায়েকক বুজাবৰ চেষ্টা কৰিলে যে তাৰ

যাবে নিৰপৰাধ ছোৱালী এজনীৰ সৰ্বনাশ কৰিব নেপায়। কিন্তু দৰাৰ যুক্তি এয়ে যে এনে বাপেকৰ ছোৱালী কেতিয়াও ভাল হ'ব নোৱাৰে। জানি-শুনি এনে গলগ্ৰহ জীৱনলৈ চপাই ল'ব নোৱাৰি। অগত্যা অনিলে শেষত ঠিক কৰি পেলালে যে সিয়েই ছোৱালীজনী বিয়া কৰাব।

গতিকে এনেকৈ হোৱা বিয়াখনৰ আগতীয়া খবৰ বিমলক দিব নোৱাৰিলে, কিন্তু তাৰ পিছতে সিহঁতৰ যৌথ ফটো পঠিয়াই অনিলে বিয়াৰ সকলো ঘটনা বিৱৰি শেষত বিমললৈ লেখিলে– "বিয়াৰ এমাহ পূৰ হ'ল। মোৰ কইনাজনী দেখিবলৈ কেনেকুৱা তই ফটো চাই গম পাবি। বাকী কথা কেৱল ইয়াকে কওঁ যে– মাজে মাজে সেই ককাইদেউজনৰ প্ৰতি সহানুভূতি উপজি মই মনে মনে কওঁ– 'ককাইদেউ, তুমি হাতৰ লক্ষ্মী ভৰিৰে ঠেলি পঠিয়ালা'।"

বিমল অবিবাহিত। তাৰ মাক-বাপেক নাই। ভাই-ককাই, বাই-ভনী বহুতো। ঘৰৰ ল'ৰাৰ ভিতৰত সিয়ে সৰু। বাকী আটাইকেইজন ককায়েকেই বিয়া কৰাইছে। এতিয়া বিমল বাকী আছে। অনিলে মিনতিক কৈছিল যে বিমলৰ বিয়াৰ ক্ষেত্ৰত বিমলৰ মতটোৱেই প্ৰধান কথা হ'ব। গতিকে ৰেখাক যদি বিমলৰ অপছন্দ নহয়– বিয়াখন হোৱাত কোনো বাধা হ'ব নোৱাৰে।

বিমলক যেতিয়া অনিলে মাতি পঠায় আৰু বিমলো আহিবলৈ আগ্ৰহেৰেই সন্মত হয়, হঠাৎ মিনতিয়ে অনিলক সুধি পেলাইছিল– "বাৰু, আমাৰ ৰেখাৰ লগত তোমাৰ বন্ধুৰ বিয়াৰ বন্দৱস্ত কৰিব নোৱাৰিনে?"

অনিলো উৎসাহিত হৈ উঠিছিল– "ঠিক কথাটোকে ভাবিছা মিনু। মোৰ মনলৈ কিন্তু এইটো ভাব এবাৰো অহা নাছিল। মাইকী মানুহৰ লগত সংসাৰ বুদ্ধিত আমি দেখিছোঁ কোনোমতে ফেৰ মাৰিব নোৱাৰোঁ– অথচ ৰেখা মোৰেই ভনী। বাৰু, বিমলৰ ৰেখাক অপছন্দ নহ'বতো?"

মিনতিয়ে গহীনাই উত্তৰ দিছিল– "ৰেখাৰ দৰে ছোৱালী এজনীক যদি অপছন্দ হয় তেন্তে তোমাৰ বন্ধুৱে অসম দেশত সহজে পছন্দ কৰিবলগীয়া ছোৱালী নেপায় দেই। ৰেখাৰ কোন ফালে নাই কোৱাচোন? দেখাত ইমান ধুনীয়া, পঢ়া-শুনাতো ভাল– অনাৰ্চ লৈ বি.এ. পাছ কৰি এম.এ পঢ়িছে, ঘৰুৱা কাম-কাজ সকলো জানে, স্বভাৱে-চৰিত্ৰই, মাতে-কথাই কোনো দোষ নাই। ছোৱালী এজনীৰ থাকিবলগীয়া সকলো গুণেইতো আছে।" মিনতি খন্তেক ৰ'ল, তাৰপিছত অলপ হাঁহি ক'লে– "ৰেখাৰ আৰু এটা ডাঙৰ গুণ কি জানা? তাইৰ যে তোমাৰ দৰে মানুহ এজনৰ ভনীয়েক হোৱাৰ সৌভাগ্য হৈছে"–

মিনতিক আৰু বেছি ক'বলৈ সুবিধা নিদি অনিলে ওপৰতে কৈ উঠিল– "এৰা, বিমলক কম– বোলো তোৰ নবৌৱেৰাক এইকেইদিন দেখিবি নহয়, আৰু ৰেখাক বেছিভাগ ট্ৰেইনিং নবৌৱেৰাই দিছে– তাৰপিছত চাবা মিনতি, বিমলৰ

আৰু কোনো আপত্তিয়েই নেথাকিব”–

মিনতিয়ে হাঁহি দিলে– “আমি পৰস্পৰক যিদৰে স্তোক-বাক্য শুনাবলৈ ধৰিছোঁ– মানুহে শুনিলে আমাৰ সম্বন্ধটো আন কিবাহে ভাবিব।”

অনিলে গৰ্বেৰে উত্তৰ দিলে– “প্ৰণয়ীৰ? তিনি বছৰৰ বিবাহিত দম্পতীৰ পক্ষে ইয়াতকৈ সৌভাগ্যৰ আৰু সুখৰ কি সম্বন্ধ থাকিব পাৰে মিনতি?”

বিমল সিহঁতৰ লগত কিছুদিন থকাৰ পিছত মিনতিয়েই কথাটো উলিয়াব বুলি দুয়ো ঠিক কৰি থৈছিল। অনিলৰ কাৰণে সেই কামটো দিগদাৰৰ– পাত্ৰী যেতিয়া তাৰ নিজৰ ভনীয়েক আৰু পাত্ৰ অন্তৰংগ বন্ধু।

ৰেখাই কথাটো গম পাই গ'ল– কাৰণ মিনতিয়ে ঠিক স্পষ্টভাৱে নহ'লেও আভাসে-ইংগিতে তাইক জনাই থলে। এনেকি সুবিধা পালে দুই-এবাৰ জোকাবলৈও নেৰিলে। গিৰিয়েকক মিনতিয়ে ক'লে যে এইদৰেই তাই ৰেখাৰ সম্মতি আদায় কৰি লৈছে। কাৰণ যদি হঠাৎ কিবাকৈ ৰেখাই আপত্তি জনায় তেতিয়া হ'লে বিমলক সুধি অপ্ৰস্তুত হ'ব লাগিব। অনিলে কৈছিল– “তুমি অলপ আগতীয়াকৈয়ে ৰেখাৰ মত লৈ পেলালা নেকি মিনু?”

মিনতিয়ে হাঁহিলে– “মোৰ উদ্দেশ্য আৰু গম্ভীৰ। ৰেখাই এতিয়াৰ পৰা বিমলক লৈ সপোন ৰচিব পাৰিলে সিহঁতৰ ভৱিষ্যত যৌথ জীৱনটো খুব মধুৰ হ'ব। আৰু চোৱাচোন, ৰেখাই যে আমি পাতি দিয়া বিয়া এখনতো প্ৰেমৰ আস্বাদ পাব পাৰিব।”

অনিলেও হাঁহিলে– “সঁচায়ে তোমালোক ছোৱালীবোৰ বৰ হিছাপী। কিন্তু মিনু, যদি বিমলৰ আপত্তি থাকে– তেতিয়া?”

মিনতিয়ে দৃঢ়তাৰে উত্তৰ দিলে– “তোমাৰ বন্ধুজনতো মহাদেৱ নহয়। এটা মাহ ৰেখাৰ দৰে ছোৱালী এজনীৰ সাহচৰ্যত থাকিও যে তেওঁৰ কোনো ধৰণৰ দুৰ্বলতা নুপজিব সেইটো মোৰ বিশ্বাস নহয়। অন্ততঃ ৰেখাৰ প্ৰতিতো তেওঁৰ কোনো বিৰাগ নোপজে। আৰু আন ভয়ো নাই– তুমিতো কৈছাই কোনো নীল-নয়নাই হেনো তেওঁৰ হৃদয় জয় কৰা নাই। বিলাতলৈ যোৱাৰ আগতেও বোলে কোনো ছোৱালীৰ লগতো কোনো ঘনিষ্ঠতা নাছিল– তেন্তে?” এইবাৰ অনিলে আৰু একো উত্তৰ দিয়া নাছিল। উত্তৰ দিবলৈ নাছিলোঁ।

পুনুক কোলাত লৈ মিনতি ক্ষিপ্ৰ গতিৰে আগফালে ওলাই গ'ল।

ইতিমধ্যে অনিলহঁত মটৰৰ পৰা নামিছে। মিনতিয়ে দেখিলে, অনিলৰ পিছে পিছে হাতত এটাচি এটা লৈ বিমল আহিব ধৰিছে। মিনতিয়ে আগ্ৰহ আৰু আৱাহনৰ দৃষ্টি চকুত ফুটাই বিমললৈ চালে। আগতে তাই গিৰিয়েকৰ এই বন্ধুজনক দেখা নাই। এনেকি ফটোতো। অনিলৰ লগত বিমলৰ কোনো ফটো নাছিল। এতিয়া মিনতিয়ে দেখিলে তাই ভবাতকৈ অলপ বেছি ওখ বিমল, গাৰ

বৰণটো অনিলৰ দৰেই হ'ব– অৰ্থাৎ বেছি বগাও নহয়, অথচ ক'লাও একেবাৰে বুলিব নোৱাৰি। চুলি বোধহয় কিছু সৰিছে, কাৰণ ঠিক তপা নহ'লেও গিৰিয়েকৰ তুলনাত বিমলৰ চুলি খুব পাতল যেন দেখি। চকু, মুখ, নাক নিয়মীয়া, অৰ্থাৎ বিশেষ ধুনীয়াও নহয়, আকৌ বেয়াও বুলিব নোৱাৰি। কিন্তু সমগ্ৰ মানুহজনক পুংখানুপুংখভাৱে বিচাৰ নকৰি এনেয়ে চালে– দেখি ভালেই লাগিব, বিশেষকৈ মিনতিয়ে মন কৰিলে, বিমলৰ মুখখনত এনে এটা নম্ৰ, বিনয়ী, শান্ত-সৌম্য ভাব ফুটি উঠিছে যে দেখিলে এনে লাগে এই মানুহজনে যেন জীৱনত কোনো বেয়া কাম কৰিব নোৱাৰিব কেতিয়াও।

বিমলে নিখুঁত চাহাবী পোছাকেৰেই সজ্জিত হৈ আহিছিল। অৱশ্যে ট্ৰেইনৰ দীঘলীয়া যাত্ৰাই কাপোৰ-কানিৰ পাৰিপাট্য যে বহুতখিনি নষ্ট কৰি পেলাইছে দেখিলেই বুজিব পাৰি।

সেইফালে চাই মিনতিয়ে মনতে ৰেখাক বিমলৰ ওচৰত থিয় কৰাই চালে... ৰেখাক অলপ বেছি চাপৰ দেখিব।

ঘৈণীয়েকক দেখি অনিলে হাঁহি মাৰি ক'লে– "মিনু, এওঁ বিমল। আৰু বিমল, এওঁ যে মোৰ সহধৰ্মিণী শ্ৰীমতী মিনতি দেৱী, তোক নক'লেও হ'ব নিশ্চয়।"

বিমলে উত্তৰত মধুৰভাৱে হাঁহি এটা মাৰি কেৱল ক'লে– "নমস্কাৰ নবৌ", তাৰপিছত সি পুনুলৈ চাই ক'লে– "তোমাৰ নাম কি মাজনী?"

জীয়েকৰ হৈ মাকেই উত্তৰ দিলে– "এইক আমি পুনু বুলি মাতোঁ। ভাল নাম পছন্দ নোহোৱাৰ কাৰণে এতিয়াও দিব পৰা নাই।" মিনতিয়ে অলপ হাঁহিলে– "আপোনাকে বাৰু পিছত সেইটো ভাৰ দিম। এতিয়া আৰু ইয়াত বাহিৰৰ কোঠাত বহিব নেলাগে দেই। আপোনাৰ ৰুম ঠিক কৰি থোৱাই আছে। ভোক-ভাগৰ লাগিছে নিশ্চয় খুবেই। খন্তেক পৰ জিৰাই গা ধোৱক। ভাত হৈয়ে আছে। অ' চাহ যে খাব পাৰে সেইটো মই সোধাই নাই–"

বিমলে বাধা দি ক'লে– "ওঁহো, চাহ আৰু নেখাওঁ নবৌ, পুৱাৰ পৰা তিনিবাৰ মান চাহেই খালোঁ। গা ধুই একেবাৰে ভাতেই খাম।" তাৰপিছত অলপ হাঁহি বিমলে ক'লে– অৱশ্যে চাহ অলপ মই বেছিয়েই খাওঁ। আপোনালোকৰ লগত থকা কেইদিন এইটো বিষয়ত আপোনাক অলপ আমনি কৰিম দেই।"

মিনতিয়েও হাঁহি মাৰি ক'লে– "সেই আমনি মই অকলে নসহিলেও হ'ব বোধহয়। ৰেখা আছে নহয়, ৰেখাই খুব ভাল চাহ কৰে, আৰু চাহ কৰাত তেওঁৰ অলপো ক্লান্তি নাই।"

কথা পাতি আটাইবোৰ বিমললৈ ঠিক কৰি থোৱা ৰুমটোত ইতিমধ্যে সোমাইছিলহি। মিনতিয়ে মন কৰিলে, বিমলে যেন তাত সোমায়ে মুগ্ধ চকুযোৰৰ

দৃষ্টি এবাৰ চাৰিওফালে বুলাই আনিলে। অকল সেয়ে নহয়- সি মিনতিৰ কথাৰ মাজতেই কৈয়ো পেলালে, "মোৰ ৰুমটো আপুনিতো খুব ধুনীয়াকৈ সজাই ৰাখিছে?"

"মই সজোৱা নাই- ৰেখাইহে সজাইছে। অ' মই কেৱল ৰেখা ৰেখাকৈহে আছোঁ, তেওঁকো মাতি আনি আপোনাৰ লগত যে চিনাকি কৰি দিব লাগে, সেইটো মোৰ ভাবেই হোৱা নাই। ৰ'ব, মই মাতি আনোঁগৈ, তেওঁ পাকঘৰৰ কামত লাগি আছে। আপুনি বহক দেই-।" মিনতি ভিতৰলৈ সোমাই গ'ল।

অনিলে এইবাৰ ক'লে- "ৰেখাই সকলো ট্ৰেইনিং পিছে মিনতিৰ পৰাই পোৱা। মিনতি মেট্ৰিক পাছ কৰাৰ পিছত শান্তিনিকেতনত পঢ়িছিল নহয়, আৰ্টিষ্টিক টেলেণ্ট থাকক বা নেথাকক, তাত পঢ়ি অহা সকলোৰে অলপ নহয় অলপ আৰ্টিষ্টিক টেষ্ট গঢ়ি উঠেই, অৱশ্যে মিনতিৰ গান-বাজনাত বাপ আছিল বুলিয়েই তালৈ গৈছিল।" হয়তো সিহঁতে ৰেখা বিমলক লৈ আগতে কৰি থোৱা আশাটো ফলৱতী কৰাৰ চেষ্টাত মিনতিয়ে বৰ আগতেই বিমলৰ আগত ৰেখা ৰেখাকৈ অলপ সীমা চেৰাইছে, এই ভাবিয়ে, অথবা, য'ত বেছিভাগ কৃতিত্ব মিনতিৰে, তাত ৰেখাই এইদৰে সমস্ত প্ৰশংসা পোৱাটোত অসহ্য লাগি অনিলে বিমলক এইখিনি নকৈ নোৱাৰিলে।

বিমলৰ বিছনাৰ মূৰৰ ফালে এখন সৰু টিপয়, খুব সুন্দৰ এমব্ৰোইডাৰী কৰা ঢাকনি এখন তাত পাৰি থোৱা, এখন বেতৰ চকী, বিমলে তাতে বহি জোতাৰ ফিতা খুলি খুলি অনিলৰ লগত কথা পাতি আছিল। অনিল ক'তো বহা নাছিল, কাৰণ তেতিয়া তাৰ কোলাত পুনু, পুনুৱে কাৰো বহা কোলা সহ্য নকৰে, গতিকে তাইক কোলাত লৈ অনিল ৰুমটোৰ ভিতৰতে ঘূৰি ফুৰিছিল।

তেনেতে দৰ্জাৰ পৰ্দাখন আঁতৰাই মিনতি সোমাল আৰু পৰ্দাখন দাঙিয়ে ভিতৰলৈ চাই ক্ষন্তেকপৰ তাতেই বৈ থাকিল, আৰু মিনতিৰ দৃষ্টি অনুসৰণ কৰি বিমলেও মূৰ তুলি সেইফালে চাই দেখিলে, হাতত সৰু ট্ৰে এখন লৈ লাহে লাহে ছোৱালী এজনী সোমাই আহিছে।

মিনতিয়ে বিমললৈ চাই কৈফিয়ৎ দিয়াৰ সুৰত ক'লে- "মই পাকঘৰলৈ গৈ দেখিলোঁ, ৰেখাই চাহ কৰিলেই। আধা কাপমান খাওঁক, ভাত খাওঁতে খাওঁতে অন্ততঃ আৰু এঘণ্টা-আধাঘণ্টা। ৰেখা, এই টিপয়খনতে থোৱা না, থিয় হৈ ৰ'লা কিয়? তুমিও বোধহয় আগতে এখেতক দেখা নাছিলা নহয়?"

এই কথাৰ উত্তৰ অনিলেই দিলে- "নাই, বিমলেনো কেনেকৈ দেখিব, মই সৰুৰে পৰা হোষ্টেলত থাকি পঢ়োঁতেই গৈছে। আমাৰ তিতাবৰৰ ঘৰলৈ বিমল কেতিয়াও যোৱা নাই।"

চাহ কাপ বিনা বাক্যব্যয়ে হাতত তুলি লৈ বিমলে ভদ্ৰতা কৰি ক'লে-

"নেদেখিলেও এখেতৰ কথা মই জানো! ইয়াত থাকি পঢ়াৰ কথাটো অনিলে এবাৰ মোলৈ চিঠিত লেখিছিল।" তাৰপিছত সি ক'লে– "আপোনালোক দেখোন থিয় হৈ ৰ'ল–" বিমল ব্যস্তভাৱে বহাৰ পৰা উঠিব খুজিছিল, মিনতিয়ে সহজ হাঁহিৰে বাধা দি ক'লে– "আপুনি এতিয়া সেইখিনি ভদ্ৰতা কৰিব নেলাগে বাৰু, আমি ভাত-পানী দিযাৰ দিহা কৰোঁগৈ। আপুনি গা-পা ধোৱক। ৰেখা, এখেতৰ গামোচা আদি বাথৰুমত দিছানে?"

হাতত ট্ৰেখন লৈ খুব অস্বস্তিৰ ভংগীৰে থিয় হৈ আছিল ৰেখা, তাই যে বৌৱেকৰ দৰে সহজ হ'ব পৰা নাই সেই কাৰণে নিজকে নিজে খং কৰি আছিল, এতিয়া কোনোমতে উত্তৰ দিলে– "ওঁ, অথনিয়ে দি থৈছোঁ।"

"বাৰু, আপুনি তেন্তে গা ধোৱক দেই।–" মিনতিয়ে পুনুক কোলাত ল'লে আৰু গিৰিয়েকক ক'লে– "তুমি পিছে এই সময়ত চাহ নেখালেই ভাল আছিল– বেছি চাহ যেতিয়া তোমাৰ সহ্য নহয়," তাৰপিছত তাই ভিতৰ ফালে খোজ লৈ ৰেখাক ক'লে– "ৰেখা, তুমি কাপ-প্লেট দুযোৰ লৈ আহিবা দেই–"

পৰ্দাৰ আঁৰত মিনতি অদৃশ্য হ'ল। ৰেখাক যে কৌশল কৰিয়ে তাত তেনেকৈ এৰি গ'ল বৌৱেকে, সেইটো বুজি ৰেখাৰ মিনতিৰ ওপৰত খং উঠিব খুজিছিল, কিন্তু কি আচৰিত, তাইৰ এই খং জানো অকৃত্ৰিম?

লগে লগেই যেন মিনতিক কিবা এটা অতি দৰ্কাৰী কথা ক'বলৈ মনত পৰিল– তেনেকৈ অতি ব্যস্তভাৱে অনিলেও "মিনু, মিনতি" বুলি চিঞৰি পৰ্দা ঠেলি ভিতৰলৈ সোমাই গ'ল। ৰেখা হতবাক হোৱাৰ দৰে হ'ল; মনতে তাই ককায়েকক ক'লে– "You too, Brutus!"

"আপোনাৰ কি চাবজেক্ট?"

অলপ অন্যমনস্ক হৈ পৰিছিল ৰেখা, হঠাৎ যেন এতিয়া উচাপ খাই উঠিল,

"ফিল'ছফি" –ৰেখাই লাজ-নম্ৰ ভংগীৰে উত্তৰ দিলে। তাৰপিছত খাই শেষ হোৱা কাপ-প্লেটযোৰ তাই লাহে লাহে টিপয়খনত তুলিলে। সেই কামটো কৰোঁতে তাই বিমলৰ ইমান ওচৰ চাপিব লগা হ'ল যে তাইৰ হাত দুখন কঁপি গ'ল, বুকুৰ স্পন্দনতো দ্ৰুত হৈছিলেই।

ককায়েকে নিজৰ কাপ-প্লেট নিজেই ভিতৰলৈ লৈ গৈছিল। এতিয়া তাই আগবাঢ়ি গৈ বিমলক ক'লে– "আপুনি গা ধোৱক। ভাত ঠাণ্ডা হ'ব।"

পৰ্দাৰ সিপাৰে গৈ ৰেখাই নিজকে মাথো ক'লে– 'ধেৎ'–। আচলতে তাইৰ এই অভাৱনীয় দুৰ্বলতাত তাই লাজ পাইছিল, বিৰক্ত হৈছিল। প্ৰায় অচিনাকি মানুহ এজন, নবৌৱেকে যেনিবা জোকালেই, কিবা সম্বন্ধ এটা হ'ব পাৰে বুলি যেনিবা ভাবিলেই, সেই বুলিয়ে তাই সেই মানুহজনৰ প্ৰতি এনে দুৰ্বল হৈ যাব পায়নে? এইটো কি ৰহস্য বাৰু? কিন্তু এটা কথা হ'লে স্বীকাৰ নকৰি নোৱাৰে–

এই বিমল বৰুৱা বোলা মানুহজনৰ চেহেৰাটো যদিও একো অসাধাৰণ নহয়, দেখি কিন্তু ভাল লাগি যায়, কিবা এটা বৰ ভাল লাগি যায়।

পাকঘৰৰ ফালে আগবাঢ়ি গৈ গৈ ৰেখাই হঠাৎ অনুভৱ কৰিলে– তাইৰ এতিয়া ক্ষন্তেকপৰ অকলে থাকিবৰ মন গৈছে, নিৰ্জনতাৰ মাজত কিছুপৰ অকল নিজকে পাবৰ মন গৈছে– কিন্তু তেনে কিবা এটা কৰিব গ'লেই মিনতিৰ ঠাট্টা-তামাছাত তাই জানো তাৰপিছত শান্তিৰে ৰ'ব পাৰিব?

পাকঘৰত তেনে কোনো কাম নাছিল ৰেখাৰ, তাইক দেখি মিনতিয়ে ক'লে– খন্তেকপৰ তাই পুনুক ৰাখিব পাৰিলে ভাল হয়, ইতিমধ্যে মিনতিয়ে ভাত বাঢ়ে। ৰেখাই ভালেই পালে, পুনুক লৈ তাই আগফালৰ ছায়াময় বাগানৰ চুক এটাত আশ্ৰয় ল'লেগৈ। মিনতিৰ খুব যত্নত গঢ়ি উঠা সিহঁতৰ এই বাগানখন বৰ ধুনীয়া। পুনুক কোলাৰ পৰা ঘাঁহনিত নমাই দি ৰেখাও ওচৰতে বহি পৰিল। তাইৰ নিচেই কাষতে ফুল এজোপা ৰমক-জমককৈ ফুলি আছিল। ৰেখাই ফুল ভাল পায, অৱশ্যে মিনতিৰ দৰে ইমান বেছিকৈ নহয, কিন্তু আজি তাই খুব আলফুলকৈ ফুলবোৰ ছুলে, তাইৰ প্ৰতিটো আঙুলিযে যেন সিহঁতক গভীৰ স্নেহস্পৰ্শ দিয়ে, আৰু তাৰপিছত তাই খুব অনুচ্চ সুৰত মুখৰ ভিতৰতে গুণগুণালে– "ফুলেৰ বনে যাৰ পাশে যাই তাৰেই লাগে ভালো" –ঠিক গাব নেজানে ৰেখাই, গুণগুণাওঁতেই যায, এতিয়া বেছিকৈ মিনতিৰ মুখত শুনি শুনি ৰবীন্দ্ৰ সংগীতৰ লাইনবোৰে মুখলৈ আহি যায়। হঠাৎ আজি ভাব হ'ল ৰেখাৰ– তাই যদি নবৌৱেকৰ দৰে ইমান ভাল গান গাব পাৰিলেহেঁতেন– বাৰু, বিমলে গান-টান ভাল পায়নে নেপায়?....

"বাইদেউ, ভিতৰলৈ মাতিছে।"

কাঞ্চাৰ মাতত ৰেখা উচাপ খাই উঠিল। কিমান সময় যে তাই আপোন পাহৰা হৈ বহি আছিল গমকে নাছিল– এতিয়া সচকিত হৈ দেখিলে কাঞ্চা ওচৰতে বৈ আছে আৰু পুনু গৈ বাগানৰ সিমূৰ পাই কিবা গছ ফুল ছিঙি আছে। সৰ্বনাশ, আজি এই নবৌৰ বাগান ধ্বংস কৰিলে বোধহয়। ৰেখা গৈ একেলৰে পুনুৰ ওচৰ পালেগৈ। পিছে নাই, বেচেৰী পুনুৱে খুব নিৰীহভাৱে ঘাঁহ কিছুমানহে ছিঙি আছে। ৰেখাই তাইক কোলাত তুলি লৈ চুমা এটা খাই ক'লে– "আমাৰ পুনুমণিজনী বৰ ভাল ছোৱালী!"

কাঞ্চাৰ নিৰ্দেশমতে একেবাৰে খোৱা কোঠা পাই ৰেখাই দেখিলে– মেজত চাৰিওজনৰ খোৱাৰ ব্যৱস্থা কৰা হৈছে। দুখন চকীত ককায়েক আৰু বিমল বহিছিল, তাইক সোমোৱা দেখি বিমলে এবাৰ মূৰ তুলি চালে; তাৰ ওঁঠত যেন ভদ্ৰতাসূচক পাতল হাঁহি এটাও খেলি গ'ল। কথা ক'লে ককায়েকে– "বহ ৰেখা, বৌৱেৰে কৈছিল তহঁত দুয়ো পিছত খাবি, পিছে বিলাতত থাকি অহাৰ

ফলত বিমলে সেইটো সহ্য নকৰে, গতিকে ভালকৈ পৰিবেশন কৰাৰ অভাৱত মোৰ, আৰু লাজ-সংকোচত তোৰ, আমি এই দুই ভাই-ভনীৰ খোৱা মাটি হ'লেও উপায় নাই।"

সকলোৱে হাঁহিলে; হাতত কিবা এটা পাত্ৰ লৈ মিনতি আৰু পিছে পিছে কাঞ্চা সোমাইছিল– সিয়ো হাঁহিত যোগ দিলে। কাঞ্চা সিহঁতৰ লগত বহুত দিন আছে, গতিকে সি প্ৰায় ঘৰুৱা ল'ৰাই হৈ পৰিছিল।

খোৱাৰ লগে লগে ইটো-সিটো কথা-বতৰা চলিল। বেছিভাগ বিলাতৰে কথা, তাৰ জীৱন-প্ৰণালী, আচাৰ-ব্যৱহাৰ, মানুহ-দুনুহৰ কথা। কথা-বতৰা নকৈ তাক প্ৰশ্ন আৰু উত্তৰ নামেৰে অভিহিত কৰাই ভাল। প্ৰশ্ন কৰা হয় বিমলক, আৰু সেই প্ৰশ্ন আহে হয় অনিল নহয় মিনতিৰ ফালৰ পৰা। ৰেখাই কিবা সুধিবলৈ দুই-তিনিবাৰো চেষ্টা কৰিলে, কিন্তু মনৰ সেই প্ৰশ্ন বাঙ্ময় হৈ এবাৰো তাইৰ ওঁঠত ফুটি নুঠিল। নিজৰ ওপৰত আৰু এবাৰ বিৰক্ত হৈ তাই নীৰৱে তলমূৰকৈ খাই গ'ল, মাজে মাজে কথাৰ মাজত বৌৱেকহঁতে হাঁহিলে তায়ো মিচিকিয়াই হাঁহে, আৰু বিলাতৰ নানা বিষয়ৰ বৰ্ণনাৰত বিমলৰ মুখৰ্লৈ কথাবোৰ মনোযোগ দি শুনাৰ ভংগীত মূৰ তুলি চায়। কিন্তু কি অস্বস্তি!

ভাত খাই উঠি মুখ-হাত ধুই গামোচাত মুখ মচি মচি বিমলে কাঞ্চালৈ চাই ক'লে– "কাঞ্চাতো বৰ ভাল ৰান্ধনি–"

মিনতিয়ে হাঁহি দিলে– তাৰপিছত ৰেখালৈ চাই ক'লে– "ৰেখা, পুৱাৰে পৰা তুমি জুইৰ শুৰিত মিছায়ে কষ্ট খাই মৰিলা"–

মুহূৰ্ততে বিমল অপ্ৰস্তুত হৈ পৰিল, সি ক্ষমাৰ ভংগীত ৰেখালৈ চাই ক'লে– "মোৰেই ভুল, চাৰ্ভেণ্ট জাতীয় লোকৰ দ্বাৰা যে ইমান সুন্দৰ ৰন্ধা-বঢা সম্ভৱ নহয় মই জানিবই লাগিছিল"–

ৰেখা অলপ ৰঙা পৰি উঠিল, বিমলৰ আগত তাইৰ গুণৰ তালিকা দাঙি ধৰিবলৈ গৈ বৌৱেকে জানো অলপ মিছাৰ আশ্ৰয় লোৱা নাই? কিছু কিছু তাই ৰান্ধিছে সঁচা, কিন্তু অলপ দেখোন মিনতিয়েও ৰান্ধিছে।

"নবৌ তোমাৰ কৃতিত্ব মোৰ গাত জাপি দিলা কিয়? মই তোমাক সামান্য সাহায্যহে দিছিলোঁ" –ৰেখাই প্ৰতিবাদ নকৰি নোৱাৰিলে।

ইয়াৰ উত্তৰত মিনতিয়ে কেৱল হাঁহি এটা মাৰি বিমললৈ চাই সুধিলে– "মোৰ আগবেলাটো যায় পুনুক ধুৱাওঁতে-ধুৱাওঁতে, আলপৈচান ধৰোঁতে, আপুনিয়ে বাৰু কওঁকচোন তাৰপিছত ভাতৰ চৰুলৈ যাবলৈ মোৰ ক'ৰ পৰা আজৰি ওলায়?"

মেজৰ ওপৰত থকা বটাৰ পৰা ভজা মছলা অলপ হাতত তুলি লৈ বিমলে ক'লে– "প্ৰত্যেকেই যেতিয়া বিনয়ৰ পৰাকাষ্ঠা দেখুৱাই কৃতিত্ব ল'বলৈ অস্বীকাৰ

কৰিলে, তাৰপিছত মোৰ আৰু কাকো ধন্যবাদ জনোৱাৰে উপায় নাই দেখিছোঁ। এতেকে কাঞ্চা, পৰিবেশনৰ বাবে তোমাকে ধন্যবাদ জনালোঁ দেই!"

ইয়াৰ পিছত প্ৰত্যেকেই নিজৰ নিজৰ কোঠালিলৈ জিৰাবলৈ গ'ল। এইবাৰ ৰেখাই ইমান পৰৰ মূৰত সম্পূৰ্ণ নিজকে পালে। তাই কোঠালিত সোমাই দুৱাৰখন বন্ধ কৰি দিলে, খিৰিকীৰ দীঘলীয়া, পাতল নীলা ৰঙৰ পৰ্দাবোৰ টানি টানি দি প্ৰত্যেকখন খিৰিকীও বন্ধ কৰি দিলে, যাতে অনাহুত বতাহৰ উপদ্ৰৱে পৰ্দা কঁপাই কঁপাই অসহ্য লগা পোহৰৰ এটা কণিকাও ভিতৰলৈ সোমাব দিব নোৱাৰে।

মুহূৰ্ততে কোঠাটো নীলা এন্ধাৰেৰে ভৰি গ'ল। ৰেখাই লগে লগেই বিছনাত উবুৰি হৈ বাগৰি দিলে আৰু কোমল গাৰুটো বুকুত সাবটি ধৰি অস্ফুট মাতেৰে গুণগুণাই উঠিল– "হৃদয় আজিকে কেমনে গেলো খুলি!" হঠাতে তাই হাঁহি দিলে আৰু সেই হাঁহি কোনোবাই শুনিছে বুলি ত্ৰস্ত হৈ তৎক্ষণাৎ মুখখন গাৰুত গুজি দি নিজকে নিজে ক'লে– "নবৌৰ লগত পৰি মই দেখিছোঁ বৰ ৰবীন্দ্ৰনাথৰ ভক্ত হৈ পৰিলোঁ!"

বহুত সময় পাৰ হৈ গ'ল।

হঠাৎ ৰেখাই সাৰ পালে। প্ৰথমে তাই একো বুজিব পৰা নাছিল, এতিয়া ৰাতি নে দিন তাকো তাই ঠিক ভাবি নেপালে। কিন্তু এক মুহূৰ্ত মাত্ৰ, লগে লগে তাই বিছনাৰ পৰা একৰকম জাঁপ মাৰি মাটিত থিয় দিলে। ইস্– দুপৰীয়া ভাত খাই জিৰোৱাৰ নামত তাই বোধহয় গোটেই দিনটোৱে শুলে– ছিঃ ছিঃ –নবৌহঁতে বা কি কৰিছে, চাহ-টাহেই বোধহয় হ'ল, নবৌৱেনো মোক এবাৰ মাতিবও নেপায়নে, ছিঃ –বিমল যে আহিছে আজি– এতিয়া বা কি কৰিছে। নিজৰ ওচৰতে ৰেখাৰ লাজ লাগি গ'ল আৰু এটা কথাত, তাই যে অতপৰে টোপনিত বিমলক লৈ কিবোৰ নেদেখিলে– ধেৎ–

ক্ষিপ্ৰ গতিৰে ৰেখাই দুৱাৰ খুলি বাহিৰলৈ ওলাই আহিল।

বাহিৰৰ ৰ'দ শেঁতা। তিনিটা বাজি গ'ল বোধহয়। ইফালে সিফালে চালে ৰেখাই। ক'তো কাৰো সাৰ-সুৰ নাই। পাকঘৰত উকি মাৰিলে, কাঞ্চা নাই, কিন্তু চৌকাত জুই ধৰাৰ চিন আছে। ৰেখা লাহে লাহে গৈ নবৌৱেকৰ কোঠাত ভুমুকি মাৰিলে, তাতো কোনো নাই। এইবাৰ তাই নিঃশব্দ পদেৰে বিমলৰ কোঠালিৰ ওচৰলৈ গ'ল আৰু পৰ্দাৰ ইফালে যথেষ্ট দূৰৈত থিয় হ'ল। এৰা, আটাইবোৰ ইয়াতে আছে, বোধহয় চাহ খাইছে। তাই বিমলৰ মাত আৰু নবৌৱেকৰ হাঁহি শুনিলে। তেতিয়া আকৌ এবাৰ অপ্ৰস্তুত হ'ল ৰেখা– নবৌ চাগে কিমান আগতে উঠিলে, চাহো কৰিলে, কাঞ্চাই বোধহয় পুনুক উলিয়াই লৈ গ'ল।

ৰেখা উভতি আহিল। ঘড়ীটো চালে। তিনিটা বাজি পঁচিছ মিনিট। উস্– কি

যে মৰ টোপনিয়ে পালে।

বাথৰুমত সোমাই চকু-মুখত জোৰে জোৰে পানী ছটিয়াই ৰেখাই অনুভৱ কৰিলে যে তাইৰ এতিয়া খুব বিমলৰ কোঠালিলৈ যাবৰ মন গৈছে- কিন্তু তাই তাত সোমোৱাৰ লগে লগেতো নবৌৱে সুধিব- কেঁচা টোপনিৰ পৰা উঠিলা? তাৰপিছত তাই বিমলৰ আগত কেনেকৈ সহজ হ'ব?

ভাল লগা নাই মোৰ, একো ভাল লগা নাই। বিৰস মনেৰে ৰেখাই ড্ৰেছিং আইনাৰ সমুখত থিয় হৈ আউল-বাউল চুলিবোৰ ঠিক কৰিবলৈ ধৰিলে। তাইৰ চুলিবোৰ দীঘল, বেছ দীঘল, কিন্তু চুলিবোৰ দীঘল নহৈ মানুহজনী যদি আৰু অলপ দীঘল হ'লহেঁতেন। এই ভাবটো অহাৰ লগে লগে ৰেখা আকৌ এবাৰ ৰঙা পৰি উঠিল। তাই কিয় বেছি ওখ নহয় এই ভাবটোতো তাইৰ মনলৈ কোনোদিন অহা নাছিল।

আয়নাত ছাঁ পৰিল। নবৌ। ৰেখাই লগে লগেই ঘূৰি অভিযোগ কৰিলে- "মই যে ইমান সময় শুলোঁ মোকনো জগাই দিব নোৱাৰিলানে?"

নবৌৱেকে হাঁহিলে,- "মই ইচ্ছা কৰিয়েই নজগালোঁ। দিনত বেছিপৰ শুলে চেহেৰাটো বৰ ধুনীয়া হয়।"

ৰেখাই একো নেমাতি খুব গহীন হৈ তাৰ পৰা ওলাই যাব খুজিলে, মিনতিয়ে আকৌ হাঁহি বাধা দি ক'লে- "ৰ'বা ৰেখা, খং কৰি কʼলৈ যোৱা? একাপ চাহ নোখোৱা জানো?"

"পানী এগিলাচ খাই দিলোঁ- চাহ আৰু নেখাওঁ" - গহীনাই উত্তৰ দি ৰেখা আকৌ যাবলৈ ওলাল।

"তেন্তে এটা কাম কৰা না ৰেখা, কাঞ্চাই বোধহয় পুনুক আগফালৰ বাৰাণ্ডাত ৰাখি আছে, তাইক তুমি ৰাখি তাক পাকঘৰলৈ পঠাই দিয়াগৈ- তাৰ লগত মই আবেলিৰ চাহ-জলপান কৰোঁ।"

একো নেমাতি ৰেখা আগফাললৈ ওলাই গ'ল। তাইৰ খং উঠিছে, কিন্তু সেই খঙতো নবৌৱেকৰ ওপৰত নহয়, নিজৰ ওপৰতহে।

বাৰাণ্ডা পাই ৰেখাই দেখিলে পুনুৰ লগত বিমলে কিবা ধেমালি কৰি আছে, আৰু কাঞ্চাই ওচৰতে থিয় হৈ বৈ আছে।

ৰেখাৰ বুকুখন সামান্য কঁপি উঠিল। হঠাৎ তাইৰ অন্তৰখন নবৌৱেকৰ প্ৰতি কৃতজ্ঞতাৰে পৰিপূৰ্ণ হৈ গ'ল। তথাপি এই ষড়যন্ত্ৰৰ বিষয়ে অলপো প্ৰস্তুত নাছিল কাৰণে তাই বাৰাণ্ডাত ওলায়ে কিছুপৰ কিংকৰ্তব্যবিমূঢ়ৰ নিচিনা হ'ল... কাঞ্চকতো ভিতৰলৈ পঠাব লাগে।

তাইক দেখি বিমলে অলপ হাঁহিলে, পুনুৱে পেহী বুলি হাত দুখন মেলি দিলে।

"কাঞ্চা, নবৌৱে তোক ভিতৰলৈ মাতিছে" -এইবাৰ ৰেখাই মাত লগালে।

তাৰপিছত তাই পুনুৰ ওচৰলৈ আগবাঢ়ি গৈ তাইক কোলাত তুলি বিমললৈ চাই লাজুক হাঁহি এটা মাৰি সুধিলে– "কাঞ্চাই পুনুক আপোনাক গতাই নিজে বোধহয় আৰাম কৰিছিল–"

বিমলেও হাঁহিলে– "নহয়, ময়েই কাঞ্চাক মাতি পুনুৰ লগত ধেমালি কৰিছিলোঁ। পিছে পুনু, পেহীক পাই তুমি আৰু মোৰ লগত নেখেলা নেকি?"

পুনুৱে ক'লে– "খেলিম। মোৰ লগত তুমি খেলিবা, পেহী খেলিবা।"

ৰেখাই অনুভৱ কৰিলে– এই অকণমান ছোৱালীজনীৰ অতি সাধাৰণ কথা এটায়ো তাইৰ কাণ দুখন গৰম কৰি দিলে। অকণি পুনুৱে যেন মাকৰ ষড়যন্ত্র বুজি পাই তাক সফল কৰিবলৈহে চেষ্টা কৰিলে।

অগত্যা খেলা চলিল। খেলা মানে পুনুৰ আদেশ পালন। তাৰ মাজে মাজে ডাঙৰ দুজনৰ মাজত কথা-বতৰাও চলিল। ৰেখা আজি কিয় ক্লাছলৈ নগ'ল, সিহঁতৰ কিমান প্ৰফেছৰ, কোনে কেনে পঢ়ায়, পৰীক্ষা কেতিয়া– এইবোৰ প্ৰশ্ন বিমলে সুধিলে। ৰেখাই যথাযথভাৱে সকলো উত্তৰ দিলে। কিন্তু তাই যে বিমলক কি সুধিব একো ভাবি নেপালে। অথচ তাইৰ মনত জানো প্ৰশ্নৰ অভাৱ? কত কথাই চোন তাইৰ বিমলৰ সম্পৰ্কে জানিবৰ মন যায়, এনেকি বিমলে গৰমৰ দিন ভাল পায় নে ঠাণ্ডাৰ দিন ভাল পায়– এনেধৰণৰ প্ৰশ্নও তাইৰ মনলৈ আহে, এনেধৰণৰ অতি আপাত-তুচ্ছ, অবান্তৰ কথা জানিবলৈকো তাইৰ বিশেষ আগ্ৰহ উপজিছে দেখোন।

কিন্তু ৰেখা প্ৰায় নিৰ্বাক হৈয়ে ৰ'ল। আৰু তাইৰ ভাষাহীন উপায়হীনতাক লৈ তাই কেৱল মনে মনে ক'লে– When the heart is full, words are few— বিমল জানো অন্ধ বা অন্ধ হৈ থাকিব পাৰিব?"

খেলি খেলি বোধহয় পুনুৰ আমনি লাগিল। তাই ক'লে– "পেহী, ভিতৰলৈ যাওঁ। ভোক লাগিছে।"

যেন ইমান সময় পুনু নোখোৱাকৈ বাহিৰত এনেকৈ খেলি থাকিবলগীয়া হোৱাত ৰেখাহে জগৰীয়া– তেনেধৰণৰ অপ্ৰস্তুতৰ ভাব লৈয়ে ৰেখা তৎক্ষণাৎ উঠিল আৰু পুনুক কোলাত তুলি লৈ ক'লে– "ওঁ, ব'ল যাওঁ– তাৰপিছত তাই বিমলৰ ফালে চাই কৈফিয়ৎ দিয়াৰ দৰে ক'লে– "এইৰ ভোক লাগিছে, আমি ভিতৰলৈ যাওঁ দেই।"

মিনতিহঁতৰ ঘৰত কিছুদিন থকাৰ পিছত বিমলো সিহঁতৰ ঘৰৰ মানুহৰ দৰেই হৈ পৰিল। পুনুৱে তাক মাক-দেউতাকৰ নিৰ্দ্দেশক্ৰমে খুৰা বুলি মাতে।

অনিলে মাজে মাজে মিনতিক সোধে– বিমল আৰু ৰেখাৰ কি খবৰ? মিনতিয়ে পাতল হাঁহিৰে উত্তৰ দিয়ে– "জানো, মই একো ধৰিবই পৰা নাই। বিমলে মাজে মাজে ৰেখাক চাহ বিচৰাহে শুনিছোঁ. হৃদয় বিচাৰিছে নে নাই

ধৰিব পৰা নাই। অৱশ্যে ৰেখাই যে তাক নিৰ্বিচাৰকৈয়ে বিমলক অৰ্পণ কৰি থৈছে সেইটো হ'লে গম পাওঁ।"

"তুমি দেখোন কোৱা বিমলে আমি নথকা সময়খিনিত দিনটো তোমাৰ লগত কথা-বতৰা পাতিয়ে কটাই দিয়ে। এই বিষয়ে একো আভাস নিদিয়েনে?"

"তোমাৰো যে কথা!" মিনতিয়ে মৃদু ভৰ্ৎসনাৰ সুৰত উত্তৰ দিয়ে "বিমলেনো মোক কি বুলি কি ক'ব?"

"এৰা", ভাবি ভাবি অনিলে উত্তৰ দিয়ে, "সেইটোওতো ঠিক। সিনো তোমাক কি বুলি ক'ব। যিহওক, আমি এতিয়া বাটিকে চাওঁ আৰু। সি যোৱাৰ আগে আগে এদিন প্ৰস্তাৱটো কৰি চালেই হ'ব।"

"ময়ো তাকেই ভাবি থৈছোঁ। সঁচাই- কেনেবাকৈ যদি এই বিয়াখন নহ'ব লাগে বৰ বেয়া লাগিব দেই। বিমলক মোৰ খুব ভাল লাগিছে- ৰেখায়ো খুব সুখী হ'ব পাৰিব। ইমান ভদ্ৰ, ইমান গহীন ল'ৰাটো! অথচ মানৱীয় সৰু-সুৰা গুণ সকলো আছে। খুব 'কনচিডাৰেট্'। ঘৰৰ মতামানুহজন সহানুভূতিশীল হ'লে মাইকী মানুহৰ বৰ সুখ হয়। এইকেইদিনতে বিমলৰ মই প্ৰমাণ পালোঁ নহয়। কেতিয়াবা তুমি, ৰেখা 'ভাৰ্চিটিত থকা অৱস্থাত পুনুক লৈ মোৰ খুব দিগদাৰ হয়, বিমলে যে কেনেকৈ গম পায়, নিজে নিজে আহি মোক সহায় কৰেহি, কাঞ্চা বজাৰত যোৱা সময়ত মই পাকঘৰত থকা সময়তো সদায় পুনুক লৈ পাকঘৰতে মোৰ ওচৰত বহি ইটো-সিটো কৰি দিবহি। এইটো তেওঁৰ নিত্য-নৈমিত্তিক অভ্যাসত পৰিণত হৈছে। ৰেখা বাৰে বাৰে ফিৰি যাব লগা হয়- বিমলে পঠাই দিয়ে- পঢ়া ক্ষতি কৰি পাকঘৰৰ কাম কৰিব নেলাগে বুলি।"

অনিলে হাঁহিলে- "অ' বিমল দেখিছোঁ গভীৰ পানীৰ মাছ! সি তেন্তে তোমাক সহায় কৰাৰ নামত ৰেখাকহে সহায় কৰে। জানোচা তোমাক কাম-বন কৰি মেলি দি থাকোঁতে ৰেখাৰ পঢ়াৰ ক্ষতি হয় সেই ভাবিয়ে তোমাক সহানুভূতি দেখুৱায়! নাই মিনু, আৰু কোনো ভয় নাই। তুমি এতিয়া নন্দেৰাৰ বিয়াৰ যোগাৰত লাগি যোৱা।"

মিনতিয়ে হাঁহি মাৰি ক'লে- "এৰা, এনে লক্ষণতো মই আগতেও আৰু দুই চাৰিটা দেখিছোঁ- মোৰ বাৰু কিয় ইমানদিনে সেইফালে ভাব যোৱা নাই? সিদিনা গধূলি তোমালোকৰ ইউনিভাৰ্চিটিৰ মিটিঙখনলৈ বিমলকো যে লৈ গৈছিলা মনত আছে নহয়, বিমলে যে তোমাক এৰি অকলেই সোনকালে গুচি আহিল? সেইদিনা গধূলি যে কি সুন্দৰ জোনাক আছিল, তোমালোকে লাইটৰ উজ্জ্বল পোহৰত মিটিং কৰি নিশ্চয় একোৱেই গম নেপালা। গধূলি তোমালোক যোৱাৰ পিছত মই আৰু ৰেখাই বাগানত বহিছিলোঁগৈ। ফাগুন মাহৰ জোনাক ৰাতিৰ নিচিনা

মাদকতা সনা জোনাক আৰু কেতিয়াও নহয়। অৰোমাণ্টিক সকলো ৰোমাণ্টিক হৈ পৰে। মই ৰেখাক সামান্য দুই-এটা কথা কৈ জোকাই আছিলোঁ। হঠাৎ দেখিলোঁ– বিমলৰ আৱির্ভাব। আমি কিবা সোধাৰ আগতে নিজেই ক'লে যে মিটিঙখন অলপো ভাল নলগা বাবে গুচি আহিল। তাৰপিছত মোক ক'লে– ৰবীন্দ্র সংগীত এটা শুনাব লাগে। মই অৱশ্যে বুজিলোঁ– বেচেৰাই আচলতে কাৰ গান শুনিব খোজে। সেই কাৰণে ৰেখাক ক'লোঁ– মোৰ মাতটো ভঙাৰ দৰে হৈছে, তাইয়ে গাওঁক না। কিন্তু ৰেখা জানো সহজে ৰাজী হোৱা পাত্রী, বিমলৰ প্রতি তাইৰ সম্পূর্ণ লাজ এতিয়াও আঁতৰা নাই নহয়। আকৌ বিমলেও মৌখিক ভদ্রতা কৰি ক'লে যে ময়েই আগে গাব লাগে। অগত্যা 'ঐ আমাৰ চাঁদেৰ আলো'টো গাই ৰেখাৰ হতুৱাই দ্বিতীয়টো গোৱালোঁ। অ'– সিদিনাও তেন্তে বিমলে মিটিং বেয়া লগাৰ নামত ৰেখাৰ আকর্ষণতেই গুচি আহিছিল– তাতে এনেহেন জোনাক ৰাতি। সিহঁত হালক বাগানত অকলে এৰি থৈ আহিবলৈ নানা চেলু বিচাৰিলেও কিন্তু আহিব নোৱাৰিলোঁ– তেনে একো চেলু উলিয়াবও নোৱাৰিলোঁ। ফলত ৰেখায়ো লাজ কৰি নীৰৱে ৰ'ল, বিমলো নিশ্চয় উপায়হীন হৈ মোৰ লগতে কথা পাতি থাকিল।"

"আহা বেচেৰা!" অনিলে কৃত্রিম নিঃশ্বাস পেলাই সুধিলে– "ৰেখাৰ সম্পূর্ণ মনটো তুমি বুজি পাইছানে?"

মিনতিয়ে হাঁহিলে– "এতিযাও বাকীনে? তোমাৰ ভনীয়েৰা আৰু আগৰ ছোৱালী হৈ থকা নাই। এতিয়া তেওঁ কথা কম কয়, পঢ়া কিতাপ আগত মেলি লৈ আগতকৈ বহুত সময় বেছি বহি থাকে; আগে মূৰ আঁচোৰোতে বা কাপোৰ পিন্ধোতে যিমান সময় লাগিছিল এতিয়া তাতকৈ বহুত বেছি সময় লাগে; পুনুক এতিয়াও আগৰ দৰেই লৈ থাকে বা মৰমো কৰে– কিন্তু আগৰ দৰে মনোযোগৰ উচ্ছ্বাস নাই, অন্যমনস্ক থাকেই। আগে বাৰু ৰেখা প্রত্যেক ৰবিবাৰে নিয়মিতভাৱে পাকঘৰত সোমাইছিলনে? এতিয়া কিন্তু সোমায়। ৰেখাই আৰু কি কৰে জানা? ফুলদানীত ফুল সজায়– কথাটো বহলাই কওঁ ৰ'বা। আগে ড্রইং ৰুমৰ ফুলদানীত ফুল নিয়মিতভাৱে আমি দুজনীৰ কোনো এজনীয়েই নথৈছিলোঁ। পিছে ৰেখা এতিয়া সেই বিষয়ত 'ৰেগুলাৰ'। আৰু সময়টো হ'ল– বিমলৰ গা ধোৱা পৰত। কাৰণ বিমলৰ ৰুমৰ টেবুলৰ ওপৰতো ৰেখাই ফুলদানী এটা থাপনা কৰিছে আৰু ড্রইং ৰুমত ফুল থোৱাৰ সময়ত তাতো সদায় থবলৈ নেপাহৰে"–

"অর্থাৎ" –অনিলে হাঁহি হাঁহি ক'লে– "বিমলৰ ফুলদানীত ফুল থওঁতে ড্রইং ৰুমৰ ফুলদানীতো ফুল থবলৈ নেপাহৰে মোৰ ভনীয়ে?"

মিনতিয়েও হাঁহি দিলে।

এদিন আবেলি অনিলে হঠাৎ প্ৰস্তাৱ কৰিলে যে নতুনকৈ সজা কামাখ্যাৰ বাটটোৰে ভুবনেশ্বৰী মন্দিৰলৈ ফুৰিবলৈ যোৱা যাওক। বিমলেতো দেখা নাই।

অনিলহঁত মতা মানুহ। গতিকে দুয়ো বন্ধুৰ ওলাওঁতে বেছি সময় নেলাগিল। তাৰপিছত মিনতিহঁতক সাজপাৰ প্ৰসাধন কৰিবলৈ অফুৰন্ত সময়ৰ অনুমোদন কৰি দুয়ো বিমলৰ কোঠাত বহি কথা পাতি থাকিল।

পুনুক সজাই-পৰাই কাঞ্চাৰ হাতত দি মিনতি আয়নাৰ ওচৰলৈ আহি দেখে বহুত আগৰে পৰা সাজসজ্জা কৰিবলৈ আৰম্ভ কৰা ৰেখাৰ তেতিয়াও শেষ হোৱা নাই।

"ৰেখা", মিনতিয়ে হাঁহি হাঁহি ক'লে– "আজি বিমলৰ মূৰ ঘূৰি নীলাচল পাহাৰৰ পৰা পৰে বুলি মোৰ ভয়েই লাগিছে"–

উত্তৰত ৰেখাই মিনতিৰ ফালে কেৱল চকু ঘোপা কৰি সপ্ৰশ্ন দৃষ্টিৰে চাই ৰ'ল!

"বুজি পোৱা নাই? তুমি যি মোহিনী বেশত এঘন্টা পৰ ধৰি সাজিছা, তাৰ পিছতনো আৰু বিমলৰ মূৰ নুঘূৰোৱাকৈ থাকিব পাৰেনে?"

ৰেখা খুব অপ্ৰস্তুত হৈ গ'ল। তাই যেন গোপন কিবা এটা কৰিহে হাতে-লোটে ধৰা পৰি গ'ল। কেইমুহূৰ্তমান নীৰৱে থাকি তাই বৌৱেকৰ দুষ্টালি হাঁহিৰে ভৰা মুখখনলৈ চাই লাহে লাহে ক'লে– "নবৌ, মই যদি তোমাৰ দৰে ধুনীয়া হ'লোঁহেঁতেন– তেতিয়াহ'লে কোনো প্ৰসাধনেই নকৰিলোঁহেঁতেন– তোমাৰ দৰে চকু, তোমাৰ দৰে নাক"–

মিনতিয়ে প্ৰায খণ্ড কৰাৰ দৰে বাধা দি ক'লে– "থৈ দিয়া, থৈ দিয়া– আমি এতিয়া বুঢ়ী হ'লোঁ, বিয়া-বাৰু কৰাই ল'ৰা-ছোৱালীৰ মাক হ'লোঁ– আমাৰ ৰূপ এতিয়া আৰু চাবলৈ নেযায়। আৰু যদি সঁচাযে ধুনীয়াও হ'লোঁহেঁতেন– ক'লা ছোৱালীৰ আকৌ কিহৰ ৰূপ? হ'লোঁহেঁতেন যদি তোমাৰ দৰে গাৰ বৰণৰ– এৰা– তেতিযা হ'লে অৱশ্যে ধুনীয়া ধুনীয়া বুলি প্ৰতি মুহূৰ্তে সচেতন হৈ গৰ্বত ওফন্দি থাকিলোঁহেঁতেন–।"

ৰেখাই কিবা ক'বলৈ ওলাইছিল– কিন্তু তাৰ আগতেই মিনতিয়ে তাইৰ গাত মৃদুভাৱে ঠেলা এটা মাৰি বাহিৰলৈ পঠিয়াই দিলে– "ওলোৱা, ওলোৱা– নিজে সাজি-কাচি এতিয়া মোকো অলপ সাজিবলৈ নিদিয়ানে?"

ৰেখাই লাহে লাহে নিজৰ কোঠালৈ খোজ ল'লে। মিনু নবৌৱে মুখত মোক সন্তুষ্ট কৰিবলৈ ক'লে কি হ'ব– তেওঁৰ দৰে ধুনীয়া যদি মই হ'লোঁহেঁতেন! কি অপৰূপ মুখৰ গঢ আৰু গাৰ সৌষ্ঠৱ মিনু নবৌৰ–! ৰেখাৰ পাতল হুমুনিয়াহ এটা ওলাল।

ভুবনেশ্বৰী মন্দিৰৰ ওচৰ পাওঁতে ব্ৰহ্মপুত্ৰৰ বুকুত বেলি ডুবিল। সেই

অস্তগামী সূৰুযৰ ৰঙা পোহৰ ব্ৰহ্মপুত্ৰৰ বুকুত সিঁচৰতি হৈ পৰা অপূৰ্ব দৃশ্যটো চাৰিও কিছু সময় মুগ্ধ হৈ চালে। তাৰপিছত মিনতিয়ে গিৰিয়েকৰ ফালে অৰ্থপূৰ্ণ দৃষ্টি নিক্ষেপ কৰি অন্যমনস্ক আৰু আপোন-পাহৰা যেন হৈ দলটোৰ পৰা আঁতৰি গুচি গ'ল। লাহে লাহে তাই আৰু ওপৰলৈ উঠি উঠি প্ৰকাণ্ড ডাঙৰ শিল এটাত উঠি সূৰুযৰ শেষ ৰশ্মিৰ ফালে পিঠি দি ব্ৰহ্মপুত্ৰৰ বুকুলৈ চাই ৰ'ল।

অলপ আঁতৰতে পুনুৱে গুলঞ্চ ফুল বুটলি আছিল। ৰেখাই ভাবিছিল– তায়ো বৌয়েকক অনুসৰণ কৰাটো শোভন হ'ব নেকি, কিন্তু আজি যেন তাই বিমলৰ ওচৰৰ পৰা আঁতৰি যাবলৈ একেবাৰে শক্তিহীন হৈ পৰিছে, অগত্যা পুনুক চাবলৈয়ে যে তাইৰ থকাৰ প্ৰয়োজন এনে এটা ভাব দেখুৱাই তাই তাতেই থাকি গ'ল।

প্ৰায় সন্ধিয়াৰ ৰঙা এন্ধাৰত দূৰৈৰ মিনতিৰ মূৰ্তিটো তেতিয়া ছিলুৱেটৰ ক'লা ছবিৰ নিচিনা লাগিছিল। সেইফালে চাই অনিলে চিগাৰেট এটা জ্বলাই বন্ধুকো এটা আগবঢ়াই দি ক'লে– "বিমল, সবাৰ উপৰে মানৱী সত্য– নহয়নে?"

চিগাৰেটটো জ্বলাই বিমলে হাঁহিলে। তাৰপিছত মূৰ তুলি মিনতিৰ ফালে খন্তেক পৰ চাই সি ক'লে– "তাতকৈ নকৱ কিয়– সবাৰ উপৰে মিনতি সত্য, তাহাৰ উপৰ নাই?"

অনিলে সশব্দে হাঁহি উঠিল আৰু ক'লে– "খুব সঁচা।" তাৰপিছত পুনুক থাপ মাৰি দাঙি লৈ ক'লে– "ব'ল পুনু– আমি মাৰাক লৈ আহোঁগৈ"–

লগে লগে অনিলে ৰেখা আৰু বিমলক তাতে অকলে এৰি গুচি গ'লেই। মিনতিৰ চকুৰ অৰ্থপূৰ্ণ দৃষ্টি সি বুজি পাইছিল।

ৰেখা মুহূৰ্তৰ বাবে হতভম্ব হৈ গ'ল। পুনুৰ স'তে বুটলি দ'ম কৰি থোৱা ফুলবোৰ লিৰিকি-বিদাৰি তাই চকিত গোপন দৃষ্টিৰে বিমললৈ চাই দেখিলে যে বিমলো যেন বৰ বেকায়দাত পৰি গ'ল। তাই কি কৰিব কি নকৰিব, কি ক'ব কি নক'ব ভাবি থাকোঁতে কিছু সময় পাৰ হৈ গ'ল। ইতিমধ্যে কিন্তু বিমলে সহজ হৈ ল'লেই। কাৰণ ৰেখাৰ ফালে চাই অলপ হাঁহি সি সুধিলে– "আপোনালোকেতো এদ'ম ফুল গোটালে। এইবোৰ এতিয়া কি কৰিব? মটৰত উঠাই লৈ যাব নেকি?"

"নিলে বেয়া নহ'ব। সাধাৰণ ফুল হ'লেও গোন্ধটো বৰ সুন্দৰ। গোটেই বাটটো গোন্ধে আমোলমোলাই যাব। বৰ ৰোমাণ্টিক লাগিব।"

এইখিনি কথা যে তাইৰ মুখত ওলাল ৰেখা আচৰিত হৈ গ'ল। বোধহয় এই নিৰ্জন পাহাৰ, এই সন্ধিয়াৰ ধূসৰ আন্ধাৰ, গুলঞ্চ ফুলৰ এই মিঠা গোন্ধ– আৰু

ওচৰত বিমল– বিমল– বিমল– শোৱাৰ আগতে যাৰ নাম জপ কৰি কৰি তাই টোপনি যায়– এই সকলোবোৰে তাইৰ বোবা, ভীৰু প্ৰাণৰ সকলো সংকোচ আঁতৰাই পেলালে।

অ' মৰমী নবৌ তোমাক ধন্যবাদ!

"খুব ভাল গোন্ধ নেকি? চাওঁ– ফুল এপাহ দিয়কচোন" –বিমল অলপ আগবাঢ়ি আহিল।

এপাহ? মাত্ৰ এপাহ? মই যে উজাৰ কৰি গোটেই সোপা দিব খোজোঁ। একো নেমাতি ৰেখাই এপাহ ফুল বিমললৈ আগবঢ়াই দিলে। তাইৰ বুকুখন অলপ কঁপি উঠিল।

বিমলে ফুলপাহ লৈ এবাৰ শুঙি চালে। তাৰপিছত সি আৰু একো নকৈ মিনতিহঁত থকা ঠাইডোখৰলৈ চাই পঠিয়ালে। বিমলৰ দৃষ্টি অনুসৰণ কৰি ৰেখায়ো চাই দেখিলে, যে ককায়েক বৌৱেকহঁত লাহে লাহে আগবাঢ়ি আহিছে। ৰেখাই বুজিলে নাছি উপায় নাই কাৰণেই আহিছে সিহঁত। ৰেখাৰ মনটো সেমেকি গ'ল। জীৱনৰ দুৰ্লভতম ক্ষণ এটা তাই যেন পাব খুজিও হঠাৎ হেৰুৱাব লগা হ'ল। এনেদৰে বঞ্চিত হোৱাৰ বেদনা সহজে আঁতৰিব নোখোজে।

"নবৌ– এভাৰেষ্ট বিজয়ৰ এয়া সম্মানসূচক নিদৰ্শন গ্ৰহণ কৰক।" বিমলে মিনতিৰ ফালে ফুলটো আগবঢাই দিলে।

সকলোৱে হাঁহি দিলে। ৰেখায়ো।

পিছদিনা বিমল গুচি যাবগৈ। ৰেখাই আৰু ক্লাছত কোনো মতেই নিজকে আবদ্ধ কৰি ৰাখিব নোৱাৰিলে– মন বহুৱাতো দূৰৰে কথা। আচলতে আজি এই এমাহমান আগৰে পৰাই ক্লাছত প্ৰফেছৰে দিয়া বক্তৃতাৰ এটা বৰ্ণও ৰেখাৰ কাণত নোসোমোৱা হৈছিল।

প্ৰায় দুটামান বজাত তাই ক্লাছৰ পৰা গুচি আহিল। ঘৰ সোমোৱাৰ সময়ত কিন্তু তাই সমুখৰ গেটেৰে নোসোমালে। পিছফালে এটা বাট আছে, সেই-ফালেৰে চোৰৰ দৰে সন্তৰ্পণে তাই ঘৰ সোমাল।

দুপৰীয়াৰ অখণ্ড নীৰৱতা ঘৰখনত বিৰাজ কৰিছে। কাম-বন শেষ কৰি কাৰ্ণাও বোধহয় শুইছে। নবৌ, পুনু? নবৌৰেকহঁতৰ শোৱা কোঠালিৰ পৰ্দাখনৰ ওচৰলৈ শব্দহীনভাৱে গৈ জুমি চাই ৰেখাই দেখিলে যে বিছনাত পুনু অকলে শুই আছে, মিনতি নাই। পুনু যাতে সাৰ পাই নপৰে সেই সাৱধানতা অৱলম্বন কৰি তাইৰ কাষত দুটা ডাঙৰ ডাঙৰ গাৰু দি থোৱা আছে।

ৰেখা গৈ তাইৰ কোঠালিত সোমাল। পঢ়া মেজত লৰালৰিকৈ কিতাপবোৰ থৈ তাই ভৰিৰ জোতাবোৰ খুলিব ধৰিলে। উত্তেজনাত ৰেখাৰ বুকুখন ধান বনাদি বানিবলৈ ধৰিলে। মিনু নবৌ নিশ্চয় বিমলৰ লগত কথা পাতি আছে।

কালি বিমল যাবগৈ– কি কথা পাতিছে নবৌৱে?

চোৰৰ দৰে হাতত সাৰে ভৰিত সাৰে আগবাঢি গৈ ৰেখা বিমলৰ কোঠালিৰ পৰ্দাৰ ওচৰত ৰ'লগৈ। ৰেখাৰ হৃৎপিণ্ডৰ দ্ৰুত লয়ৰ শব্দ যদি শুনা যোৱা নাই, আন আৰু কোনো শব্দই তাই কৰা নাই বিমলহঁতে শুনিবলৈ। গতিকে ৰেখাই ভাবিলে যে বিমল আৰু মিনতিৰ কথা-বতৰা, পৰ্দাৰ ইফালে তাইৰ উপস্থিতি সত্বেও একেদৰেই চলি থাকিব।

হঠাৎ ৰেখাই কাণ থিয় কৰিলে– এয়াতো বিমলৰ মাত! কিন্তু এইবোৰ কি ক'ব ধৰিছে বিমলে? ...মোক ক্ষমা কৰিব নবৌ– এনে অযাচিত সৌভাগ্যত মই কৃতাৰ্থ হৈ যাব লাগিছিল– কিন্তু... নবৌ... মানে... there is another woman..

নিজৰ কোঠালৈ উভতি আহোঁতে এইবাৰো কোনো শব্দ নহ'বলৈ প্ৰাণপণ চেষ্টা কৰিবলগীয়া হ'ল ৰেখাই।

তাৰপিছত তাই ধপ্‌কৈ বিছনাৰ ওপৰত উবুৰি হৈ পৰিল আৰু মুখত গাৰু এটা হেঁচা মাৰি ধৰি প্ৰবল বেগেৰে ওলাই অহা কান্দোনৰ শব্দ ৰোধ কৰিবলৈ যত্ন কৰিব ধৰিলে।

বিমলৰ ট্ৰেইনৰ সময় আবেলি। চীট্ ৰিজাৰ্ভ কৰিবলৈ অনিলে পুৱা চাহ খাই উঠাৰ পিছতে বিমলক লগত লৈ ষ্টেছনলৈ ওলাল। পুনুও দেউতাক আৰু খুৰাকৰ লগত গ'ল।

মিনতি প্ৰায় নীৰৱেই গৈ আকৌ পাকঘৰত সোমাল। ইমানপৰে সকলোৰে লগত, বিমলৰ লগত বেছ সহজ হাঁহি মাত-কথাৰেই চলি গৈছিল তাই, কিন্তু ৰেখাৰ লগত মুখামুখি হোৱাৰ লগে লগেই মিনতি তাইৰ আগৰ পৰা পলাই সাৰিল। বেদনা আৰু অপৰাধৰ বোজা লৈ ৰেখাৰ মুখলৈ মুখ তুলি চোৱাৰে যেন তাইৰ সাধ্য নাছিল। আগদিনা ৰাতি অনিলে তাইক বহুতখিনি ভৰ্ৎসনা কৰিলে। ৰেখাৰ এই দুৰ্ভাগ্যৰ বাবে সম্পূৰ্ণ দায়ীতো মিনতিয়েই। গিৰিয়েকৰ সকলো দোষাৰোপ মিনতিয়ে নীৰৱেই নতশিৰে মানি লৈছিল। এটা শব্দও আৰু তাইৰ মুখৰ পৰা ওলোৱা নাছিল আগদিনা ৰাতি। তলমূৰকৈ এন্ধাৰতে বহুতপৰ বহি আছিল তাই। ৰেখাৰ জীৱনৰ এই বিৰাট ট্ৰেজেডীৰ গুৰিততো তায়েই– ই যে সঁচাতকৈও বেছি– কিন্তু– এনে হ'বতো নেলাগিছিল– কিয় এনে হ'ল বাৰু– কিয় এনে হয়...

ৰেখা এতিয়া সম্পূৰ্ণ অকলশৰীয়া। বিমল অহাৰ দিনা তাই পাকঘৰতে সোমাই আছিল। নতুন আলহী– প্ৰথম দিনাইতো সাধাৰণভাৱে খুৱাব নোৱাৰি। আজি বিমল যাবগৈ। আজিও সাধাৰণভাৱে খুৱাব নোৱাৰি। নবৌ এতিয়া পাকঘৰতে খুব ব্যস্ত থাকিব– নবৌ, তাই নহয়।

ৰেখা লাহে লাহে ওলাই গ'ল।

খোৱা কোঠাটো তাইৰ কোঠালিটোৰ সংলগ্ন। এই ৰুমটোৰ সিটো মূৰৰ ৰুমটো আলহীৰ। এতিয়া বিমলৰ।

আগফালৰ বাৰাণ্ডাত দুবাৰমান অস্থিৰ পদেৰে ঘূৰাঘূৰি কৰি ৰেখা আকৌ খোৱা ৰুম পালেহি। কিবা এটা ঠিক কৰিব খুজিও যেন পৰা নাই তেনেভাৱে লাহে লাহে আগবাঢ়ি তাই বিমলৰ ৰুমৰ ওচৰ চাপি আৰু ওঁঠটো কামুৰি ধৰি পৰ্দা এহাতেৰে টানি অলপ যেন কিবা ভাবিলে, তাৰপিছত আকৌ যাবলৈ ধৰিলে। হঠাৎ বিমলৰ ৰুমত সোমাই পৰিল।

কোঠালিটোৰ সকলো একেদৰেই আছে। আজি আৰু কেইঘণ্টামান পিছতে যে এজন মানুহ ইয়াৰ পৰা গুচি যাবগৈ তাৰ কোনো চিনেই নাই। তাই চুকৰ টেবুলখনলৈ চালে, ফুলদানীটোত ইমানদিনৰ মূৰত আজি প্ৰথম নতুন ফুল থোৱা হোৱা নাই।

হঠাৎ ৰেখাৰ চকুৰেদি সৰসৰাই পানী পৰিবলৈ ধৰিলে।

কিছুসময়ৰ পিছত আঁচলেৰে চকুলো মচি তাই ইফালে সিফালে চাবলৈ ধৰিলে। ক'ত বাৰু নামটো পোৱা যাব? ক'ত? ক'ত? তাইৰতো সকলোতে অজস্ৰ বাৰ লেখি থোৱা আছে– তাইৰ ডায়েৰীত, তাইৰ নোটবুকত, তাইৰ চিঠি লেখা পেডত... বিমল... বিমল... বিমল... হাজাৰ হাজাৰ নাম!

এচুকত বিমলৰ দুটা বাকচ। ওপৰতে এটাচিটো। ৰেখাই ওচৰলৈ গৈ দেখিলে সেইটো খোলা। খোলা– হয়তো চৌৰ্যতাৰ অপৰাধত সন্দেহ কৰিবলগীয়া কোনো মানুহ এই ভদ্ৰ শিক্ষিত ঘৰখনত থাকিব নোৱাৰে বুলিয়েই। এইখন ঘৰৰ চাকৰটো পৰ্যন্ত ভদ্ৰ আৰু বিশ্বাসী। অকণমানি ছোৱালীজনীয়েও এনে শিক্ষা পাইছে যে ভুলতো আনৰ বস্তু নোছোৱে।

ৰেখাই লাহে লাহে তাৰ ঢাকনিখন খুলিলে। সৰু চুটকেছটো নানাৰকম বস্তুৰে ঠাহ খাই আছে। পুৰণি চিঠি-পত্ৰ, চিঠি লেখা পেড, কেই অনামান ভঙনীয়া পইছা, মিকছাৰ পেপাৰ, ফাউণ্টেন পেন, এখন আধা মলিন ৰুমাল আৰু নানা কিবাকিবি। ৰেখাই পগলাৰ দৰে বস্তুবোৰ ওলট-পালট কৰি বিচাৰিব ধৰিলে...

কি নাম তাইৰ? কি? কি?

এটা অসহ্য যন্ত্ৰণাময় কৌতূহলৰ তাড়নাত ৰেখাই বিমলৰ চুটকেছটো ওলট-পালট কৰি চাব ধৰিলে। কি যে এটা সুদৃঢ় অদ্ভুত বিশ্বাস– তাইৰ ৰক্তাক্ত বেদনাৰ কৌতূহলৰ জ্বালা নিবৃত্ত হ'বই হ'ব।

অৱশেষত এবাৰ নোটবুকখনৰ মাজৰ পাত এখিলাত তাই হঠাৎ থামি গ'ল। তাইৰ মুখলৈ মৃত্যুৰ স্তব্ধতা নামি আহিল। নোটবুকখনত লেখা আছে– নবৌ– মিনু– মিনতি– হায় আকাশ কুসুম! ☐

নালন্দা বিশ্ববিদ্যালয়ৰ ছাত্ৰ

কাম কৰা ল'ৰাৰ ক্ষেত্ৰত বৰুৱা দম্পতীয়ে শেষত চৌধুৰী দম্পতীৰ পৰামৰ্শকে সাৰোগত কৰিলে। "চিৰস্থায়ীভাৱে নহ'লেও আধা চিৰস্থায়ী বন্দৱস্ততে ল'ৰা ৰাখিব খুজিলে আমাৰ বুদ্ধিকে কৰক। পঢ়ুৱাকৈ ৰাখক। পঢ়াৰ বাবে আগ্ৰহী, কেৰিয়াৰ কৰিব খোজা ল'ৰা বিচাৰ-খোচাৰ কৰক। আজিকালি পিয়নৰ চাকৰি এটাৰ বাবেও মেট্ৰিক পাছ কৰিব লাগে বুলি সকলোৰে জনা হৈছে। গতিকে তেনে উচ্চাকাংক্ষী দুখীয়া ল'ৰা আনি লওক আৰু নাইট স্কুলত নাম লগাই দিয়ক। অৱশ্যে অলপ অসুবিধা হ'ব, গধূলিহে আলহী-অতিথি বেছিকৈ আহে। কিন্তু টিকি থকা চাকৰ বিচাৰিলে সেইখিনি অসুবিধা ভোগ কৰিবই লাগিব। এনেকৈ ৰখা ল'ৰাৰ ক্ষেত্ৰত অৱশ্যে সুবিধাও আছে। পঢ়ুৱা ল'ৰাক দৰমহাও দিব নালাগে, কিতাপ-পত্ৰ, ফিজ আদিৰ খৰচ আছে নহয় –সেইবোৰত খৰচ কৰি দৰমহা আৰু ক'ৰপৰা দিয়ে! তদুপৰি দিনটোৰ পূৰা কামোতো কৰি নিদিয়ে, আবেলিৰ পৰা ৰাতিলৈকেতো তাৰ ছাৰ্ভিচ 'নিল' –সকলো মিলি দৰমহা পোৱাৰ আশা নকৰে। পিছে আপুনিও জানে, ময়ো জানো– সেইখিনি সময়ৰ অনুপস্থিতিৰ বাবে খুব এটা অসুবিধা নহয়, দৰমহা যে দিব নালাগে তাতেই ম'ৰ্ দেন্ কমপেনছেট্ হৈ যায়। ফ্ৰিজতো আছেই, আগবেলাতে তাৰ হতুৱাই দুবেলাৰ খানা বনাই ৰাখক, বচ্, চাকৰ ৰাতি পঢ়িবলৈকে যাওক বা মৰিবলৈকে যাওক –আপোনাৰ তাত কি; মজা মাৰি টিভি চাই থাওক, বন্ধু-বান্ধৱৰ লগত আড্ডা মাৰক, ফুৰিবলৈ যাওক– সংসাৰৰ কোনো লেঠা নাই, ৰাতি আঠটা, চাৰে-আঠটাত আহি আপোনাৰ নৈশ স্কুলৰ ছাত্ৰই গৰম গৰম ভাতকেইটা বনাই দিব....।"

কথাচহকী শ্ৰীমতী চৌধুৰীয়ে পৰামৰ্শটো বিস্তৃত কৰিছিল আৰু শ্ৰীমতী বৰুৱাক নতুন আশাৰে উদ্দীপিত কৰি তুলিছিল। কাম কৰা ল'ৰাই কমনো ভোগাইছেনে তেওঁক, আহে আৰু যায়, যায় আৰু আহে। বেছি দীৰ্ঘদিন থকা ল'ৰা-ছোৱালী টিকিল বুলি ধাৰণা হ'বলৈ ধৰোঁতেই সি বা তায়ো গুচি যায়। অৱশ্যে মুন ডাঙৰ

হৈ অহাৰ পিছৰে পৰা তেওঁ ছোৱালী ৰাখিব খোজা নাই। 'সন্ধ্যাৰাগ' চিনেমাখন চোৱাৰ পিছৰে পৰা তেওঁৰ মনত ভয় এটাই দখে শিপাইছে। গতিকে এতিয়া কেৱল কাম কৰা ল'ৰাৰে সন্ধান চলে। বৰুৱা উকিল মানুহ, সাধাৰণতে গাঁৱৰ মক্কেলৰ জৰিয়তে ল'ৰাৰ আমদানি হয়; মক্কেলৰ শেষ নাই বাবে ল'ৰাৰ যোগানো অব্যাহত থাকে। পিছে হ'লে কি হ'ব, সিহঁতৰ অৱস্থিতি ইমান যে ক্ষণস্থায়ী!

এইবাৰ পিছে চৌধুৰী দম্পতীৰ বুদ্ধিয়ে ভাল কাম দিলে। মক্কেলেও আনন্দ মনেৰে তেনে পটুৱৈ ল'ৰা আনি দিলে, "ছাৰ, গাঁৱত মাটিহীন মানুহ বাঢ়ি গৈ আছে, গতিকে সিহঁতৰ ল'ৰাৰ বাবে খেতি কৰা মাটি নাই, থকাবোৰেও আজি-কালি খেতি কৰিব নোখোজে, পঢ়ি-শুনি সকলো বাবু হ'ব খোজে, চহৰত চাকৰি কৰি থকাৰ সপোন দেখে। গতিকে আজিৰ দিনত ছাৰ গাঁৱলৈ উভতি যোৱাৰ শ্লোগান একেবাৰে মিছা হৈ গ'ল, বৰং চহৰলৈ গতি কৰোঁ আহা শ্লোগানহে এতিয়া বেছি বাস্তৱ হ'ব— আন নালাগে আমাৰ গাঁৱৰে কম কেইজন চহৰলৈ গুচি আহিছেনে! অৱশ্যে নাহিলেও উপায় নাই, মাটিহীন মানুহমখাইনো খেতিৰ সললনি অন্য জীৱিকাৰ সন্ধান নকৰি কৰে কি। চহৰত অন্ততঃ সৰু-সুৰা নানান চাকৰি আছে।" ...শ্ৰীমতী চৌধুৰীৰ দৰেই মক্কেলজনো একে কথাচহকী।

সি যি কি নহওক, তেওঁ আনি দিয়া হৰেশ্বৰ নামৰ ল'ৰাজনক বৰুৱাহঁতৰ ঘৰখনে লগুৱা ৰখাৰ প্ৰথম পৰ্বৰ নিয়মমতে সাক্ষাৎকাৰ গ্ৰহণ কৰিলে (একমাত্ৰ লগুৱাৰ ক্ষেত্ৰতে বোধহয় এই চিৰাচৰিত নিয়মটোৰ ব্যতিক্ৰম যে প্ৰথমতে সাক্ষাৎকাৰলৈ পিছতহে নিযুক্তি দিয়া হয়। এই বৈশিষ্ট্য আৱিষ্কৃত হৈছিল বৰুৱা-হঁতৰ ঘৰতে, বৰুৱাৰ জীয়েক পিংকিয়ে কৈছিল, "দেউতা, এইটোতো মজাৰ কথা যে ছাৰভেন্টক আমি প্ৰথমতে এপইন্টমেণ্ট্ দিওঁ, তাৰ পিছতহে ইন্টাৰভিউ লওঁ! অইন চাকৰিৰ ক্ষেত্ৰতো এই নিয়ম থকা হ'লে আমাৰ থুনদাই ৰেডিঅ'ৰ চাকৰিটো পাই গ'লহেঁতেন নহয়!") আৰু সদায় চলি অহা নিয়মমতে পিংকিয়েই আগভাগ ল'লে (সদায় মানে পিংকি ডাঙৰ হৈ মুনৰ ভাষাত চৰ্দাৰ হৈ উঠাৰ পিছত)

"তোৰ ঘৰত আৰু কোন কোন আছে?"

"মাই আৰু সৰু ভনী এজনী আছে।"

"আগতে আৰু কাৰোবাৰ ঘৰত আছিলি নেকি?"

"নাই থকা দিয়ক। স্কুলত পঢ়ি আছিলোঁতো। লোকৰ ঘৰত কেনেকৈ থাকিম?"

"কোনে পঢ়ুৱাইছিল তোক? মাৰে?"

"মায়ে কেনেকৈ পঢ়ুৱাব, বাইদেউ? মই কাঠ কাটি আনি নিজেই নিজৰ পঢ়াৰ খৰচ উলিয়াইছিলোঁ। অৱশ্যে মায়েও লোকৰ ঘৰত ভুঁই ৰোৱে আৰু জাল বয়, সময় পালে এৰী সূতাও কাটে।"

"কি জাল?"

"মাছ মৰা জাল বাইদেউ।"

"সৰু ভনীয়েৰে কি কৰে?"

"চন্দ্ৰ বৰ সৰু, তাইনো আৰু কি কৰিব।"

"তোৰ ভনীয়েৰৰ নাম চন্দ্ৰ অৰ্থাৎ মুন? হাঃ হাঃ হাঃ –পিছে যি দেখা গ'ল, তহঁতৰ ইন্‌কামৰ ছ'ৰ্চ দেখোন বহুতো। তথাপি আমাৰ ঘৰত থাকি পঢ়িবলৈ আহিছ কিয়? নে চহৰীয়া স্কুলত পঢ়াৰ মন?"

"সেইটো নহয় বাইদেউ। আমাৰ নচলে বাবেহে লোকৰ ঘৰত থাকিবলৈ আহিছোঁ।"

এইবাৰ 'ইন্টাৰভিউ ব'ৰ্ড'ৰ আন এজন আটাইতকৈ কম গুৰুত্ব থকা লোকে মাত লগালে। পিংকিৰ পিতৃ।

"তোৰ ইংৰাজী শব্দ দুটা সি বুজি নাপালে অ' পিংকি। মই সোধোঁ ৰ। ঐ বাপু, মাৰ-পুতেৰে ইমান অৰ্জাৰ পিছতো তহঁতক নাটেনে?"

"দেউতা, কামহে বহুত কৰোঁ, পইছা হ'লে বৰ কম পাওঁ। গাঁৱত আমি শুনো যে চহৰৰ চাকৰিত বাবুসকলে বহুত পইছা পায়, কামো কম কৰিব লাগে। গাঁৱত কিন্তু হাড়ভঙা খাটনিৰ পিছতো যি পইছা পোৱা যায় তাৰে খাবলৈকে নোজোৰে।"

"ইয়াৰতো বৰ কথা দেউতা। (আকৌ পিংকি) ঐ, চহৰৰ মানুহে কত টকা স্পেণ্ড কৰি এডুকেশ্বন লয়, তাৰ পিছতহে চাকৰিত টকা মিলে। তহঁতবোৰে কোনো ইনভেষ্ট্ নকৰাকৈয়ে বেছি ইন্‌কামৰ আশা কৰনে? বাৰু, তোৰ কিমান বয়স হৈছে?"

"ঠিক নেজানো বাইদেউ, হ'ব তেৰ-চৈধ্য বছৰ। মাই হিছাপ কৰি কৈছে, আমাৰ দেশৰ লগত এবাৰ পাকিস্তানৰ যুদ্ধ লাগিছিল বোলে, তেতিয়া বহুতো বঙালী মানুহ সেই দেশৰ পৰা পলাই আহিছিল, আমাৰ বকোৰ ফালেও তেনে মানুহ বহুত আহিছিল, সেই সময়তে বোলে মোৰ জন্ম।"

"অ' বাংলাদেশৰ মুক্তি-যুদ্ধ। তেন্তে তোৰ বয়স সঁচায়ে তেৰ বছৰ হ'ল। তাৰমানে তহঁতৰ পিনে বহুত বাংলাদেশী আছে নহয়?" (আকৌ গুৰুত্বহীন সদস্যজনৰ প্ৰশ্ন য'ত প্ৰধান সদস্যাগৰাকীয়ে কোনো গুৰুত্বকে নিদি অসমৰ বাবেই অতি 'গুৰুত্বপূৰ্ণ' প্ৰশ্ন এটাৰ উত্তৰ অহাৰ আগতেই নিজৰ মন্তব্য দিলে)।

"তোৰ তেৰ বছৰ হৈছে? তই তেন্তে আমাৰ মুনতকৈও ডাঙৰ, অথচ দেখাত এনে ডোৱাৰ্ফ হৈ আছ!"

এইবাৰ হৰেশ্বৰে 'ডোৱাৰ্ফ' শব্দৰ অৰ্থ অনুমানতে বুজি লৈ উত্তৰ দিলে, "বাইদেউ, সৰুৰে পৰা কাঠ কাটিছোঁ আৰু চাৰি-পাঁচ মাইল দূৰৰ পৰা কান্ধত

বোজা বৈ আনি বজাৰত বেচিছোঁ। তেনেকৈ কাঠে হেঁচা মাৰি ৰখাৰ ফলতেই আৰু ওখ হ'ব নোৱাৰিলোঁ দিযক।"

পিংকিয়ে উচ্চস্বৰে হাঁহি দিলে। "হাউ ফানি! ইমান দিনে হৰমোনৰ ছিক্ৰেছনেহে মানুহক ওখ-চাপৰ কৰে বুলি শুনি আহিছিলোঁ, আজি ফৰ দ্যা ফাৰ্ষ্ট টাইম এটা এক্সপ্লানেশ্যন শুনিলোঁ। বাৰু হৰেশ্বৰ।" (ইতিমধ্যে 'ইন্টাৰভিউ ব'ৰ্ড'ৰ আন এগৰাকী অতিশয় গুৰুত্বপূৰ্ণ সদস্য এৰাব নোৱাৰা কামত বন্দী হৈ থকাৰ পিছত এতিয়া আজৰি হৈ খৰধৰকৈ আহি সাক্ষাৎকাৰত ভাগ ল'লে আৰু পিংকিৰ কথাৰ ওপৰতে মাত লগাই কৈ উঠিল) "ঐ পিংকি, হৰেশ্বৰ নামটো বৰ দীঘল, তাক আমি হৰি বুলিয়েই মাতিম দেই। কি যে আচৰিত, ঘৰতো বোলে তাৰ নাম হৰেশ্বৰেই–"

"ওঁ, হ'ব বাৰু মা, ঐ হৰি, (পিতৃ-মাতৃদত্ত নামটো নাকচ কৰি লগে লগেই হৰেশ্বৰৰ নতুন নামকৰণ হৈ গ'ল) তই সৰুৰে পৰা কৰি অহা কামটো কিয় বাদ দিলি? কাঠ বেচি পইছা বেছি নেপাৱ বাবে?"

"পইছা বেছি নেপালেও কোনোমতে চলি গৈছিল বাইদেউ, পুৱাৰ পোহৰ নহওঁতেই চাৰি-পাঁচ মাইল দূৰৈৰ হাবিলৈ গুচি যাওঁ আৰু কাঠ কাটোঁ, তাৰপৰা আহি পাওঁমানে স্কুললৈ যাবৰে সময় হয়। লৰালৰিকৈ নৈত জোবোৰাটো মাৰি আহি মায়ে ৰান্ধি থোৱা ভাতকেইটা নাকে-কাণে সুমুৱাই স্কুললৈ দৌৰ মাৰোঁ। কিন্তু কিছুদিনৰ পৰা ফৰেষ্ট গাৰ্ডবোৰৰ বৰ উৎপাত হৈছে, বাইদেউ। সিহঁতৰ হাতত ধৰা পৰিলে এনেকৈ কোবায়, আমাৰ লগৰ পবীনৰতো মাৰ খাই ভৰি এখন খোৰাই হৈ থাকিল। ৰমাকাক আকৌ ধৰি নি বীট অফিচত গোটেই দিনটো পঘাৰে বান্ধি থলে, খাবলৈ পানী আৰু ঘাঁহ দিলে। গাৰ্ডে ক'লে বোলে ৰমা, তই গৰুৰ দৰে কাম কৰিছ বাবে গৰুৰ দৰে ঘাঁহ খা। গছ-গছনি কাটিলে আমাৰ দেশখন সমূলঞ্চে ধ্বংস হৈ যাব বুলি চৰকাৰে কৈ থকা কথাবোৰ মগজত নোসোমায়নে, গৰু? খালি খালি, তহঁতৰ দৰে বুদ্ধিহীন গৰুবোৰেই আমাৰ দেশখন খাই পেলালি– এইবোৰ দেখি-শুনি মোৰ ভয় লাগিল বাইদেউ, মোকো যদি কেতিয়াবা ফৰেষ্ট গাৰ্ডে ধৰি কোবাই আধামৰা কৰে? মাইজনীৰো চিন্তাত পাৰ নোহোৱা হ'ল। সেইকাৰণেই আমাৰ গাঁৱৰ ৰাভাকাই (বৰুৱাৰ পূৰ্বোল্লিখিত মক্কেল) আপোনালোকৰ ঘৰৰ কথা কওঁতে মই গুচি আহিলোঁ। পিছে বাইদেউ, আমাৰ দৰে সৰু-সুৰা খৰি চোৰবোৰকহে ধৰে, বৰ বৰ চোৰবোৰ কিন্তু সাৰি যায়। কত ঠিকাদাৰ আহি ট্ৰাকে ট্ৰাকে শাল, গমাৰি, চেগুনৰ দৰে ডাঙৰ ডাঙৰ গছ কাটি চোৰাংভাৱে লৈ যায়, সিহঁতক কিন্তু কোনো ফৰেষ্ট গাৰ্ডে নধৰে। ফৰেষ্ট গাৰ্ড কি, বৰ বৰ বন বিষয়াবোৰেই সিহঁতৰ আগত দেখিও নেদেখা দিনকণা হৈ ৰয়। গাল টকা খাই–"

হৰেশ্বৰৰ কথাৰ মাজতে বৰগৰাকী সদস্যাই গৰ্জন কৰি উঠে, "ই কঁটীয়াৰ দেখোন বৰ বৰ কথা, দেখাতহে ল'ৰাটো সৰু, বৰ টেঙৰ ল'ৰা দেই, পেটে পেটে বৰ বুদ্ধি, আমাক কাম কৰি খুৱাব নে কি কৰি খুৱাব ভগৱানেহে জানে। ঐ কঁটীয়া, তই পিছে আমাৰ ইয়াত পঢ়ি-শুনি পণ্ডিত হ'লেই নচলিব, কাম-বনো কৰিব লাগিব।"

সৰুগৰাকী সদস্যা এইবাৰ হাঁহিত বাগৰি পৰিল– "মায়ে যে ইমান এপ্ৰ'প্ৰিয়েট নামটো দিলা। কঁটীয়া! ডোৱাৰ্ফ! মই হ'লে ইয়াক হৰি নুবুলি কঁটীয়া নামেৰেহে মাতিম।"

ইয়াৰ পিছত ইণ্টাৰভিউ ব'ৰ্ডৰ বয়সত আটাইতকৈ ডাঙৰ আৰু মানত আটাইতকৈ সৰু সদস্যগৰাকী অইন এক হৰিক স্মৰি তাৰপৰা আঁতৰি গৈছিল চুচুক-চামাককৈ। সঁচাই, মাক-জীয়েকৰ প্ৰতাপত এই নতুন ল'ৰাটোও কিমান দিন তিষ্ঠে এক হৰিয়েহে জানে।

পিছে হৰেশ্বৰ বৰুৱাহঁতৰ ঘৰত ঠিকেই তিষ্ঠি গৈছিল। সময়ত তাক নৈশ স্কুলত ভৰ্তি কৰি দিয়া হ'ল আৰু ফৰেষ্ট গাৰ্ডৰ শাস্তি, জংঘলৰ নানা বিভীষিকা, গছ কটা আৰু বোজা বৈ অনাৰ অমানুষিক কষ্টৰ পৰা হাত সাৰিও পঢ়িবলৈ পোৱাৰ আনন্দতে ল'ৰাটোৱে মনৰ উৎসাহতে দিনৰ দিনটো টগবগাই কাম কৰি বৰুৱানীক বেছ সন্তুষ্টই কৰি তুলিলে। ৰাতিৰ ক্লাছবোৰ দিনৰ স্কুলৰ ক্লাছবোৰতকৈ চুটি, তদুপৰি প্ৰায়ে ইজন-সিজন শিক্ষক-শিক্ষয়িত্ৰী অনুপস্থিত থাকে বাবে দিনৰ স্কুলতকৈ ৰাতিৰ স্কুলত ছুটী বেছি হয়, মাজে-সময়ে লাইট নুমুৱাৰ নিয়মতো আছেই। তেতিয়াও ছুটী হৈ যায়। ইফালে সি স্কুললৈ যোৱাৰ আগতে বেছি সংখ্যক আলহী-দুলহী আহিলে বৰুৱানীয়ে তাক সেইদিনালৈ স্কুললৈ যাবলৈ নিদিয়ে। মুঠৰ ওপৰত, চৌধুৰী দম্পতীয়ে কোৱাৰ দৰেই স্কুলত পঢ়া ল'ৰা ৰাখিও বৰুৱাৰ সাংসাৰিক কামত সিমান বিঘিনি নঘটিল।

মুন হৰেশ্বৰতকৈ সৰু যদিও সি ওপৰৰ ক্লাছত পঢ়ে। ডনবস্কো স্কুলৰ ক্লাছ চেভেনৰ ছাত্ৰ মুনৰ নৈশ স্কুলৰ পঞ্চমমানৰ ছাত্ৰ হৰেশ্বৰৰ স্কুল, পঢ়া-শুনা, ক্লাছৰ ল'ৰা, শিক্ষক-শিক্ষয়িত্ৰী আদিৰ বিষয়ে বৰ কৌতূহল। সময় পালেই সি পেঘেনিয়াই পেঘেনিয়াই নানা কথা সুধি থাকে।

"তাৰমানে তহঁতৰ ল'ৰাবোৰ বৰ দুষ্ট?"

"ওঁ, বৰ দুষ্ট মুন, ছাৰহঁত ক্লাছত সোমালে তেও যেন তেন, কিন্তু বাইদেউহঁত ক্লাছত সোমালে সিহঁত থিয় নহয়। মই থিয় হওঁতে মোক কত ঠাট্টা– গাঁৱলীয়া ভূত, গাধা কত কি কয়। বাইদেউহঁতে ধমক দিলে ভয়েই নকৰে। আৰু আমাৰ যে চৌধুৰী বাইদেউ, ভূগোল পঢ়ায়, কিন্তু নামতহে, বেছিভাগ আমাক চিনেমাৰ কথাকে কয়–"

"চিনেমাৰ কথা কয়? কি চিনেমাৰ কথা কয়?"

"বাইদেৱে ৰবিবাৰে কি চিনেমা চালে, আমি কোনোবাই কিবা চালোনে, কাৰ ঘৰত টিভি আছে, আমি টিভি চোৱাৰ সময় পাওঁনে বা আমাক গৃহস্থই টিভি চাবলৈ দিয়েনে– এনে নানা কথা।"

"মাই গড। তহঁতৰ এনে টিচাৰ! ল'ৰাবোৰে বোধহয় খুব ভাল পায়?"

"নাপাবনে? সিহঁতে ফুৰ্তিত কিৰিলি মাৰি থাকে, বাইদেউক তেওঁ ৰবিবাৰে চোৱা চিনেমাখনৰ গল্প ক'বলৈ কয়।"

"বাইদেৱেৰাই কয়নে?"

"ওঁ, কেতিয়াবা কেতিয়াবা কয়।"

ইয়াৰ পিছত হৰেশ্বৰে ফিক্‌কৈ হাঁহি দিছিল।

"কি হ'ল? হাঁহিলি কিয়?"

"আমাৰ ইংৰাজীৰ বাইদেৱে ভালকৈ ইংৰাজী নাজানে, মুন। সিদিনা আমাক টেনশ্লেশ্বন কৰিব দিছিল। মোক আটাইবোৰতে শুদ্ধ চিন দি চহী কৰিছিল। পিছত ঘৰলৈ আহি আমাৰ পিংকি বাইদেউক ফুৰ্তিত ক'লোঁ বোলে আজি মই টেনশ্লেশ্বনত পূৰা নম্বৰ পাইছোঁ। পিছে বাইদেৱে চাই বহুত ভুল উলিয়ালে আৰু ক'লে বোলে তহঁতৰ মাষ্টৰনী এজনী গৰু।" মুন আৰু হৰেশ্বৰে সমস্বৰে উচ্চ হাস্য কৰিলে। তাৰ পিছত হৰেশ্বৰ গহীন হ'ল।

"আমাৰ স্কুললৈ চোকা মাষ্টৰ-মাষ্টৰনীনো কিয় আহিব মুন। খুব কম পইছা দিয়ে বোলে। চৌধুৰী বাইদেৱে এদিন কৈছিল যে দৰমহাৰ পইছা কেইটা তেওঁৰ চিনেমা চাওঁতে আৰু কাপোৰ কিনোতেই বোলে খৰছ হয়– ইমানেই কম পইছা দিয়ে! পিছে আমাৰ অংকৰ ছাৰজন বৰ চোকা, বৰ ভালকৈ পঢ়ুৱায়। তেওঁ বোলে দিনতো ক'ৰবাত চাকৰি কৰে, তথাপি ভাগৰ-তাগৰ নাই, বেল বজাৰ পিছতো কেতিয়াবা পঢ়ুৱাই থাকে। তেওঁ আমাৰ শেষৰ ক্লাছটো লয়, সেইবাবেহে মাজে মাজে ঘৰলৈ আহোঁতে মোৰ পলম হয়। তোমাৰ মাই কিন্তু কয় মই ক'ৰবাত ল'ৰাৰ লগত আড্ডা মাৰি থাকোঁ।"

"মাৰ কথা বাদ দে। ঐ হৰি, তহঁতৰ ল'ৰাবোৰে আৰু কি কি দুষ্টামি কৰে কচোন?"

"বিড়ি-চিগাৰেট খায়, কোনোবাই কোনোবাই বোলে মদো খায়–"

"পইছা ক'ত পায়? নিশ্চয় মালিকৰ বজাৰৰ পইছা চুৰি কৰে?"

"ওঁতো। আমাৰ লগৰ পৰমা বোলাটোৱেতো তাকে লৈ জহায়ে থাকে বোলে আজি চেনি চাবিশ গ্ৰাম নি পাঁচশৰ হিছাপ দিলোঁ, ভেণ্ডিৰ আজি দাম বাঢ়িছে বুলি আকৌ কেইটামান পইছা সৰকালোঁ, এদিন বা পকেটৰ পৰা কোনোবাই দহ টকা চুৰি কৰা বুলিয়ে ক'লোঁ, গালি অলপ খালোঁ হয় কিন্তু পইছাখিনিওতো

হজম কৰিলোঁ।"

"এই চোৰবোৰে স্কুলত কি পঢ়িবলৈ যায়? এই পৰমা বোলাটো বাৰু কাৰ ঘৰত থাকে? গৃহস্থক তাৰ কথা লগাই থৈ আহিলোঁহেঁতেন।"

"কাৰ ঘৰত থাকে মই নাজানো। পিছে কেইজন গৃহস্থক ক'বাগৈ? প্ৰায় সকলোৰে ঘৰত চোৰ পুহি ৰখাৰ দৰে হৈছে।"

"তই নিজে আজিলৈ কিমান চুৰ কৰিলি?"

"চুৰ কৰিবলৈ মই বজাৰ কৰোঁ নেকি?" হৰেশ্বৰৰ সপ্ৰতিভ উত্তৰ।

"বিড়ি-চিড়ি খাবলৈ ক'ত পইছা পাৱ?"

"মই ক'ত বিড়ি খোৱা দেখিলা? কিবা প্ৰমাণ দিব পাৰিবানে?" ঘৰখনৰ ভিতৰত মুনক আৰু বৰুৱাকে হৰেশ্বৰে ভয় নকৰে, গতিকে এই অভিযোগত সি মুনক চকু পকাই ধৰিলে।

কিন্তু মুনে তাক তাচ্ছিল্যৰ সুৰত কেৱল কৈ থলে, "যা যা বিড়ি নেখাৱ, এনে গান্ধী মহাত্মাটো ওলাইছ। যিডাল স্কুলত যিসোপা ক্লাছফ্ৰেণ্ডৰ লগত পঢ় তাৰপিছত আৰু কোনোবাই সাধু হৈ থাকে।"

মুনে তুচ্ছ-তাচ্ছিল্য কৰিলেও হৰেশ্বৰে ঘৰখনৰ ভিতৰত মুনকে ভাল পায় আৰু মন খুলি কথা পাতে। মুনে তাক মাজে মাজে চুইংগাম আৰু কেডবেৰী চকলেটো খাবলৈ দিয়ে। মুনে পিংকিৰ দৰেই ইংৰাজীত পঢ়া-শুনা কৰিলেও পিংকিৰ দৰে ইংৰাজী শব্দবোৰ লগাই কথা নাপাতে বাবেও হৰেশ্বৰৰ সুবিধা হয়। মুনেও বোধহয় তাৰ লগত কথা পাতি খুব ভাল পায়– অন্ততঃ হৰেশ্বৰৰ সেইটোৱে ধাৰণা– কাৰণ সময় সুযোগ পালেই সি আহি হৰেশ্বৰৰ লগত কথা পাতে। মুনৰ অৱশ্যে তাৰ নৈশ স্কুলখনৰ বিষয়েই কথা পাতি বেছি ভাল লাগে যেন অনুমান হয়, বিশেষকৈ ল'ৰাবোৰৰ বিষয়ে।

"তহঁতৰ ল'ৰাবোৰে বাৰু অসভ্য কথা পাতেনে?"

হৰেশ্বৰে জিভা কামুৰি দিছিল, "ছিঃ ছিঃ, আমাৰ ল'ৰাবোৰ বৰ অসভ্য, বৰ বেয়া কথা পাতে, শুনিলে মোৰ লাজত কাণ-মুৰ ৰঙা হৈ যায়– ছিঃ ছিঃ–"

"কি অসভ্য কথা কচোন?"

"ইচ্ মই তোমাৰ আগত সেইবোৰ কথা কোনোমতে ক'ব নোৱাৰোঁ দেই, বৰ অসভ্য কথা, বৰ লেতেৰা কথা–"

"ক না হৰি"

"ওঁহো, কোনোমতেই ক'ব নোৱাৰি, মুন, জঘন্য কথা সেইবোৰ–"

"ঐ হৰেশ্বৰ, মই তোক পুৰা এক পেকেট চুইংগাম দিম, ক না সিহঁতে কি কথা পাতে–"

হৰেশ্বৰক সেইদিনা উদ্ধাৰ কৰিলে সি বাঘৰ দৰে ভয় কৰা ধুনে;

বৰুৱাহঁতৰ বৰপুত্ৰ থুন, যি ৰেডিঅ'ৰ চাকৰিটো নেপালে, যি কামকৰা ছোৱালীৰ প্ৰতি যৌন আকৰ্ষণ অনুভৱ কৰিব বুলি 'সন্ধ্যাৰাগ' চাই ভয় কৰি বৰুৱানীয়ে বহুত দিনৰে পৰা কামকৰা ছোৱালী নৰখা হৈছে। ঘৰত বেছি সময় নাথাকে থুন, কাৰো লগত বেছি কথা নকয়, হৰেশ্বৰক প্ৰয়োজন নহ'লে একেবাৰেই নামাতে, খঙো কৰি পোৱা নাই, তথাপি তাক বাঘৰ দৰেই ভয় কৰে সি। সেই কথাষাৰি সি মুনকো কৈছে। "বুজিছা মুন, আমিতো সৰুৰে পৰাই হাবিত সোমাই খৰি লুৰিছোঁ, আমাৰ সেইফালে উকিযাম, কুলছী, হাঁহিমত কম জংঘলনে, কম বাঘ-ভালুক ওলায়নে, দুই-এটাক হাবিত বাঘে ধৰিছেও, আমিও বাঘ-ভালুকক ভয় কৰি কৰিয়ে হাবিত সোমাওঁ –কিন্তু থুনদাদাক যে মোৰ সেই বাঘ-চাঘবোৰতকৈও বেছি ভয় লাগে, কিয ক'বই নোৱাৰোঁ। তোমাৰ মাযেতো মোক দিন-ৰাতি খং কৰি থাকে; তেওঁকতো ইমান ভয নালাগে–"

থুন ক'ৰবাৰ পৰা আহি পাইছিল, হৰেশ্বৰ আৰু মুনক কথা পাতি থকা দেখি গহীনাই ক'লে, "কি মেল মাৰিছ অ' দুযো?"

মুনে লৰালৰিকৈ ক'লে, "ইহঁতৰ স্কুলৰ ল'ৰাবোৰ যে বৰ দুষ্ট, টিচাৰক ৰেস্পেক্ট নকৰে, পঢা-শুনালৈ মন-কাণ নাই, টিচাৰে পঢ়ুৱা লেছন মন দি নুশুনে, সেইবোৰ কথাই হৰেশ্বৰে কৈ আছিল।"

"ওঁ, সিহঁত তেনেকুৱা হ'বইতো, সিহঁতৰখন যে নালন্দা বিশ্ববিদ্যালয।"

পিংকি যে কেতিয়া আহি তাত থিয হৈছিল হৰেশ্বৰে গমেই ধৰিব পৰা নাছিল। তাই হো-হোৱাই হাঁহি দিযাতহে সি সচকিত হ'ল।

মন্তব্যটো দি থুন আৰু তাত ৰোৱা নাছিল, ঘৰৰ ভিতৰলৈ সোমাই গৈছিল। পিংকিযে মুনক ক'লে "থুনদাই ইহঁতৰ ৰাতিৰ স্কুলখনক কিয় নালন্দা ইউনিভাৰ্চিটি বুলি ক'লে বুজিলিনে, মুন?"

"ওঁহো"

"তই, হৰি?"

"ময়ো বুজা নাই বাইদেউ।"

পিংকিযে হাঁহিলে। "তই নালন্দাৰ ষ্টুডেন্ট হৈ বুজিবি নে ষ্টুপিড? নালন্দা ইমানেই ফেমাছ আছিল যে তালৈ ফাৰ ফাৰ ডিষ্টেন্ট কাণ্ট্ৰিৰ ষ্টুডেন্ট পঢিবলৈ আহিছিল, কেৱল লোকাল ষ্টুডেন্টেই নাছিল। আমাৰ ডনবস্কো, ছেন্ট মেৰিজ বা অন্য স্কুলবোৰত জেনেৰেলি লোকাল ষ্টুডেন্টেই থাকে– নালন্দাৰ দৰে ফেমাছ নহয়তো– কিন্তু তহঁতৰখনত কত ঠাইৰ নলেজ হাংৰি ষ্টুডেন্টেই যে আহি নপঢে! তই আহিছ ছাউথৰ বকোৰ পৰা, কোনোবা আহে নৰ্থৰ নলবাৰী, ৰঙিয়া, ঘগ্ৰাপাৰৰ পৰা, কোনোবা আহে ইষ্টৰ সোণাপুৰ, চন্দ্ৰপুৰৰ পৰা, কোনোবা আহে ৱেষ্টৰ শালকোছ-বিজনীৰ পৰা– অ' হোৱাট এ অণ্ডাৰফুল লট্– অল দ্যা ছাৰ্ভেন্টছ এণ্ড

ল'লি পিপল ছিকিং এডুকেশ্বন। সেই নালন্দাত পঢ়া স্কলাৰসকলৰ পৰা তই কি হাই মৰেল ষ্টেণ্ডাৰ্ড আশা কৰিব পাৰ অ' মুন? দে হেভ ন' আইডিয়েল, ন' এমবিশ্বন। ঐ হৰি, খুবতো স্কুলত পঢ়িছ, তোৰ এমবিশ্বন্ কি কচোন?"

"এমবিশ্বন্ মানে কি বাইদেউ?"

"এমবিশ্বন্ মানে ডাঙৰ মানুহ হোৱাৰ সপোন।" মুনে বায়েকৰ ইংৰাজীৰ কোনোমতে ভাঙনি এটা কৰিলে।

এইবাৰ হৰেশ্বৰে টপৰাই মাত দিলে, "মই গিৰিশ কাকাৰ দৰে হ'ম বাইদেউ।"

পিংকি-মুন অলপ সময় তথা লাগিল; তাৰপিছত সজোৰে সমস্বৰে হাঁহিলে।

"অ' মুন, মানুহৰ এম্‌বিশ্বন হয় স্কলাৰ, চাইন্টিষ্ট, লিটাৰেট্যুৰ, ফিল'ছফাৰ, প্ৰফেছৰ, ডাক্তৰ আদি হোৱাৰ, আইডিযেল হয় গান্ধী, আইনষ্টাইন আদি। আৰু আমাৰ হৰিৰ আইডিযেলমেন্‌জন হ'ল গিৰিশ কাকা। হাঃ হাঃ হাঃ। হু ইজ দিছ গ্ৰেট মেন? কোন ঐ এই মহাপুৰুষজন?" এইবাৰ পিংকি নিজেই অনুবাদিকা হ'ল।

"গিৰিশকাকা আৰু মহেন্দ্ৰকাকা আমাৰ গাঁৱৰে মানুহ। গিৰিশকাকা হাকিম হৈছে আৰু মহেন্দ্ৰকাকা ইঞ্জিনাৰ হৈছে। আমাৰ এম-ভি স্কুলৰ হেডপণ্ডিতে আমাক কৈছিল, "ল'ৰাহঁত, আমাৰ গাঁৱৰ মুখ উজ্জ্বল কৰা দুজনেই মানুহ ওলাইছে– তেওঁলোক হ'ল গিৰিশ দাস আৰু মহেন্দ্ৰ হালৈ। এজন হাকিম হৈছে, এজন ইঞ্জিনাৰ হৈছে। ডাঙৰ হৈ তোমালোকো যেন তেওঁলোকৰ দৰে হোৱা।" মই বাইদেউ ইঞ্জিনাৰতকৈ হাকিমহে ভাল পাওঁ। আমাৰ শনে মাহী বকোৰ ৰবীন হাকিমৰ ঘৰত আছিল, তেতিয়া মাৰ লগত হাকিমৰ ঘৰলৈ দুই-এবাৰ গৈছিলোঁ, সেই বযসত বাইদেউ সেইজনেই প্ৰথম ডাঙৰ মানুহ দেখিছিলোঁ। পিছত হেডপণ্ডিতে গিৰিশকাকা আৰু মহেন্দ্ৰকাকাৰ দৰে হ'বলৈ কোৱাত মোৰ ৰবীন হাকিমৰ ঘৰ-দুৱাৰৰ কথা মনত পৰি গৈছিল আৰু তেতিয়া গিৰিশকাকাৰ দৰে এম্-আম বাইদেউ, আপুনি সেইটো কি ইংৰাজী শব্দ কৈছিল?"

পিংকি হাঁহিৰ কোবত যেন বাৰাণ্ডাখনৰ শুদা পকাতে ঢলি পৰিব।

ইয়াৰ পিছত হৰেশ্বৰক পিংকিযে মতা নামবোৰৰ ভিতৰত হাকিমো যোগ হ'ল– হৰেশ্বৰ (খং উঠা সময়ত ব্যৱহৃত হয়), হৰি, কঁটীয়া হাকিম–

হৰেশ্বৰে বৰুৱানীৰ হাতত দুই-এটা লপা-থপা খাইছে, কিন্তু পিংকিয়ে কোনোদিন তাৰ গাত হাত লগোৱা নাছিল। এদিন পিছে তাই কাণতলীয়া চৰ এটা সোধালে।

সেইদিনা পিংকিৰ কলেজ নাই, মুন আৰু হৰেশ্বৰো স্কুল নাই। আচলতে

আছিল, কিন্তু সিহঁতে নকৰিলে। বিদেশী খেদা আন্দোলনৰ কাৰ্যসূচী অনুযায়ী সেইদিনা শ্ৰেণী বৰ্জন কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল আৰু তাক সিহঁতে পালন কৰিছিল। প্ৰথম অৱস্থাত বৰুৱানীয়েও আন্দোলনৰ কাৰ্যসূচীবোৰত পৰম উৎসাহেৰে ভাগ লৈছিল, কিন্তু পিছলৈ যেতিয়া পিংকি আৰু মুনৰ একোটাকৈ বছৰ ক্ষতি হ'ল আৰু শ্ৰেণী বৰ্জনৰ ফলত পঢ়া-শুনা ক্ষতি হ'বলৈ ধৰিলে, তেতিয়া তেওঁ ঘৰৰ চাৰিবেৰৰ ভিতৰতে গজগজাবলৈ ধৰা হ'ল আৰু বান্ধৱী পূৰ্ণিমা শইকীয়াক সমালোচনা কৰিবলৈ ধৰিলে। "দেশদ্ৰোহী ক'ৰবাৰ, বাহিৰত লীডাৰজনী ছেলাই আছে, ইফালে ল'ৰা-ছোৱালীহালক চেণ্ট্ৰেল স্কুলত নাম লগাই দি মনৰ সুখত আন্দোলনত যোগ দি আছে।" মুনকো চেণ্ট্ৰেল স্কুলত দিব নোৱাৰাৰ দুখটো আজিকালি তেওঁৰ তীব্ৰ হৈ উঠিছে। সি যি কি নহওক, এতিয়াৰ কাৰ্যসূচীবোৰত তেওঁৰ দুই ধৰণৰ মানসিক প্ৰতিক্ৰিয়া হোৱা হৈছে– মুন, পিংকিৰ পঢ়া-শুনা ক্ষতিৰ কথা ভাবিলে তেওঁৰ খং উঠে, আনহাতে হৰেশ্বৰো যে স্কুললৈ যাব নালাগে সেই কথাটোত সকাহ পায়।

ক্লাছলৈ যাব নলগা হৰেশ্বৰে পিংকিক সুধিলে, "বাইদেউ, আপোনালোকে আন্দোলন কৰিছিলনে?"

"ওঁ, কৰিছিলোঁতো, তাৰ বাবেতো কলেজত এবছৰ ক্ষতিয়ে হৈ গ'ল।"

"আমিও কৰিছিলোঁ, বাইদেউ। আমাৰ গাঁৱৰ ধীৰেন বোলা ল'ৰাটো বৰ চোকা আছিল, ঘৰৰ অৱস্থা কিন্তু বৰ বেয়া। কোনোমতে বৃত্তি পাই, টিউছন কৰি পঢ়িছিল। গুৱাহাটীৰ কলেজত আহি পঢ়িছিল। পিছে এটা বছৰ ক্ষতি হওঁতে সি আৰু পঢ়িব নোৱাৰিলে– সিহঁতৰ দৰে দুখীয়া মানুহৰ বাবে এটা বছৰ এনেয়ে যোৱা কম কথা নহয়।"

"দেশৰ বাবে সেইখিনি ছেক্ৰিফাইচ কৰিবই লাগিব। কতজনেতো প্ৰাণ দি শ্বহীদেই হ'ল।" পিংকিয়ে গহীনাই কৈছিল।

"বাইদেউ, আমাৰ গাঁৱৰ মানুহে কোৱা-কুই কৰে বোলে এই আন্দোলনটোত চহৰৰ মানুহৰ সিমান ক্ষতি হোৱা নাই, গাঁৱৰ মানুহৰহে বেছি ক্ষতি হৈছে, মানুহো মৰিছে, চি-আৰ-পিৰ অত্যাচাৰো বেছি হৈছে। গাঁৱৰ মানুহে আৰু কয়, আমি আমাৰ মাতৃভাষা অসমীয়াক ৰক্ষা কৰিবলৈ প্ৰাণ দিবলৈকে ওলাই আহিছোঁ, চহৰৰ মানুহে কিন্তু নিজৰ মাতৃভাষাটোক শ্ৰদ্ধা নকৰে, ইংৰাজীকহে নিজ মাতৃভাষাৰ দৰে আদৰ কৰে। কথাটো যে সঁচা আপোনালোকৰ ইয়াতে প্ৰমাণ পাই গ'লোঁ– আপুনি, থুনদাদা, মুন কোনেও দেখোন কেতিয়াও অসমীয়া কিতাপ নপঢ়ে–"

হৰেশ্বৰৰ গালত প্ৰকাণ্ড কাণতলীয়া চৰ এটা পৰিল। "স্কাউণ্ড্ৰেল, বাওনা (মোকৰ পৰা শিকা এই শব্দটোও শেহতীয়াভাৱে হৰেশ্বৰৰ নামৰ তালিকাত

অন্তৰ্ভুক্ত হৈছিল), ইমান অডাচিটি তোৰ, নালন্দাত পঢ়িবলৈ পাই বৰ সাহ্ বাঢ়ি গৈছে নহয়? আজিয়ে মাক কৈ তোক খেদি দিম, আমাৰ দৰে ইমান সুখত কোনে তোক পঢ়ুৱায় চাম। মা, অ' মা, এই বদমাইচ বাওনাটোৰ–," পিংকিয়ে মাকক চিঞৰি চিঞৰি পাকঘৰ পাইছিলগৈ।

অৱশ্যে হৰেশ্বৰক বিতাৰণ কৰা নহ'ল। বৰুৱানীয়ে তাক বহুত সময় বকাবকি কৰি পিংকিক সৈমান কৰিলে।

এদিন হৰেশ্বৰ স্কুললৈ গৈ পাওঁতেই স্কুল ছুটী হৈ গ'ল। বিহু ওচৰ চাপিছে, বহুত দূৰণিৰ পৰা হুঁচৰিৰ দল এটা আহি পাইছে আৰু তেওঁলোকক হৰেশ্বৰহঁতৰ স্কুলটোতে থকাৰ বন্দবস্ত কৰি দিয়া হৈছে। গতিকে গৈ পোৱাৰ লগে লগে ছুটী হোৱাত হৰেশ্বৰ স্কুলৰ পৰা আহি থকাৰ বাটত এজুম ল'ৰাৰ মাজত মুনক দেখি অবাক হৈ গ'ল, ল'ৰাবোৰৰ প্ৰত্যেকৰে হাতত চিগাৰেট, মুনৰ হাততো এডাল জ্বলা চিগাৰেট, অকল সেয়ে নহয়, সি চাওঁতে চাওঁতে মুনে সেই চিগাৰেটত হোঁপাও মাৰিলে।

"মুন, তুমি চুৰট খাইছা?" হৰেশ্বৰ একে চোঁচাই মুনৰ কাষ পাইছিলগৈ।

মুন অলপ থতমত খালেও বন্ধুবোৰৰ আগতে তাৰ সম্মান হানি হোৱাৰ ভয়ত সি প্ৰয়োজনতকৈও কঠোৰ মাত উলিযাই ক'লে, "খাইছোঁ খাইছোঁ, তই তাত মাত মাতিবৰ কোন? আমাৰ চাকৰ নহে যেন গাৰ্জিয়েনটোহে ওলাইছে।"

লগৰ ল'ৰাবোৰে আমোদেৰে হৰেশ্বৰলৈ চাই হাঁহিলে, মুনে সিহঁতলৈ চাই ক'লে, "আমাৰ এই চাৰ্ভেন্টটোৰ বৰ বৰ কথা। অৱশ্যে দেখাত টিলিকা হৈ থাকিলে কি হ'ব, বয়স বহুত হৈছে। সেইবাবেই বৰ পকা কথা-বতৰা। ঐ হৰি, ইয়াত তই কিয় গা ঘেলাবলৈ আহিছ? যা, ঘৰলৈ যা। আৰু শুন, ঘৰত যদি মই চিগাৰেট খোৱাৰ কথা কৱ, তোৰ গাৰ ছাল ছিঙি দিম।"

হৰেশ্বৰ বৰুৱাহঁতৰ ঘৰত থকা এবছৰ উকলি গ'ল। সি মজলীয়াভাৱে পাছ কৰি ষষ্ঠমানলৈ প্ৰমোছন পালে। মজলীয়াভাৱে পাছ কৰিলে মুনেও। সি ক্লাছ এইট পালে। অৱশ্যে তাৰ লগৰ প্ৰায়বোৰ ল'ৰাৰ দৰে তাৰো প্ৰাইভেট টিউটৰ আছিল।

মুনৰ গোঁফে ঠুটিয়াইছে, হৰেশ্বৰৰ মুখ কিন্তু এতিয়াও মসৃণ, ছোৱালীৰ দৰে। সেইবাবে পিংকিয়ে এদিন কৈছিল যে সি আচলতে ট্ৰাইবেল। বকোত কত ট্ৰাইবেল মানুহ আছে, সিহঁতৰ ঘৰলৈ উপাধি লুকাই আহিছে; হয়তো আছিল বসুমতাৰী বা ৰাভা, ইয়াত আহি চৌধুৰী হৈছে।

কৈশোৰ-যৌৱনৰ সন্ধিস্থলত ভৰি দিয়া সেই মুনে এদিন হৰেশ্বৰক সংগোপনে হৰেশ্বৰৰ কোঠালি অৰ্থাৎ চিৰিৰ তললৈ মাতি লৈ গ'ল। সৰু ৰুমটো বিছনা, কিতাপ-পত্ৰ, কাপোৰ-কানিৰে ঠাহ খাই আছে; হৰেশ্বৰে পুৰণি পেলনীয়া

কেলেণ্ডাৰৰ ছবি কিছুমান আনি বেৰৰ অ'ত ত'ত আঠা লগাই ঘৰটো সজোৱা বাবে তাৰ শ্বাসৰুদ্ধ অৱস্থাটো আৰু বৰ্ধিত হৈছে।

মুনৰ হাতত কেইখনমান আলোচনী। সি সেই কেইখন লৈ হৰেশ্বৰৰ বিছনাতে বহি পৰিল। ঘৰখন নিজান, পিংকি আৰু বৰুৱানী ক'ৰবালৈ গৈছে, বৰুৱা বৈঠকখানাত মক্কেলৰ সতে ব্যস্ত, থুনতো এইখিনি সময়ত নেথাকেই, তাৰ ৰুমৰ তলা বন্ধ কৰি ক'ৰবালৈ ওলাই যায়। ঘৰৰ এই নিৰ্জনতা, মুনৰ মুখৰ অস্বাভাৱিক আভা– হৰেশ্বৰৰ গাটো সিৰসিৰাই গ'ল যি অতীত স্মৃতিৰে ভাৰাতুৰ, নিজান অৰণ্যত সোমাই কাঠ কটা দিনত জন্তুৰ উপস্থিতি অনুভৱ কৰাৰ দৰে গাৰ সিৰসিৰনিটো।

"হৰি, ইয়াৰ ছবিবোৰ চাওঁ আহ, মই থুনদাৰ বিছনাৰ তলৰ পৰা এইবোৰ লৈ আনিছোঁ।"

"থুনদাদাৰ দুৱাৰত দেখোন তলা লগোৱা আছে?"

"তলাৰ ডুপ্লিকেট চাবি থাকে নহয়, ষ্টুপিড। মই বহুত দিনৰে পৰা ছেগ চাই আছিলোঁ, চাবিও যোগাৰ কৰি থৈছিলোঁ। আজি সুযোগ মিলিছে। মই ঠিকেই জানো নহয় থুনদাদাই এইবোৰ মেগাজিন ৰাখে, আমাৰ লগৰ ৰাতুলৰ ককায়েকৰ তাতো বোলে এইবোৰ ভৰি আছে। তই জাননে, হৰি, আমাৰ থুনদাই যে ড্ৰিংকো কৰে? মই কেৱল চিগাৰেটহে খাওঁ, তাৰ দৰে পইছা হাতলৈ আহিলে ময়ো বাপেকে কৰিম– ৰাম, হুইস্কি, চেম্পেন।"

মুনে কথা কৈ কৈ আলোচনীৰ পাত লুটিয়াবলৈ আৰম্ভ কৰি দিছিলেই আৰু জিভাৰ পানী ওলোৱা সুখাদ্য গোগ্ৰাসে গিলা লুভীয়াৰ দৰে যেন সি সেই ছবিবোৰ চকুহালেৰে লেহন কৰি গৈছিল– "আঃ হৰি, এইজনীক চাচোন, উস্ এইজনীৰ যে হিপছ দুটা, মাই গড এইজনীৰ দেখোন... হৰি, চা চা উস্।"

'নালন্দা'ত পঢ়া হৰেশ্বৰ ভাল স্কুলত পঢ়া ছাত্ৰৰ কাণ্ডত দৰদৰকৈ ঘামিবলৈ ধৰিলে। ভাল স্কুলত পঢ়ি অহা থুনদাদাৰ সংগ্ৰহৰ এইবোৰ বস্তু সেই একে ভাল স্কুলতে পঢ়া ভায়েকে চুৰি কৰি আনি লুকাই-চুৰকৈ উপভোগ কৰিব ধৰিছে। হে হৰি– হৰেশ্বৰে এইখন ঘৰে দিয়া তাৰ নামটোৰে সৰ্বশক্তিমান গৰাকীজনক স্মৰণ কৰি ভাবিবলৈ ধৰিলে– হে হৰি, এইখন ঘৰৰ আৰু এক ভাল স্কুলত পঢ়ি অহা ছোৱালীজনীৰ বিছনা-বাকচৰ তলত বা আৰু কি ভাল বস্তু ওলায়! ওলাবই যে সেই বিষয়ে হৰেশ্বৰৰ মনত কোনো সন্দেহ নাছিল। □

নাৰী দশকত অকণ

জগতৰ মানুহে মোক কেৱল অন্ধ বুলিহে জানে, কিন্তু মই যে কলা-ধুম-কলা সেই কথা কিন্তু কোনেও নেজানে।

জগত! মোৰ জগতখন যে এতিয়া কিমান বহল হৈ গ'ল, বৰ জঘন্যভাৱে বহল হৈ গ'ল। পাণকুছি নামৰ সৰু গাঁওখনেই এদিন মোৰ সম্পূৰ্ণ জগত আছিল, তাত থকা পৈত্ৰিক মাটি-ডৰাতে খেতি কৰি মোৰ সৰু সংসাৰখন পোহপাল দি আছিলোঁ। তেতিয়া মোৰ বাঁহ-খেৰৰ দুটা খোটালিৰে থকা ঘৰটো, তাৰ পিৰালিখন, সংলগ্ন পাকঘৰটো, ঢেঁকীশালখন, তাৰ গাতে লগা তাঁতৰ চালিখন, ধানৰ ভঁৰালটো, খেৰৰ পুঁজিটো আৰু হালোৱা গৰু দুটাৰে গোহালিটো, পিছফালৰ শাক-পাচলি আৰু তামোল-পাণৰ সৰু বাৰীখনেৰে সৰু সংসাৰখনৰ উপৰিও গাঁওখনৰ ত্ৰিছ ঘৰ মানুহ, ৰমাকান্তৰ গেলামালৰ দোকান, কাঞ্চিলাল কেঞাৰ নতুনকৈ পতা কাপোৰ, সূতা আৰু হৰেক ৰকমৰ মনোহাৰী মালৰ ক্ৰমে ডাঙৰ হৈ অহিব ধৰা দোকানখন, পাঠশালা স্কুলখন, এম-ভি স্কুলখন, মানুহবোৰৰ খেতিৰ পথাৰকেইখন, প্ৰাগলাদিয়া নৈখন, মথাউৰিটো, গাঁওখনৰ সীমাৰে যোৱা বাছ অহা-যোৱা কৰা সদৰ আলিটো– এই সকলোবোৰতে মোৰ জগতখন সীমাবদ্ধ হৈ আছিল। তাৰপিছত মই অন্ধ হৈ গ'লোঁ, কিন্তু মনৰ চকুত পাণকুছিৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ অংশও সদায় দৃশ্যমান হৈ ৰ'ল, গতিকে মোৰ পৰিচিত জগতখন অন্ধ হৈয়ো মই হেৰুৱাব লগা নহ'লোঁ।

এতিয়া মই গুৱাহাটী মহানগৰৰ বাসিন্দা, গুৱাহাটীতে বোলে বহুত ভিক্ষাৰী, এতিয়া ময়ো সেই ভিক্ষাৰীবোৰৰে এজন। মোৰ হাতৰ লাখুটিডালৰ আগমূৰ-টোত ধৰে অকণে, পিছমূৰটোত মই। তাৰপিছত তাই মোক গুৱাহাটীৰ বাটে বাটে ঘূৰাই লৈ ভিক্ষা খুজি ফুৰে। আমি বিশেষকৈ চিটি বাছ ৰোৱা ঠাইবোৰত হে ভিক্ষা খোজোঁ। বেছি সময় ৰোৱা ঠাইবোৰত অকণে বাছত উঠিও যায়। বাছৰ মানুহ কোনোৱে তাইক ভিক্ষা দিয়ে, কোনোৱে নিদিয়ে। 'এই ডাঙৰ ছোৱালীজনীয়ে ভিক্ষা কৰি খাবলৈ লাজ নেপাৱ.'.., 'ভিক্ষাৰীসোপাৰ পৰা আৰু

উপায় নোহোৱা হৈছে, বাছৰ ভিতৰতো ইহঁতৰ পৰা ৰক্ষা নাই'... 'ঐ, এনেকৈ যে খুজি মৰিছ কাম নকৰ কিয়? অসমীয়া মানুহ হৈ ভিক্ষা কৰিবলৈ লাজ নালাগে...।' বাছৰ ভিতৰৰ মানুহে কোৱা এনেধৰণৰ নানা কথা আহি মোৰ কাণত পৰে। মই নিৰ্বিকাৰ মুখভংগী কৰি থাকোঁ –নেদেখাৰ লগতে যেন একো শুনাও নাই, যেন মই কলাহে...

বাছৰ বাহিৰত অইন ঠাইত অৱশ্যে অকণে সেইবোৰ কথা শুনিবলগীয়া নহয়, কাৰণ তেতিয়া তাই মোৰ লাখুটিডালৰ আগত ধৰি থাকে আৰু মানুহবোৰে তাইৰ অসহায়তাখিনি বুজি পায়। কোনো কোনোৱে অৱশ্যে মই অন্ধ নহওঁ–ভাও ধৰিহে আছোঁ, এনে মন্তব্যও দিয়ে। দিবই, মোৰ চকু দুটাততো দেখাত কোনো দোষ নাই, সাধাৰণ মানুহৰ দৰেই চকু সেই দুটা।

দেখাত যেনেকুৱা স্বাভাৱিক কামতো চকু দুটা তেনে স্বাভাৱিক থকা দিনবোৰলৈ প্ৰায়ে মনত পৰে, জীৱনৰ সকলো কথাই আন দহজন মানুহৰ দৰেই সহজ আৰু স্বাভাৱিকভাৱে কটোৱা দিনবোৰলৈ খুবেই মনত পৰে। পাণকুছি গাঁৱৰ খেতিয়ক, পৈত্ৰিক মাটিডৰাতে খেতি কৰি মোৰ পৰিবাৰ আৰু ল'ৰা-ছোৱালী দুটাক কোনোমতে পোহপাল দিছিলোঁ। অকণ জন্ম হোৱাৰ এবছৰ পিছত বাপুটোৰ জন্ম হৈছিল বাবে পৰিবাৰৰ কিছু আহুকাল হৈছিল, কিন্তু ল'ৰা জন্ম দিয়াৰ আনন্দতে তাই আমনিক আমনি জ্ঞান কৰা নাছিল। পিছে মোৰ সৰু জগতখনৰ সেই সুখ বেছিদিন নিটিকিল, এবাৰ প্ৰবল বানপানী অহাত মথাউৰিৰ এডোখৰ ছিগি গ'ল– ৰাতি-বিয়লিৰ ঘটনা– আমি সাৰ পাই উঠি দেখোঁ খাটৰ তলত পানীৰ খলখলনি। মই অকণক বুকুত সাবটি ল'লো, মাকে তিনি বছৰীয়া ল'ৰাটিক। পানী বাঢ়িয়ে থাকিল। মই কিবা প্ৰকাৰে এজন এজনকৈ আটাইকেইজনকে ঘৰৰ চালত উঠাই দিলোঁ আৰু শেষত ময়ো উঠি ল'লোঁ। এটা সময়ত পানী ইমানেই বাঢ়িল যে আমাৰ ঘৰৰ চালখনো প্ৰায় ডুবো ডুবো হ'ল। ভগৱানৰ নাম স্মৰিয়ে ৰাতিটো তাতে বহি কটালোঁ, পুৱাৰ বেলিৰ কিৰণে চকুত খুচি দিয়াত সাৰ পাই প্ৰথমতে একো তৎ ধৰিব পৰা নাছিলোঁ– পিছত সকলো কথা লাহে লাহে মনত পৰি যোৱাত ভীষণভাৱে চঁক খাই ইফালে-সিফালে চাই দেখোঁ আমাৰ পাণকুছি এখন মহাসমুদ্ৰত পৰিণত হৈছে, সেই সমুদ্ৰত আমাৰ ঘৰৰ চাল আৰু বহুতৰে ঘৰৰ চাল যেন একো একোটা দ্বীপহে। আমাৰ ঘৰৰ চাল! প্ৰথমতে চকুত পৰিব লগা দৃশ্যটো এতিয়া চকুত পৰিল আৰু মোৰ বুকুত হাতুৰিৰ প্ৰকাণ্ড কোব এটা পৰিল– আমাৰ ঘৰৰ চালখনত লিপিট খাই পৰি আছে এটা প্ৰাণী– মাত্ৰ এটা প্ৰাণী– তিনিটা নহয়। মোৰ সমস্ত গাটো হিম হৈ গোট মাৰি যোৱাৰ দৰে হ'ল, গা অলৰ-অচৰ, মুখেৰে শব্দ নোলায়, মই যেন এটা মৰা শহে। তথাপি তেতিয়া অন্ধ হৈ

নোযোৱা চকু দুটাৰে দেখিলোঁ– চালত লাগি থকা প্ৰাণীটো অকণ, –মাক বা ভায়েক নহয়। ৰাতি কোনোবা সময়ত হয়তো মৰ-টোপনিয়ে ধৰিছিল, তেতিয়াই কেতিয়াবা বুকুত লাগি থকা বাপুটোৰে সৈতে টোপনিত অচেতন মাকজনী পানীত সৰি পৰিছিল। মৰ-টোপনিয়ে ধৰিছিল মোকো, গোটেই ৰাতি চালখনৰ ওপৰতে বহি'কটাই দি কালান্তক নিশাটো পাৰ কৰি পুৱা আশ্ৰয়ৰ সন্ধান কৰিম বুলি ঠিক কৰি থোৱা মানুহটো যে কেতিয়া টোপনিৰ কোলাত ঢলি পৰি অজ্ঞান হৈ ৰ'লোঁ, কেতিয়া মাক-পুতেক পানীত সৰি পৰিল একো গমকে নাপালোঁ।

অকণ। 'তাই' বাচি থাকিল কিন্তু 'সি' মৰিল। প্ৰথম সন্তানটো 'সি' নহৈ 'তাই' হওঁতে মোৰ মনত অলপ অসন্তুষ্টি হৈছিল। অকণৰ বিৰুদ্ধে সেইটো প্ৰথম আপত্তি। এতিয়া দ্বিতীয়বাৰৰ আপত্তিটো ভয়ংকৰ হ'ল– সি মৰি তাই বাচি থাকিল কিয়, কিয়? ঠেলা এটা মাৰি তাইকো পানীত বগৰাই দিয়াৰ মনৰ উত্তেজনাটো মই কোনোমতেহে দমন কৰিলোঁ। এডোখৰ মথাউৰি ভাগিল, মোৰো সংসাৰ ভাগিল। পিছত তেনে সংসাৰ এখন আকৌ পাতিবলৈ চেষ্টা কৰিছিলোঁ। বানপানীয়ে সৰ্বস্বান্ত কৰিলেও, ল'ৰা-তিৰোতা, ঘৰ-দুৱাৰ, গৰু-গাই সকলো নিলেও মাটিডোখৰটো আৰু নিব পৰা নাছিল, বৰং তাত পলস পেলাই আৰু সাৰুৱা কৰি গৈছিল। সেয়ে চৰকাৰী সাহায্য লৈ সেই যাত্ৰাত কোনোমতে উদ্ধাৰ পালোঁ, পুনৰ খেতি কৰিলোঁ। তাৰ পিছতে ওচৰৰ গাঁৱৰ পৰা বিধৱা কামিনীকে ধেমনী কৰি আনিলোঁ– তাই লগত আনিলে চাৰি বছৰীয়া ল'ৰা বিপিনক। কিন্তু ল'ৰাৰ এইখন ঘৰত বোধহয় ৰাহি-যোৰা নাহে গতিকে কেইদিনমানৰ বাবে মোক দ্বিতীয়বাৰ লোকৰ হ'লেও পুত্ৰৰ বাপেক কৰি এদিন কামিনী মোক এৰি থৈ গাঁৱৰে মহাজন ৰমাকান্তৰ ওচৰত পুনৰ ধেমনী চাপিল। পুনৰ মই আৰু অকণ। মাক আৰু ভায়েক পানীত পৰি মৰাৰ দিন ধৰি মই অকণৰ প্ৰতি সন্তানৰ কোনো কৰ্তব্যকে কৰা নাছিলোঁ। চাৰি বছৰীয়া ছোৱালী-জনীয়ে সেই বয়সৰে পৰা নিজৰ ভাৰ ল'লে– অকণ অকণমানি ছোৱালী নহৈ যেন এজনী বুজন তিৰোতাহে। ল'ৰালিৰ ওমলা-কাল তাইৰ অসম্ভৱ চুটি হৈ থাকিল। মই পথাৰলৈ যাওঁতে, বজাৰ-হাটলৈ যাওঁতে, অ'ত ত'ত হুকে-বিহুকে ঘৰ এৰি ঘূৰি ফুৰোঁতে (ফুৰিমেইতো, ঘৰতনো মোৰ কিহৰ আকৰ্ষণ আছে, ল'ৰা নাই, তিৰী নাই, –বৰং অকণক দেখিলে ল'ৰাটো মৰি তাই নমৰাৰ অপৰাধটো ইমান প্ৰবল হৈ উঠে যে তাইক মোৰ ডাঙৰ শত্ৰু যেন লাগি যায়, যি শত্ৰুক একোকে কৰিব নোৱাৰি! সেই শত্ৰুৰ ওচৰৰ পৰা পলাই ফুৰিব পাৰিলেই শান্তি!) তাই নিজৰ পেটৰ যোগাৰ নিজেই কৰিবলগীয়া হয়। বেছিভাগ ওচৰ-চুবুৰীয়াৰ ঘৰত খুজি-মাগিয়ে তাই পেটটো ভৰাই ৰাখে। কিন্তু সদায় তেনেকৈ খাবলৈ নিমিলে, গতিকে ভোকত থকা ছোৱালীজনীয়ে মই

ক'ৰবাৰ পৰা ঘূৰি-পকি আহিলে ভোক লাগিছে বুলি পেনপেনাবলৈ ধৰে আৰু তেতিয়া মোৰ পৰা ভালদৰে চৰ, ভুকু খায়। শেষত তাই আৰু মোক খাবলৈ নোখোজা হ'ল, মই দিলেহে খায়।

মোৰেই নিজৰ জী– কিন্তু তাইৰ ওপৰত মোৰনো কিয় খং নুঠিব? এই সংসাৰত তাই মোক কিডাল কৰি খুৱাব– হাল বায়ে খুৱাব নে চাকৰি কৰিয়ে খুৱাব নে ৰমাকান্ত মহাজনৰ ঘৰত তাৰৈৰ ল'ৰাটোৰ দৰে বন্ধা হৈয়ে খুৱাব? ল'ৰাটো জীয়াই থকা হ'লে... উস্...

ইমান অনাদৰ-অৱহেলাৰ পিছতো কিন্তু অকণ নমৰিল, এনেকি এদিন আমাৰ শাক-পাচলিৰ সৰু বাৰীখনত তায়ে দুচটা বাঁহ হাত-ভৰিৰ দৰে কৰি মাটিত ভৰি দুখন পুতি মূৰত ভঙা কলহ এটা আঁৰি তাত চূণ আৰু চৰুৰ ছাইৰে চকু-মুখ-নাক আঁকি মোৰ উঁৱলি যোৱা চোলা এটা পিন্ধাই যি চৰাই খেদা মূৰ্তি এটা সাজি থৈছিল, সেই মূৰ্তিটোৰ লেৰেলা গা আৰু হাত-ভৰিবোৰৰ দৰেই লেৰেলা অকণৰ গাটোত আৰু হাত-ভৰিবোৰত কেনেকৈ জানো মঙহ লাগিল, পূৰঠ হৈ উঠিল অকণমানি অকণ। তেতিয়া মই আকৌ নুতুনকৈ ছোৱালী জন্ম দিয়াৰ দুশ্চিন্তাত ভুগিবলৈ ধৰিলোঁ ...ল'ৰাটো নমৰি এই মৰি যোৱা হ'লে... এই গাভৰু ছোৱালীজনী মোৰ দেখোন ডাঙৰ হাৰমাল হৈ উঠিল, আজি ল'ৰাটো জীয়াই থকা হ'লে সি তাইৰ দৰে এই বয়সত মোৰ দুশ্চিন্তাৰ কাৰণ নহৈ কিমান যে আশা-ভাৰসাৰ স্থল হৈ নপৰিলহেঁতেন। ভৱিষ্যতৰ উজ্জ্বল জীৱন এটাক পুত্ৰৰ দৰে জলঙাৰ বিন্ধাৰে নাচাই জীৰ দৰে জলঙা আঁৰ কৰি থিয় হোৱা প্ৰাণী এটাৰ মাজেৰে চাব পাৰিনে?

কামিনী গুচি যোৱাৰ পিছত মই আৰু কোনো তিৰোতা চপাই লোৱা নাছিলোঁ, মোৰ সিমান মনো নাছিল; তদুপৰি মোক কোনো দিওঁতাও নাছিল। পেটৰ ভাতমুঠি, চাহ, তামোল, ধপাত আদি অকণেই যোগান ধৰি থাকিছিল। ঘৰুৱা বন-বাৰীত তাই অতি সৰুৰে পৰা পাকৈত হৈ উঠিছিল। ছোৱালী মানুহ, ঘৰুৱা বন-বাৰী সিহঁতক কোনেও নিশিকালেও মাকৰ পেটতে অভিমন্যুৰ দৰে শিকি আহে বোধহয়! অন্ততঃ অকণক শিকাওঁতা কোনো নাছিল।

সঁচাই, ভাল দুশ্চিন্তাৰ কাৰণ হ'ল ছোৱালীজনী। গাভৰু ছোৱালীজনীক মইনো আগৰ দৰে দিনৰ দিনটো অথবা ৰাতি এপৰলৈ অকলে অকলে ঘৰটোত কেনেকৈ এৰি থৈ যাওঁ? ইফালে অন্যবোৰ চিন্তাও আছে, কিছুদিন পিছত তাইৰ বিয়াৰ কথাও চিন্তা কৰিব লাগিব– কিন্তু ল'ৰা হ'লে নালাগিলহেঁতেন, ল'ৰাটো জীয়াই থকা হ'লে এই বয়সতে তাইৰ দৰে বিয়াৰ চিন্তা কৰিব নালাগিলহেঁতেন।

ঠিক এনে এক সন্ধিক্ষণতে আমাৰ পাণকুছি গাঁও আৰু এক প্ৰলয়ংকৰী বানপানীত একেবাৰে ডুবি গ'ল। এইবাৰ কেৱল পাণকুছিয়ে নহয়, পাগলাদিয়াই

হেনো সম্পূৰ্ণ পগলা হৈ গোটেই নলবাৰী অঞ্চলতে তাণ্ডৱ নৃত্য কৰিলে। এই ভয়ংকৰ পানীয়েও কিন্তু অকণক ল'ৰাটোৰ দৰে গিলি থব নোৱাৰিলে, এইবাৰো তাই প্ৰথম ৰাতি চালৰ ওপৰত নিৰাপদে বাচি থাকিল। কিন্তু বানপানী যোৱাৰ পিছত দেখিলোঁ– এইবাৰ কোনোপধ্যেই আমি এইখন গাঁৱত জীয়াই থাকিব নোৱাৰিম, কেৱল আমিয়েই কিয়, আমাৰ দৰে আন বহুতেই নোৱাৰিব। কাৰণ এইবাৰ পাগলাদিয়াই পলসৰ সলনি চাৰিওফালে বালি পেলাই থৈ গৈছে। সেয়া যে কি বালি– কি বালি– বাপ জন্মত দেখা নাছিলোঁ। ঘৰত বালি, চোতালত বালি, পথাৰত বালি, বাৰীৰ পিছফালৰ পুখুৰীত পানীৰ সলনি বালি, চৌকাত ছাইৰ সলনি বালি– পাগলাদিয়াৰ পানীৰ মাজত কোনটো শুকান ভঁৰালত যে ইমান বালি লুকাই আছিল ক'বই নোৱাৰোঁ!

আমি বহুত দিন চৰকাৰী আশ্ৰয় শিবিৰত কটোৱাৰ কালছোৱাত ভৱিষ্যতৰ চিন্তাতে ডুবি থাকিলোঁ– ইয়াৰ পিছত কি কৰিম, ক'লৈ যাম, কেনেকৈ খাম? পথাৰবোৰ বালিৰ পাহাৰ, সেইবোৰ আঁতৰাম কেনেকৈ আৰু কেতিয়াকৈ? নৰোকাই, উপিন, দেবেন আৰু ভগীকায়ে কৈছিল যে সিহঁত গুৱাহাটীলৈ কামলা কৰিবলৈ যাব, তাৰ বাহিৰে পেটৰ ভাত মোকোলোৱাৰ কোনো উপায় নাই। ল'ৰা-তিৰোতা গাঁৱতে থাকিব। দশৰথ আৰু প্ৰবীণে শাক-পাচলিৰ ভাৰ গুৱাহাটীৰ কাছাৰী বজাৰলৈ নি বেচাৰ কথা কওঁতে আমি দুখ আৰু দুশ্চিন্তাৰ মাজতো গিৰ্জনি মাৰি হাঁহিছিলোঁ– এই মৰুভূমিৰ মাজত তহঁতে ক'ত শাক-পাচলি ফলাবি, পিছে সিহঁতে ক'লে যে গুৱাহাটীৰ ওচৰ-পাঁজৰৰ গাঁওবোৰৰ পৰা সস্তাতে পাচলি কিনি নি সিহঁতে গুৱাহাটীৰ কাছাৰী বজাৰত বেছি দামত বেচিব। সেইবোৰ গাঁৱততো আৰু পাগলাদিয়া নাই যে বালি উগাৰি গোটেইখন খেতিৰ বাবে অনুপযোগী কৰি তুলিব। কেইজনমানে আকৌ চহৰলৈ গৈ অইন ব্যৱসায় কৰাৰ কথাও পাঙিলে, খবৰ কাগজ কিনা-বেচা, টিন-বটল কিনা-বেচাৰ ব্যৱসায়ো হেনো লাভজনক। মোৰ কিন্তু শাক-পাচলিৰ বেপাৰটোৱে মন খালে, –কাগজ, টিন-বটলৰ বেপাৰৰ আমি ভূ নাপাওঁ, আমি খেতিয়ক মানুহ যেতিয়া খেতিৰ বস্তুৰ লগতে ৰাহি-যোৰা বেছি।

আকৌ অকণৰ চিন্তা আহিল– দিনটো তাইক ঘৰত থৈ যাব নালাগিবনে? গাভৰু ছোৱালীজনীক দিনৰ দিনটো অকলে... নে সতীশ পিয়নৰ কথাতে ৰাজী হৈ যাওঁ? সতীশ গুৱাহাটীৰ কলেজ এখনৰ পিয়ন, সেই কলেজৰ প্ৰফেছাৰ এজনৰ ঘৈণীয়েকজনীও হেনো প্ৰফেছাৰনী, অলপতে ল'ৰা পোৱালি এটাৰ জন্ম হৈছে বোলে (সৌভাগ্যৰ কথা!), এতিয়া মাক কলেজলৈ যাবৰ পৰত সেইটিক চোৱা-মেলা কৰিবলৈ ভাল ছোৱালী এজনী লাগে। প্ৰফেছাৰে হেনো সতীশকে খাটনি ধৰি আছে। তেতিয়া হেনো সতীশৰ আমাৰ অকণৰ কথা মনত

পৰি গ'ল- বানপানীয়ে গাঁৱৰ খেতি-পথাৰৰ যিটো অৱস্থা কৰিলে মই আৰু ইয়াত খেতি-বাতি কৰি সহজে ঘৰ-গৃহস্থালি কৰি থাকিব নোৱাৰিম, অইন কাম-কাজৰ ধান্দাত চহৰৰ পিনে ওলাই যাবই লাগিব, কিন্তু তেতিয়া অকণৰ কি হ'ব? গতিকে এনে এঘৰ ভদ্ৰলোকৰ তাত অকণক গতাব পাৰিলে মোৰ মনলৈও হেনো শান্তি আহিব, হাতলৈও দুপইছা আহিব। সতীশৰ কথাত যুক্তি আছিল।

অকণে কথাটো শুনি কান্দি কান্দি অস্থিৰ হৈছিল- ঘৰ এৰি তাই ক'লৈকো নেযায়। আচৰিত- এই ঘৰখনত সৰুৰে পৰা তাইতো মৰম-আৰাম একোকে পোৱা নাই- তথাপি ইমান মায়া কিহৰ? এই ছোৱালী জাতিটোৱে কেৱল ঘৰখনকে চিনে।

যিহওক মোৰ কথাই ঘৰখনত শেষ কথা, কোনো তিৰোতা মানুহৰ কথা ইয়াত নৰজে- সি বেটী-জীয়ে হওক বা পাটীৰ তিৰোতাই হওক।

বিয়া দি উলিয়াই দিয়াৰ আগতেই অকণক লোকৰ ঘৰলৈ উলিয়াই দিলোঁ। তাই কান্দি-কাটি যোৱাৰ আগতে বাল্লেছা থানত পূজা এভাগ দিয়াৰ ইচ্ছা কৰিছিল। কিন্তু থানখনৰনো কি অৱশিষ্ট আছে- বালিৰে গোটেইখন পোতখোৱা, এনেকি দ পুখুৰীটোও বালিৰে পোত খাই গৈছে। ভগৱানৰ যে কি মতলব বুজি নেপাওঁ- এই থানত তোমাক কত পূজা দিয়া হৈছিল, দিনৌ কত ছাগলী, হাঁহ-পাৰ বলি দি তোমাক ভোগ দিয়া হৈছিল- সেইবোৰৰ নিজ হাতেই কিয় মুদা মৰাৰ দৰে কৰিলা প্ৰভু? নে আমিষ খাই খাই তোমাৰ আমনি লাগিল? কিন্তু আমি যে কত দিন এডোখৰ মাংসৰ মুখ দেখা নাই প্ৰভু- চোৱাচোন নামতেই কেনেকৈ জিভাৰ পানী ওলাইছে...।

অকণৰ দৰমহা ত্ৰিছ টকা বন্দবস্ত হ'ল্। এনেয়েনো মোৰ তিৰী জাতিটোৰ ওপৰত বিৰাগ নে, আমাৰ কালিকা খুৰাৰ ল'ৰাটোকো গুৱাহাটীৰ কোনোবা এঘৰত থৈছে, বয়স অকণৰে সমান, কিন্তু তাৰ দৰমহা দুকুৰি দহ টকা। 'চাকৰণীয়ে চাকৰতকৈ দৰমহা কম পায়েই' সতীশে মোক বুজাইছিল 'আৰু মানুহে সাধাৰণতে ধুৰনী হোৱা ছোৱালী নাৰাখে, ক'ত কি বদনাম কৰে ঠিক নাই। কিন্তু আমাৰ ছাৰৰ মাক ঘৰতেই থাকে, তোমাৰ আপীটোৰ ওপৰত কড়া নজৰ দি থাকিব পাৰিব, সেয়েহে তেওঁলোকে এইৰ কথাত আপত্তি কৰা নাই।' ঠিক কথা কৈছে সতীশে, মাইকী জাতিটোৰ চৰিত্ৰৰ দুৰ্ণামো বৰ ডাঙৰ কথা- সেই সকলো ভয় বাদ দি যে সতীশৰ প্ৰফেছাৰজনে অকণক ৰাখিব খুজিছে সি মোৰেই ভাগ্যৰ কথা। আমাৰ গাঁৱৰ কাইলাকাৰ আপী প্ৰমীলাকো চহৰৰ এঘৰত চাকৰণী থৈছিল, তাইকো ধুৰনী হোৱাৰ পিছত ঘূৰাই পঠাইছে।

অকণক বিদায় দিলোঁ আৰু মই শাক-পাচলিৰ বেপাৰত লাগিলোঁ। মুঠেই সুখৰ কাম নহয়, লাভৰ কোনো নিশ্চয়তা নাই, বৰষুণ দিলে একপ্ৰকাৰ সৰ্বনাশ।

খোৱা-থকাৰ কোনো লাগবান্ধ নাই, বালিৰে পোত খোৱা ঘৰখনলৈ গৈয়ো শান্তি নাই, অকণ নথকাত নিজে ৰান্ধি-বাঢ়ি খাব লগা হোৱাত বৰ আমনি পাওঁ।

কিন্তু বিপদ অকলে নাহে। মোৰ চকুৰ বেমাৰ আৰম্ভ হ'ল। কাম ক্ষতি কৰি হাস্পতালত দেখুৱাত ডাক্তৰে চকুৰ অপাৰেশ্বন কৰিব লাগিব বুলি ক'লে। অকণক ক'বলৈ বুলি গ'লোঁ, তাই উচুপি উচুপি কান্দিবলৈ ধৰিলে। যিহওক এদিন অপাৰেশ্বনো হৈ গ'ল, দুয়োটা চকুৰে। অকণৰ দৰমহাৰ টকাৰে সতীশে ডাক্তৰৰ কথামতে বাহিৰৰ দাৱাইখানাৰ পৰা দামী ঔষধো কিনি দিলে। তাৰপিছত হাস্পতালৰ পৰা ওলালোঁ। কেইদিনমান চকু দুটা ভাল পাই থাকিলোঁ, বেপাৰতো নতুনকৈ লাগিলোঁ কিন্তু কিছুদিন পিছত আকৌ পুৰণি বেমাৰ আৰম্ভ হ'ল, এইবাৰ যন্ত্ৰণাও বেছি, চকুৰে নেদেখা ভাবো বেছি। আকৌ হাস্পতাল, আকৌ অকণৰ দৰমহাৰে দাৱাই। কিন্তু নাই, একোতে একো নহ'ল, মই লাহে লাহে একেবাৰে নেদেখা হৈ গ'লোঁ। অকণে আকৌ ৰাউচি জুৰি কান্দিবলৈ ধৰিলে। কিন্তু কান্দিলে কি হ'ব– মোৰ অন্ধৰ এতিয়া উপায়? কান্দি থকা অকণকে মনৰ সকলো জ্বালা ঢালি দি গালি পাৰিলোঁ– 'তই মৰি ল'ৰাটো থাকিলে আজি মোৰ জীয়াই থকাৰ কোনো চিন্তা নাথাকিলহেঁতেন– সি যে বানত উটি গ'ল তই মৰাণ নহতী কিয় উটি নগলি? এতিয়া মই ক'ত যাওঁ, কি কৰোঁ ঐ ভায়েৰ মায়েৰক খাইতী?....'

প্ৰফেছাৰৰ ঘৰতে মই চাৰিদিন পৰি থাকিলোঁ আৰু তাৰপিছত তেওঁলোকে স্পষ্টকৈ কৈ দিলে যে তাত আৰু মোৰ স্থান নহ'ব। অগত্যা মোৰ হাতত ধৰি– মানে মোৰ লাখুটিত ধৰি অকণো প্ৰফেছাৰৰ ঘৰৰ পৰা ওলাই আহিল আৰু ক'লে 'পিতি' আমাৰ দুয়োৰো এতিয়া গুৱাহাটীৰ বাটে বাটে ভিক্ষা কৰি খোৱাৰ বাহিৰে উপায় নাই, গাঁৱলৈ গৈ কি কৰি খাম, তাত কোনে কাম দিব, কোনে ভিক্ষা দিব, বানপানীত গাঁৱৰ সকলো মানুহেইতো সৰ্বস্বান্ত হৈ গৈছে...'

আকৌ অকণক অকথ্য গালি পাৰিলোঁ, তাই ছোৱালী হৈ জন্ম লোৱাৰ অপৰাধৰ বাবে, ভায়েকটোৰ মূৰ খোৱাৰ বাবে, তাৰপিছত লাখুটিৰ এমূৰে ধৰি তাইৰ পিছে পিছে গৈ ৰেল ষ্টেছনত আশ্ৰয় ল'লোঁ।

ৰেল ষ্টেছনত আমাৰ নতুন সংসাৰখন পতাৰ কিছুদিন পিছৰে পৰা মই আৰু কেৱল অন্ধ হৈ নাথাকিলোঁ, ক্ৰমে কলাও হৈ যাবলৈ ধৰিলোঁ, মানে কলা হৈ থাকিবলৈ শিকিলোঁ। উপায় নাই, ল'ৰাৰ বাপেক নহৈ ছোৱালীৰ বাপেক হোৱাৰ দুৰ্ভাগ্য হ'লে কলা হ'বলৈ শিকিবই লাগিব। দিনত যেতিয়া অ'ত ত'ত ভিক্ষা কৰি ফুৰোঁ, তেতিয়া মানুহৰ ভিৰত অকণৰ গাৰ কোমল মঙহবোৰত কোনোবাই চিকুটিলে বা টিপিলে মই চকুৰে দেখা নেপাওঁ, কিন্তু দুই-একে দিয়া অশ্লীল মন্তব্য কাণত ঠিকেই পৰে আৰু তেতিয়া মই কলা আৰু বোবা হৈ

থাকোঁ– উপায় নাই, মোৰ যে জীৱ উপাৰ্জনেৰে জীয়াই থকাৰ দুৰ্ভাগ্য হৈছে। কিন্তু ভিক্ষাৰ অন্তত থকা ঠাই ডোখৰলৈ ঘূৰি অহাৰ পিছত অকণে যেতিয়া ভাত ৰন্ধাৰ যোগাৰ কৰিবলৈ ধৰে তেতিয়া আৰু মই বোবা হৈ নাথাকো, অশ্লীল ভাষাৰে তাইক গালি পাৰিবলৈ ধৰোঁ– বেশ্যা নটী আদি নানা বিশেষণ প্ৰয়োগ কৰোঁ। তাইৰ দমৰাৰ দৰে চকু দুটাৰে যদি পানী ওলায় (মাকৰ দৰেই 'দম্ৰা চখেনী' বুলি তাই তাইৰ ডাঙৰ চকু দুটাৰ বাবে নাম পাইছিল) মই দেখা নাপাওঁ, কিন্তু কান্দোন যদি বেছি হৈ শব্দ ওলায় তেতিয়া মোৰ গালি আৰু নিৰ্মম হয়– বেশ্যাৰ সেন্দূৰৰ ফোঁট আৰু বেশ্যাৰ চকুপানী যে একে সেই কথা তাইক কৰ্কশভাৱে জনাওঁ।

আমি শোৱাৰ পিছত ৰাতি গভীৰ হৈ আহিলে মই পুনৰ কলাৰ ভূমিকা লওঁ। ৰাতি অকণৰ ওচৰলৈ মানুহ আহে, আৰু কেইঘণ্টামানৰ বাবে তাই সেই মানুহৰ লগত ক'ৰবালৈ গুচি যায়। সোনকালে ভাতকেইটা ৰান্ধি সোনকালে শোৱাৰ কাৰবাৰ কৰাৰ কি কাৰণ মোৰ আৰু বুজিবলৈ বাকী নাছিল। শুই পৰাৰ দুই-তিনি ঘণ্টামানৰ পিছত মই অকণৰ মাত শুনো, 'পিতি, তোৰ টোপনি আহিলনে?' মই উত্তৰ নিদিওঁ আৰু তেতিয়া অকণে মোৰ টোপনি যোৱা সম্পৰ্কে নিশ্চিন্ত হৈ মোৰ ওচৰৰ পৰা উঠি যায় আৰু কাৰোবাৰ লগত ফচফুচাই কথা পাতে– লাহে লাহে সেই ফুচফুচনিৰ শব্দ দূৰলৈ আঁতৰি যায় আৰু শেষত দূৰণিত মিলি যায। মই সঁচা অন্ধই ষ্টেছনৰ লাইটৰ পোহৰতো একো নেদেখোঁ আৰু মিছা কলাই একো নুশুনো। অৱশ্যে অকণ কেতিয়া উভতি আহে মই সঁচাযে নুশুনো, কাৰণ তেতিয়া মই টোপনিৰ কোলাত ঢলি পৰোঁ।

এদিন অকণে ক'লে যে তাই এটা থকা ঘৰৰ যোগাৰ কৰিছে, আমি আৰু এইদৰে ষ্টেছনত পৰি থাকিব নালাগে, তালৈ গুচি যাম। অকণে যোগাৰ কৰা ঘৰলৈ এদিন গুচি গ'লোঁও, কিন্তু তাৰ আগতে তাই মোৰ পৰা আৰু এজাউৰি গালি খালে– বেশ্যালি কৰি কৰি ধন ঘটি মোক তাই ঘৰৰ তলত আশ্ৰয় দিবলৈ ওলাইছে, মযো কোনোবা জন্মৰ পাপৰ ফলত বেটীক জন্ম দি তাইৰ পাপৰ আৰ্জনৰ অন্ন-বস্ত্ৰ-আশ্ৰয় গ্ৰহণ কৰাৰ চৰম দুৰ্ভাগ্য ভোগ কৰিবলগীয়া হৈছে– ইত্যাদি ইত্যাদি।

এদিন আমাৰ জুপুৰীত হঠাতে গাঁৱৰ দশৰথৰ পুতেক যতীন ওলালহি। ক'ৰবাত কিবাকৈ আমাৰ কথা শুনি বোলে সি ঘৰ বিচাৰি বিচাৰি ওলাইছেহি। অন্ধ হোৱাৰ পিছত গাঁৱৰ কোনো মানুহকে মই লগ পোৱা নাছিলোঁ, গতিকে সিহঁত সকলোবোৰকে গাঁৱত দেখাই শেষ দেখা। আজি মই যতীনক লগ পালোঁ, কিন্তু তাৰ মাতহে শুনিলোঁ, চকুৰে দেখাৰ ভাগ্য নহ'ল। কিন্তু নিজ গাঁৱৰ মানুহৰ কেৱল মাতষাৰ শুনাতেই যে কি আনন্দ! যতীনক মোৰ এৰি দিবৰে

মন যোৱা নাছিল, যেন বহুত দিনৰ মূৰত লগ পোৱা বুকুৰ কুটুম। কত কথা, গাঁৱৰ প্ৰত্যেকজন মানুহৰ কত খবৰ, কত সুখ-দুখৰ বৰ্ণনা। শুনি শুনি হাঁহিলোঁ, হুমুনিয়াহ পেলালোঁ। পিছে হুমুনিয়াহেই বেছি ওলাল, প্ৰায় কাৰোৰে ভাল খবৰ নাই, বানপানী আকাল মহামাৰীত গোটেই গাঁওখনেই ভুগিব লগা হৈছে। দশৰথৰ শাক-পাচলিৰ বেপাৰতো কোনো শ্ৰীবৃদ্ধি নহ'ল, তাৰ আৰ্জনেৰে সি কোনোমতেই ঘৰখনক পোহপাল দিব নোৱাৰে, সেইবাবেই হেনো যতীনে পঢ়া-শুনা বাদ দি চহৰলৈ বেপাৰ কৰিবলৈ ওলাই আহিছে।

'ঠিক কামকে কৰিছ যতীন। পুত্ৰৰ উপযুক্ত কামকে কৰিছ। দশৰথে পুত্ৰ জন্ম দিয়াৰ ভাগ্য সাধি আহিছিল, মোৰ দৰেতো পুত্ৰৰ মূৰ খাব লগা হোৱা নাই'– যতীনৰ আগত অকণক পোনপটীয়াকৈ কোনো দোষাৰোপ নকৰিলোঁ কাৰণ তেতিয়াহ'লে তাইৰ কি বৃত্তি সেইটো ওলাই পৰিব– 'পিছে তই কিহৰ ব্যৱসায় কৰিছ, লাভ-চাভৰ মুখ দেখিছনে?'

'এই কিবাকিবি চাপ্লাইৰ কাম কৰি আছোঁ খুৰা, লাভো একেবাৰে নোহোৱা নহয়, ঘৰলৈও অলপ পইছা-পাতি পঠাইছোঁ–'

'কৈছোঁ নহয় আপছালিৰ কথাই বেলেগ–'

সিদিনা অকণে যতনাই দিয়া চাহ-টাহ খাই আমাৰ লগত দুই ঘণ্টামান গল্প কৰি যতীনে বিদায় লৈছিল, কথা দি গৈছিল যে সি মাজে সময়ে আহি মোৰ খা-খবৰ কৰি যাব। মই তাৰ ফালে দৃষ্টিহীন কৃতজ্ঞ চকুৰে চাই অন্তৰ উজাৰি আশীৰ্বাদ দিছিলোঁ। যতীনক লগ পোৱাতো মোৰ বাবে কেৱল তাকেই লগ পোৱা নাছিল, তাৰ মাজেৰেই মই যেন গাঁওখনৰ সকলোবোৰ মানুহকে লগ পাইছিলোঁ, চকুৰে নেদেখিও তাৰ লগত কথা পাতি পাতিয়ে মই সেই প্ৰত্যেক-জন মানুহকে যেন দেখা পাইছিলোঁ, গাঁওখনৰ ঘৰ-দুৱাৰ, পথাৰ-সমাৰ, পগলা নদী সকলোবোৰেই যেন চকুত ভাঁহি উঠিছিল।

যতীন যোৱাৰ পিছত অকণক পুনৰ এজাউৰি গালি পাৰিছিলোঁ, যতীনক লগ পাই আনন্দৰ মাজতো অনুভৱ কৰা ক্ষোভ আৰু হিংসাৰ জ্বালা, তাইক অশ্লীল গালি পাৰিয়ে কিছুদূৰ উপশম কৰাৰ চেষ্টা কৰিছিলোঁ। যতীনৰ দৰে আজি মোৰো এজন ডেকা পুত্ৰ থকা হ'লে...

কেইদিনমান পিছত যতীন আকৌ আহিল, ৰাতিপুৱাই, আমাৰ ঘৰতে ভাত-পানীও খালে, জিৰালেও। সিদিনা অকণ আৰু মোৰ ভিক্ষালৈ যোৱা নহ'ল, 'চাপ্লাই'ৰ ব্যৱসায় কৰা যতীনকনো কোনটো নাকেৰে জনাও যে আমি গুৱাহাটী চহৰত ভিক্ষা কৰি ফুৰোঁ?

দুদিনমান পিছত যতীন আকৌ আহিল, কিন্তু এইবাৰ পুৱা, দুপৰীয়া, আবেলি বা গধূলি নহয়, একেবাৰে গভীৰ ৰাতিহে। তেতিয়া মই আৰু অকণ দুৰ্যোৰ

টোপনিত লালকাল হৈ থকাৰ কথা। কিন্তু সেইখিনি সময়ত মই কোনোদিন টোপনি নেযাওঁ, অৰুণ যদি ক'ৰবালৈ ওলাই যায় তাৰ পিছতহে মোৰ টোপনি আহে। অৰুণৰো যে টোপনি নাহে তাকো মই জানো, অৱশ্যে সেইখিনি সময়ত টোপনি গ'লে তাইৰ নচলেও। গতিকে টোপনি নোযোৱা অৰুণ খুটকৈ দুৱাৰত হোৱা শব্দত প্ৰায় জাঁপ মাৰি উঠিছিল, অৱশ্যে নিঃশব্দে– সেই কামটো বহুত দিনৰ অভ্যাসে প্ৰায় সহজ কৰি পেলাইছিল।

'অৰুণ' ফুচ্‌ফুচ্‌কৈ ওলোৱা মতা মানুহৰ মাতটো মোৰ 'কলা' কাণত পৰিল– 'তই ওলাই আছ নহয়? পিতেৰ টোপনি গৈছে নহয়? তেন্তে ব'ল, পলম নকৰিবি, তোক কৈ থোৱা মতেই আজিৰ মক্কেলটো বহুত টকাৱালা অফিচাৰ, বহুত পইছা দিব, তাক তোৰ দৰে সুন্দৰ আৰু তাজা মালহে লাগে, হাড়ে-ছালে লগা পুনুলীৰে কাম নচলে– বৰ বিৰক্তি দেখুৱাইছে সিদিনা...'

গলগলকৈ কথা কোৱা যতীনৰ মাতটো কিমান চেপা আৰু মেকুৰীৰ দৰে মিনমিনকৈ ওলাইছে। তথাপি যতীনৰ মাতটো চিনা টান নহ'ল মোৰ... পুনুলী। কোন পুনুলী? আমাৰ ভগীকাকাৰ জীয়েক পুনুলী নহয়তো? নিশ্চয় হয়, বান-পানীয়েতো ভগীকাকাকো সৰ্বস্বান্ত কৰিছিল। কিন্তু ভগীকাকাৰতো পুতেক ৰমেশ আছে, তেন্তে পুনুলী কিয় গুৱাহাটীলৈ বেশ্যা হ'বলৈ আহিছে? কিয় তাইক ক'ৰবাত চাকৰণী নাৰাখিলে? অৱশ্যে ডাঙৰ হোৱা আপীক চহৰৰ মানুহে ৰাখিব নোখোজে...

অৰুণ আহি আকৌ ঘৰত সোমাল, হাতত সাৰে ভৰিত সাৰেই– কাপোৰ সলাবলৈ আহিছে, পাউডাৰ-স্ন' শৰীৰটোত সানিবলৈ আহিছে... মই যতীনৰ মাত শুনিবলৈ নোপোৱা কলা মানুহ এটাৰ দৰে নীৰৱে বিছনাত পৰি থাকিলোঁ... যতীন! কুকুৰ! তিৰীৰ মাংসৰ বেপাৰী! তই আমাৰ ঘৰ বিচাৰি উলিওৱা দেখি, ঘন ঘন আহ-যাহ কৰা দেখি বুকুত কি আশাকে যে নুৰুইছিলোঁ– ভাবিছিলোঁ অৰুণৰ প্ৰতি টানৰ বাবেই তই এনেকৈ আহি গৈ আছ, ভাবিছিলোঁ এদিন তই তাইক বিয়া কৰাই গাঁৱলৈ ঘূৰাই লৈ যাবি আৰু তাইৰ মুক্তিৰ লগতে মোৰো মুক্তি হ'ব, এই নৰককুণ্ডখনৰ পৰা উদ্ধাৰ পাই পুনৰ মই গাঁৱলৈ ঘূৰি যাব পাৰিম। মোৰ এইবোৰ ভাবতো আকাশৰ পৰা পৰিবলগীয়া হোৱা নাই। গাঁৱত থকা কালতে তই অৰুণৰ প্ৰতি প্ৰেম-পীৰিতিৰ ভাব লৈ আমাৰ ঘৰলৈ অহা, পাগলাদিয়াৰ পাৰত তাইক লগ ধৰা– এইবোৰ কথানো কোনে নাজানিছিল? হওঁতে মই বেয়া পোৱাও নাছিলোঁ। গাঁওখনৰ ভিতৰত মোৰ পৰম সুহৃদ হ'ল দশৰথ, তাৰ উপযুক্ত পুত্ৰ তই– তোলৈ ছোৱালী দিবলৈ মোৰ কি আপত্তি থাকিব পাৰে? কিন্তু তাৰ পিছতে আহিল সেই প্ৰলয়ংকৰী বান, পানীৰ পিছতে পাগলাদিয়াৰ বালিত গাঁওখন পোত খাই গ'ল আৰু সেই বালিতে তহঁতৰ

প্ৰেম-পীৰিতিকো পুতি থৈ মই অকণক চহৰৰ প্ৰফেছাৰৰ ঘৰত থবলৈ বাধ্য হ'লোঁ। ঘৰ এৰি, গাঁও এৰি আহিব লগা হোৱাত তাই যে হিয়া ঢাকুৰি কান্দিছিল তাৰ প্ৰধান কাৰণো আছিল এইটো! আৰু আজি ইমান দিনৰ মূৰত তই আমাক পুনৰ ইয়াত বিচাৰি বিচাৰি উলিয়াইছহি, অকণক বিচাৰি উলিয়াইছহি– তাৰ পিছতনো মই কিয় এইবোৰ আশা নকৰিম? কিন্তু কুকুৰ, তোৰ পীৰিতিক তই বালিৰ বৰ দ'লৈকে পুতি পেলালি, আৰু এতিয়া অকণক বিয়া কৰোৱাৰ সলনি তাইক তোৰ 'চাপ্লাই'ৰ বেপাৰত মাল হিছাপে পাবলৈহে পূৰ্বৰ সম্পৰ্কত ভেজা দি আমাৰ ঘৰখন তোৰ ভাতঘৰ কৰি পেলাইছ! উঠি গৈ দুৱাৰৰ ডাংডালেৰে তোৰ মূৰতে এটা ব্ৰহ্ম কোব সোধাওঁগৈ নেকি?

পিছে এক মুহূৰ্ততে মোৰ সেই উত্তেজনা থামি গ'ল, পূৰ্বৰ সেই কলা মানুহজন হৈয়ে মই নিঃসাৰে বিছনাত পৰি ৰ'লোঁ, যেন বানপানীৰ সময়ত ৰচি খুলি মুকলি কৰি দিব নোৱাৰাত গোহালিতে মৰি কাঠ হৈ থকা মোৰ হালৰ বলদ দুটাহে! যতীনক মাৰি অকণৰ ভাল উপাৰ্জনৰ বাট এটা বন্ধ কৰি নিজলৈ দুখ চপাই আনিলেহে হ'ব। তদুপৰি এটা কথাত মই দেখোন অন্ধৰো অন্ধটো হৈ পৰিলোঁ– যতীনক মই মিছায়ে খং কৰা নাইনে? সিনো বাৰু কি বুলি বজ্জাত বেশ্যা এজনীক বিয়া কৰাব? লাগে তাই মোৰেই জী হওক, লাগে তাই দমৰাৰ চকু দুটাৰে আৰু নিপোটল গাটোৰে এজনী শুৱনি ছোৱালীয়ে হওক, লাগে তাই সংসাৰৰ সকলো বন-বাৰীতে অতি পকৈত হওক, লাগে তাইক হাজাৰ ককৰ্থনা কৰিলেও মুখেৰে এটা মাত নমতা ছোৱালী হওক– আৰু লাগে তাইৰ প্ৰতি অন্তৰত একালত হাজাৰ প্ৰেম-পীৰিতিয়ে নাথাকক– সেইবুলি জানি-শুনিনো কোন কুকুৰে বেশ্যা এজনীক বিয়া কৰাব! ▢

ঠিকনা

ৰমেনে কিনি আনি দিয়া চুটকেছটোৰ নাম-ঠিকনা লেখাৰ বাবে ওলোমাই দিয়া কাৰ্ডখনত যতীন মজুমদাৰে সযতনে গোট গোট আখৰেৰে লেখিলে– "যতীন মজুমদাৰ, গান্ধীবস্তি, গুৱাহাটী-৩, অসম।" তেওঁ অৱশ্যে ইংৰাজীতেই লেখিলে, অসমৰ বাহিৰত সুৱদী সুৰীয়া মাতৰ অসমীয়া ভাষাৰ আখৰকেইটা কোনেইবা বুজিব। বঙালীকেইটাই বুজি পাব হয়, কিন্তু সিহঁতে তেওঁৰ নামটো বিকৃত কৰি পঢ়িব– যতীন মজুমদাব– এৰা, মজুমদাৰৰ 'ৰ'টো সিহঁতৰ মুখত 'ব' হৈ যাব। এতিয়াও মনত আছে, বহুত দিন আগতে তেওঁ বাছেৰে ক'ৰবালৈ যাবলৈ ওলাওঁতে বাছৰ ওচৰত বৈ থকাত তেওঁৰ কাষেদি যোৱা বঙালী পৰিয়ালৰ ল'ৰা এটাই (দহ-বাৰ বছৰমান হ'ব কিজানি) বাছৰ গাত লেখা থকা আখৰবোৰ এইদৰে জোঁটাই জোঁটাই পঢ়িছিল, 'অছম চ্চবকাবব মটব চ্চাভিচ্চ' –তাৰপিছত সি প্ৰায় হাঁহিত বাগৰি পৰিছিল। হয়তো অসমলৈ নতুনকৈ আহিছে, কিন্তু সিদিনা ক্ৰোধত যতীন মজুমদাৰৰ মুখ ৰঙা পৰি গৈছিল– ল'ৰাটোৰ মুখত যেন এপাট চৰ সোধাই দিব। আমাৰ ৰাজ্যলৈকে আহিবি, খাবি, থাকিবি, চিৰস্থায়ী বসতি কৰিবি, আমাৰ ল'ৰাৰ চাকৰিবোৰ কাঢ়ি লবি– কিন্তু মৰিলেও আমাৰ ভাষাটো নিশিকিবি, ইয়াত পুৰুষৰ পিছত পুৰুষ বাস কৰিবি, কিন্তু 'দৈনিক অসম'তো বাদেই 'ট্ৰিবিউন'খনো নপঢ়িবি, পঢ়িবি তহঁতৰ 'আনন্দবাজাৰ' বা 'যুগান্তৰ' ...অসহ্য।

তথাপি বঙালীকেইটাই 'ৰ' আৰু 'ৱ'টো নিচিনিলেও বাকী আখৰকেইটা চিনিব, কিন্তু এবাৰ বঙ্গৰ সীমা পাৰ হৈ গ'লেই বচ্, তোমাৰ অসমীয়া ভাষাটো অন্যান্য ভাৰতবাসীৰ বাবে লেটিন-গ্ৰীকৰ দৰেই হৈ পৰিব। গতিকে ইংৰাজীত ঠিকনা নেলেখি কি উপায় আছে। অসমত থাকিলে কিন্তু তেওঁ সদায় অসমীয়াহে ব্যৱহাৰ কৰে। নিজৰ নোটবুকত অসমীয়াত নাম-ঠিকনা; কিতাপ-আলোচনীত লেখা নাম-ঠিকনা অসমীয়াত, বন্ধু-বান্ধৱ, আত্মীয়-স্বজনলৈ লেখা চিঠিৰ ওপৰত অসমীয়াত নাম-ঠিকনা, এক কথাত যতীন মজুমদাৰে পৰাপক্ষত অসমীয়াৰ

বাহিৰে আন লিখিত ভাষা ব্যৱহাৰ নকৰে।

পিছে আজিকালি তেওঁ অসমৰ বাহিৰতে বেছিভাগ সময় কটাব লগা হৈছে। পুতেক ৰমেনৰ সৰ্বভাৰতীয় চাকৰি। একমাত্ৰ পুতেক ৰমেন, গতিকে ঘৰখনৰ পৰিস্থিতিয়ে তেওঁক পুতেকৰ লগতে ঘূৰি ফুৰিবলৈ বাধ্য কৰিছে। তেওঁৰ দুই কন্যাৰ ভিতৰত দুয়োজনীৰে বিয়া হৈ গৈছে– পৰিবাৰৰ মৃত্যু হৈছে প্ৰথম কন্যাৰ বিয়াৰ পিছতে। গতিকে এটা সময়ত গান্ধীবস্তিৰ ঘৰত যতীন মজুমদাৰ অকলশৰীয়া হৈ পৰিছিল। আজিকালি আৰু পুত্ৰ-কন্যাৰ পাৰ্থক্য নোহোৱা হ'ল– "পুত্ৰয়ো ঘৰ এৰি গুচি যায়, কন্যায়ো গুচি যায়, গতিকে বুঢ়া-বুঢ়ীয়েই পৰম্পৰৰ অৱলম্বন হৈ কটাব লগা হয়, কিন্তু মোৰ ভাগ্যত মোৰ বুঢ়ীও মোক পুত্ৰ-কন্যাৰ দৰেই অকলশৰীয়া কৰি থৈ গুচি গ'ল।" এনেধৰণেই যতীন মজুমদাৰে বন্ধু-বান্ধৱৰ আগত খেদোক্তি কৰিছিল।

তথাপি তেওঁ লগুৱাৰ সাহায্যতে গান্ধীবস্তিৰ ঘৰত দুই-তিনি বছৰ অকলে কটাই দিছিল। কিন্তু ক্ৰমে তেনেকৈ থকাটো অসম্ভৱ হৈ উঠিল। এনেয়ে তেওঁ হাঁপানী ৰোগত ভুগি থাকিব লগা হয়, তাতে আজিকালি আৰু আগৰ দৰে বিশ্বাসী, নিষ্ঠাবান ভৃত্য নোপোৱা হ'ল, হাজাৰ টকা-পইছা দিলেও পোৱা নাযায়। দেউতাকৰ এনে দুৰৱস্থা দেখি দুই কন্যাৰ এক কন্যাই তেওঁক নি নিজৰ লগত ৰাখিব খুজিছিল। আনজনী কন্যাৰ শাহুৱেক, শহুৰেক, দেওৰেক আদিৰে ভৰা ঘৰ বাবে দেউতাকক নি লগত ৰখা সম্ভৱ নহয়– কিন্তু জী-জোঁৱাইৰ লগত থকাৰ কথা যতীন মজুমদাৰে কল্পনাই কৰিব নোৱাৰে, তাতে তেওঁৰতো এক পুত্ৰ আছে, থাকিব পাৰে সি বিদেশত (ৰমেনৰ অসমৰ বাহিৰত থকা কথাটো মনলৈ আহিলে যতীন মজুমদাৰৰ 'বিদেশ' শব্দটোৱে মনতে উচ্চাৰিত হৈ যায়), তথাপি তেওঁৰ নিজৰ পুত্ৰৰ ঘৰ এখন আছে– য'ত তেওঁ সম্মানেৰে থাকিব পাৰে।

ৰমেনে তেওঁক নিজৰ লগলৈ লৈ যোৱাৰ ইচ্ছা বহুত দিনৰে পৰা জনাই আছিল, কিন্তু যতীন মজুমদাৰ কোনোপধ্যেই সন্মত হোৱা নাছিল। নিজৰ ঘৰ, নিজৰ ঠাই, নিজৰ আত্মীয়-স্বজন, নিজৰ দিন-ৰাতিৰ জীৱন কটোৱা পৰিবেশ– এক কথাত এই সকলোবোৰ 'নিজা বস্তু' এৰি থৈ তেওঁনো জীৱনৰ অৱশিষ্ট দিনকেইটা ক'ৰ বিদেশ-বিভূঁইত কটাবলৈ যাব। তেওঁৰ অৱস্থা দেখোন পানীত শুঁহ নচৰাৰ দৰেই হ'ব।

কিন্তু অৱশেষত পৰিস্থিতিয়ে তেওঁক ঘৰ এৰিবলৈ বাধ্য কৰিলে। অসুখ বাঢ়ি আহিছে, লগুৱাৰ অতপালি বাঢ়ি আহিছে। একেবাৰে শেষৰ লগুৱাটোৱে বজাৰৰ বেগ আৰু পইছাৰে সৈতে অন্তৰ্ধান হ'ল। ভাগ্যে যেনিবা আৰু বেছি চোৰ-ডকাইতি কৰি নগ'ল।

তথাপি হয়তো যতীন মজুমদাৰে আৰু নতুন ভৃত্যৰ সন্ধান কৰি জোৰা-

টাপলি দি চলি থকা দেহাটোৰ দৰেই জোৰা-টাপলি দিয়া জীৱন এটা কটাই থাকিলহেঁতেন। কিন্তু সেই সময়তে পূব শৰণীয়াৰ তেওঁৰে চিনাকি মানুহ এজনৰ পত্নীক ঘৰতে লগুৱাই হত্যা কৰি থৈ টকা, গহনা আদি লৈ পলাই যোৱা ঘটনাটোৱে যতীন মজুমদাৰৰ সংকল্পত ফাট ধৰালে– নাই, সঁচায়ে আৰু অকলে থাকিব নোৱাৰি। কোন দিনাখন কোন ভৃত্যই তেওঁৰো ডিঙি কাটি থৈ যায় তাৰ ঠিকনা নাই। দিন-কাল বৰ বেয়া হৈছে। আজিকালি মানুহে মানুহক পোক-পৰুৱা মৰাদি মৰা হ'ল দেখোন। ৰাতিপুৱা খবৰৰ কাগজখন মেলিলেই দেখিবা– অমুকত সন্ত্ৰাসবাদীয়ে হত্যা কৰিছে, অমুকত শহুৰ-শাহুৱেকে বোৱাৰীক হত্যা কৰিছে, অমুকত এটা ৰাজনৈতিক দলৰ লোকে আন এটা ৰাজনৈতিক দলৰ লোকক হত্যা কৰিছে, অমুকত পুলিচে সামান্য প্ৰৰোচনাতে গুলী চলাই মানুহক হত্যা কৰিছে, অমুকত ভৃত্যই গৃহস্থক হত্যা কৰিছে– সঁচায়ে, মানুহবোৰ কিবা ৰক্ত-পিপাসু হৈ উঠিছে। আগতে বন্য-জন্তুৰ ভয়তহে হাবি-জংঘলত ঘূৰা-ফুৰা কৰাটো ভয়ৰ কথা আছিল, এতিয়া দেখোন সভ্য মানুহৰ বিজ্ঞানৰ আৱিষ্কাৰে নানা সুবিধাৰে সুসজ্জিত কৰা আধুনিক নগৰীবোৰতো-দুঠেঙীয়া জন্তুবোৰৰ বাবে নিৰাপদে বাস কৰাটো টান হৈ পৰিছে।

যতীন মজুমদাৰে অৱশেষত তেওঁৰ গান্ধীবস্তিৰ ঘৰ এৰি থৈ পুতেকৰ লগত 'বিদেশ'ত থাকিবলৈ যাব বাধ্য হ'ল। ঘৰ। কত বছৰৰ, কত স্মৃতি বিজড়িত এই ঘৰ! পৈত্ৰিক এই ঘৰতে তেওঁ জন্ম লৈছিল, ডাঙৰ হৈছিল। এই ঘৰতে তেওঁ আনি নৱপৰিণীতা পত্নীক সুমুৱাইছিলহি। ইয়াতে জন্ম হৈছিল মাধান, এধান (ৰমেন) আৰু ভণ্টিৰ। পিছত ক্ৰমে এই ঘৰ এৰি এটা এটাকৈ ল'ৰা-ছোৱালীবোৰ গুচি গ'ল, পত্নী গুচি গ'ল। আৰু অৱশেষত যক্ষৰ দৰে পহৰা দি থকা ঘৰটোৰ শেষ প্ৰাণী তেৱোঁ যাব ওলাল।

বয়স যথেষ্ট হ'ল, শুকান শৰীৰটোৰ দৰে মন-হৃদযো বহুতখিনি শুকাই গ'ল, তথাপি ঘৰ এৰি যাবৰ সময়ত যতীন মজুমদাৰৰ কোটৰগত চকু দুটাত দুটোপাল চকুলো বিৰিঙি ওলাল।

কিন্তু তথাপি যতীন মজুমদাৰ অসমৰে, তেওঁৰ চিৰস্থায়ী ঠিকনা হ'ল– গান্ধীবস্তি, গুৱাহাটী-৩, অসম। য'তেই নাথাকক কিয়, যিমান দিনেই নাথাকক কিয়, এই ঠিকনাই শাশ্বত।

যতীন মজুমদাৰে ইমানদিনে পুৰণি চামৰাৰ চুটকেছ এটা লৈয়ে ভ্ৰমণ কৰিছিল, কিন্তু এইবাৰ ৰমেনে তেওঁক ভি-আই-পি চুটকেছ এটা কিনি দিছে। তাত নিজৰ নাম-ঠিকনা লেখাৰ ইমান সুবিধা কৰি দিছে! কাৰ্ডখন পিটিকি যতীন মজুমদাৰে শিশুই খেলনা পালে যেনেকৈ স্ফূৰ্তি পায়, তেনেকৈয়ে স্ফূৰ্তি পালে। তাৰপিছত তেওঁ অতি সযতনে গোট গোট আখৰেৰে লেখিলে– যতীন

মজুমদাৰ। গান্ধীবস্তি, গুৱাহাটী-৩, অসম। লগে লগে তেওঁ মনৰ ভিতৰতে গুণগুণালে– মৰিলে পুনৰ আহি লওঁ যেন ইয়াতে জনম– নলিনীবালাৰ এই কবিতাটো তেওঁ মাজে সময়ে আওৰাই থাকেই– বিশেষকৈ ৰমেনে যেতিয়া তেওঁক তাৰ লগত 'বিদেশ'ত থাকিবলৈ মাতি চিঠিবোৰ লেখে।

সেই সময়ত জয়পুৰত থাকি চাকৰি কৰা পুতেকৰ ঘৰলৈ আহি নতুন জীৱনৰ পাতনি মেলিবলৈ ওলোৱা বৃদ্ধ যতীন মজুমদাৰে প্ৰথমতে যতীনহঁতৰ ঘৰটো, ঠাইখন আৰু মানুহবোৰক বেছ সমালোচনাৰ ভংগীত নিৰীক্ষণ কৰিবলৈ ধৰিলে। "ঘৰটো বৰ বেয়া নাছিল, কিন্তু গাতে লগা মানুহঘৰে বৰ সনা-পোটোকা কৰে যেন লাগে। মই ওচৰ-চুবুৰীয়াৰ লগত সিমান সনা-পোটোকা ভাল নেপাওঁ।"

শহুৰেকে তেনেকৈ নাক কোঁচোৱাত বোৱাৰীয়েক ৰুবীয়ে হাঁহি মাৰি কৈছিল– "কিন্তু মেহতাহঁত বৰ ভাল মানুহ দেউতা। মেহতাৰ ঘৈণীয়েক মিনিষ্টাৰৰ জীয়েক, কিন্তু তেওঁৰ ব্যৱহাৰ-পাতি ইমান ভাল আৰু মানুহজনী ইমান নিৰহংকাৰী আৰু সৰল যে তেওঁক মিনিষ্টাৰৰ জীয়েক যেন নেলাগেই। মই ইয়ালৈ অহাৰ আগতে আপোনাৰ পুতেকে যেতিয়া এই ঘৰটো লৈ অকলে আছিল, তেতিয়া তেওঁলোক গিৰিয়েক-ঘৈণীয়েক দুয়ো এওঁৰ বোলে খুব যত্ন লৈছিল, পুৱা শুই উঠাৰ পিছতে মেহতাই বেড-টি লৈ আহে, গাখীৰত চাহপাত সিজাই বনোৱা চাহকাপ খাই এওঁৰ হেনো দিনটোলৈকে গাটো জৰজৰীয়া হৈ থাকে। আকৌ প্ৰথমতে পাৰৰ বিষ্ঠাওনো কম চাফা কৰিলেনে? আপুনি পিছত দেখিব, জয়পুৰত বৰ পাৰ, পুৰণি দুৰ্গবোৰত জাকে জাকে পাৰ– আমাৰ এই খালী হৈ থকা ঘৰটোও পাৰৰ আড্ডা আছিল, মেহতাহঁতে নিজেই পানীৰ বাল্টি কঢ়িয়াই আনি জাৰুৰে ঘঁহি ঘঁহি পানী ঢালি পাৰই লেতেৰা কৰা ঘৰ চাফা কৰি পেলালে। এওঁ বহুত মানা কৰাতো নুশুনিলে– বোলে আপুনি আমাৰ ঠাইলৈ নতুনকৈ আহিছে, ইয়াৰ একো আওভাও নেপায, বহুত কষ্ট হ'ব আপোনাৰ– চাফা নকৰিলে এই ঘৰত থাকিব কেনেকৈ, আপোনাৰতো চাফা কৰাৰ কোনো সৰঞ্জামো নাই– আমি সদায পাৰৰ বিষ্ঠা চাফ কৰি থাকিবই লাগে, অভ্যাস হৈ গৈছে আমাৰ। আৰু দেউতা, সিহঁতৰ যে পাৰ্লে নামৰ তিনি বছৰীয়া ছোৱালী এজনী আছে– বৰ মৰম লাগে, চাব– তাই আপোনাক একেবাৰে নিজৰ ককাকৰ দৰেই আপোন কৰি ল'ব–"

বোৱাৰীৰ মুখখন এবাৰ খোল খালেই হ'ল, আৰু থামিব নোখোজে... এধানেনো এইটো কি ঘৰ ল'লে– যিটো বুজা গ'ল সিটো পাৰ্টত থকা মানুহ ঘৰে প্ৰাইভেচি বোলা বস্তুটো নষ্ট কৰি পেলাব...

দেউতাকৰ আপত্তি শুনি ৰমেনে ক'লে, 'দেউতা, নিজৰ ঘৰৰ সুখ, সুবিধা,

আৰাম– ভাড়াঘৰত ক'ত পাবা? আমাৰ গুৱাহাটীৰ ঘৰটোৰ দৰে ঘৰ এইবোৰ ঠাইত ল'বলৈ গ'লে বহুত ভাড়া লাগিব– তুমি পিছে চিন্তা নকৰিবা, মেহতাহঁত ভাল মানুহ, দিগদাৰ নিদিয়ে। অকণমানি জীয়েকজনী মাজে সময়ে আহে, কিন্তু উৎপাত নকৰে, আৰু তাইক যাবলৈ ক'লে তৎক্ষণাৎ গুচি যায়।'

দুই-তিনিদিনমান পুতেক-বোৱাৰীয়েকৰ লগত থকাৰ পিছতে যতীন মজুমদাৰৰ আমনি লাগি গৈছিল। লগ নাই ভাগ নাই, এনেকৈ থাকিব পাৰিনে? অগত্যা তেওঁ পুৱা-গধূলি চহৰখনত টহল দি ফুৰিবলৈ ধৰিলে। পুতেক-বোৱাৰীয়েকেও তেওঁক ফুৰিবলৈ উৎসাহ দিলে– জয়পুৰ চহৰখন বৰ ধুনীয়া, ৰাস্তা-ঘাট আহল-বহল, প্ৰায়ে প্ৰতিঘৰতে সযত্নে লালিত-পালিত বাগান-মৰুভূমিৰ ৰাজ্য, গতিকে শুকান গৰমক যথাসম্ভৱ কমাই ৰাখিবলৈ ইয়াৰ মানুহে গছ-গছনি ৰোৱাত খুব যত্নপৰ হয়– দেউতাই ফুৰি ভাল পাব। চাবলগীয়া ঠাইতো বহুতেই আছে, বন্ধৰ দিনত টুৰিষ্ট বাছত আটায়ে যাব পাৰিব। দেউতাই জানেনে যে এই চহৰখন মহাৰাজ জয়সিঙে সেই আঢ়ৈশ বছৰ আগতেই আণ্ডাৰগ্ৰাউণ্ড নলা, আহল-বহল ফুটপাথেৰে য়ুৰোপৰ যিকোনো চহৰৰ লগতে ফেৰ মাৰিব পৰাকৈ সাজি উলিয়াইছিল?

কিন্তু যতীন মজুমদাৰে অসমক কোনো ঠাইৰ তুলনাত হেয় প্ৰতিপন্ন কৰা যেন পালেই দৰ্কাৰে-অদৰ্কাৰে অসমৰ হৈ কিবাকিবি ক'বই– 'অ', এইবোৰ শুকান ঠাই, অসমৰ দৰে প্ৰায় বাৰমাহে বৰষুণ আহি ৰাস্তা-ঘাট ভাঙি-ছিঙি থৈ নেযায় নহয়। তথাপি তাৰ মাজতো আমাৰ আহোম ৰজাসকলে সেই ছশ বছৰৰ আগতেই যি কাৰেংঘৰ, গড়, দৌল সাজি থৈ গৈছে, তাৰ তুলনা নাই। অসমৰ ধুমুহা-বৰষুণেও ইমান বছৰে সেইবোৰক জহি-খহি নষ্ট হৈ যাবলৈ দিব পৰা নাই, এনেকি পুৰাতত্ত্ব বিভাগৰ গাফিলতিয়েও...'

এদিন যতীন মজুমদাৰে প্ৰাতঃভ্ৰমণ শেষ কৰি আহি ক'লে, 'মই এটা কথা প্ৰথমৰ পৰা মন কৰি আহিছোঁ, ইয়াৰ বাট-পথবোৰ ধুনীয়া হ'লে কি হ'ব, সাধাৰণ শ্ৰেণীৰ মানুহে বাটৰ দাঁতিতে শৌচ-প্ৰস্ৰাৱ কৰিবলৈ বহি যায়, এনেকি তিৰোতা মানুহো বাদ নপৰে। আমাৰ অসমীয়া নিঃকিন শ্ৰেণীৰ মানুহ কিন্তু এনেকুৱা নহয়দেই, আমাৰ সকলো শ্ৰেণীৰ মানুহৰ মাজতে সভ্যতা-ভদ্ৰতা পূৰামাত্ৰাই আছে।'

যতীন মজুমদাৰৰ এইবাৰ কথাত পুতেক-বোৱাৰীয়েকে অৱশ্যে প্ৰতিবাদ কৰিব পৰা নাছিল। কিন্তু জয়পুৰৰ ওচৰৰ আমেৰ প্ৰাসাদ, জয়গড় দুৰ্গ, চহৰৰ মাজৰ ৰাজপ্ৰাসাদ আদি দেখি যতীন মজুমদাৰৰ মুখ মেল খাই গৈছিল, মনতে নিজকে কৈছিল– এই দুৰ্গ আৰু প্ৰাসাদবোৰৰ বিশালতা, জাকজমকতা, কাৰুকাৰ্য, নিৰ্মাণকাৰ্য আদিৰ দক্ষতাৰ আগত কিন্তু আমাৰ প্ৰাচীন কীৰ্তি-চিহ্নবোৰ হাতীৰ

আগত মাখি এই কথা মই হ'লে মানিবই লাগিব। তাৰপিছত মাৰ যাব ধৰা বেলিৰ পোহৰক পটভূমিত ৰাখি দুৰ্গবোৰৰ পৰা জাকে জাকে উৰি অহা 'ছিলুৱেট' হৈ পৰা পাৰবোৰ দেখি শিশুৰ দৰে তেওঁৰ মুখত ফূৰ্তিৰ হাঁহি ওলাই গৈছিল, তাহানিতে স্কুলীয়া ইংৰাজী পাঠ্যত আলডুছ হাক্সলীয়ে জয়পুৰ চহৰলৈ ফুৰিবলৈ আহি 'পিংক্ চিটি'খনৰ বিষয়ে দিয়া বৰ্ণনালৈ মনত পৰি গৈছিল– এতিয়া সন্ধিয়া পৰত এনেকৈ উৰা পাৰজাক যেন হাক্সলীৰ বৰ্ণনাৰ পৰা জীৱন্ত হৈহে উৰি আহিছে। কত বছৰৰ আগৰ কথা আৰু সেই ৰচনাৰো কত শ বছৰ আগতে এই স্থাপত্যৰ নিদৰ্শন অজৰ-অমৰ এক কবিতাৰ দৰে খোদিত হৈছিল, –অজৰ-অমৰ কিন্তু তাৰ এসময়ৰ অধিবাসীবোৰ কোন কাহানিবাই মৰি ভূত হৈ গ'ল... যতীন মজুমদাৰ একধৰণৰ মোহাৱিষ্ট মানুহৰ দৰে হৈ পৰিল, একধৰণৰ কাৰুণ্যই তেওঁৰ মনটো ভৰাই পেলালে। তেওঁ কলেজৰ হোষ্টেলত থাকি পঢ়া দিনত বঙালী ৰুমমেট অনিমেষ ৰায়ে কলেজ সপ্তাহত আবৃত্তি কৰিবলৈ চিঞৰি চিঞৰি মুখস্থ কৰা যি শাহজাহান কবিতা তেওঁৰো প্ৰায় মুখস্থ হৈ গৈছিল, আজি অতীতৰ কবৰ ঠেলি তাৰ দুটামান পংক্তি ওলাই আহি তেওঁৰ বুকুত খুন্দিয়াবলৈ ধৰিলে... তব পুৰ সুন্দৰীৰ নুপূৰ নিক্কণ, মৰে গিয়ে ঝিল্লীস্বণে কাদায় ৰে নিশাৰ গগন...

সিদিনা ঘৰলৈ উভতি আহি যতীন মজুমদাৰে পাৰ্লৈক ওচৰলৈ মাতি আনিলে। তেওঁ অহাৰ পিছত ছোৱালীজনীয়ে কেইবাবাৰো আহি ভুমুকি মাৰি চাইছিল, কিন্তু তেওঁৰ পৰা কোনোধৰণৰ প্ৰশ্ৰয় নেপাই তেওঁৰ পুতেক-বোৱাৰীয়েকৰ আদৰ খায়েই উভতি যাব লগা হৈছিল। এতিয়া বুঢ়াজনে হাঁহি মাৰি তাইক মতাত তাই প্ৰথমতে অহা নাছিল যদিও দুৱাৰমুখৰ পৰা আঁতৰিও যোৱা নাছিল। যতীন মজুমদাৰে যেতিয়া 'জেমছ'ৰ পেকেট এটা আগবঢ়াই দি তাইক পুনৰ মাতিলে, তাই চুচুক-চামাক্কৈ আগবাঢ়ি আহি হাত মেলিছিল আৰু বৃদ্ধৰ কোলাতো বিনা আপত্তিত বহি পৰিছিল। পেকেট খুলি জেমছ এটা মুখত সুমুৱাই তাই তেওঁৰ লগত প্ৰথম বাক্যটোৰেই পৰিচয়-পৰ্ব আৰম্ভ কৰিছিল– 'আপ নানাজী হ্যয় না?' বচ্ তেতিয়াৰে পৰা যতীন মজুমদাৰ পাৰ্লৈৰ আচল নানাজীৰ দৰেই হৈ পৰিল। যেতিয়াই তেতিয়াই আহি তেওঁৰ লগত শিশু-সুলভ নানা কথা পাতি থকা, তেওঁৰ পৰা জেমছ, টফি, কেড্‌বেৰী পোৱাটো জন্মস্বত্ব হিছাপে মানি লোৱা, তেওঁৰ হিন্দী উচ্চাৰণত অকণমানি ছোৱালীজনীয়েও ভুল ধৰা (আন্দা নেই, আণ্ডা বোলো, ছফ নেহী, ছঁক বোলো), হাতত ধৰি টানি ফুৰিবলৈ লৈ যোৱা, ওচৰৰ ঘৰৰ কুকুৰটোক বিস্কুট খুৱাই বং চাবৰ মন থাকিলেও ভয় লগা বাবে তেওঁৰ কোলাতে উঠি লৈ কুকুৰটোক বিস্কুট দলিয়াই দিয়াত সি জঁপিয়াই আহি সেই বিস্কুট কামুৰি নিয়াত তাই ফূৰ্তিত খিলখিলাই হঁহা– এই

সকলোবোৰ তেওঁৰ জীৱনৰ গাত এনেকৈ লিপিট খাই লাগি ধৰিলে যে তাৰ পিছত ৰমেন কলিকতালৈ বদলি হোৱাত সেই বন্ধন এৰুৱাটো কঠিন হৈ পৰিল। বাটত খাবলৈ পাৰ্লেৰ মাকে তেওঁক কোমল শুকান ৰুটি আৰু তৰকাৰী বনাই দিছিল– যিমান দূৰলৈ পৰা যায় পাৰ্লেৰ নানাজীয়ে বাহিৰৰ খাদ্য নোখোৱাকৈ থাকক। বিদায়ৰ সময়ত উপহাৰ দিলে পিতলৰ সুন্দৰ জয়পুৰী কাৰুকাৰ্য খচিত মমদানী এডাল– 'শুনিছোঁ কলিকতা চহৰত খুব ল'ড্‌শ্বেডিং হয়; ৰাতি লাইট গ'লে আপুনি ইয়াত মম জ্বলাব আৰু আমাক মনত পেলাব' –পাৰ্লেৰ মাকে কৈছিল।

কিন্তু মম জ্বলাই পোহৰ কৰিতো সিহঁতক মনত ৰখাৰ দৰ্কাৰ নাই, সেই পৰিয়ালে তেওঁৰ হৃদয়ত যি এক অখণ্ড প্ৰদীপ জ্বলাই দিলে– তাৰ পোহৰতে যে সিহঁত তেওঁৰ মনত চিৰ-উদ্ভাসিত হৈ ৰ'ব।

কলিকতাত থিতাপি লোৱাৰ কিছুদিন পিছত আনন্দই খবৰ পাই তেওঁলোকক দেখা কৰিবলৈ আহিল। আনন্দ মুখাৰ্জী, গুৱাহাটীত বেংকত চাকৰি কৰিবলৈ গৈছিল আৰু অকলশৰীয়া ল'ৰাটোক তেওঁৰ বন্ধু এজনৰ এৰাব নোৱাৰা অনুৰোধত পৰি কিছুদিনৰ বাবে তেওঁৰ খালী হৈ পৰা ঘৰটোৰ এটা কোঠালি ভাড়ালৈ দিছিল।

আনন্দ অকলে অহা নাছিল, লগত নৱ-পৰিণীতা পত্নী বন্দনাকো লৈ আহিছিল। দুয়ো গিৰিয়েক-ঘৈণীয়েকে যতীন মজুমদাৰৰ ভৰিত পৰি সেৱা কৰি লগত অনা সন্দেশৰ বাকচটো আগবঢ়াই দিছিল।

তাৰপিছত আৰম্ভ হৈছিল আৰু এক হৃদয়ৰ উত্তাপসনা অধ্যায়। যতীন মজুমদাৰৰ বঙালীৰ প্ৰতি এক জাতিগত বিদ্বেষ থকা সত্ত্বেও আনন্দই গুৱাহাটীত থকা সময়ছোৱাত তেওঁক তাঁৰ বিভিন্ন ধৰণৰ ভাল গুণৰ দ্বাৰা মন জয় কৰি পেলাইছিল। ল'ৰাজনে মাত্ৰ কেইমাহমানৰ ভিতৰতে অসমীয়া শিকি পেলাইছিল আৰু অসমৰ সাহিত্য-সংস্কৃতিৰ লগতো কিছু পৰিচিত হৈছিল। তেতিয়া যতীন মজুমদাৰে ক্ষোভেৰে আনন্দক কৈয়ে পেলাইছিল, 'আমাৰ ইয়াত শ শ বছৰ ধৰি থকা তোমাৰ জাতিভায়ে যদি তোমাৰ দৰে অসমীয়াৰ প্ৰতি এনে আগ্ৰহ দেখুৱালেহেঁতেন– তেন্তে হয়তো দুয়ো ৰাজ্যৰ মানুহবোৰৰ মাজৰ সম্পৰ্ক ইমান বিদ্বেষপূৰ্ণ নহ'লহেঁতেন।'

এতিয়া কলিকতালৈ বদলি হৈ আহি সেই আনন্দই বিয়া কৰাইছে; যতীন মজুমদাৰে পুলকিত হৈ ক্ৰমে আৱিষ্কাৰ কৰিলে যে বঙালী 'বোৱাৰী'জনী হৃদয়ৰ নানা গুণেৰে আনন্দতকৈও এখোপ চৰা। তেওঁলোকে গৰমৰ দিনত কলিকতালৈ বদলি হৈ গৈছিল। জাৰ পৰাত এদিন বন্দনাই তেওঁক নিজৰ হাতেৰে গোঁঠা উলৰ মাফলাৰ এখন আনি দি ক'লে, 'জ্যাঠামশাই, আপোনাৰ হাঁপানীৰ অসুখ

থকা বাবে মই আপোনাৰ বাবে এইখন দুতৰপীয়া মাফলাৰ বনাইছোঁ, এটা মূৰ দৰকাৰ হ'লে টুপীৰ দৰে কৰিও পিন্ধিব পাৰিব। পুৱা মৰ্ণিং ৱাকৰ সময়ত আপোনাৰ কামত লাগিব।'

মাফলাৰখনৰ উম ডিঙি আৰু বুকুত আৰামেৰে লেহন কৰি কৰি যতীন মজুমদাৰে মনৰ ভিতৰতে কৈছিল, 'এইখনৰ উম নেপালেও তোমালোক দুটাৰ পৰা পোৱা নানাধৰণৰ মৰমৰ উমে মোৰ হৃদয়ত চিৰ উত্তাপ সানি দি থাকিলহেঁতেন।'

এইবাৰ ৰমেনৰ কলিকতাৰ পৰা দিল্লীলৈ বদলি হ'ল। প্ৰথম কিছুদিন যতীন মজুমদাৰে কলিকতাৰ মানুহৰ লগত দিল্লীৰ মানুহক তুলনা কৰি দিল্লীৰ মানুহ অভদ্ৰ, হৃদযহীন আদি শব্দ প্ৰয়োগ কৰি গজগজাই থাকিল। তাৰপিছত এদিন ৰমেনৰ জয়পুৰত চাকৰি কৰি থকা দিল্লীৰ বন্ধু সুশীল ভগৎ আহি ৰমেনক গালি পাৰিবলৈ ধৰিলে, 'তোমাক মই ইমানকৈ লেখিলোঁ যে আমাৰ ঘৰ তোমালোক থকা ঘৰৰ পৰা বেছি দূৰৈত নহয়, আমাৰ ঘৰলৈ যাবা আৰু কি অসুবিধা পোৱা দেউতাহঁতক জনাবা– নাই, তোমালোক বোলে এদিনো দেখা দিবলৈ নগ'লা।' তাৰ পিছদিনা সুশীলে তাৰ মাক-দেউতাকক তেওঁলোকৰ ঘৰলৈ ফুৰাবলৈ লৈ আহিল আৰু যতীন মজুমদাৰহঁতৰ আটাইকে তেওঁলোকৰ ঘৰত ভাত খাবলৈ নিমন্ত্ৰণ কৰি থৈ গ'ল। সিদিনাই ৰমেনৰ ঘৈণীয়েকৰ লগত কথা পাতি সুশীলৰ মাকে যেতিয়া গম পালে যে ৰমেনহঁতে এতিয়াও গেছ পোৱা নাই, আৰু এমাহমানৰ পিছতহে পোৱাৰ সম্ভাৱনা আছে, এতিয়া বজাৰৰ পৰা কেৰাচিন কিনি আনি ষ্টোভত ভাত-পানী ৰান্ধি আছে– মানুহগৰাকীয়ে হায় হায় কৰি উঠিল, 'ইচ্ তেওঁলোকে ৰেচনত ইমান কেৰাচিন তেল পায়, সেইবোৰতো অনাই নহয়, গেছতে কাম চলি যায়– সেই তেলখিনিতো ৰমেনহঁতে আনি ল'ব পাৰে। বহুত পইছা বাচি যাব। আৰু ৰমেনহঁতক বাৰু ৰেচনৰ চাউল লাগে নেকি? তেওঁলোকে ৰুটিযে বেছিকৈ খায়, চাউলবোৰ অনাই নহয়, চাউল কিন্তু ভালেই–'

সুশীল ভগৎ সেইদিনা নৈশ বাছত জয়পুৰলৈ উভতি গৈছিল আৰু পিছদিনা পুৱা সুশীলৰ প্ৰায় বৃদ্ধ বাপেকে এটা প্লাষ্টিক 'কেন'ত দহ লিটাৰ কেৰাচিন আৰু এটা মোনাত দহ কেজি চাউল স্কুটাৰত উঠাই লৈ ৰমেনহঁতৰ ঘৰ আহি ওলাইছিল। ৰমেনহঁতে হুলস্থূল কৰিবলৈ ধৰাত মানুহজনে অমায়িক হাঁহি মাৰি কৈছিল, 'নাই, নাই, তেওঁৰ একো কষ্ট হোৱা নাই, কষ্ট হৈছে ৰমেনহঁতৰহে, নতুন ঠাইলৈ আহিছে, কত ধৰণৰ অসুবিধাৰ সন্মুখীন হ'বলগা হৈছে... ৰমেনহঁত তেওঁলোকৰ 'মেহমান'– ৰমেনহঁতৰ সুখ-সুবিধালৈ চকু দিয়াটো তেওঁলোকৰ কৰ্তব্য।'

দিল্লীত থকা কালছোৱাত ভগৎহঁতৰ ঘৰখনে আৰু নানাধৰণে এই অসমীয়া 'মেহ্‌মান'সকলৰ প্ৰতি তেওঁলোকৰ নানা 'কৰ্তব্য' পালন কৰি গৈছিল। যতীন মজুমদাৰে পুনৰ মনৰ ভিতৰত কৈছিল, 'ভগৎ ডাঙৰীয়া, আপোনালোকৰ কেৰাচিনৰ উত্তাপখিনি নাপালেও আপোনালোকৰ হৃদয়ৰ আন নানাধৰণৰ উমে আমাক চিৰকাল উজ্জীৱিত কৰি ৰাখিলেহেঁতেন।'

দিল্লীৰ পিছত ৰমেন গুৱাহাটীলৈ বদলি হ'ল। এইবাৰ ৰমেনে সেই বদলিৰ বাবে কিছু চেষ্টাও চলাইছিল। দেউতাক ইতিমধ্যে যথেষ্ট বুঢ়া হ'ল, আৰু কিমান দিননো বুঢ়া শৰীৰটো সিহঁতৰ লগত অ'ৰ পৰা ত'লৈ চোঁচোৰাই লৈ ফুৰাব! জীৱনৰ শেষ সময় চমু চাপি আহিছে– এই সময়ত মনটোৱে নিশ্চয় নিজ ঘৰ, নিজৰ বন্ধু-বান্ধৱ (যি দুই-এজন আছে), আত্মীয়-স্বজনৰ বাবে হাহাকাৰ কৰি আছে। অৱশ্যে পুতেকক যতীন মজুমদাৰে এই বিষয়ে কোনোদিন কোনো উচ্চবাচ্য কৰা নাই, কিন্তু ৰমেনেতো জানে– দেউতাকৰ নিজ ৰাজ্যখনৰ প্ৰতি কি ব্যাকুলতা! যোৱা প্ৰায় দহ বছৰে ভাৰতৰ যি ঠাইতে নাথাকক কিয়, যতীন মজুমদাৰে অসমৰ লগত আত্মিক যোগাযোগটো ঠিকেই ৰাখি চলিছে। আত্মীয়-স্বজন, বন্ধু-বান্ধৱলৈ নিয়মিত চিঠি-পত্ৰৰ আদান-প্ৰদান, মাহেকীয়া, পখেকীয়া, সাপ্তাহিক পত্ৰ-পত্ৰিকাৰ গ্ৰাহক হোৱা– এই সকলোধৰণেই তেওঁ নিজৰ অসমীয়াত্বটো বজাই ৰাখিছে। ৰমেনে কেতিয়াবা ঘৈণীয়েকক কয় দেউতাই অসমৰ যিমান কাগজ-পত্ৰ, আলোচনী পঢ়ে, অসমত থকা মানুহেও বোধহয় নপঢ়ে। সিদিনাতো দেউতাই এখন সাপ্তাহিকীত নিয়মিত প্ৰতিবেদন লেখা সাংবাদিক এজনক অভিনন্দন জনাই চিঠি এখনকে দিলে– 'বোলে আপুনি বঙালী মানুহ হৈয়ো নগাঁৱৰ বঙালী স্কুলখনক লৈ যি সমীক্ষা দাঙি ধৰিলে তাৰবাবে আপুনি অভিনন্দনৰ যোগ্য। সংবাদসেৱীৰ বাবে এই নিৰপেক্ষতা বৰ ডাঙৰ বস্তু।' ৰমেনে অলপ হাঁহিছিল– 'দেউতাই জয়পুৰত থাকিও খবৰ ৰাখিছিল– ক'ত কিমানবোৰ ট্ৰাইবেল বেল্টৰ মাটি অ-জনজাতীয় লোকে অধিকাৰ কৰি বহি আছে।'

ৰমেন গুৱাহাটীলৈ বদলি হৈ অহাৰ কেইমাহমানৰ পিছত বাৰ্ধক্যজনিত ৰোগত যতীন মজুমদাৰৰ মৃত্যু হৈছিল। আত্মীয়-স্বজনে কোৱা-কুই কৰিছিল, 'নিজৰ ঠাইলৈ আহি মৰিবলৈকে বুঢ়াৰ প্ৰাণপখীটো ইমানদিনে কোনোমতে সজাৰ ভিতৰত আবদ্ধ হৈ আছিল। নহ'লেতো ৰমেনে কৈছিলেই যে যোৱা বছৰ দিল্লীত যোৱা-থোৱা বেমাৰ হওঁতেই সি দেউতাকক হেৰুৱাব বুলি ভাবিছিল।'

দেউতাকৰ শ্ৰাদ্ধ-শান্তি হৈ যোৱাৰ পিছত ৰমেনে এদিন দেউতাকৰ পাৰ্থিৱ বয়-বস্তুৰ থানথিত লগাবলৈ গৈ ইটো-সিটো খোঁচৰোতে কেইবাবছৰো আগতে সি কিনি দিয়া ভি-আই-পি চুটকেছটো উলিয়াই খুলিব ধৰোঁতেই বাহিৰত ওলমি

থকা চিৰকুটখনত চকু পৰিল– অ' ইয়াত যে দেউতাই সযতনে তেওঁৰ গুৱাহাটীৰ ঠিকনাটো লেখি থৈ দিছিল। ৰমেনে চিৰকুটখন হাতত তুলি লৈ প্লাষ্টিকৰ ঢাকনিৰ ভিতৰত ধূসৰ হৈ যোৱা আখৰকেইটা লাহে লাহে পঢ়িবলৈ ধৰিলে– 'যতীন মজুমদাৰ, ভাৰতবৰ্ষ'। যতীন মজুমদাৰ, ভাৰতবৰ্ষ? ৰমেনে অলপ আচৰিত হৈ চিৰকুটখন লুটিয়াই চালে– নাই, সিপিঠিতো 'যতীন মজুমদাৰ, গান্ধীবস্তি, গুৱাহাটী-৩, অসম' বোলা ঠিকনাটো দেউতাকৰ গোটা গোটা ইংৰাজী হাতৰ আখৰেৰে লেখি থোৱা হোৱা নাই, তাতো লেখা আছে– 'যতীন মজুমদাৰ, ভাৰতবৰ্ষ'।

ৰমেনে চিৰকুটখন হাতত লৈ স্তব্ধ হৈ বহি থাকিল। তাৰ দুচকু পানীৰে ভৰি আহিল। □

খিৰিকী কাষৰ গছ

কোঠালিটো ঠিকঠাক কৰি ল'বলৈ সোমাই বিভা ক্ষন্তেকপৰ মাজ মজিয়াতে থিয় দি ৰ'ল। তাৰপিছত তাই একো এটা নকৰি বিছনাখনত দীঘল দি পৰিল আৰু চকু দুটা মুদি দিলে।

এই কোঠালিটো তাইৰ কুমাৰী জীৱনৰ। ধনী ঘৰৰ একমাত্ৰ ছোৱালী বিভা, গতিকে তাই বিয়াৰ পিছত আনৰ ঘৰলৈ গুচি যোৱাৰ পিছতো কোঠালিটো তাইৰে হৈ থাকিল, কালৈকো হস্তান্তৰিত নহ'ল। অৱশ্যে কেতিয়াবা ঘৰত আলহী-অতিথি বেছি হ'লে, আলহীৰ আছুতীয়া কোঠাটোত ঠাইৰ সংকুলান হ'লে তাইৰ কোঠাটো খুলি দিয়া হয়, তাৰপিছত আকৌ তলা বন্ধ কৰা হয়। বিভা যেতিয়া মাকৰ ঘৰলৈ কিছুদিন থাকিবলৈ আহে তেতিয়া আকৌ সেই কোঠালি খোল খায়। কিন্তু বিভা যেতিয়া অকলে নাহি প্ৰদীপৰ লগত আহে, তেতিয়া সিহঁত দুয়ো থাকে আলহীৰ কোঠাটোত, কাৰণ বিভাৰ এই কোঠাটো যথেষ্ট সৰু; বিভাৰ মাকহঁতে বুজে যে তাত থাকিলে প্ৰদীপৰ কষ্ট হ'ব। কিন্তু আলহীৰ কোঠালিটো মস্ত ডাঙৰ, তাত প্ৰদীপৰ কষ্ট নহয়।

পিছে বিয়াৰ পিছত প্ৰদীপৰ লগত নাহি বিভাই দুবাৰমান অকলে মাকৰ ঘৰলৈ আহিছে আৰু তেতিযা তাইৰ এই কোঠালিটোতে তাই আগৰ দৰে অকলশৰে আছে। কিন্তু আচৰিত কথা যে একে কোঠালিতে একেখন বিছনাতে কুমাৰী জীৱনৰ দৰে ৰাতি কটালেও বিভাৰ এনে লাগিছে– তাই যেন সেইখন বিছনাত সেই ঘৰৰ এজনী আলহী ছোৱালীহে শুই আছে। অৱশ্যে এটা কথা ঠিক যে প্ৰদীপৰ লগত আলহীৰ কোঠালিটোত থকাৰ সময়ত সেই অনুভূতিটোৰ তীব্ৰতা বেছি হয়। তদুপৰি প্ৰদীপ থাকিলে মাকৰ লগত, বৌৱেকৰ লগত, ককায়েকৰ লগত আৰু ভতিজাকহঁতৰ লগত বিভাৰ সম্পৰ্ক কম হয়– প্ৰদীপৰ আলপৈচান ধৰা, প্ৰদীপৰ লগত অ'লৈ-ত'লৈ যোৱা– ইত্যাদিবোৰতে বেছি সময় যায়। বিভাৰ তেতিয়া এনে ভাব হয় যেন তাই গিৰিয়েকৰ ঘৰখন মাকৰ ঘৰলৈকো টানি আনিছে। কিন্তু এই কথাটো বিভাৰ ভাল নেলাগে, তাই

যি কেইদিন মাকৰ ঘৰত থাকে, সেই কেইদিন তাইৰ পূৰাপূৰি সেই ঘৰৰ জীয়ৰী হৈ থাকিবৰ মন যায়। তাই যে এতিয়া আন এঘৰৰ বোৱাৰীয়েক, আন এজন মানুহৰ ঘৈণীয়েক– বিয়া হোৱাৰ পিছৰ পৰা মৰণ কাললৈকে পালিবলগীয়া এই ভূমিকাটো তাই এইকেইটাদিন পাহৰি থাকিব খোজে। তাৰ অৱশ্যে কোনো গূঢ় বা বেদনাদায়ক কাৰণ নাই– কেৱল বেলেগ বেলেগ সময় বেলেগ বেলেগ ধৰণে কটাব খোজাৰ এটা সৰু-সুৰা বাসনা।

প্ৰদীপ যেতিয়া নাহে, বিভা যেতিয়া অকলে আহে আৰু আহি যেতিয়া তাইৰ এই অকণমানি কোঠালিটো পুনৰ পুৰণি কালৰ দৰে অধিকাৰ কৰি লয়– তেতিয়া বিভাই আকৌ এবাৰ কুমাৰী জীৱনৰ হেৰাই যোৱা দিনবোৰ যাপন কৰাৰ চেষ্টা কৰে, সেইবোৰ অতীতৰ বুকুৰ পৰা আঁজুৰি অনাৰ যত্ন কৰে। কিন্তু হায়! নদীৰ সোঁত জানো কোনোবাই ওভোতাই বোৱাব পাৰে, এৰি অহা জীৱন জানো কোনোবাই পুনৰ ঘূৰাই পাব পাৰে? এইছ. জি. ৱেলছৰ 'টাইম্ মেশ্বিন্' নামৰ কিতাপখন বিভাৰ চেতনাৰ পৰা কোনোদিন মচ খাই যাব পৰা নাই। মানুহৰ হৃদয়কে সকলোতকৈ ওপৰত স্থান দিয়া বাবে সেই বিজ্ঞান-ভিত্তিক উপন্যাসখন পাহৰিব নোৱাৰা বিভাই যেতিয়া তাইৰ এই অকলশৰীয়া কোঠালিটোত কুমাৰী কালৰ দিনবোৰ পুনৰ যাপন কৰাৰ চেষ্টা কৰে, তেতিয়া তাই নিজৰ মনতে আওৰায়– 'টাইম্ মেশ্বিনৰ দৰে যান এখন পোৱা হ'লে মই কেৱল তাৰ অতীতমুখী চাবিটোহে টিপিলোঁহেঁতেন, মই কেৱল মোৰ সপোনৰ দৰে হেৰাই যোৱা অতি মধুৰ অতীতৰ ৰাজ্যখনতে বিচৰণ কৰিলোঁহেঁতেন, মই কেতিয়াও ভৱিষ্যতৰ যন্ত্ৰ-মানৱৰ বিভীষিকালৈ ঢাপলি নেমেলিলোঁহেঁতেন...'

অতীত জীৱনৰ দিনবোৰ ঘূৰাই পাব নোৱাৰিলেও বিভাই তাইৰ কুমাৰী জীৱনৰ কোঠালিটোৰ চাৰিখন বেৰৰ মাজতে সেই দিনবোৰ পুনৰ যাপন কৰাৰ চেষ্টা কৰে। তাইৰ সকলো বস্তু-বাহানিও যথাযথভাৱে একে একে ঠাইতে আছে– বাথৰুমলৈ যোৱা দুৱাৰখনৰ ওচৰতে ড্ৰেছিং আইনাখন, তাৰ গাতে লগলগা ৱাৰ্ডৰ'বটো, বেৰত লাগি থকা সৰু ডিভানখন, বেৰত আউজাই থোৱা তাৰ কুছন চাৰিটা, ডিভানখনতে শুৱাই থোৱা তাইৰ চেতাৰখন (চেতাৰখন অৱশ্যে তাইৰ লগত লৈ যোৱাৰ ইচ্ছা আছিল– কিন্তু প্ৰদীপৰ কোনোধৰণৰ সংগীতৰে প্ৰতি ৰাপ নথকা বাবে তাই তাকো লগত নিনিলে), কিতাপবোৰেৰে সৈতে সৰু আলমাৰিটো, পঢ়া মেজখন আৰু সৰু পালেংখন। কোঠালিটোৰ আকাৰৰ তুলনাত বস্তু-বাহানি যথেষ্ট– কিন্তু বুদ্ধিৰে হিচাপ কৰি সজোৱা বাবে সকলোবোৰেই খাপ খাই গৈছে। অৱশ্যে কোঠাটোত লৰচৰ কৰাৰ বেছি ঠাই নাই, কিন্তু বিভাই এনেকৈ থাকিয়ে ভাল পাইছিল। দেউতাকে তাইক ডাঙৰ কোঠালি এটা লোৱাৰ কথা কওঁতে তাই অসম্মতি জনাই কৈছিল– 'ডাঙৰ কোঠালিত বস্তুবোৰ দূৰে

দূৰে থাকিলে সেইবোৰৰ প্ৰতি মোৰ আপোন ভাব নাহিব দেউতা– ইয়াত এনেকৈ লগালগিকৈ ঠাহ খাই থাকিলেই মই সিহঁতক বেছিকৈ পাম।'

দেউতাকে সিদিনা জীয়েকৰ কথাত হাঁহিছিল আৰু কৈছিল– 'পাগলীজনী ক'ৰবাৰ।' কিন্তু জীয়েকে তেওঁক গছডালৰ কথা নক'লে, কোৱা হ'লে বোধহয় তেওঁৰ দৰে স্বাভাৱিক সহজ-সৰল আৰু সুস্থ মনৰ মানুহজনে জীয়েকৰ মগজৰ সুস্থতা সম্পৰ্কে সঁচায়ে শংকিত হৈ পৰিলহেঁতেন।

বিভাই দেউতাকক নক'লে যে গছডালৰ বাবেও তাই সেই কোঠালিটো এৰি যোৱাৰ কথা কল্পনা কৰিব নোৱাৰে। পূব ফালৰ খিৰিকীখনৰ সিফালেই গছডাল। বিভাইঁতৰ মাটিত নহয়, শইকীয়াইঁতৰ প্ৰকাণ্ড ঘৰটোৰ পিছফালে থকা সৰু বাৰীখনতহে গছডাল থিয় হৈ আছে। গছডাল কাটি মানুহঘৰে মাটি ডোখৰ কিয় কামত লগোৱা নাই, কিয় আজিৰ গছ-গছনি ধ্বংস কৰা মানুহে তেনেকৈ কামত নলগা গছডাল ৰাখি থৈছে তাৰ সম্ভাব্য কাৰণবোৰ ভাবি বিভাই মনতে এই সিদ্ধান্তত উপনীত হৈছিল যে আগে সেই ঠাইখিনিত দুটা পুৰণি নিয়মৰ পাইখানা আছিল বাবেই হয়তো ঘৃণাতে তেওঁলোকে শাক-পাচলিৰ খেতি কৰাৰ কথা ভবা নাই, এনেকি তাত এডাল কলপুলিও ৰোৱা নাই। ভালেই হৈছে, বিভাৰ বাবে সেই শাপেই বৰ হৈছে। গছডাল কাটি পেলালে বিভাই কেনেকৈ সহ্য কৰিলেহেঁতেন! এই গছডালৰ বাবেই বিভাৰ ৰবাৰ্ট ফ্ৰষ্টৰ গছৰ বিষয়ে লেখা কবিতাটোও মুখস্থ হৈ গৈছিলঃ

Tree at my window,
    window tree,
My Sash is lowered
    when night comes on;
But let there never be
    curtain drawn
Between you and me

বিয়া হৈ যোৱাৰ পিছত গছডাল এৰি যোৱা বিষয়ত বিভাৰ অৱস্থা শকুন্তলাৰ দৰেই হৈছিল। অথচ তাইৰ এই বেদনাৰ কথা তাই কাকো ক'বও নোৱাৰে। সংসাৰৰ প্ৰায় প্ৰতিজন মানুহেই ইমান সহজ, প্ৰতিজন মানুহৰে মনবোৰ একোডাল সৰল ৰেখাৰ দৰেই ইমান চিধা যে তেওঁলোকে তাৰ ব্যতিক্ৰম দেখিলেই অস্বাভাৱিকতা বুলি ধৰি লয়। মানুহবোৰৰ এই মানসিকতা বিভাই ঠিকেই বুজি পায়, গতিকে গছডালৰ লগত তাইৰ সম্পৰ্কৰ কথা তাই কাকো কোৱা নাই।

বিভাই জানিছিল যে তাইৰ এদিন বিয়া হ'ব আৰু তেতিয়া তাই এই ঘৰ

এৰি গুচি যাব লাগিব। বিভা যিহেতু প্ৰেমত পৰা নাছিল, সেই বাবে এই ভাবটোৱে তাইৰ মনলৈ বহুতখিনি বেদনা কঢ়িয়াই আনিছিল। গাভৰু ছোৱালী এজনীয়ে বিয়াক ভীতিৰ চকুৰে চায়– এইটোও সংসাৰৰ স্বাভাৱিক সহজ নিয়মৰ এক ব্যতিক্ৰম। কিন্তু তাই নিজকে তেনে ব্যতিক্ৰম বুলি জনাই দেউতাকৰ মনত দুখ দিবলৈ খোজা নাছিল। তদুপৰি তাই সঁচাসঁচি ব্যতিক্ৰমো নহয়। কোনোদিন বিয়া নকৰাই তাই চিৰজীৱন কুমাৰী হৈ থাকিব– এনেকুৱা কথাও বিভাই ভবা নাছিল। কিন্তু চেখভৰ জীৱনী এখনত এবাৰ কথা কেইটামান পঢ়ি তাইৰ এনে লাগিছিল জীৱনীকাৰে যেন তাইৰে কথা লেখিছে, তাইয়ে যেন চেখভ! কিন্তু হায় ক'ত চেখভ আৰু ক'ত তাই! ক'ত সৰগৰ তৰা আৰু ক'ত পৃথিৱীৰ এটা সামান্য ধূলিকণা! তথাপি চেখভৰ বিষয়ে লেখা এই কথাকেইটাত তাই নিজকো বিচাৰি পাইছিল–

"He read much and thought much. He was a gay and friendly companion, but a profoundly independent individual, jealously profecting his independence from the interference of others. Liberty ! in this word may be summed up all aspirations of youthful Chekhov."

বিভা যে ধনী ঘৰৰ জীয়ৰী হ'ল, আন বাই-ভনী নোহোৱা একমাত্ৰ জীয়ৰী হ'ল, সিয়ো বোধহয় তাইৰ স্বাধীন আৰু নিঃসংগ মন এটা গঢ়ি উঠাত ইন্ধন যোগালে। তাই সম্পূৰ্ণ নিজাকৈ কোঠালি এটা পালে, খুচিমতে কিতাপ-পত্ৰ কিনিবলৈ টকা পালে– আৰু সকলোতকৈ বেছি পালে ধনী ঘৰৰ একমাত্ৰ জীয়ৰীৰ প্ৰতি প্ৰশ্ৰয়ভৰা অতি বেছি আদৰ। গতিকে বিভাই নিজৰ মনে বিচৰা জগত এখন গঢ়ি তুলিলে আৰু তাৰ চাৰিওফালে এখন নিজস্ব মনৰ প্ৰাচীৰ তুলি লৈ তাইৰ নিঃসংগতা আৰু স্বাধীনতা সুৰক্ষিত কৰি তাৰ মাজত যেন আত্মগোপন কৰি থাকিল। বাহিৰৰ পৃথিৱীৰ লগত তাইৰ খুব কম সম্পৰ্কহে থাকিল।

অতীতৰ সেই নিঃসংগ স্বাধীন জীৱন কিমান মধুময় আছিল! কিতাপ আছে, সংগীত আছে, কবিতা আছে– মাক-দেউতাকৰ হিয়া উজাৰি ঢলা মৰম আছে। জীৱনে তাইক অকৃপণভাৱে কিমান দিছে!

তদুপৰি গছডালতো আছেই! সাধাৰণ গছ এডালতে যে কি বিচিত্ৰ জগত এখন লুকাই আছে, তাক আৱিষ্কাৰ কৰিব জনা জনেই জানে। কুঁহিপাত ওলাবৰ সময়ৰে পৰা ধৰা যাওক: লঠঙা শুকান ডালবোৰ ভেদ কৰি যেতিয়া কোমল পাতল ৰঙৰ সেউজীয়া অকণি অকণি পাতবোৰ থুপথুপকৈ ডালৰ অ'ত ত'ত ফুটি ওলায় বিভাৰ সদায়ে বিস্ময় জাগে, ইমান দিন বাৰু 'কোথা সংগোপনে, ছিলি আত্ম-বিস্মৃতিৰ কোনে?' ইমান বিবৰ্ণ শুকান ডালবোৰত ইমান সতেজ আৰু স্নিগ্ধ সেউজীয়াৰ সমাৰোহ কেনেকৈ হ'ল বাৰু? কিন্তু বিস্ময়ৰ উপৰি

বিস্ময়, মুগ্ধতাৰ উপৰি মুগ্ধতা– ইয়াৰ পিছত যে থোপাথোপে ৰঙা ফুলবোৰ জাতিষ্কাৰ হৈ ফুটি ওলাল, সেইবোৰেই বা ক'ত লুকাই আছিল? চাওঁতে চাওঁতে বিভাৰ হৃদয় আপ্লুত কৰি গোটেইডাল গছেই যে ৰাঙলী হৈ পৰিল! তাৰপিছত আৰম্ভ হ'ল আৰু এটা অদ্ভুত কাৰবাৰ, ক'ৰবাৰ পৰা জাক জাক চৰাই আহি দিনে-ৰাতিয়ে গছডালত পৰি কিচিৰ-মিচিৰকৈ থকা হ'ল– আৰু সেই চৰাই-বোৰলৈ মুগ্ধ বিস্ময়েৰে চাই বিভাই ভাবে– এই ধুনীয়া ধুনীয়া চৰাইবোৰ অতদিনে কোন অজান হাবিত লুকাই আছিল? একমাত্ৰ ভাটৌৰ বাহিৰে আনবোৰ চৰাই বিভাৰ অচিনাকি, কিন্তু সেই অচিনাকি চৰাইবোৰৰ বহুতো ভাটৌ-বোৰতকৈও ধুনীয়া, কি বিচিত্ৰ সুন্দৰ সিহঁতৰ পাখিৰ কাৰুকাৰ্য, কি অপৰূপ ৰঙৰ বাহাৰ! মাজে মাজে দুই-এটা ৰঙা পাখিৰ চৰাই এনেকৈ ফুলৰ মাজত সোমাই থাকে যে সিহঁতক ফুল বুলিয়ে ভুল হয়। বিভাৰ চাই চাই হেঁপাহ নপলায় আৰু সেই পাত আৰু ফুল আৰু চৰাইক উদ্দেশ্য কৰি তাই মনৰ ভিতৰতে কয়– 'তোমালোকৰ কাৰণেই মই এই নগৰীয়া কংক্ৰিটৰ জগতখনত থাকিও বসন্তৰ আগমনৰ উমান পাওঁ!'

এদিন সেই ফুলো নোহোৱা হৈ যায়, কিন্তু ইতিমধ্যে গছডালত পুনৰ সেউজী সমাৰোহ আৰম্ভ হৈ যায়, গতিকে সৰাফুলৰ বাবে বিনোৱাৰ আজৰি বিভাৰ প্ৰায় নেথাকেই। এসময়ত ঘন সেউজীয়া পাতেৰে গোটেই গছডালেই সতেজ হৈ পৰে। অৱশ্যে এতিয়া আৰু চৰাইবোৰ নাহে, এতিয়া আৰু আগৰ-দৰে সিহঁতৰ কিচিৰ-মিচিৰ শুনা নেযায়, কিন্তু গ্ৰীষ্মৰ প্ৰখৰ ৰ'দত, চাৰিওফালৰ কংক্ৰিটৰ ঘৰবোৰৰ মাজত সেই সেউজীয়াৰ প্ৰাচুৰ্যই সকলো ক্ষতিপূৰণ কৰি দিব পাৰে। গছডালৰ এই সেউজীয়া ৰূপটোৱেই দীৰ্ঘদিনৰ, গতিকে বিভাৰ বাবে খিৰিকীৰ কাষৰ গছজোপা এই সেউজীয়া পাতেৰে ভৰপূৰ গছজোপাই।

ইয়াৰ ভিতৰতে বিভাই এণ্ডাৰছনৰ আগতে নপঢ়া ফেয়াৰি টেলছ এখন পঢ়ি পেলালে; বিভাৰ এতিয়া এই ধৰণৰ সাধুকথা পঢ়াৰ বয়স নাই, কিন্তু এণ্ডাৰছনৰ গল্প তাইৰ খুব প্ৰিয়– লিট্‌ল মাৰমেড্, ৰ'জ এলফ্, দি ডেইজি আদি গল্পবোৰ পঢ়িলে এতিয়াও তাইৰ বুকুত এটোপাল তেজ নিগৰে। এণ্ডাৰছন পালে তাই নপঢ়ি নোৱাৰে আৰু এতিয়াও হঠাতে হাতৰ কাষত পোৱা ফেয়াৰি টেল্‌ছ্‌খন পাই বিভাই লগে লগেই পঢ়ি পেলালে আৰু কিতাপখনত থকা 'দি ফাৰ্ ট্ৰি' নামৰ গল্পটো পোন প্ৰথমবাৰৰ বাবে পঢ়ি তাই অলপ থৰ লাগিল। তাৰপিছত বিভাই দীঘলকৈ উশাহ এটা লৈ নিজকে নিজে ক'লে– 'ভাগ্যে মোৰ খিৰিকী কাষৰ গছডাল ফাৰ্ বা আন তেনে কোনো লাগতিয়াল গছ নহয়, ভগৱানক ধন্যবাদ যে ভাগ্যে মোৰ গছডাল হ'ল গুৰুতো নলগা গোসাঁইতো নলগা এডাল সামান্য মদাৰ গছ! নহ'লে যে

গছ-বননি নিৰ্বিচাৰে ধ্বংস কৰা অদূৰদৰ্শী মানুহে এণ্ডাবছনৰ কাৰ্ গছডালৰ দৰে বোবো এই মলাৰ গছডাল কাটি পেলালেহেঁতেন।...'

বিভাৰ বিয়া হ'ল প্ৰদীপ দত্তৰ লগত। প্ৰদীপ দত্ত এজন ডাঙৰ চৰকাৰী বিষয়া। আদৰ্শ দৰা হিচাপে থাকিবলগীয়া সকলো গুণেই তেওঁৰ আছিল। গতিকে বিভাৰ মাক-দেউতাক আৰু ককায়েকে তেনে এজন সুযোগ্য ল'ৰাৰ হাতত বিভাক গতাবলৈ পাই সুখী হৈছিল। বিভাৰ যদিও ভাব হৈছিল যে এই কামৰ দ্বাৰা তাইক মাক-দেউতাকহঁতে একধৰণৰ এখন কল্পভূমিলৈ আগবঢ়াই দিছে, তথাপি তাই এই বিয়াত কোনো আপত্তি নকৰিলে। বিয়াতো কৰাবই লাগিব— তাৰ বাহিৰে অনাগত সুদীৰ্ঘ জীৱন কটোৱাৰ বিকল্প আনো বিভাৰ কিবা আছে? নাই, একো নাই। গতিকে বিয়াত আপত্তি কৰি একমাত্ৰ জীয়ৰী এজনীয়ে মাক-দেউতাকৰ মনত কষ্ট দিয়াৰ কি দৰ্কাৰ? বিভাই অনৰ্থক কাকো কষ্ট দিব নোখোজে। অৱশ্যে জীৱনত যদি বিভাই এনে এজন মানুহক লগ পালেহেঁতেন যি তাইৰ চকুৰেই গছডালক চাব পাৰিলেহেঁতেন, আৰু কবীন্দ্ৰৰ কবিতাই কেৱল নহয়,–

"You stand apart from the crowd

One, among so many women you pass by,

And raise a tempest in my heart"

এনেধৰণৰ কবিতাও তাইক শুনাব পাৰিলেহেঁতেন, তেতিয়াহ'লে তেনে এজন মানুহৰ বাবে তাই আকাশ-পাতাল তোলপাৰ লগাই দিব পাৰিলেহেঁতেন। এনে এজন পৰম যোগ্য লোকক যদি তাইৰ দেউতাকহঁতে কিবা বৈষয়িক কাৰণত অযোগ্য বুলি আপত্তি কৰিলেহেঁতেন, তেতিয়াহ'লে বিভাই বিৰাট বিদ্ৰোহ কৰিলেহেঁতেন। যি মানুহক বিয়া কৰাই তাইৰ সযত্ন লালিত স্বাধীনতাকো হেলাৰঙে বলিদান দিব পাৰি, তেনে মানুহৰ বাবে ঘৰ কিয়, বিভাই ঈশ্বৰৰ বিৰুদ্ধেও থিয় দিব পাৰিলেহেঁতেন।

কিন্তু তেনে এজন মানুহ তাইৰ জীৱনত যেতিয়া কেৱল মানস মূৰ্তিয়ে হৈ ৰ'ল, তেনে অৱস্থাত প্ৰদীপ দত্তৰ বাহিৰে বিভাই আৰু আন কোন যোগ্যতৰ স্বামীক বৰমাল্য অৰ্পণ কৰিব পাৰে? গতিকে প্ৰদীপ দত্তৰ লগত বিভাৰ বিয়া হৈ গ'ল। দেউতাকে বিভাৰ লগত বহুত বস্তু দিলে। সেই সকলোবোৰ নিষ্প্ৰাণ সুন্দৰ আৰু চিক্‌মিকিয়া বস্তুৰে বিভাৰ নতুন ঘৰৰ শোভা বঢ়ালে। তাইৰ নিজনংগ কোঠালিটোত আগৰ সকলো বস্তুৰে পৰি ৰ'ল। তাৰ কোনো এটা বস্তুকে বিভাই লগত নিনিলে। তাইৰ এনে লাগিছিল যেন বিয়াৰ উজ্জ্বল ফাৰ্নিচাৰ, দামী নতুন কাপোৰ, বিবিধ ঘৰ সজোৱা বস্তুৰ মাজত করুণ আৰু মলিন হৈ পৰাৰ খুব সম্ভাৱনা থকা পুৰণি সকলোবোৰ বস্তুৰে কিন্তু হৃদয় আছে,

বাহিৰে ৰংচঙীয়া এই বস্তুবোৰৰ দৰে নিস্প্ৰাণ আৰু হৃদয়হীন নহয়। এতিয়া তাই নোহোৱা হোৱা ঘৰটোত সেই সকলোবোৰে তাইৰ বিৰহত নীৰৱে চকুলো টুকিব। কিন্তু তাই সেই বস্তুবোৰৰ একোকে তাইৰ লগত নিব নোৱাৰে। তাই যদি সেইবোৰো লগত লৈ যায়, তেতিয়াহ'লে তাই যেতিয়া মাজে মাজে মাকৰ ঘৰলৈ আহিব, তেতিয়া সেই শূন্য ঘৰটোৱে চাৰিওপিনৰ পৰা খুন্দিয়াই খুন্দিয়াই তাইৰ বুকুত হাহাকাৰ জগাই তুলিব। সেই বস্তুবোৰ– যিবোৰে তাইৰ অতীত সম্পূৰ্ণ হেৰাই যাবলৈ নিদি কিছু পৰিমাণে ধৰি ৰাখিব পাৰে, সেই বস্তুবোৰ স্থানচ্যুত হোৱা মানেই তাইৰ অতীতৰ দৈহিক সত্তা বহু পৰিমাণে লুপ্ত হোৱা।

কিমান মৰমৰ অতীত, আৰু অতীত মানেই তাইৰ কোঠালিটো, তাইৰ কোঠালিৰ বস্তুবোৰ আৰু খিৰিকী কাষৰ গছডাল; অতীত মানেই নিঃসংগতা, অতীত মানেই স্বাধীনতা আৰু তাই নিজে গঢ়ি লোৱা সাম্ৰাজ্যখনত আপোন ইচ্ছাৰ পৰিচালনাত অবাধ, মুক্ত, আনন্দময় বিচৰণ। তাই যেতিয়া নৱম শ্ৰেণীৰ ছাত্ৰী আছিল তেতিয়া মহাকবি গ্যেটেৰ বাণী এটা কাগজ এখনত লেখি ফটো ষ্টেণ্ড এখনত লগাই তাইৰ পঢ়া মেজখনত সজাই থৈ দিছিল। গ্যেটেই সেই বাণীটোত কৈছিল যে মানুহে জীৱনটো সৰস কৰি ৰাখিবলৈ হ'লে সদায় এটা ভাল কবিতা পঢ়িব লাগে, এখন ভাল ছবি চাব লাগে, এটা ভাল গান শুনিব লাগে। অতীতৰ নৱম শ্ৰেণীত পঢ়া কিশোৰী বিভাই সেই উপদেশ আক্ষৰিক অৰ্থতে পালন কৰিছিল।

সেই অতীত! তেতিয়া যে সময়বোৰ কেনেকৈ উৰি উৰি গৈ আছিল বিভাই গমেই পোৱা নাছিল। স্কুল আছে– কলেজ আছে– স্কুল-কলেজৰ পঢ়া-শুনা আছে। বিভা পঢ়া-শুনাত কোনোদিনেই ভাল ছাত্ৰী নাছিল। কোনোমতে পাছটো কৰি যাব পাৰিলে হয়– পঢ়া-শুনাৰ কথাত তাইৰ উচ্চাকাঙ্ক্ষা আছিল সিমানেই। গতিকে অলপ সময় স্কুল-কলেজৰ পাঠ্য কিতাপ পঢ়া-শুনা কৰি লৈ তাই বিচৰণ কৰিছিল 'অপাঠ্য' কিতাপৰ বিচিত্ৰ মনোমুগ্ধকৰ জগতত। কিন্তু বিভা পঢ়িযে ক্ষান্ত থাকিছিল– নিজে কোনোধৰণৰ লেখাৰ প্ৰয়াস নকৰিছিল। অৱশ্যে ডায়েৰিক যদি লেখা বুলি ক'ব পৰা যায় তেন্তে বিভাই ডায়েৰি লেখিছিল। তাইৰ সেই দিনপঞ্জীৰ পাতবোৰ ভৰি গৈছিল কোনো বাহ্যিক ঘটনাৰ বৰ্ণনাৰে নহয়, ভৰিছিল নানা বিষয় লৈ তাইৰ মনত খেলোৱা নানা ভাবেৰে।

ইয়াৰ উপৰিও বিভাৰ অতীত পূৰ্ণ হৈছিল কবিতা আৰু চেতাৰৰ ঝংকাৰেৰে। চেতাৰখনে তাইৰ আঙুলি বুলনত প্ৰাণ পাই উঠিছিল, অসমীয়া, ইংৰাজী, বঙালী কবিতাৰ কিতাপেৰে তাইৰ মেজ ভৰি গৈছিল, মন ভৰি গৈছিল। তদুপৰি গছডালতো আছিলেই, সেইডালো এক জীৱন্ত কবিতা, "I have never seen a poem lovely as a tree" –এগৰাকী কবিয়ে ঠিকেই কৈছে।

কিন্তু এই সকলোবোৰেই এতিয়া অতীত। আৰু এইবোৰ অতীত হৈ যোৱাত বিভাই কোনো আপত্তি নকৰিলে বা সেইবোৰক চিৰ বৰ্তমান কৰি ৰখাৰো কোনো অপচেষ্টা নকৰিলে। বিভাই এটা কথাত নিজকে খুব চিনি পাইছিল বুলি ভাবিছিল– তাই ছোৱালীজনী অলীক স্বপ্ন বিলাসী বেহিছাপী মনৰ নহয়। সুদীৰ্ঘ ভৱিষ্যত এটা পূৰ্ণ 'কৰি ৰাখিবলৈ তাইৰ এই অতীতৰ সামগ্ৰীখিনিয়েই যথেষ্ট নহয়– গতিকে প্ৰদীপ দত্তক বিয়া কৰাই তাই অতীতক অতীত হৈ যাবলৈয়ে দিলে আৰু পৰম আত্মোৎসৰ্গেৰে লালন কৰা স্বাধীনতাক বিসৰ্জন দিবলৈও সাজু হ'ল।

কিন্তু প্ৰদীপ দত্তৰ লগত অসুখী হৈছিল বুলিও বিভাই ক'ব নোৱাৰে। গাভৰু ছোৱালী এজনীৰ বাবে বিবাহিত জীৱনৰ মাধুৰ্য বৰ অলপ নহয়। তদুপৰি প্ৰদীপ ল'ৰাজন হ'ল উদাৰ আৰু মৰমিয়াল, তেওঁ বিভাক উপহাৰ দিয়া কাপোৰ-গহনাই সিমান উচ্ছ্বসিত কৰিব নোৱাৰিলেও তেওঁৰ মৰমভৰা অন্তৰখনে হ'লে তাইক বিগলিত কৰি ৰাখিছিল। তায়ো প্ৰদীপৰ প্ৰতি স্ত্ৰীৰ সকলো কৰ্তব্যকে যথাযথ-ভাৱে পালন কৰি গৈছিল আৰু মনতে একধৰণৰ এটা আত্মতৃপ্তি লাভ কৰি আছিল যে তায়ো প্ৰদীপক সুখী কৰিব পাৰিছে। কিন্তু তাইৰ সেই আত্মতৃপ্তি যে সত্য নহয় প্ৰদীপৰ হঠাৎ হোৱা দুই-এটা উষ্মাৰ পৰাই বিভাই লাহে লাহে বুজি আহিবলৈ ধৰিলে। ৰজা মিডাছে বোলে যিহকেই স্পৰ্শ কৰিছিল সেয়ে সোণ হৈ যাবলৈ ধৰিলে, অথচ সেই আপুৰুগীয়া সোণকে উভৈনদী কৰি পেলোৱা মানুহজনৰ জীৱনলৈ তাৰ বাবেই চৰম ট্ৰেজেডি নামি আহিল। আচলতে সংসাৰৰ সচৰাচৰ নিয়মৰ ব্যতিক্ৰম হ'লে বোধহয় জীৱনলৈ ট্ৰেজেডি আহেই। তাইৰো হ'ল সেয়েই– তাই যদি আন দহজনী ছোৱালীৰ দৰে সহজ সাধাৰণ হ'লহেঁতেন, তেন্তে তাই প্ৰদীপক সুখী কৰিব পাৰিলেহেঁতেন, তাইৰ জীৱনলৈ এই ট্ৰেজেডি নামি নাহিলহেঁতেন।

প্ৰদীপে হঠাৎ উষ্মা দেখুৱাইছিল এনেধৰণে– 'অ'। এই সস্তীয়া হিন্দী চিনেমা-খন চোৱাৰ তোমাৰ মন নাই! নেথাকিবইতো। তুমি হ'লা পণ্ডিতনী মানুহ! এই চিনেমা- টিনেমাবোৰ তোমাৰ আৰু ভাল লাগিবনে?'... 'হাজাৰ কিতাপ পঢ়ি নেদেখুৱা কিয়, ছোৱালীৰ যি চুটি বুদ্ধি চুটি বুদ্ধিয়ে, আমাৰ লগত ফেৰ মাৰিবলৈ নাহিবা বুজিছা?'... 'মৰম কৰি শাৰীখন আনি নিদি তোমাক যেনিবা কেইটামান কুইনাইনৰ পিলহে আনি দিলোঁ, মুখখন দেখি এনেকুৱাই লাগিল। এগালমান কিতাপ আনি দিলে নিশ্চয় মুখত হাঁহি ওলালহেঁতেন। পিছে মাইকী মানুহৰ সংসাৰ চলাবলৈ কিতাপ পঢ়াৰ কোনো দৰ্কাৰ নাই বুজিছা, আমাৰ মাই পাঠশালাৰ দেওনাটোও পাৰ হোৱা নাছিল, কিন্তু দেউতাক তেওঁ যিমান সুখী কৰিছিল তোমালোকৰ দৰে পণ্ডিতনীবোৰে কল্পনাও কৰিব নোৱাৰিবা।'... 'তোমাৰ দৰে কিতাপ-পত্ৰ নপঢ়িব পাৰোঁ বা সেইবোৰ আজে-বাজে কিতাপ

পঢ়িবলৈ আমাৰ সময় নহ'ব পাৰে, কিন্তু চৰকাৰে মোৰ বুদ্ধি আৰু দক্ষতাৰ স্বীকৃতি হিচাপেই এই নতুন কামটোলৈ ট্ৰেন্সফাৰ কৰিছে– এইটো এনে দায়িত্বপূৰ্ণ আৰু টান কাম যে যাকে তাকে তাৰ ভাৰ দিব নোৱাৰি।'... 'কেইখনমান কিতাপ পঢ়িছা বুলি নিজকে বৰ ওপৰৰ বুলি ভেমত ওফন্দি নাথাকিবা। মিছেছ শইকীয়াও তোমাৰ দৰেই বি.এ. পাছ; তেওঁৰ লগত মিলামিছাৰ কথা ক'লেই তোমাৰ বিদ্ৰোহৰ ভাব জাগে। কিন্তু তেওঁ মোৰ ওপৰৱালাৰ ঘৈণীয়েক বুলি তুমি পাহৰি যোৱা, মোক চাকৰি জীৱনত তুমি কেতিয়াবা বিপদত পেলাবা। আচলতে এই আজে-বাজে কিতাপৰ কথাবোৰেই তোমাৰ মূৰ খালে। কিতাপৰ কথা জীৱনতো খটুৱাব গ'লেই মানুহৰ বিপদ হয়। কিতাপৰ বৰ বৰ কথাই আজিৰ সাংঘাতিক প্ৰতিযোগিতামূলক জীৱন যাত্ৰাত সহায়তো নকৰেই, বৰং জীৱন যুদ্ধত পৰাজিতহে কৰে!'....

বিভা অসহায় দুখত বিমোৰ হৈ থাকে। তাই কিতাপ পঢ়াৰ কথাটোলৈ প্ৰদীপ ইমান স্পৰ্শকাতৰ কিয়? তাইতো প্ৰদীপক কোনোদিন এখন কিতাপ আনি দিবলৈ কোৱা নাই, কিতাপ সম্পৰ্কে কোনো এটা কথাও পতা নাই, সংসাৰৰ তুচ্ছ কাম এটা ক্ষতি কৰিও কিতাপ পঢা নাই– তথাপি প্ৰদীপৰ এই জ্বালা কিয়?

বিয়াৰ দুবছৰ পিছত কিবা এটা চৰকাৰী আঁচনিত প্ৰদীপ জাৰ্মেনীলৈ গ'ল। তাৰ এবছৰৰ পিছত খবৰ আহিল যে প্ৰদীপ আৰু উভতি নাহে তাতেই তেওঁ জীৱনৰ দ্বিতীয় চাকৰি আৰু দ্বিতীয় পত্নী লৈ নিগাজিকৈ বসবাস কৰিবলৈ লৈছে।

সংসাৰত সকলোৱে প্ৰদীপক দুষিলে, নুদুষিলে কেৱল বিভাই, বেচেৰা প্ৰদীপ! প্ৰদীপৰ আচল জ্বালা শেষত বিভাই বুজি পাইছিল, তিৰোতাৰ ওপৰত পুৰুষৰ ঐতিহ্যৰ মানসিকতাৰে পুষ্ট পুৰুষ এজন হৈ প্ৰদীপে ঘৈণীয়েকৰ আগত কেৱল হীনমন্যতাৰ মনোভাৱতে ভুগিলে। বিভাক বিয়া কৰাই তেওঁ আৰু কোনোদিন সুখ নাপালে। তেওঁৰ আৰু বিভাৰ মাজৰ কিতাপৰ দুৰ্ভেদ্য প্ৰাচীৰখন দেই বেচেৰা মানুহজনে হোমৰ আগত ধৰ্ম সাক্ষী কৰি বিয়া কৰোৱা ঘৈণীয়েকজনীক কোনোদিনেই নিজৰ অধিকাৰ ভুক্ত কৰি নেপালে।

কিন্তু দোষ নিদিয়া বেলেগ কথা আৰু দুখ নোপোৱা বেলেগ কথা, গতিকে প্ৰদীপক দুষিব নোৱাৰিলেও বিভাই হ'লে দুখ নোপোৱাকৈ নাথাকিল। কোনো দিন নেদেখা সাত সাগৰ তেৰ নদীৰ সিপাৰৰ এজনী শ্বেতাঙ্গিনীৰ প্ৰতি ঈৰ্ষাত তাইৰ হৃদয় ৰক্তাক্ত হৈ থাকিল। বিভাই আচৰিত হৈ ভাবিলে– আমি আচলতে নিজকেই কিমান কম জানো! মোৰো যে অন্তৰত ইমানখিনি ঈৰ্ষাৰ বিষ সোমাই আছে কোনোদিনে কল্পনা কৰিব পাৰিছিলোঁনে!

প্ৰদীপ জাৰ্মেনীলৈ যোৱাৰ পিছৰ বছৰটো বিভা শহুৰেক-শাহুৱেকৰ লগত আছিল। কিন্তু প্ৰদীপৰ বিয়াৰ খবৰটো পোৱাৰ পিছত তাই দেউতাকৰ ঘৰলৈ গুচি আহিল। তাইৰ কোনো ল'ৰা-ছোৱালীও হোৱা নাছিল যে সেই সন্তানৰ যোগেদি শহুৰেকৰ ঘৰৰ লগত সেতু বন্ধন হ'ব।

অতীতৰ সেই সৰু কোঠালিটোতো তাইৰেই হৈ আছিল, এতিয়া তাই সেইটো ঠিকঠাক কৰি ল'বলৈ সোমায়ো একোকে নকৰি বিছনাত বাগৰি পৰিল।

দুৱাৰত কোনোবাই টুকুৰিয়ালে।

"কোন? ভিতৰলৈ সোমাই আহা।"

হাতত একাপ হৰলিক্স লৈ বিভাৰ নবৌয়েক সোমাই আহিল।

"এ– তুমি দেখোন একোকে কৰা নাই, বিছনাত শুইহে আছা দেখোন। মই ভাবিলোঁ কাম কৰি কৰি তোমাৰ ভাগৰ লাগিব পায়, একাপ হৰলিক্সকে লৈ যাওঁ। ঘৰটো বৰ অন্ধকাৰ লাগিছে– অ' তুমি খিৰিকীৰ পৰ্দাবোৰো কোঁচাই দিয়া নাই! চাওঁ, উঠা বিভা, হৰলিক্স কাপ খোৱা, মই পৰ্দাবোৰ কোঁচাই দিওঁ।"

বিভাই অনিচ্ছাৰে বিছনাত উঠি বহিল। নবৌয়েকে খিৰিকীৰ পৰ্দাবোৰ কোঁচাই দিলে আৰু কোঠালিত সোমোৱাৰ পিছত প্ৰথমবাৰৰ বাবে পূব ফালৰ খিৰিকীৰে গছজোপালৈ চাব খুজি বিভা আৰ্তনাদ কৰি উঠিল।

"নবৌ। গছডাল ক'লৈ গ'ল?"

"কি গছ? তুমি এনেকৈ চিঞৰি উঠিছা কেলেই?"

"গছডাল যে। মোৰ খিৰিকীৰে দেখা পোৱা গছ এডাল আছিল যে।"

"অ' সেই মদাৰ গছডালৰ কথা কৈছা?" বিভাৰ বৌয়েকে সহজ মাতেৰে ক'লে– "শইকীয়াহঁতে গছডাল কাটি পেলালে। মদাৰ গছ একো কামত নালাগে নহয়। এতিয়া তেওঁলোকে তাত কটেজ এটা বান্ধি ঘাই ঘৰৰ দাঁতিয়েদি বাট উলিয়াই সেইটো ভাড়া দিব। মযো ককাইদেৱেৰাক কৈছোঁ বোলে আমাৰ পিছফালৰ মাটিডোখৰো এনেয়ে পৰি আছে। শইকীয়াহঁতৰ দৰে আমাৰো কটেজ এটা বান্ধি ভাড়া দি দিব লাগে। আজিৰ দিনত মানুহে এনেয়ে মাটি পেলাই থব নেপায, বিশেষকৈ গুৱাহাটী চহৰত। ঘৰৰ ভাড়া যিদৰে বাঢ়ি আছে, এটা ভাড়া ঘৰ থাকিলেও আন চাকৰি নকৰিও সেই ভাড়াৰ পইছাৰেই বহি বহি খাব পাৰি বা নানা বিলাসৰ সামগ্ৰী ল'ব পাৰি।"

বিভাই একো নেমাতিলে, নীৰৱে হৰলিক্সৰ কাপটো মুখলৈ তুলি ল'লে। তাইৰ মনলৈ আহিল এগুৰাছনৰ সেই 'ফাৰট্ৰি' নামৰ গল্পটোৰ শেষৰ বাক্যকেইটা ঃ

"But that was past, and the tree also, past' past! for all stories must come to an end sometime or other " ❐

উপহাৰ

মঞ্জুৰ বিয়া ঠিক হোৱা বুলি খবৰটো পোৱাৰ পিছত তাইক কি উপহাৰ দিব সেই চিন্তাতে কমলাই দুদিন অতিবাহিত কৰিলে। মঞ্জু যদিও তাইৰ মাহীয়েকৰ জীয়েক, তথাপি তাই কমলাৰ প্ৰাণৰ বন্ধু। সেই মঞ্জুক জধে-মধেতো কিবা এটা দিব নোৱাৰি।

অৱশেষত বহুত ভাবি-চিন্তি কমলাই তাইৰ বাবে উলৰ স্কাৰ্ফ এখন বোৱাকে ঠিক কৰিলে। কমলা উলৰ কামত অতি পাকৈত। নিজৰ সৰ্বশ্ৰেষ্ঠ দক্ষতাৰ চানেকি য'ত ফুটি ওলাব, তাতকৈ ভাল উপহাৰ আৰু কি হ'ব পাৰে? গতিকে সেই বিষয়ে থিৰাং কৰাৰ পিছতেই কমলাই উলৰ দোকানলৈ গৈ ধুনীয়া ৰঙৰ দামী উল কিনি আনি স্কাৰ্ফৰ কাম আৰম্ভ কৰি দিলে। সেইখন বই বই এসময়ত তাইৰ মুখত হাঁহিৰ ঢউ এটা খেলি গৈছিল।

কমলাৰ ওচৰতে ৰ'দ লৈ ডাঢ়ি খুৰাই থকা তাইৰ গিৰিয়েক অপূৰ্বই তাইৰ সেই হাঁহি দেখি সুধিছিল, 'অকলে অকলে যে হাঁহিছা তুমি পগলা হ'লা নেকি?'

'মঞ্জুৰ বিয়াৰ জল্পনা-কল্পনাত মোৰ মূৰৰ অৱস্থা অলপ অস্বাভাৱিক হোৱাটো একো আচৰিত মানিবলগীয়া কথা নহয়। কিন্তু মই কিয় হাঁহিছোঁ জানা? স্কাৰ্ফখন গুঠি গুঠি মোৰ হঠাতে ডিকেন্সৰ 'এ টেল্ অব্ টু চিটিজ্' উপন্যাসখনৰ বিখ্যাত মেডাম ডেফাৰ্জৰ চৰিত্ৰটোলৈ মনত পৰি গ'ল। তেৱোঁ এনেকৈ দিন-ৰাতি উল গুঠি গুঠি প্ৰতিশোধ ল'বলগীয়া মানুহবোৰৰ নামত একো একোটা গাঁঠি বইছিল হেনো। ময়ো দিন-ৰাতি সেই কামকে কৰিছোঁ– কিন্তু মোৰ একো একোটা গাঁঠি হ'ল মঞ্জুৰ প্ৰতি অসীম মৰমৰ। মঞ্জুৱে নিশ্চয় এইখন গাত লৈ তাৰ উমৰ লগতে উলৰ আঁহে আঁহে সোমাই থকা মোৰ মৰমৰ উমখিনিও অনুভৱ কৰিব।'

কিন্তু সেই হেন হেঁপাহৰ বিয়াখনো যে এনেকৈ মাটি হৈ যাব কল্পনাই কৰিব পৰা নাছিল কমলাই। বিয়াৰ দুদিন আগতে তাই গৈ মঞ্জুহঁতৰ ঘৰ পাইছিল, কিন্তু পোনাৰ অসুখ আৰম্ভ হ'ল জোৰোণৰ আগদিনাৰ পৰাই। অসুখ অৱশ্যে

একো ডাঙৰ নহয়, পানী লগা অসুখেই, কিন্তু আজি দুদিন ধৰি তাৰ পেন্‌পেননি, ঘেন্‌ঘেননিৰ অন্ত নাই। বিয়াৰ দিনা সকলো বেছি হৈ গ'ল, তাৰ চকুৰে-নাকে ধাৰাসাৰে পানী বৰলৈ ধৰিলে, আমনিৰো সীমা নোহোৱা হ'ল। পোনা হ'ল কমলাৰ প্ৰথম আৰু এতিয়ালৈকে একমাত্ৰ সন্তান, গতিকে অনভিজ্ঞ আৰু অনভ্যস্ত মাক হিছাপে কমলাৰ স্বাভাৱিকতেই ল'ৰাৰ বেমাৰৰ বাবে চিন্তা আৰু কষ্ট বেছি হৈছে। তাই বিয়া-বাৰু একপ্ৰকাৰ নেওচি এটা কোঠালিত পোনাৰে সৈতে বেছিভাগ সময় কটাই দিছে। পোনাক নিচুকাবৰ যত্ন কৰি, আৰাম দিবৰ যত্ন কৰি তাই মনতে গিৰিয়েক অপূৰ্বৰ ওপৰত বিৰাট অভিমান পুঞ্জীভূত কৰি তুলিছে। কামৰ অজুহাতত মানুহজন কোনোমতে মঞ্জুৰ বিয়ালৈ আহিব নোৱাৰিলে, যোগান বিভাগৰ ভাৰপ্ৰাপ্ত মেজিষ্ট্ৰেট্ অপূৰ্বই হেনো দেশৰ তেনেহেন দুৰ্ভিক্ষ-পীড়িত অঞ্চল এটা এৰি থৈ কোনোমতে আহিব নোৱাৰে। অপূৰ্বই ধেমালি কৰি কমলাক ইয়াকো কৈছিল যে তেওঁ স্বয়ং দৰা হোৱা হ'লে এনেকি কমলা হেন ৰত্ন এটিৰ পাণিগ্ৰহণ কৰিবলৈকো তেনে অৱস্থা আওকাণ কৰি আহিব নোৱাৰিলেহেঁতেন।

গতিকে কমলা অকলেই ষ্টেট্ ট্ৰেন্সপৰ্ট বাছত উঠি মঞ্জুৰ বিয়ালৈ গুচি আহিছিল। লগত সাৰথি কৰি আনিছিল কাম কৰা ছোৱালী জানকীক। সাধাৰণতে পোনাই জানকীক খুব ভাল পায়, কিন্তু এতিয়া অসুখত পৰি সি জানকীৰ ওচৰলৈ একেবাৰে যাব নোখোজে। অগত্যা কমলাই নিজৰ ভাগ্যকে ধিক্কাৰ দি পোনাক লৈ কোঠালি এটাতে দিন-ৰাতি নিজকে বন্দী কৰি ৰখাৰ দৰে ৰাখিছে।

কমলাৰ প্ৰতি সকলোৱে সহানুভূতি দৰ্শাইছে, বিয়াৰ নানা কাম-বনৰ ফাঁকে ফাঁকে আহিও সকলোৱে তাইৰ খবৰ কৰি আছে, মাহীয়েকে কইনাৰ মাকৰ সকলো ব্যস্ততাৰ মাজতো তাইৰ খোৱাৰ খা-খবৰ কৰিছে, পোনাৰ সম্পৰ্কে দিবলগীয়া উপদেশ দিছে। বিয়াৰ কইনা মঞ্জুৱেতো অনবৰত তাইৰ লগতে থাকিব খুজিছিল– কিন্তু বাহিৰা মানুহ দেখিলে পোনাৰ আৰু বেছি আমনি বাঢ়ে বাবে কমলাই নিজকে সেইখিনি আনন্দৰপৰাও বঞ্চিত কৰিবলগীয়া হৈছিল। অথচ মঞ্জুৰ লগত তাইৰ কত কথা পাতিবলগীয়া আছিল, মঞ্জুৰ বিয়াৰ খবৰ পোৱাৰ পিছত মনৰ ভিতৰত মঞ্জুৰ লগত অকলে অকলে যিবোৰ কথা পাতিছিল সেইবোৰ কথা মঞ্জুক লগ পাই হিয়া উজাৰি উবুৰিয়াই দিয়াৰ কত হেঁপাহ লৈ তাই আহিছিল– এক পোনাৰ অসুখেই সকলো ববাদ কৰি দিলে।

মঞ্জুৱে বহুবাৰ চেষ্টা কৰিছিল পোনাক তাইৰ উপস্থিতি সহ্য কৰাবলৈ, কিন্তু নাই, বাহিৰা কাৰোবাক দেখিলেই তাৰ চিঞৰ-বাখৰ বেছি হয়। অগত্যা মঞ্জুৱে সকলো চেষ্টা বাদ দি মুখ ওন্দোলাই ওলাই গৈছিল।

মঞ্জুৰ কাণ সমনীয়া ভনীয়েক বিভা ছোৱালীজনী খাবাংখাছ ধৰণৰ। সকলোৱে

যেতিয়া গহীন আৰু কৰুণ মুখ কৰি কৰি কমলাৰ খবৰ লৈছিলহি তেতিয়া তায়ে একমাত্ৰ হাঁহি হাঁহি কমলাক আহি কৈছিল– 'আই পি-টি ইউ কমলা বাইদেউ– বাই দি বাই, আই পি টি ইউ বাক্যষাৰ শব্দ নলগাই ইংৰাজী চাৰিটা আখৰেৰেই লিখিব পাৰি বুলি তুমি জানানে?'

বিভাৰ হাঁহি আৰু কথাত কমলাৰ খং উঠিলেও তাই কৌতূহলী হৈ সুধিলে– 'কেনেকৈ?' তাৰপিছত লগে লগে নিজেই ক'লে, 'অ', বুজিছোঁ দিয়া, আই পি টি ইউ প্ৰত্যেকে একো একোটা আখৰ। বেছ মজাতো!' কমলাৰ মুখত হাঁহি বিৰিঙিল। কমলাৰ হাঁহিৰ লগে লগে অলপ সময় টলকা মৰা পোনাই পুনৰ চিঞৰিবলৈ ধৰিলে।

বিভাই লৰালৰিকৈ ক'লে– 'ভাল জ্বলাইছে দিয়া তোমাক। মই কি বাবে আহিছিলোঁ খৰধৰকৈ কৈ যাওঁ, ঐ বোপাই, মই এইমাত্ৰ গুচি যাম, অলপ মনে মনে থাক। কমলা বাইদেউ, ক'ৰবাত কথা এষাৰ পঢ়িছিলোঁ বোলে বুদ্ধিমানৰ কাম হ'ল অসুবিধাজনক পৰিস্থিতিকো সুবিধাজনক পৰিস্থিতিত পৰিণত কৰা। ময়ো তেনেকৈ বুদ্ধিমতী হ'বলৈ ওলাইছোঁ। তুমি বেচেৰীতো ইযাত এনেকৈ বন্দী হৈ আছা, সেই অৱস্থাৰ সুবিধা লৈ মই মাহঁতক কৈছোঁ যে বিয়াৰ উপহাৰবোৰ এই কোঠাটোতে থোৱাটো ভাল হ'ব। ভাইটিযে ডাঙৰ ট্ৰাংক এটা আনি দিব আৰু তাত নুজুৰিলে সৌ বিছনাখনৰ ওপৰতো বস্তুবোৰ থোৱা হ'ব। তুমি বন্দিনীয়ে অটোমেটিকেলি সেইবোৰৰ পহৰাদাৰ হৈ থাকিবা। নহ'লে আন কোনেনো বিয়া চাবলৈ এৰি উপহাৰৰ ৰখীয়া হৈ থাকিব।' বিভা হাঁহি হাঁহি ওলাই গৈছিল আৰু কমলাৰ মুখৰ পৰা অজানিতে এটা হুমুনিয়াহ ওলাই আহিছিল– কি যে ভাগ্যৰ প্ৰহসন।

সঁচাকৈয়ে ভাগ্যৰ প্ৰহসন। কমলাই বিয়াৰ পিছত মহিলা সংঘ এটাত যোগ দিছিল। সেই সংঘৰ যোগেদি নানা সমাজ-কল্যাণমূলক কাম কৰাৰ আঁচনি লৈছে হেনো সিহঁতে– সংঘৰ পৰা ঘৰলৈ আহি কমলাই গিৰিয়েকক সেইবোৰ ৰিপৰ্ট দিয়ে। কমলাৰ নিজৰ এটা বিশেষ প্ৰস্তাৱ হ'ল– বিয়াত উপহাৰ দিয়া প্ৰথাটো আঁতৰাবলৈ সিহঁতে সংঘৰ যোগেদি চেষ্টা চলাব লাগে। পুৰুষে মহিলাৰ যিকোনো অনুষ্ঠানৰ কথাতে অলপ বেঁকাকৈ হঁহাৰ ঐতিহ্য ৰক্ষা কৰি কমলাৰ গিৰিয়েকেও হাঁহে আৰু কয়, 'তুমি যে ৰিছাৰ্চ কৰাৰ কথা কৈ থাকা, এই এটা বিষয়ৰ ওপৰতে দেখোন সেই ৰিছাৰ্চ কৰিব পাৰা। এই বিষয়ে তোমাৰ আগ্ৰহ, আন পৃথিৱীৰ সকলোতকৈ বেছি বুলি মই বাজী মাৰি ক'ব পাৰোঁ।' কোৱা বাহুল্য তেনেধৰণৰ ৰসিকতাত কমলা খঙত জ্বলি-পকি উঠে। এই ৰিছাৰ্চ কৰা কথাটো লৈ অপূৰ্বই তাইক জানো কম মৰ্মভেদী ঠাট্টা কৰিছে?

এম.এ. পাছ কৰাৰ পিছতে কমলাৰ বিয়া হৈছিল। তাই যে পঢ়া-শুনাত

চোকা, তাইৰ দৰে শিক্ষিতা ছোৱালী এজনীয়ে অকল গৃহিণী হৈ থাকিবলগীয়া হ'লে জীৱনটো যে মাটি হৈ যাব– সেই কথা কমলাই অপূৰ্বক জনাবলৈ এৰা নাছিল। অপূৰ্বই প্ৰথমতে একো কোৱা নাছিল– হয়তোবা নতুন ঘৈণীয়েকক দুখ নিদিবলৈ, হয়তোবা কমলাৰ কথাত বেছি গুৰুত্ব আৰোপ নকৰা বাবে। কিন্তু পিছলৈ সি অলপ ঠাট্টা-বিদ্ৰূপ কৰা হ'ল। অপূৰ্বৰ স্বভাৱটোৱেই হ'ল সকলো কথাতে ৰসিকতা কৰা। কিন্তু এদিনেই সি অলপ গহীন হৈ কৈছিল, 'তোমালোক শিক্ষিতা ছোৱালীবোৰে যে ভাবা– এম.এ., বি.এ. পাছ কৰিলেই কিবা চাকৰি-বাকৰি কৰিব লাগিব, এইটো পিছে বৰ দুৰ্ভাগ্যজনক কথা দেই। বিশেষকৈ তোমালোকে নিবনুৱা কৰা ল'ৰাবোৰৰ কথা ভাবাচোন। সিদিনা শ্বিলঙৰ ওৱাকাথনলৈ আহি মাদাৰ টেৰেছাই কি কৈ গৈছে মনত নাই? ইউৰোপ, আমেৰিকাৰ ল'ৰা-ছোৱালীবোৰ উচ্ছৃংখল হৈ যোৱাৰ কাৰণ হ'ল মাকহঁতৰ ঘৰত অনুপস্থিতি। পুৰুষৰ সমানে সমানে বাহিৰৰ কাম কৰিবলৈ গৈ তেওঁলোকে ঘৰবোৰ ধ্বংস কৰি পেলাইছে। তেওঁ ঠিকেই কৈছে– 'তোমালোক মহিলাবোৰ– Be the heart of the home! তোমালোকৰ মৰম-স্নেহেৰে...'

অপূৰ্বক সিদিনা কমলাই কথা শেষ কৰিবকে দিয়া নাছিল– আধাতে বাধা দি চিঞৰি উঠিছিল; 'তোমাৰ লেক্‌চাৰ এৰা। তোমাৰ ঠাট্টা এবেগেতলৈ সহ্য হ'লেও এই চাৰমন একেবাৰে সহ্য নহয়। এইবোৰ যুক্তি দি দিয়েই পুৰুষে চিৰকাল তিৰোতাক ঘৰৰ চাৰি সীমাৰ ভিতৰত বন্দী কৰি থব খুজিছে–।'

বিয়াৰ কিছুদিনৰ পিছত কমলাই শুনিলে– তাইৰ লগত একেলগে পাছ কৰা চাৰু আৰু বিমলাই ৰিছাৰ্চ কৰিব ধৰিছে। কমলা আকৌ ছট্‌ফটাই উঠিল, আকৌ অপূৰ্বৰ আগত আক্ষেপ কৰিলে, 'চাৰু, বিমলাই মোতকৈ বেয়াকৈ পাছ কৰিও এতিয়া ডক্টৰেট ল'ব, মোৰহে একো নহ'ব। তুমি গুৱাহাটীলৈ বা ডিব্ৰুগড়লৈ বদলি হৈ লোৱা না, ময়ো ডক্টৰেটৰ বাবে লাগোঁ।'

অপূৰ্বই আকৌ তাৰ স্বভাৱসুলভ ৰসিকতা কৰিছিল– 'বাপৰে বাপ্‌! ডক্টৰ কমলা দত্ত! ডক্টৰ চাৰু সেনাপতি! ডক্টৰ বিমলা ফুকন! বঙালী লেখক মুজ্‌তবা আলীয়ে এবাৰ লেখিছিল যে জাৰ্মানীত হেনো ইমান ডক্টৰ আছে যে ওপৰলৈ শিলগুটি এটা মাৰি পঠিয়ালে সেইটো আহি হয় এজন ডক্টৰৰ গাত লাগিব অথবা ৰাস্তাৰ অসংখ্য কুকুৰৰ কোনোবাটোৰ গাত লাগিব। তোমালোকে ডক্টৰেট পোৱাৰ পিছত আমাৰ ইয়াতো তেনেকৈ শিলগুটি মাৰি পঠিয়ালে হয় এজন ডক্টৰৰ গাত লাগিব নহ'লেবা কোনো মগনীয়াৰ গাত লাগিব; অৱশ্যে বেমাৰী কুকুৰ, চেৰেলা গৰু এইবোৰৰ গাতো লাগিব পাৰে!'

সিদিনাৰ পিছত কমলাই পূৰা এটা দিন অপূৰ্বৰ লগত মাতবোল কৰা নাছিল।

কিন্তু, তথাপি কমলাই ৰিছাৰ্চ কৰাৰ কথা বাদ দিয়া নাছিল। তেতিয়াই এদিন অপূৰ্বই কৈছিল– 'বিয়াৰ উপহাৰ' –এই বিষয়েই তাই দেখোন ভাল ৰিছাৰ্চ চলাব পাৰে।

সিদিনাও কমলা অপূৰ্বৰ ওচৰৰ পৰা উচাৎ মাৰি গৈছিল আৰু অপূৰ্বই ভালেখিনি সাধ্য-সাধনা কৰিহে তাইৰ মানভঞ্জন কৰিব পাৰিছিল।

কিন্তু অপূৰ্বই ধেমালি কৰিলেও এটা কথা যে সঁচা তাক কমলাই নামানি নোৱাৰে। বিয়াৰ উপহাৰ সম্পৰ্কে তাইৰ যিমান অভিজ্ঞতা, সেই বিষয়ে তাই যিমান ভাবিছে– তাইৰ পৰিচিতৰ মাজত আন কাৰোৰে সিমান অভিজ্ঞতা দেখা নাই বা কোনেও সিমানকৈ ভবাৰ চিন পোৱা নাই। ইয়াৰ কাৰণো এটা আছে বুলি কমলাই ভাবে। সিহঁতৰ পৰিয়ালটো অতি বৃহৎ– নিজৰ ঘৰৰে সিহঁতৰ বাই-ভনী, ভাই-ককাই ছজন; তদুপৰি দেউতাকৰ ফালৰ আৰু মাকৰ ফালৰ– দুয়ো ফালৰে আত্মীয়-স্বজনৰ সংখ্যা নগণ্য নহয়। সেই আত্মীয়সকলৰ লগত কমলাহঁতৰ সম্প্ৰৰ্কও বেছ ঘনিষ্ঠ। গতিকে এই বৃহৎ আত্মীয় গোষ্ঠীৰ বহুতৰে বিয়া দেখাৰ অভিজ্ঞতা কমলাৰ হৈছে। বৰদেউতাকৰ জীয়েক লতিকাৰ বিয়াত কমলাই প্ৰথমবাৰৰ বাবে এটা কথা বৰ বেয়াকৈ উপলব্ধি কৰিলে যে বিয়াত উপহাৰ দিয়াটো কিছুমান মানুহৰ বাবে কিমান কষ্টসাধ্য কথা! অথচ এসময়ত এই উপহাৰৰ উৎস আছিল নিশ্চয় প্ৰাণৰ মৰম, হেঁপাহ আৰু শুভেচ্ছা। কিন্তু কালক্ৰমত ই হৈ পৰিল প্ৰাণহীন এটা ৰিচুৱেল আৰু তাৰ পিছতো মানুহৰ অৰ্থনৈতিক অৱস্থাই উপহাৰ দিয়া প্ৰথাটোক একধৰণৰ অত্যাচাৰত পৰিণত কৰি পেলালে। অথচ সমাজ-জীৱনত এই কু-নিয়মটো এনে ওতঃপ্ৰোতভাৱে সোমাই গৈছে যে আজি মানুহে উপহাৰ নিনিয়াকৈ কোনো বিয়া-বাৰুত যাবলৈ অতিশয় সংকোচবোধ কৰে, মান-ইজ্জতৰে প্ৰশ্ন হৈ গৈছে সি। হাত দুখন খালী– এনে অৱস্থাৰে বিয়াঘৰত সোমোৱাটো যে কি লজ্জাজনক কথা! গতিকে যেন-তেন প্ৰকাৰেণ বিয়াঘৰলৈ উপহাৰ নিবই লাগিব।

লতিকাৰ বিয়াৰ উপহাৰবোৰ খুলি খুলি এইবোৰ ভাবেই কমলাৰ মনলৈ আহিছিল। লতিকাৰ ভনীয়েক মৃদুলা আৰু তাই বাহী-বিয়াৰ দিনা দুপৰীয়া উপহাৰবোৰ খুলিছিল। সিহঁতক পৰিৱেষ্টিত কৰি আছিল আৰু বহুতো কৌতূহলী ছোৱালী আৰু মহিলাৰ দলে। মাজে মাজে দুই-এজন ল'ৰায়ো ভুমুকি মাৰি মাৰি গৈছিল। কইনাৰ মাকেও এবাৰ আহি কৈ গৈছিল– 'খুলি খুলি উপহাৰবোৰ ভালকৈ চিঞ্জিল লগাই থবিহক দেই আইহঁত। লতিকাৰ লগত কেইবিধমান ভাল চাই বস্তু দিব লাগিব, বিয়াত কাম কৰা মানুহবোৰকো দুই-এবিধ কিবা দিব লাগিব, আমাৰ আপোন মানুহসকলকতো ভাল চাই দিবই লাগিব।'

উপহাৰ খোলা চাই থকা ছোৱালী এজনীয়ে মাত লগাইছিল– 'লতিকা

বাইদেৱে বহুত উপহাৰ পাইছে দেই মাহীদেউ!' উপহাৰ আৰু উপহাৰ, সুদৃশ্য ফুলাম কাগজেৰে বন্ধা, ৰিবনেৰে গাঁঠি মৰা আকৰ্ষণীয় টোপোলাবোৰ। কিন্তু দুই-এটা উপহাৰ খোলাৰ পিছতে কমলাৰ হাত যেন আৰু নচলা হৈ গৈছিল, সুন্দৰৰ আঁৰত লুকাই থকা ই কি কদৰ্যতা ওলাই পৰিল?

লতিকাক আশীৰ্বাদ জনাই কিবা কিবি লেখি দিয়া দুই-এখন অসমীয়া গল্প-উপন্যাস টোপোলাৰ পৰা উলিয়াই প্ৰথমতে কমলাই পাতলভাৱে মন্তব্য কৰিছিল– 'এই বিয়া-বাৰুবোৰতেই আমাৰ বেচেৰা অসমীয়া লেখক-লেখিকাসকলৰ কেইখনমান কিতাপ বেচা যায়।' কিন্তু তাৰপিছত সেই কিতাপৰ টোপোলা খুলিয়ে তাইৰ মাত হেৰাই গৈছিল, ৰঙীন কাগজেৰে মেৰিওৱা পেকেটটোৰ সূতাডাল ছিঙি কাগজখন খুলি পেলোৱাত যিখন কিতাপ ওলাই পৰিছিল, সেইখন আছিল ষষ্ঠমান শ্ৰেণীৰ এখন অংকৰ আধা পুৰণি কিতাপ। উপহাৰ চাবলৈ গোট খোৱা প্ৰাণীকেইটিৰ মাজলৈ কেই মুহূৰ্তমানৰ বাবে নামি আহিছিল একধৰণৰ হতবাক হৈ পৰাৰ স্তব্ধতা, কিন্তু লগে লগেই লতিকাৰ ভনীযেক মৃদুলাই সেই স্তব্ধতা ভংগ কৰি হো-হোৱাই হাঁহি দিছিল, 'লতিকাবাক অংকত গাধা বুলি কোনোবাই ভাল প্ৰেক্টিকেল জ'ক কৰিলে দেই!'

কিন্তু কমলাই সেই হাঁহিত যোগ দিব পৰা নাছিল। সঁচাকৈয়ে জানো প্ৰেক্টিকেল জ'ক? তেতিয়া হ'লে জানো ধেমালি কৰোঁতাজনৰ নাম নাথাকিলহেঁতেন? আৰু যিমানেই লতিকাক জোকাবৰ মন নেযাওক, বিয়া এখনত এনেধৰণৰ এপ্ৰিল ফুল জাতীয় ৰসিকতা কোনেও কৰিবলৈ নাহে। নিশ্চয় উপহাৰ কিনাত সামৰ্থহীন কোনোবা বেচেৰাই শুদা হাতৰ লজ্জা নিবাৰণ কৰিবলৈকে এই পন্থা লৈছে।

সিদিনা লতিকাৰ বিয়াত উপহাৰ বিষয়ক আন আৰু একো নতুন তথ্য বাহিৰ হোৱা নাছিল। কিন্তু সেইটো ঘটনাই কমলাক বিয়াৰ উপহাৰ সম্পৰ্কে বেছ সচেতন কৰি তুলিছিল; ফলত তাৰ পিছৰ পৰা ঘনিষ্ঠ আত্মীয়-স্বজনৰ বিয়াবোৰত কমলাই উপযাচিযে উপহাৰ খোলাৰ ভাৰ লৈছিল। আৰু তেতিয়া অপূৰ্বই জোকোৱাৰ দৰে সঁচাকৈয়ে তাই ৰিছাৰ্চৰ সমল গোট খাইছিল। এখন বিয়াত সুদৃশ্য ফুলাম কাগজৰ তলত ওলাইছিল এখন পুৰণি গামোচা, আন এখন বিয়াত পেকেটৰ ৰঙা কাগজ আৰু নীলা ৰিবনৰ তলত ওলাইছিল এখন অতি পুৰণি 'আমাৰ প্ৰতিনিধি'; সেইখন বিয়াতে সুন্দৰ কাগজেৰে মেৰিওৱা বহুতো পেকেটৰ পৰা ওলাইছিল উঁৱলি যোৱা কেইখনমান কিতাপ। তাৰপিছত আৰু বহুত বিয়াত এই একেধৰণৰ অভিজ্ঞতাৰে পুনৰাবৃত্তি ঘটিছে। তেনেকৈ উপহাৰ খুলি থাকোঁতে এবাৰ তাইৰ লগত একে কামটোতে নিযুক্ত হৈ থকা ভনীয়েক এজনীয়ে তাইক সেই বিষয়ৰ লগত সম্পৰ্ক থকা আন এটা গল্প কৈ

শুনাইছিলঃ কমলা বাইদেউ, আজিকালি উপহাৰ দিওঁতাজনেই যে কেৱল নিয়ম ৰক্ষা কৰি, ভদ্ৰতা ৰক্ষা কৰি পালমাৰি উপহাৰ দিয়ে তেনে নহয়, গ্ৰহণ কৰোঁতোবোৰেও তাক কোনো মূল্য নিদিয়ে। তুমিতো জানাই, গুৱাহাটীৰ কিতাপৰ দোকানবোৰত ঘূৰি ফুৰা মোৰ খুব ডাঙৰ নিচা। এবাৰ তেনেকৈ ঘূৰোঁতে এখন দোকানত দেখিলোঁ দোকানীয়ে এজন মানুহক আচল দামতকৈ কম দামত এখন অসমীয়া উপন্যাস বিক্ৰী কৰিছে। অথচ দেখাত কিতাপখন নতুন। মই প্ৰথমতে ভাবিলোঁ– অসমীয়া লেখকৰ কিতাপতো, বিক্ৰী নোহোৱাত বেচেৰা লেখকে বোধহয় ৰিডাক্চন চেল্ কৰিছে। তথাপি দোকানীজনক সুধিলোঁ। দোকানীয়ে কিন্তু যিটো কথা ক'লে সেইটো মোৰ সপোনৰো অগোচৰ আছিল। কি ক'লে জানানে কমলা বাইদেউ? বহুত মানুহে হেনো বিয়াত উঠা কিতাপবোৰ দোকানত আধা দামত বিক্ৰী কৰি দি যায়। উপহাৰ লেখা পৃষ্ঠাটো হেনো সযত্নে কাটি পেলাই দি বেচিবলৈ আনে। গতিকে তেনে কিতাপ তেওঁলোকে গ্ৰাহকক সস্তা দামতে বেচিব পাৰে।'

উপহাৰৰ অভিজ্ঞতাই গৰলেৰে ভৰোৱা মাতেৰে কমলাই মন্তব্য কৰিলে, 'আৰু গ্ৰাহকেও সেই সস্তা দামত কিনা কিতাপ নি কাৰোবাৰ বিয়াত নতুনকৈ প্ৰীতি-উপহাৰ যাচেগৈ– ঠিক যেন Old wine in a new bottle!'

ভনীয়েক মিনুৱে কৰুণভাবে হাঁহিলে, 'আমাৰ ক্লাছৰ ছোৱালী এজনীৰ বিয়াত মই এখন কিতাপ উপহাৰ দি তাত ৰবীন্দ্ৰনাথৰ কবিতা এফাকি লেখি দিছিলোঁ– 'যা কিছু মোৰ দান, গ্ৰহণ কৰেই কৰবে মূল্যবান, আপোন হৃদয় দিয়ে।' ৰবীন্দ্ৰনাথে হয়তো বান্ধৱীৰ ওৱেষ্ট পেপাৰ বাস্কেটত জাহ গ'ল, আৰু বাকী থকা অৱশিষ্ট কিতাপখন ওল্ড ওৱাইন্ হৈ নিউ বটলত সোমাই পৰিল।'

ভাগ্যৰ প্ৰহসন নহয়নো কি। সেই কমলায়ে আজি এখন বিয়াঘৰৰ উপহাৰ সামগ্ৰীবোৰৰ পহৰাদাৰ নিযুক্ত হ'বলগীয়া হ'ল।

কমলাৰ মনে মনে আমোদো লাগিল খুব। তাই অলপ আগতে অপূৰ্বৰ ওপৰত কৰা অভিমান সম্পূৰ্ণ পাহৰি গৈ তাইৰ সমাগত অভিজ্ঞতাৰাজিৰ মানসিক ৰাণিং কমেণ্টাৰি দিবলৈ প্ৰস্তুত হৈ ল'লে।

ৰঙা, নীলা, নানা বৰণীয়া, ফুলজালি কটা কাগজেৰে মেৰিওৱা হৰেক ৰকমৰ, হৰেক আকৃতিৰ উপহাৰৰ টোপোলাৰে প্ৰথমতে বাকচটো ভৰিল, তাৰপিছত সেই উদ্দেশ্যেৰেই আছুতীয়াকৈ থোৱা বিছনাখনৰ ওপৰো ঠাহ খাবলৈ ধৰিলে।

প্ৰথম অৱস্থাত, অৰ্থাৎ উপহাৰৰ টোপোলা আহি ৰাকচ ভৰাৰ সময়তে কমলাই এটা দৃশ্য দেখিছিল। মহাকৰ ওচৰ সম্পৰ্কৰে বেছ দুখীয়া যেন লগা পৰিয়াল এটা আহি যে মঞ্জুৰ বিয়াত দেহে-কেহে খাটি দিছেহি, সেই কথা কমলাই মন কৰিছিল। মাহীয়েকৰ আগত প্ৰশংসাসূচক মন্তব্য এটাও কৰিছিল

তাই। কিন্তু মাহীয়েকে মুখখন সামান্য বিকটাই গিৰ্বিয়েকৰ ফালৰ পৰা সম্পৰ্ক লগা মানুহবোৰৰ বিষয়ে কেৱল এই মন্তব্যষাৰেই কৰিছিল– 'ক'ত আৰু আজিৰ মানুহে বিনা স্বাৰ্থে কাম কৰি দিয়ে। সেই যে ডেকা ল'ৰাটো দেখিছ, বি.এ. পাছ কৰি দুবছৰে বহি আছে। এতিয়া বাপেকে মহাকক খাটনি ধৰি আছে কিবা এটা কাম-বনত তাক সুমুৱাই দিব লাগে। সকলোৱেনো চাকৰিকে কৰি খাব লাগেনে, এইবোৰ ডেকা ল'ৰা, কিবাতো ব্যৱসায়-বাণিজ্যকে কৰিব পাৰে, নাই, চাকৰি-টোহে লাগে। আকৌ চা, কাম কৰিছে হয়, কিন্তু আজি দুদিনে ঘৰ-ঘৰোৱাহে আমাৰ ইয়াত পোহপাল গৈ থকা নাইনে? আজিৰ দিনত পাঁচোটা মানুহৰ দুদিনৰ খৰচ কিমান হয় এবাৰ হিছাপ কৰি চাচোন; তদুপৰি ঘৰত যদি খায় লোণে-ভাতে, ইয়াত খাইছে মাছে-মঙহে!'

কমলা নীৰৱে মাহীয়েকৰ ওচৰৰ পৰা আঁতৰি আহিছিল।

উপহাৰৰ টোপোলাৰে বাকচটো আধা ভৰি যোৱাৰ সময়তে সেই মানুহঘৰৰ গাভৰু ছোৱালীজনী চুচুক-চামাককৈ আহি কমলা থকা কোঠালিটোত সোমাই-ছিলহি। তাইৰ হাতত আছিল সেউজীয়া কাগজেৰে বন্ধা সৰু টোপোলা এটা, কোঠালিটোত জ্বলি থকা সেউজীয়া বাল্বৰ পোহৰত টোপোলাটো যেন আৰু সেউজীয়া হৈ পৰিছিল।

'বাইদেউ, মা হেনো ওচৰৰে আৰু এখন আপোন মানুহৰ বিয়াৰ পৰা মাত লগাই আহিবগৈ। মই মাইকী মানুহসকলক খুউৱাৰ কামত লাগি আছোঁ, মাজতে দাদাই আহি টোপোলাটো মোৰ হাতত মাক দিবলৈ দি গ'ল। কিন্তু মাওতো ব্যস্ত। গতিকে ইয়াতে ট্ৰাংকৰ ভিতৰত একাষৰীযাকৈ টোপোলাটো থৈ যাওঁ দেই।' ছোৱালীজনীয়ে কোমল নম্ৰ মাতেৰে কৈছিল।

'যোৱা বাৰু। কিন্তু পিছত তুমি নিজেই চিন বিচাৰি উলিয়াই নিব লাগিব দেই।'

তাৰপিছত প্ৰায় এঘণ্টামান সময় পাৰ হৈছিল। মাজতে পোনাৰ অলপ সময় চিলমিলকৈ টোপনি অহাত যমুনাক পোনা আৰু উপহাৰৰ ৰখীয়া কৰি কমলা কিছু সময়ৰ বাবে মঞ্জুৰ ওচৰতো বহিব পাৰিছিল; অৱশ্যে খুব বেছি সময়ৰ বাবে নহয়, পোনাই সাৰ পাই কান্দি আছে বুলি কোনোবা এজনে খবৰ দি কমলাক পুনৰ সেই বন্দীশাললৈ ওভোতাই নিছিল।

বিয়া ঘৰবোৰত এটা সময় আহে যেতিয়া মানুহৰ ভিৰ হয় সকলোতকৈ বেছি। তেনে সময়ো এসময়ত পাৰ হৈ গ'ল, লাহে লাহে মানুহো নোহোৱা হ'ল আৰু কইনাক ভিতৰলৈ আনি এটা কোঠালিত অলপ সময় জিৰাবলৈ দিয়া হ'ল। ইতিমধ্যে কমলাৰ কোঠালিৰ বিছনাখনো উপহাৰৰ বস্তুৰে ঠাহ খাই গৈছিল।

ঠিক তেনে এটা সন্ধিক্ষণতে কমলাৰ মহাকৰ দুখীয়া আত্মীযজনৰ সেই

বি.এ. পাছ বেকাৰ ল'ৰাটো আহি কমলা থকা উপহাৰৰ কোঠালিটোত সোমাই-ছিলহি। তাৰ পিছে পিছে আহিছিল সেই ছোৱালীজনী– যিজনীয়ে বহুত পৰৰ আগতেই আহি এটা সৰু পেকেট বাকচটোত থৈ গৈছিলহি।

তেতিয়া পোনাই টলকা মাৰিছিল আৰু কমলাই অৱসন্নভাৱে চকু দুটা মুদি বেৰৰ ফালে থকা পোনাৰফালে মুখ কৰি শুই আছিল।

'বাইদেউ, টোপনি গ'ল নেকি?' ছোৱালীজনীৰ পূৰ্ব পৰিচিত কোমল মাত এবাৰ ভাঁহি আহিছিল।

টোপনি নগ'লেও কমলাৰ মাত মাতিবৰ মন নগ'ল। মঞ্জুৰ বিয়াৰ আচল আনন্দ উৎসৱৰ হৈ-চৈ পূৰ্ণ সময়খিনি পাৰ হৈ যোৱাৰ লগে লগে কমলাক যেন ৰাজ্যৰ ভাগৰ, বেজাৰ আৰু বিৰক্তিয়ে হেঁচি ধৰিছিল। কাৰো মাতত সঁহাৰি দিবৰ ইচ্ছা নাই তাইৰ, কাৰো লগত কথা পতাৰ মন নাই। মঞ্জুৰ হেঁপাহৰ বিয়াখন চোৱা হ'ল আৰু এতিয়া ভালে ভালে ঘৰৰ মানুহ ঘৰলৈ উভতিব পাৰিলেই হয়।

ল'ৰাজনৰ অলপ কঠোৰ মাত এটা শুনা গ'ল– 'টোপনি গৈছে দে। চাওঁ বাকচটো খোল।'

কমলাই বাকচ খোলাৰ শব্দ শুনিলে আৰু তাৰ অলপ পিছতেই শুনিলে ছোৱালীজনীৰ সেই কোমল মাতষাৰ– 'বহুত বস্তু উঠিছে, আমাৰ টোপোলাটো বহুত তল পৰি গ'ল পাই' –তাইৰ সেই কোমল মাতটোত লগে লগেই ভীতিৰ ভাব সঞ্চাৰিত হৈ পৰিল– 'এই, সেইটো নহয় দাদা-হে হৰি তই কি কৰিব ওলাইছ দাদা?'

'চুপ', ল'ৰাজনৰ চেপা, কঠুৱা মাতটো শুনা গ'ল– 'এতিযা বাকচটো বন্ধ কৰি ইয়াৰ পৰা ব'ল।'

টোপনিৰ সামান্য জালখিনিও কাটি গ'ল, কমলাৰ কাণ দুখন আপোনা-আপুনিযে মেকুৰিৰ কাণৰ দৰে সজাগ হৈ পৰিছিল। তেনেকৈ উৎকৰ্ণ হৈ থাকিযেই তাই শুনিলে, কোঠালিটোৰপৰা ল'ৰা-ছোৱালীহাল ওলাই গ'ল।

লগে লগে কমলাই লেপ ঠেলি বিছনাৰ পৰা জাঁপ মাৰি উঠিল আৰু গাৰ কাপোৰ-কানি কোনোমতে চম্ভালি হাতত সাৰে ভৰিত সাৰে ল'ৰা-ছোৱালীহালক ছাঁৰ দৰে অনুসৰণ কৰাত লাগিল।

প্ৰথমে গৈ বাৰাণ্ডাখন, তাৰ সিমূৰত আছুতীয়া কোঠালি এটা। তাত বিছনা এখনৰ ওপৰত বহি ক্লান্ত কইনা মঞ্জুৱে বোধহয জিৰাইছে। ইমান পৰৰ পিছত মাকো আহি খন্তেকৰ বাবে বোধহয জীয়েকৰ লগ লাগিছেহি। মাক-জীয়েকৰ বাহিৰেও কোঠালিটোত আৰু কেবাগৰাকী আত্মীয় মহিলা আৰু গাভৰু ছোৱালী আছিল।

আত্মীয় মহিলা কেইগৰাকীৰ মাজত যে এই ল'ৰা-ছোৱালীহালৰ মাকো আছিল কমলাই প্ৰথমে আঁতৰৰ পৰা গম ধৰিব পৰা নাছিল। এতিয়া ল'ৰাটোৱে গৈ মাকক মাত লগোৱাত তাই চিনি পালে।

'মা' –ল'ৰাটোৱে তাৰ হাতৰ ৰঙা কাগজেৰে মেৰিওৱা মস্ত টোপোলাটো মাকৰ পিনে আগবঢ়াই দি হাঁহি মুখে ক'লে– 'মঞ্জুপেহীৰ উপহাৰটো তুমি দিয়াই নাই নহয়। এয়া লোৱা, ময়ে আনি দিলোঁ।'

কমলাই সচকিত হৈ দেখিলে– ৰঙা টোপোলাটোত চকু পৰাৰ লগে লগেই মাকজনী যেন মুহূৰ্তৰ বাবে উচাপ্ খাই উঠিল, কিন্তু লগে লগেই নিজকে চম্ভালি লৈ মুখত এমোকোৰা হাঁহি বিৰিঙাই তেওঁ ক'লে– 'অ', দে বোপাই, মই অতপৰ আজৰিকে পোৱা নাছিলোঁ। মঞ্জু আইটিৰ বিয়াখন কম ডাঙৰ বিয়া হৈছেনে, সৰু-সুৰা ৰজা-মহাৰজাৰ বিয়াৰ লেখীয়াই হৈছে। আমি তিনি-চাৰিজনী তিৰোতাই সেই আবেলিৰ পৰা এতিয়ালৈকে মানুহক সোধ-পোছ কৰি ততেই পোৱা নাছিলোঁ। সকলোৱে পঞ্চমুখে প্ৰশংসা কৰি গৈছে দেই– লাখৰ মাজতহে বোলে এনে এখন বিয়া হয়... আই মঞ্জু. এয়া ধৰাচোন এইফালে, আমিনো আৰু কি দিম– কথাতে কয় বোলে মন থাকিলেও ধন নাথাকে। কণাবিধাতাই আমাক দিয়াৰ হেঁপাহটোহে দিছে, সাধ্যখিনিতো দিয়া নাই....।'

মঞ্জুৱে হাত মেলি টোপোলাটো লৈ ওচৰতে ৰৈ থকা ছোৱালী এজনীৰ হাতত দিলে। ছোৱালীজনীয়ে সেইটো লৈ কইনাৰ ওচৰৰ পৰা, কোঠালিটোৰ ভিতৰৰ পৰা ওলাই গ'ল। ৰঙা টোপোলা গৈ পুনৰ তাৰ স্ব-গৃহত অধিষ্ঠিত হ'ল।

ইতিমধ্যে কমলাও উভতি গৈ আকৌ পোনাৰ ওচৰত শুই পৰিছিলহি।

'বিয়াৰ উপহাৰ' সম্পৰ্কীয় কমলাৰ অভিজ্ঞতাবোৰৰ লগত আৰু এক অভিনৱ অভিজ্ঞতা যোগ হ'ল। কিন্তু ঘৰলৈ উভতি এই নৱলব্ধ অভিজ্ঞতাৰ গল্প তাই অপূৰ্বৰ আগত হাঁহি হাঁহি ক'বলৈ যাওঁতে তাত দুটোপাল চকুলোও মিহলি হৈ যাবনেকি বাৰু! ❐

এটা বনভোজৰ কাহিনী

চিঞৰ-বাখৰ, হেঁচা-ঠেলা আদি শেষ হোৱাৰ পিছত অৱশেষত ড্ৰাইভাৰে বাছত ষ্টাৰ্ট দিলে। ড্ৰাইভাৰৰ পিছৰ চীটটোত হেণ্ডিমেনৰ উপৰিও হোষ্টেল এখনৰ এজন ৰান্ধনি আৰু এজন বয় বহিছে। সিহঁতে খুব হেঁচা-হেঁচিকৈ বহিছে, কিন্তু উপায় নাই, গোটেই বাছখনেই ছাত্ৰ-ছাত্ৰীৰে ভৰা, সিহঁতেও বৰ ঘনকৈ বহিছে। মাত্ৰ সন্মুখৰ দুজনীয়া চীটটো ইনচাৰ্জ হিছাপে যোৱা অধ্যাপকজনে অকলে দখল কৰি বহিছে। তেওঁ অৱশ্যে পিছপিনে মুখ ঘূৰাই ছাত্ৰ-ছাত্ৰীসকলক কৈছে– তোমালোকৰ কাৰোবাৰ বহাত অসুবিধা হ'লে এজনে আহি মোৰ কাষত বহিব পাৰা।

নাই ছাৰ, আমাৰ কোনো অসুবিধা হোৱা নাই। ছাত্ৰ-ছাত্ৰীসকলে সমস্বৰে কৈ উঠিল, কাৰণ ছাৰৰ কাষত এটুকুৰা নিৰ্জীৱ কাঠৰ দৰে চুপ্ চাপ হৈ বহি যোৱাতকৈ বাছৰ পাওদানিত ওলমি যোৱাই ভাল। কিমাননো দূৰ– মাত্ৰ পঞ্চাছ কিলোমিটাৰ, ড্ৰাইভাৰে কৈছে। অৱশ্যে ৰাস্তা খুব ভাল নহয়; কিন্তু গুৱাহাটীৰ ৰাস্তাই বা কি ভাল? এই ওখোৰা-মোখোৰা ৰাস্তাততো চিটিবাছত ওলমি ওলমিয়ে দিন পাৰ কৰি দিয়া হৈছে।

বাছখন চলিবলৈ আৰম্ভ কৰাৰ লগে লগে ছাত্ৰ-ছাত্ৰীবোৰে শ্লোগান দিবলৈ ধৰিলে; 'জয় ব্ৰহ্মপুত্ৰ কলেজৰ জয়', 'জয় ছ'চিয়েল চাৰ্ভিছ দলৰ জয়', 'জয় ছাত্ৰসন্থাৰ জয', 'জয আই অসম'–

ভাড়া কৰা বাছ, তথাপি কেইজনমান অত্যুৎসাহী ছাত্ৰই মাল-পত্ৰ বোজাই কৰাৰ সময়ত পৈত্ৰিক সম্পত্তিৰ দৰে বাছখনৰ 'বডি'ত সিহঁতে চিঞৰি চিঞৰি কোৱা আটাইবোৰ শ্লোগান চক্ পেঞ্চিলেৰে লেখি পেলাইছিল। গতিকে ৰাস্তাৰে অহা-যোৱা কৰা মানুহৰ বাবে এইটো ধাৰণা কৰা অস্বাভাৱিক নহয় যে আজি 'আছু'ৰ ক'ৰবাত কিবা এটা প্ৰ'গ্ৰাম আছে, বাছভৰ্তি ছাত্ৰ-ছাত্ৰীবোৰৰ গন্তব্য স্থান সেই ঠাই, 'আছু'ৰ জয়ধ্বনিও সেইবাবেই দিয়া হৈছে। অৱশ্যে বাছত উঠোৱা মাল-পত্ৰ যদি কোনোবাই লক্ষ্য কৰে, তেন্তে এইটো ধাৰণা কৰিব যে

আজি এওঁলোকৰ ক'ৰবাত পিকনিক আছে।

আচলতে কিন্তু এই এবাছ ছাত্ৰ-ছাত্ৰী কলেজৰ ফালৰ পৰা 'ধানদিযা' নামৰ এখন গাঁৱত 'ছ'চিয়েল চাৰ্ভিছ'ৰ এটা প্ৰ'গ্ৰাম কৰাৰ বাবে আহিছে। গোটেই দিনটো তেওঁলোক গাঁৱত থাকিব আৰু ছ'চিযেল চাৰ্ভিছ কৰিব। সম্পূৰ্ণ এটা দিনৰ প্ৰ'গ্ৰাম– লগত খোৱা-লোৱাৰ বস্তু নিবই লাগিব, ৰন্ধাৰ ব্যৱস্থাও ৰাখিব লাগিব।

বাছ চলাৰ বহুপৰ পিছলৈকে ছাত্ৰ-ছাত্ৰীবোৰৰ শ্লোগান চলিয়ে থাকিল। গুৱাহাটীৰ সীমা পাৰ হৈ নেছনেল হাইৱে পোৱাৰ পিছত শ্ৰোতাৰ অভাৱ লক্ষ্য কৰি সিহঁতে শ্লোগান বন্ধ কৰিলে আৰু নিজৰ ভিতৰতে কথা-বাৰ্তা পতাত লাগিল। বাছখনৰ শব্দকে তল পেলোৱাৰ বাবে চিঞৰি চিঞৰি সিহঁতে কথা কৈছিল। প্ৰথমতে সিহঁতৰ কথাবোৰ সাধাৰণ আছিল, পিছত সেইবোৰ ব্যক্তিগত পৰ্যাযলৈ নামি গ'ল। চিৎকাৰ কৰি কোৱা সেইবোৰ ব্যক্তিগত কথা কিছুসময় পিছত ইমান বেছি ব্যক্তিগত হ'ল যে সম্মুখৰ চীটত অকলে বহি যোৱা অধ্যাপকে স্বগতোক্তি কৰিলেঃ মোৰ কাষত কোনোৱে বহিব নুখুজিলে এই কাৰণেই। আজিকালিৰ ল'ৰা-ছোৱালীবোৰ যে কি হৈ গ'ল, শিক্ষকৰ সম্মুখতো যা-তা কথা ক'বলৈ অকণো সংকোচ নকৰে।

এটা সময়ত অধ্যাপক আপোন চিন্তা আৰু বাহিৰৰ দৃশ্যত এনেকৈ মগ্ন হৈ পৰিল যে তেওঁৰ অভিভাৱকত্বত অহা ল'ৰা-ছোৱালীবোৰৰ অস্তিত্ব পাহৰি গ'ল– শীতৰ ৰ'দ এনেদৰে গায়ে-মুখে পৰাত আচলতে এটা বেলেগ ধৰণৰ আমেজ আছে; তাতে শস্য-শ্যামলা অসমৰ ইমান সুন্দৰ প্ৰাকৃতিক দৃশ্যৰ মাজত যাত্ৰাৰ আনন্দই ৰোমাঞ্চকৰ। কিন্তু অসমৰ এই ৰাস্তাবিলাক কি কোনোদিনে ভাল নহ'ব– এতিয়াতো 'আছু জিন্দাবাদ', 'বিদেশী বহিষ্কাৰ হ'বই লাগিব' ইত্যাদি শ্লোগানেৰে অসমৰ গাঁও-চহৰৰ আটাইবোৰ দেৱাল লেতেৰা হৈ গৈছে– ইস্ এই সৰু ল'ৰাটো এতিযাই বাছৰ তলিত পৰি মৰিলহেঁতেন। সন্তানবোৰ ক'ত ঘূৰি ফুৰে মাক-বাপেকৰ কোনো খবৰে নাই; মাত্ৰ কুকুৰ-মেকুৰীৰ দৰে এপাল জন্ম দিয়ে কৰ্তব্য খতম.. কোন চালাৰ সাধ্য আছে ভাৰতত ফেমিলি প্লেনিং সফল কৰাৰ...

এনেকুৱা নানা দৃশ্য আৰু চিন্তাৰ আৱৰ্তত ডুবি এটা সময়ত অধ্যাপকৰ মূৰটো বাছৰ গতিৰ তালে তালে দুলি থাকিল আৰু পিছফালৰ পৰা সেই দৃশ্য চাই ছাত্ৰ-ছাত্ৰীবোৰে ওঁঠ টিপি হাঁহিলে। ইতিমধ্যে সিহঁতৰো হাঁহি, গল্প, ঠাট্টা-তামাছা স্তিমিত হৈ গৈছিল; সকলোৱে গন্তব্যস্থান পোৱাৰ বাবে অধৈৰ্য হৈ উঠিল। ইমান সময় লাগিছে! ৰাস্তা বেয়া বাবেই হয়তো গাড়ী বেছি স্পীডত চলাব পৰা নাই।

তথাপি এটা সময়ত পথৰ অন্ত পৰিল। বাছ আহি ধানদিয়া গাঁও পালে। পুনৰ সেই যাত্ৰাৰ সময়ৰ জয়ধ্বনি, হৈ-চৈ, ঠেলা-ঠেলি আৰু কোলাহল। তাৰ মাজতে বাছৰ বাহিৰে-ভিতৰে সিঁচৰতি হৈ পৰিল কেইজনীমান ছোৱালীৰ মন্তব্য– 'খুব একছাইটেড লাগিছে ভাই, নেভাৰ দিন্ ইন অ্যা ভিলেজ বিফৰ। যিয়েই নোকোৱা কিয়, পৃথিৱীত যদি এতিয়াও কবিতা জীয়াই আছে তেন্তে আছে এই সেউজীয়া গাঁৱতেই; শুৱনি আমাৰ গাঁওখন অতি শুৱনি গছেৰে ভৰা/ডাল ভৰি ভৰি ফল-ফুল লাগে কতপাওঁ তলসৰা,' –'ভাগ্য ভাল যে ইয়াত ৰাতি থাকিব নালাগে, ক্যানট ইমাজিন ষ্টেয়িং ইন দিছ্ গড-ফৰছেকন্ প্লেচ ইভন ফৰ্ অ্যা ছিংগল নাইট... ...এই, খোৱাৰ বাবে পানী অনা হৈছেতো? পুখুৰী-তুখুৰীৰ লেতেৰা পানী খাই কলেৰা-মেলেৰিয়া মাতি আনিব নোৱাৰি ভাই–'....

'পূৰ্বনিৰ্ধাৰিত ব্যৱস্থা অনুযায়ী বাছৰ পৰা নমা অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰী সকলক আবাল-বৃদ্ধ-বণিতা গাঁৱৰ ইমানবোৰ লোকে স্বাগতম জনালে, দেখি ভাব হয় সমগ্ৰ গাঁওখনেই যেন তেওঁলোকক চাবলৈ, তেওঁলোকক আদৰি নিবলৈ ওলাই আহিছে। আটাইকে গাঁৱৰ প্ৰাইমাৰী স্কুলটোলৈ নিয়া হ'ল– দিনটোৰ বাবে তাতেই থকা-মেলাৰ ব্যৱস্থা কৰা হৈছে। সিদিনা ৰবিবাৰ, স্কুল বন্ধ, কোনো অসুবিধা নহ'ব।

'আপোনালোকক ইয়াতে থকাৰ ব্যৱস্থা কৰি দিলোঁ, কিয়নো ঠাই টুকুৰা নিৰিবিলি, কাষতে সেইটো পুখুৰীও আছে, চহৰৰ পৰা আহি গছে-পাতে ভৰা এনেকুৱা সেউজীয়া ঠাই আপোনালোকৰ ভালেই লাগিব বুলি ভাবিযে স্কুলটো চিলেক্ট কৰিছোঁ' অভ্যৰ্থনা জনাবলৈ আহি পাঠশালাৰ হেডপণ্ডিতজনে কথাখিনি কৈ হাঁহিলে, পিছত পুনৰ ক'লে– 'আপোনালোকক ইয়াত থাকিবলৈ দিযাত আমাৰো এটা স্বাৰ্থ আছে। আপোনালোক শিক্ষাৰ লগত জড়িত লোক, আহিছেও খোদ গুৱাহাটীৰ পৰা; নিজ চকুৰেই চাই যাওঁক ৰাজধানীৰ অনতিদূৰত থকা এখন গাঁৱৰ প্ৰাইমাৰী স্কুল এখনৰ কি দুৰৱস্থা। দেখিছেইতো স্কুল ঘৰটোৰ দেৱাল বুলিবলৈ প্ৰায় একোৱেই নাই। উঁৱলি যোৱা খেৰৰ চাল, বাৰিষাৰ দিনত স্কুলত বহাই অসম্ভৱ। কৰ্তৃপক্ষক কিমান আবেদন-নিবেদন কৰিলোঁ, কোনো ভ্ৰূক্ষেপেই নাই। আপোনালোকে এইবোৰ দেখি-শুনি গৈ কিবা এটা প্ৰতিকাৰ কৰিব পাৰিব বুলি আশা কৰিযেই ইয়ালৈ আনিছোঁ। এতিযাতো বাৰিষাৰ দিন নহয়, গতিকে আপোনালোকৰ প্ৰচুৰ আৰামেই হ'ব, কিয়নো খিৰিকীৰ বাহিৰেও এই 'বিল্ডিং'ৰ বেৰৰ জলঙাইদিও ৰ'দ আহি আপোনালোকৰ গাত পৰিব' –পাঠশালাৰ হেডপণ্ডিতে কথাখিনি কৈ নিজৰ ৰসিকতাত আকৌ এবাৰ নিজেই হাঁহিলে।

ইয়াৰ পিছত বাছৰ পৰা মাল-বস্তু নমাই আনি স্কুলঘৰটোৰ ভিতৰত ৰখা হ'ল। কেইজনমান ছটফটীয়া ছাত্ৰ-ছাত্ৰীয়ে আহি কিছু তদাৰক কৰিবলৈ ধৰিলে– 'ঠাকুৰ, আগে চাহৰ ব্যৱস্থা কৰা, সেই ৰাতিপুৱা সাত বজাতে ঘৰৰ পৰা বাহিৰ হৈছোঁ, ভোকত পেটে কলমলাইছে; হেৰি কওঁকচোন কোনখিনিত চৌকা জ্বলাব পাৰিম?' সিহঁতে হেডপণ্ডিতক সুধিছিল।

তেতিয়া তেওঁলোকৰ কাষতে থাকি হেডপণ্ডিতে সকলোবোৰ পৰ্যবেক্ষণ কৰি আছিল আৰু সহায় কৰাৰ বাবে তৎপৰ হৈ থাকিছিল, 'আচ্ছা, আপোনালোকৰ গাঁৱত মুৰগী পোৱা যাবনে?' এজন ছাত্ৰই সুধিলে। 'কিয় পোৱা নেযাব বোপা, যিমান লাগে সিমান পাবা আৰু গুৱাহাটীতকৈ সস্তাতে পাবা। বাৰু, তোমালোকে চাহ-তাহ খাই উঠা। মই তোমালোকৰ এজনক লগত লৈ মুৰগী, কণী যি লাগে কিনি আনি দিম।'

কেইজনীমান ছোৱালীয়ে একাষত মুখ ওন্দোলাই থিয় হৈ থাকিল। 'বাথ-ৰুমলৈ কেনেকৈ বা যোৱা যায়' সেইটোৱে এতিয়া সিহঁতৰ বাবে মূৰৰ বিষ হৈ উঠিছিল। এই ভঙা স্কুলটোত বাথৰুমৰ নামত বাঁহৰ বেৰাৰ এটা ভঙা প্ৰস্রাৱ-খানা– কোনো ভদ্ৰ মহিলাই তালৈ যাব পাৰেনে? আগৰ পৰা জনা থাকিলে, ইয়ালৈ মৰিবলৈ...'।

ইতিমধ্যে অধ্যাপকে আৰু আন দুজন ছাত্ৰই লগত অনা কেমেৰাৰে ফটো তুলিবলৈ ধৰিলে। অধ্যাপকে প্ৰথমে স্কুলঘৰটোৰ ফটো তুলিলে। ক্ষয় যোৱা, মাটি লেপা দেৱাল, জীৰ্ণ চেহেৰাৰ ৰং যোৱা চাইনবোৰ্ড– য'ত লেখা আছে 'ধানদিয়া প্ৰাইমাৰী স্কুল' আৰু চূণ-মাটি খহি পৰা দেৱালৰ অক্ষত অৱশিষ্ট অংশত আলকাতৰাৰে অপৈণত হাতৰ ভুল বানানৰ শ্লোগান– 'ছাত্ৰসন্থা জিন্দাবাদ', 'পয়ত্ৰিছ বছৰে পালো কি? লাঠী, গুলী, চি-আৰ-পি', 'অসম মৰিলে আমিও মৰিম', 'শ্বহীদ তোমাক নমস্কাৰ', 'জয় আই অসম' –ইত্যাদি। অধ্যাপকৰ কেমেৰাই ক্লিক কৰি উঠিল– 'বেটাহঁতে সঁচাই অসমৰ কোনো এখন দেৱালকে ৰেহাই দিয়া নাই, চব লেতেৰা কৰি পেলাইছে, চালাহঁত...'

ইতিমধ্যে চাহ প্ৰস্তুত হ'ল আৰু অ'ত ত'ত সিঁচৰতি হৈ থকা ছাত্ৰ-ছাত্ৰী সকলে আহি নিজৰ নিজৰ ভাগৰ চাহ হাতত ল'লে। অধ্যাপকে হেডপণ্ডিতৰ লগত খালে। কোনোবাই স্কুলঘৰৰ ভিতৰত, কোনোবাই বাহিৰত বনৰ ওপৰত আৰু কোনোবাই চৌকাৰ কাষত বহি চাহ খালে। 'একদম পিক্‌নিক্ পিক্‌নিক লাগিছে ভাই।' সকলো মিলি আচলতে এটা পিকনিকৰ পৰিবেশ সৃষ্টি হৈছিল। মুক্ত আকাশৰ তলত প্ৰাকৃতিক পৰিবেশত ৰন্ধা আৰু খোৱা– খোৱা বস্তুৰ গোন্ধে আকৰ্ষণ কৰা কাউৰী আৰু কুকুৰৰ চিএৱৰ। অৱশ্যে অলপ দূৰত থিয় হৈ সিহঁতৰ ফালে চাই থকা জীৰ্ণ চেহেৰা আৰু লেতেৰা পোছাকৰ কেইটামান

ল'ৰা-ছোৱালীয়ে এই পৰিবেশৰ ছন্দপতন ঘটাইছিল।

দুজনী ছাত্ৰীয়ে হাতত চাহৰ কাপ লৈ তাত সোমা মাৰি সেই ল'ৰা-ছোৱালী-বোৰৰ পিনে গৈ সুধিছেঃ এই, তহঁতে এই গাঁৱতে থাক নেকি?' –'ওঁ, আমি এই গাঁৱতে থাকোঁ। মই আৰু ইহঁত দুটা এই স্কুলতে পঢ়োঁও। তোমালোক কোন পাৰ্টিৰ মানুহ? নটৰাজ নে অপেশ্বৰাৰ?' ছোৱালী দুজনীৰ হাঁহি উঠি গ'ল– 'অ' গড, কি ওস্তাদ ল'ৰা! ইমান স্মাৰ্ট! এই, তই আমাক ভ্ৰাম্যমান থিয়েটাৰৰ মানুহ বুলি কিয় ভাবিছ?'

ইতিমধ্যে আহি পিছপিনে থিয় দি থকা হেডপণ্ডিতে ক'লে,– 'কিছুদিন আগতে ভ্ৰাম্যমান থিয়েটাৰৰ দল এটাই আমাৰ ইযাত নাটক দেখুৱাইছিল আৰু তেওঁলোকে খোৱা-লোৱা এই স্কুলতে কৰিছিল। সেইবাবে ইহঁতে তোমালোককো থিয়েটাৰৰ দলৰ বুলি ভাবিছে, আইহঁত।'

তাৰপিছত ছোৱালী কেইজনীৰ লগত হেডপণ্ডিতে স্কুলখনৰ আৰু সেই অঞ্চলটোৰ কিবাকিবি কথা পাতিলে। এনেতে দুজন ল'ৰাই তাঁলৈ আহি ক'লে, 'অ', আপুনি ইয়াত আড্ডা মাৰি আছেহি, আমি ইফালে আপোনাক বিচাৰি হায়ৰান– বোলো মুৰগী, কণী আদি সস্তা দামত কিনি দিম বুলি কোৱা ভদ্ৰ-লোকজন ক'ত নোহোৱা হ'ল। বলক, বলক–। কেতিয়া যে মুৰগী, কণী আনিব, কেতিযা যে ৰন্ধা হ'ব, কেতিযা যে খাম...।

হেডপণ্ডিতে অপ্ৰস্তুত হৈ সেমেনা-সেমেনিকৈ এটা ম্লান হাঁহি মাৰি মুখৰ ভিতৰতে কিবা কৈ গাঁৱৰ ফালে বেগাই খোজ ল'লে। ছাত্ৰ দুজনে ছোৱালী কেইজনীৰ ফালে চাই অৰ্থপূৰ্ণ হাঁহি মাৰি লাহেকৈ ক'লে– 'চহৰৰ সুন্দৰী গাভৰু দেখা পাই বুঢ়া একেবাৰে মজি গৈছে।'

দূৰৰ পৰা অধ্যাপকৰ আহ্বান ভাঁহি আহিল, 'ছাত্ৰ-ছাত্ৰীসকল! তোমালোক সকলোৱে হাতে হাতে দা, কোৰ, খন্তি আদি লৈ কাম আৰম্ভ কৰি দিয়া। বহু পলম হৈ গৈছে–'

ছাত্ৰ-ছাত্ৰীসকলৰ মুখত শুনা গৈছিল– 'গাঁৱৰ ল'ৰা গাঁৱে গাঁৱে বন্তি জ্বলাই যাওঁ আমি', গানটো। লগে লগে পূৰ্ণোদ্যমে চলিল ছ'চিয়েল চাৰ্ভিছৰ কাম। ...ৰাস্তাত ক'ৰবাত যদি গাঁত হৈছে, ওচৰৰ ওখ ঠাইৰ পৰা মাটি কাটি আনি তাক মাৰি দিয়া হ'ল, ৰাস্তাৰ দুয়োকাষৰ জংঘলবোৰ কাটি পেলোৱা হ'ল, মানুহৰ ঘৰৰ সন্মুখত থকা স্তূপীকৃত আৱৰ্জনা, গোবৰৰ দ'মবোৰ পৰিষ্কাৰ কৰি পেলোৱা হ'ল আৰু আৱৰ্জনাবোৰ কেনেদৰে ঘৰৰ পিছত গাঁত খান্দি পুতি পচন সাৰ তৈযাৰ কৰিব পাৰি সেই কথাটো তাত থকা গাঁৱলীয়া লোকসকলক অধ্যাপকে বুজাই দিলে। তাৰ বাহিৰেও আৰু বহু কথাই সেই অশিক্ষিত, অৰ্ধ-শিক্ষিত লোকসকলক শিকোৱা হ'ল– পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ আৱশ্যকতা, দূষিত

পানীয়ে কিদৰে ৰোগৰ জীৱাণু সংক্ৰমিত কৰে, সৰু সৰু ল'ৰা-ছোৱালীবোৰে ঘৰৰ কাষতে পায়খানা কৰাৰ ফলত অনেক ৰকমৰ কৃমিৰ বেমাৰে কেনেদৰে সকলোবোৰ শিশুকে আক্ৰমণ কৰে, পৰিয়াল-পৰিকল্পনাৰ বিৰাট প্ৰয়োজনীয়তা, গাঁৱেই যে দেশৰ প্ৰকৃত বুনিয়াদ– সেই গাঁৱক আদৰ্শ গাঁৱত পৰিণত কৰা যে প্ৰত্যেক গঞাৱে কৰ্তব্য এই সকলো কথাকে অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীবোৰে বিশেষ বাগ্মীতাৰে বুজাই দিলে। তেওঁলোকৰ এইবোৰ কথাত হয়ভৰ দি গাঁৱৰ মুৰব্বী ধৰণৰ দুই-এজন লোকে আকৌ নতুনকৈ উপস্থিত ৰাইজৰ সম্মুখত একেই কথাৰ পুনৰাবৃত্তি কৰাত লাগিল।

ইতিমধ্যে অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ কেমেৰাত অনেক দৃশ্যৰ ফটো উঠিল। এই ফটোবিলাকৰ পৰা বাছি বাছি কিছুমান ফটো সংবাদ-পত্ৰত ছপোৱাৰ বাবে দিয়া হ'ব। লগতে সংবাদ এটাও থাকিব– ব্ৰহ্মপুত্ৰ কলেজৰ ছাত্ৰ-ছাত্ৰীৰ ধানদিয়া গাঁৱত সমাজ কল্যাণমূলক কাম (হেডলাইন); যোৱা অমুক তাৰিখে ব্ৰহ্মপুত্ৰ কলেজৰ সমাজ কল্যাণ বিভাগৰ ছাত্ৰ-ছাত্ৰীবোৰে ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীনীলকমল বৰুৱাৰ তত্ত্বাৱধানত ধানদিয়া গাঁৱলৈ গৈ সম্পূৰ্ণ এটা দিন সমাজ কল্যাণমূলক কাম কৰি আহিল আৰু গাঁৱৰ ৰাইজক সেই সকলোবোৰ শিকাই দি আহিল। তাত তেওঁলোকে জংঘল চাফাইৰ পৰা আৰম্ভ কৰি– ইত্যাদি ইত্যাদি। বাতৰি কাকতত ফটো উঠিব– গতিকে প্ৰত্যেকখন ফটো তোলাৰ সময়ত ছাত্ৰ-ছাত্ৰীবোৰৰ প্ৰায় প্ৰত্যেকজনেই বিশেষকৈ ছাত্ৰীবোৰে কেমেৰাৰ ফ'কাচলৈ আহিবৰ বাবে সচেতন হৈ উঠিল।

লাহে লাহে বেলা পৰি আহিল, গাঁৱৰ লোকৰ ভিৰো পাতল হ'ল, আৰু ছাত্ৰ-ছাত্ৰীবোৰৰ উৎসাহো স্তিমিত হ'ল; কেইজনমানেতো খন্তি, কোৰ পেলাই দি ৰাস্তাৰ বনৰ ওপৰতে বহি পৰিল আৰু ভাগৰতে ফোঁপাই ফোঁপাই ক'বলৈ ধৰিলে– 'ছাৰ, আৰু নোৱাৰোঁ। ভোক আৰু ভাগৰ দুয়োটাই হেঁচি ধৰিছে। ইপিনে হাতত এই ডাঙৰ জোলা ফুটিছে।'

অধ্যাপকৰ অনিচ্ছা সত্ত্বেও, য'ৰে কাম ত'তে পেলাই থৈ, ছাত্ৰ-ছাত্ৰীবোৰ স্কুললৈ ঘূৰি আহি খোৱাত লাগিল। খোৱা-বোৱা বেছ ভালেই হ'ল। ৰহৰ দাইল, বন্ধাকবি আৰু মটৰৰ চৰ্বজি, চালাড, বেঙেনা ভজা আৰু মুৰগীৰ জোল। এইবাৰ কিন্তু খোৱাৰ সময়ত হেডপণ্ডিত অনুপস্থিত। মুৰগী কিনি আনি তেওঁ কিছু সময় ইফাল সিফাল কৰি ঠাকুৰক কিছু পৰামৰ্শ দি ঘৰলৈ গুচি গ'ল। ছাত্ৰ-ছাত্ৰীবোৰক লৈ অধ্যাপক ছ'চিয়েল চাৰ্ভিছৰ কামত নোযোৱা হ'লে, তেওঁ হয়তো হেড পণ্ডিতক ভাত খোৱাৰ কথা ক'লেহেঁতেন। সেইটো যেতিয়া নহ'ল, মুৰগী কিনিবলৈ যোৱা ল'ৰা দুটায়ো যেতিয়া তেওঁক খোৱাৰ কথা নক'লে, তেতিয়া আৰু বেছি অপেক্ষা নকৰি পণ্ডিতে নিজৰ ঘৰলৈ ভাত খাবলৈ গুচি গ'ল।

হৈ-হাল্লাৰ মাজত খোৱা হ'ল। 'একদম পিকনিকৰ দৰে লাগিছে', 'খোৱাটো বৰ হেভি হ'ল', 'জোলত কিন্তু জ্বলাটো বেছি হ'ল, লগত এখন ...ভাৰ জোল থাকিলে আৰু জমিলহেঁতেন', 'মুৰগীকেইটা কিন্তু বেছ কোমল আছিল', 'বেছ এনজয়মেণ্ট হ'ল আজি', 'ৰিয়্যালি এ মে'মোৰেবল ডে, আই উইল ৰাইট এ পিচ ইন আৱাৰ কলেজ মেগাজিন', 'এই, প্লিজ, কেমেৰাটো মোৰ পিনে আৰু এবাৰ ফ'কাচ কৰা ভাই, মই মুৰগীৰ ঠেংটো মুখত দিছোঁ–', 'এই প'জত এটা ফটো তুলি দিয়া না', 'আৰু নোৱাৰি ভাই, ইমান খাব নোৱাৰি' –এনেকুৱা নানা মন্তব্য আৰু হুলস্থূলৰ মাজত খোৱা-লোৱা শেষ হ'ল, –পাতত বৈ যোৱা উচ্ছিষ্ট খাদ্যবোৰ খোৱাৰ বাবে কুকুৰ আৰু কাউৰীৰ মাজত কাজিয়া লাগিল। কিছুদূৰত গাঁৱৰ কিছুমান সৰু সৰু ল'ৰা-ছোৱালীয়ে থিয় হৈ মানুহ তথা কুকুৰ-কাউৰীৰ ভোজন চাই আছিল।

খোৱা-লোৱা শেষ হোৱাৰ পিছত কিছুমানে অ'ত ত'ত বহি গাত ৰ'দ লৈ আড্ডা মৰাত লাগিল। কিছুমানে লগত অনা মদৰ বটল খুলি এটা জোপোহাৰ তলত পিবলৈ ধৰিলে (যিটো কাণ্ডক অধ্যাপকে দেখিও নেদেখাৰ ভাও জুৰিলে)। অধ্যাপকে এবাৰ দুৰ্বল কণ্ঠেৰে ক'লে– 'গাঁৱৰ অৰ্ধসমাপ্ত কামখিনি তোমালোকে কেতিয়া শেষ কৰিবা?' 'অলপ জিৰাইছোঁ ছাৰ, ইমান পৰিশ্ৰম দেহে আৰু নসহে।' তাৰ পিছতো কিছুসময় আড্ডা জমি থকাৰ পিছত, কবি ক'লৰিজৰ ভাষাত– উইথ ওৱান ষ্ট্ৰাইড কেম দ্যা ডাৰ্কনেচ– আৰু তেতিয়া হুৰমূৰ কৰি সকলো বাছত উঠি ঘূৰি যোৱাৰ বাবে সাজু হ'ল। অধ্যাপকে কাম আধৰুৱা হৈ বৈ যোৱা দেখি আফচোচ কৰাত দুজনমান ছাত্ৰই ক'লে– 'আমিতো সিহঁতক শিকাই দি গ'লোঁ ছাৰ, এতিয়া বাকী কামখিনি সিহঁতেই কৰিব পাৰিব– আমিতো বেছিভাগেই কৰি গ'লোঁ...'

যাত্ৰাৰ প্ৰাক মুহূৰ্তত আকৌ জয়ধ্বনি, এইবাৰ এটা নতুন শ্লোগান যোগ দিয়া হ'ল– 'জয়, ধানদিয়া গাঁৱৰ জয়' –তাৰপিছত নিৰ্জন ৰাস্তাৰ অন্ধকাৰ কঁপাই বাছৰ যাত্ৰাৰ তালে তালে সিহঁতে আকৌ গানত ধৰিলে– 'লুইতৰ পাৰৰে, আমি ডেকা ল'ৰা...'

এটা সময়ত বাছ, বাছৰ শব্দ দূৰত বিলীন হৈ গ'ল। তেতিয়া সিহঁতক বিদায় দিবলৈ অহা হেডপণ্ডিত, গাঁৱৰ আন লোকসকল, ল'ৰা-ছোৱালীৰ দল সকলোবোৰ নিঃশব্দে নীৰৱে নিজৰ ঘৰ অভিমুখে ৰাওনা হ'ল। সকলোৰে মনত এক শূন্যতাবোধ, এতিয়াও সূৰ্যৰ পোহৰ থাকিলেও যেন এজাক উজ্জ্বল, সুন্দৰ, সতেজ প্ৰাণৰ তৰুণ-তৰুণীয়ে গাঁও এৰি যোৱাৰ পিছত গাঁৱৰ পথ-ঘাট সকলো সাময়িকভাৱে অন্ধকাৰত ডুব গ'ল।

পিছদিনা ৰাতিপুৱা সময়মতে স্কুললৈ আহি হেডপণ্ডিতে দেখিলে যে

স্কুলঘৰৰ বাহিৰে ভিতৰে চাৰিওফালে আৱৰ্জনাৰ স্তূপ, অস্থায়ী ‘চৌকা’ত আধাপোৰা কাঠ, ছাই আৰু এঙাৰ, আলু, মটন, পিঁয়াজৰ বাকলি, বন্ধাকবিৰ বুঢ়া পাতৰ পাহাৰ আৰু মুৰগীৰ পাখি, চুৱা কলপাত আৰু মাটিৰ গিলাচ, কিছুদূৰত জোপোহাৰ তলত মদৰ খালী বটল, বাদামৰ বাকলি আৰু চিগাৰেটৰ আধাপোৰা টুকুৰা। হেডপণ্ডিতে সকলোবোৰ ঘূৰি-পকি চালে, তাৰপিছত ক্লাছ আৰম্ভ হোৱাৰ আগতে ল’ৰা-ছোৱালীবোৰক একত্ৰিত কৰি ক’লেঃ ‘কালি টাউনৰ পৰা অহা দলটোৱে তহঁতক চাফাইৰ কাম শিকাই থৈ গৈছে নহয়? এতিয়া তহঁতে সেই শিক্ষা হাতে-কামে লগাব লাগিব। সকলোৱে মিলি চাৰিওফালৰ এই আৱৰ্জনাবোৰ চাফ কৰি এঠাইত লগ লগাই সেই জোপোহাৰ তলত– নহয়, নহয়, তেওঁলোকেতো কৈ গৈছে যে আৱৰ্জনাৰ স্তূপ পুতি পচন সাৰ কৰিব লাগে– অৱশ্যে আমাৰ গৰুৰ গোবৰ ইমান আছে যে পচন সাৰৰ আৱশ্যকেই নাই, তথাপি ইমান শিক্ষিত লোকসকলে কৈ গৈছে যেতিয়া সেইবোৰ পুতি থোৱাই ভাল। সকলোৱে এতিয়া যা, মই যি যি কৈছোঁ ভালদৰে কৰগৈ; যদি দেখোঁ যে ক’ৰবাত জাবৰ-জোথৰ পৰি আছে তেন্তে এই চেকনিৰ কোবত তহঁতৰ পিঠিৰ ছাল তুলি দিম।’ ল’ৰা-ছোৱালীবোৰ হুৰমূৰকৈ কামত লাগি গ’ল। চুৱা কলপাতবোৰ চাফ কৰিবলৈ যোৱাত, আগদিনা খোৱাৰ সময়ত কিছুদূৰত থিয় হৈ থকা ল’ৰা-ছোৱালীকেইটাৰ নাকত পুনৰ সেই সুখাদ্যৰ সুঘ্ৰাণ লাগিল।

এটা দৃশ্য দেখি কিন্তু সকলোৱে উৎসাহতে সেইপিনে দৌৰি গ’ল। এটা জোপোহাৰ তলত বহুতো ডাঙৰ ডাঙৰ বটল পৰি আছে– ঘৰত মাকৰ বাবে এইবিলাক বটল যে কিমান মূল্যবান। মিঠাতেল, কেৰাচিনতেল, খাৰ, এইবোৰ ৰখাৰ বাবে এনেকুৱা বটলৰ খুব প্ৰযোজন। এটা পালে যে মাই কিমান সুখী হ’ব!

মুহূৰ্তৰ ভিতৰতে মাত্ৰ কেইটামান বটলৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মাজত কঢাকঢি লাগিল। আগদিনা ‘নটৰাজ’ আৰু ‘অপেশ্বৰা’ৰ কথা কোৱা স্মাৰ্ট ল’ৰাটোৱেও এটা বটল পোৱাৰ আশাত হেঁচা-ঠেলা কৰিছিল, কিন্তু মুখত ডাঙৰ ডাঙৰ কথা ক’লে হ’ব কি, খীণ-মীন, বেমাৰী ল’ৰাটোৰ গাত এটা বটল যোগাৰ কৰাৰ বাবে প্ৰয়োজনীয় শক্তি নাছিল।

হতাশ হৈ সি স্কুললৈ ঘূৰি আহিছিল। হঠাৎ স্কুলৰ সন্মুখত একোণত ঘাঁহৰ ওপৰত পৰি থকা এটা সৰু, সুন্দৰ, ৰঙীন বস্তুৰ ওপৰত তাৰ চকু পৰিল। শেন চকুৰে ইপিনে সিপিনে চাই সি তৎক্ষণাৎ চিলনীৰ দৰে ছোঁ মাৰি বস্তুটো হাতৰ মুঠিত ল’লে। ৰঙীন ফুল তোলা এখন সৰু সুন্দৰ ৰুমাল। গোটেই ৰাতি ঘাঁহৰ ওপৰত নিয়ৰত তিতি থাকিলেও তেতিয়াও ৰুমালখনৰ পৰা এটা মৃদু

সুগন্ধ বাহিৰ হৈ আছিল। ল'ৰাটোৱে আলফুলকৈ ৰুমালখন এবাৰ নাকত লগাই, বুকুভৰাই সুগন্ধ ল'লে। কাৰ ৰুমাল হ'ব পাৰে এইখন? কালি যে তাৰ লগত কথা পাতিছিল, ডাঙৰ বাইৰ দৰে সেই ছোৱালীজনীৰ? ধেৎ, সেই ছোৱালীজনী আকৌ ডাঙৰ বাইৰ দৰে হ'বলৈ কিয় যাব, কি সুন্দৰ হাঁহিভৰা মুখ, ডাঙৰ বায়েতো কেৱল থিয়েটাৰৰ 'সীতাৰ বনবাস'ৰ সীতাৰ দৰেই কান্দি থাকে। ল'ৰাটোৱে আৰু এবাৰ ৰুমালখন শুঙিলে, তাৰ মুখ আনন্দত উজ্জ্বল হৈ উঠিল। বটল এটা নি মাকক সন্তুষ্ট কৰিব নোৱাৰিলেও, এই সুন্দৰ সুগন্ধি ৰুমালখন দি বাইদেউহঁতক সন্তুষ্ট কৰা যাব। সিহঁতেতো জন্মৰ পৰা এনেকুৱা ৰুমাল দেখা নাই। কিন্তু কোন বাইদেউক দিয়া যাব? ডাঙৰ বাইদেউক নে সৰু বাইদেউক? সিদ্ধান্ত লোৱাত কিন্তু ল'ৰাটোৰ এক মুহূৰ্তও পলম নালাগিল। 'নাই ডাঙৰ বাইদেউক নিদিওঁ, ভিনদেউৱে এৰি দিয়াৰ পিছত তাইতো প্ৰায়েই কান্দি থাকে। এতিয়া ৰুমালখন দিলে তাই নিশ্চয় সেইখনেৰে চকুৰ পানী মচিব, ফলত ইমান সুন্দৰ ৰং উঁৱলি যাব, সুগন্ধও খুব সোনকালে নোহোৱা হৈ যাব। কিন্তু সৰু বাইদেউক দিলে ৰুমালখনৰ এই দশা নহয়, তাইৰতো এতিযাও বিয়া হোৱা নাই।

সিদ্ধান্তটো লৈ নিশ্চিত আনন্দত ল'ৰাটিয়ে ছাৰ্টৰ পকেটত সযত্নে ৰুমালখন ভৰাই ল'লে। পকেটখনৰ মাজত থকা এটা সৰু ফুটাইদি ৰুমালৰ ফুলটোৰ এটা অংশ এক সুন্দৰ, ৰঙীন জীৱন্ত ফুলৰ দৰে বাহিৰ ওলাই থাকিল। পুনৰ ল'ৰা-টোৱে আনন্দ মনেৰে চুৰা পাতবোৰ বাঁহৰ বাৰীৰ পিনে বৈ নিবলৈ ধৰিলে। ▢

উৎসৱ

ভাদ মাহৰ চোকা ৰ'দ। আকাশে সঁচাই যেন জুই বৰষিছে। কুঁহিলা বায়ে মূৰত মাছৰ পাচিটো লৈ ধীৰেনপাৰাৰ ফালে আগবাঢ়িলে। বুকুত মেঠনি মৰা তাইৰ গাটোৰ অনাবৃত ঊৰ্ধাংশত ঘামে চিক্-মিকাইছে, কেটোৰ-ক'লা গাত সেইবোৰ যেন আলকাতৰাৰহে টোপাল! কান্ধত লোৱা গামোচাখনেৰে তাই এবাৰ মুখখন আৰু গাটো মচি ল'লে। ঘামবোৰ মচাত মুখ আৰু গাৰ শোটোৰা ছালবোৰ যেন আৰু প্ৰকট হৈ পৰিল। পুৱা চাৰে-পাঁচমান বজাতে ট ট কৈ ওলোৱা সূৰ্যটোৰ ভয়ংকৰ উত্তাপৰ এক তিলাৰ্ধৰ পৰাও কুঁহিলা বায়ে পৰিত্ৰাণ পোৱা নাই। শুই উঠিয়েই দুমাইল দূৰৰ বিলখনলৈ গৈ জাকৈৰে মাছ ধৰিছে, তাৰপিছত ঘৰলৈ উভতি আহি বোৱাৰীয়েকে যতনাই দিয়া পঁইতা ভাত এগাল নাকে-মুখে গুজি মাছকেইটা পাচিটোত ঢালি তাৰে দুটামান বোৱাৰীয়েকৰ ফালে দলি মাৰি দি তাই সেইটো মূৰত লৈ ওলাই আহিছে। এই গেলা গৰমত মাছবোৰ সোনকালে গেলি যোৱাৰ ভয়, সৰু সৰু পুঠি, দৰিকণা, বৰলিয়া মাছ গেলি যায় সহজেই। মাছ যিমানেই তাজা হয়, গ্ৰাহকে পছন্দও কৰে সিমানেই, দুটা পইছা বেছি দিবলৈও টান নেপায।

আগতে কিন্তু কুঁহিলা বাইৰ এই সৰু মাছৰ লগত কাৰবাৰ নাছিল। তেতিয়া তাইৰ গিৰিয়েক জীয়াই আছিল, পৰিয়ালটো ডাঙৰ আছিল আৰু সেই পৰিয়াল পোহপাল গৈছিল ডাঙৰ মাছৰ কাৰবাৰেৰে। কুঁহিলা বাইৰ সেই ডাঙৰ পৰিয়াল ক্ৰমাৎ সৰু হৈ আহিবলৈ ধৰিলে, ল'ৰা-ছোৱালী জন্ম হৈছিল ছটা, দুটা ল'ৰা, চাৰিজনী ছোৱালী। সংসাৰখন প্ৰথমতে সৰু কৰিলে ডাঙৰ ল'ৰাটোৱে; সি দহ বছৰ বুকু জুৰাই থাকি কেইদিনমানৰ জ্বৰতে আকৌ সিহঁতৰ বুকু শুদা কৰি গুচি গ'ল। প্ৰথম সন্তান ছোৱালীজনীক বিয়া দি উলিয়াই দিয়াৰ পাছত সংসাৰ-খন আৰু অলপ সৰু হ'ল। তাৰপিছতো সৰু কৰিলে আৰু এজনী ছোৱালীয়ে, -তাইৰো অকাল-মৃত্যু হ'ল। বাকী থকা দুজনী ছোৱালীৰ ভিতৰত আৰু এজনী ছোৱালীৰ বিয়া হোৱাত সংসাৰ আৰু সৰু হ'ল। তাৰপিছত কিন্তু তেনে ধৰণে

সংসাৰ সৰু হোৱাৰ সম্ভাৱনা নাছিল, কাৰণ ইজনী ছোৱালী আছিল জন্মতে বোবা আৰু কলা, তাইক আৰু কোনে বিয়া কৰাব! কিন্তু আকস্মিকভাৱে হঠাৎ মৃত্যু হ'ল গিৰিয়েকৰ আৰু লগে লগে মাত্ৰ এজন মানুহৰ মৃত্যুতে কুঁহিলা বাইৰ সংসাৰখন যেন অতি সৰু হৈ পৰিল। ডাঙৰ মাছৰ কাৰবাৰ কৰা ডাঙৰ-দীঘল চেহেৰাৰ মানুহজনে যে তাইৰ সংসাৰখন ইমান বিৰাট ধৰণে আগুৰি ৰাখিছিল মানুহজনৰ মৃত্যুৰ পিছতহে যেন কুঁহিলা বায়ে উপলব্ধি কৰিব পাৰিলে। যিফালেই চোৱা সিফালেই মানুহজনৰ চিন। আনহে নালাগে মানুহজনে মাছ মৰা জালখনো যে কি প্ৰকাণ্ড আছিল।

গিৰিয়েকৰ মৃত্যুৰ পিছত কিছুদিনৰ বাবে সংসাৰখন অৱশ্যে ডাঙৰ হৈ গৈছিল। বিয়া দি উলিয়াই দিয়া দুজনী জীয়েক, দুজন জোঁৱায়েক, নাতি-নাতিনীৰে কিছুদিনলৈ ঘৰ গমগমাই থাকিছিল, কিন্তু শ্ৰাদ্ধ-শান্তি হৈ যোৱাত সকলোবোৰ ঘৰাঘৰি গুচি যোৱাৰ পিছত আকৌ সংসাৰখন সৰু হৈ গ'ল আৰু তেতিয়া কুঁহিলা বায়ে সেই সৰু সংসাৰখন পোহপাল দিবলৈ সৰু মাছৰ বেপাৰত ধৰিলে। ডাঙৰ মাছ তাই গিৰিয়েকৰ দৰে ক'ৰপৰা যোগাৰ কৰে? ক'ত বা কোন দূৰৰ নৈ-বিল-খাললৈ গৈ ডাঙৰ জালখনেৰে গিৰিয়েকে মাছ ধৰিছিল, অথবা কোনখন বা মাছৰ মহললৈ গৈ মহলদাৰৰ পৰা মাছ কিনি আনিছিল? তেনে ডাঙৰ কাৰবাৰৰ বাবে তাইৰ মুঠেই যোগ্যতা নাই, গতিকে কুঁহিলা বাই পৈত্ৰিক আৰু স্বামীৰ বৃত্তিৰ ঐতিহ্যৰ বাহক হ'ল সঁচা কিন্তু অতি ক্ষুদ্ৰ আকাৰত। দুমাইল দূৰৰ বিলখনেই হ'ল কুঁহিলা বাইৰ অগতিৰ গতি, ঢল-পুৱাতে উঠি জাকৈৰে মাছ মাৰি পাচিটোত ভৰাই লৈ ওচৰে-পাঁজৰে বেচি ফুৰি তাই তিনিটা প্ৰাণীৰ পেটৰ যোগাৰ কৰাৰ সংগ্ৰামত লিপ্ত হ'বলগা হ'ল। আগতে তাই অকল কুঁহিলা আছিল আৰু এতিয়া মাছৰ বেপাৰত লগাৰে পৰা সেই নামত লেজ লগোৱা কুঁহিলা বাই নামেৰে জনাজাত হ'ল। বিয়াৰ পিছত স্বামীৰ ঘৰ কৰিবলৈ অহাৰ পিছত তাইৰ কুমাৰী জীৱনৰ যিটো নামত অব্যৱহাৰে মামৰ ধৰাইছিল, সেইটো নাম ন-ব্যৱহাৰে পুনৰ উজ্জ্বল কৰি তুলিলে– যি ধৰণৰেই উজ্জ্বলতা নহওক কিয় সি।

গাভৰু কুঁহিলা এদিন অৱশ্যে উজ্জ্বলেই আছিল। নিমজ ছালৰ শ্যামলী বৰণৰ তাইৰ নিপোটল চিকচিকীয়া দেহটোৰ এক বিশেষ মাদকতা আছিল। কেইবাটাও সন্তান ধাৰণ কৰাৰ পিছতো তাইৰ সেই কমনীয়তা ধ্বংস হৈ যোৱা নাছিল। কিন্তু মাছৰ কাৰবাৰত ঘৰ এৰি বাহিৰ ওলাই অহাৰ পিছতে ভয়ংকৰ ৰ'দে সেই ছালৰ ওপৰত নিৰ্মম অত্যাচাৰ চলালে, পৃথিৱীৰ নৈ-খাল-বিল আদিৰ ৰস শুহি নিয়াৰ লগতে সূৰ্যদেৱতাই কুঁহিলাৰ দেহৰো সমস্ত ৰস শুহি নি কেঁচা ছাল জুইত শুকুৱা মাছবোৰৰ দৰে শুকান কৰি পেলালে।

অৱশ্যে নিজৰ শৰীৰৰ পৰিৱৰ্তনৰ কথা ভাবিবলৈ এখন্তেকো আহৰি নাছিল কুঁহিলা বাইৰ, অথবা সেই সম্পৰ্কে কোনো সচেতনতাই নাছিল তাইৰ, সচেতন কৰি দিবলৈ কোনোকালে কোনো মুগ্ধ নয়নৰ পুৰুষৰ সাক্ষাতো হোৱা নাছিল তাইৰ। যথা নিয়মত আন দহজনী ছোৱালীৰ দৰেই বিয়া হৈছিল, স্বামীৰ লগত সংসাৰ কৰি দুটি সন্তানৰো জন্ম দিছিল, কিন্তু তাইৰ কাঠত খোদাই কৰা শৰীৰটোৱে স্বামীৰ মুখৰ পৰা সিমানখিনি ৰূপৰ প্ৰশংসাও পোৱা নাছিল যিখিনি পাইছিল জালত আবদ্ধ হৈ ছটফটাই থাকি ৰূপালী জিলিকনি তোলা মাছ কেইটামানে।

কান্ধৰ আধা ফটা গামোচাৰে আৰু এবাৰ মুখৰ আৰু গাৰ ঘাম মচিলে কুঁহিলা বায়ে। এনেকৈ আৰু কিমান দিন, হে প্ৰভু, আৰু কিমান দিন ৰ'দৰ তেজ মূৰত লৈ মাছৰ কাৰবাৰ কৰিব লাগিব? নাতিটো ডাঙৰ হৈ উঠালৈ তাইৰ বাৰু গাত শকতি থাকিবনে?

কি যে কপাল সাধি আহিছিল তাই, তাইক পোহপাল দিব পৰা মানুহবোৰ দেখোন এপিনৰ পৰা অকালতে শেষ হৈ আহি আছে। এতিয়া ভাৰসা কৰিব লগা হৈছে ফুল-কুমলীয়া নাতিটোকে। এদিন সি ডাঙৰ হ'ব, ডাঙৰ হৈ ডাঙৰ মাছৰ বেপাৰ কৰিব আৰু তাইক এই সৰু মাছৰ বেপাৰৰ পৰা মুক্তি দিব। কিন্তু দিবতো? সঁচায়ে দিবতো? নে আৰু কিবা এটা আন্দোলন হ'ব আৰু সিয়ো তাৰ বাপেকটোৰ দৰেই অকালতে... আৰু ভাবিব নোৱাৰিলে কুঁহিলা বায়ে। গোটেই গাটো জিকাৰ খাই উঠি এনে হিমশীতল হৈ গ'ল যেন সেই শীতলতাত গাৰ ঘামৰ টোপালবোৰ গোট মাৰি বৰফৰ টুকুৰাতহে পৰিণত হ'ল।

গিৰিয়েকৰ মৃত্যুৰ পিছত সৰু মাছৰ বেপাৰ কৰি তাই যে কলা-বোবা ছোৱালীজনী আৰু ল'ৰাটোক কেনেকৈ ডাঙৰ কৰি তুলিলে ভাবিলে তাইৰ নিজৰে আচৰিত লাগিছিল। ল'ৰাটোক তাই ইমানেই ডাঙৰ কৰিলে যে সিও এদিন বাপেকৰ দৰেই ডাঙৰ মাছৰ বেপাৰ কৰিব পৰা হ'ল আৰু তেতিয়া সি তাইক সৰু মাছৰ বেপাৰৰ পৰা অব্যাহতি দিলে। সিদিনা বৰ ডাঙৰ সুখৰ ভাগী হৈছিল কুঁহিলা বাই। এদিন তাই ল'ৰাটোৰ বিয়া পাতিলে, জী-জোঁৱাই, নাতি-নাতিনীসকলে আহি আকৌ তাইৰ ঘৰ ভৰাই পেলালেহি, আকৌ সংসাৰ ডাঙৰ হ'ল। তাৰ তিনি বছৰৰ মূৰত প্ৰকৃত অৰ্থত তাইৰ সৰু সংসাৰ ডাঙৰ হ'ল যেতিয়া বোৱাৰীয়েকৰ কোলা শুৱালেহি দুটি নাতি-নাতিনীয়ে।

কিন্তু অতি সাধাৰণ সংসাৰ এখনৰ সেই ক্ষুদ্ৰ তুচ্ছ সুখ এক বৃহৎ আন্দোলনৰ বিৰাট বেদীমূলত বলি যাব লগা হ'ল। পুতেকে যিখন বজাৰত মাছ বেচিছিল, ডাঙৰ মাছবোৰ খণ্ড খণ্ড কৰি গ্ৰাহকৰ বাবে ভাগ ভাগ কৰি সজাই থৈছিল, সেইখন বজাৰতে বোমা এটা বিস্ফোৰণ হোৱাৰ ফলত এদিন তাৰো দেহাটো

বিভিন্ন খণ্ডত ভাগ হৈ চাৰিওপিনে ছিটিকি পৰিছিল। ফলত কুঁহিলা বাইৰ দৰে অতি অখ্যাত অজ্ঞাত তুচ্ছাতিতুচ্ছ তিৰোতা এজনীয়েও অসম আন্দোলনৰ ৬০৬ জন শ্বহীদৰ কোনোবা এটা নম্বৰৰ শ্বহীদৰ মাতৃ হোৱাৰ সমবেদনা আৰু সম্মান লাভ কৰিলে। অসমৰ বিভিন্ন ঠাইত নিৰ্মিত হোৱা শ্বহীদ বেদীবোৰৰ ফুল-মালা-ধূপ-ধূনাৰ সুৰভিৰ মাজত কুঁহিলা বাইৰ দৰেই সেই একেই তুচ্ছাতিতুচ্ছ পৰিচয়ৰ পুতেকজন মহৎ ৰূপত লুকাই থাকিল, ৬০৬ জনৰ লগত তাৰো স্মৃতিৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ কোনো বিশেষ দিনত অসমৰ প্ৰায় প্ৰতি ঘৰে ঘৰে নেতাসকলৰ নিৰ্দেশত জীয়ৰী-বোৱাৰী-মাতৃয়ে একোগছিকৈ চাকি জ্বলালে।

তথাপি কুঁহিলা বাই যি ক্ষুদ্ৰ সেই ক্ষুদ্ৰ হৈয়ে ৰ'ল, বৰং পুনৰ সৰু মাছৰ বেপাৰত ধৰি তাই আৰু হীন, আৰু ক্ষুদ্ৰ, আৰু তুচ্ছ হৈ পৰিল।

মুখৰ ঘাম মচি কুঁহিলা বাই আগবাঢ়িল। অলপ দূৰতে বাওঁফালে সেইটো ধনেশ্বৰ বৰ্মনৰ ঘৰ। গুৱাহাটী চহৰৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কিছু বছৰৰ আগলৈকে বাঘ ওলোৱা এই অঞ্চলটোত হাজো, নলবাৰী আদি অঞ্চলৰ যিকেইঘৰ মানুহে আহি হাবি-বন চাফ কৰি বসতি কৰিছিলহি তাৰে এঘৰৰ মালিক হ'ল এই ধনেশ্বৰ বৰ্মন। মানুহজন কেইবাবছৰো আগতে বিপত্নীক হৈ তিনিটা ল'ৰা-ছোৱালীক বুকুত বান্ধি কাঠ-মিস্ত্ৰিৰ কাম কৰি সংসাৰৰ ৰন্ধা-বঢ়াকে আদি কৰি আন কামো চলাই আছিল। এতিয়া ছোৱালীজনী প্ৰায় গাভৰু হৈছে, গতিকে ঘৰুৱা কামৰ পৰা বাপেকক অব্যাহতি দিছে। ডাঙৰ ল'ৰাটোও মিস্ত্ৰি কামত বাপেকৰ যোগালি হৈ সহায় কৰিব পৰা হৈছিল। ভাল ল'ৰা, দিনত বাপেকৰ সহায়কাৰী হৈয়ো ৰাতিৰ স্কুলতো নাম লিখাই লৈছিল সি। সৰু ল'ৰাটো সৰু হৈয়েই আছে; বায়েক বা ককায়েকৰ দৰে এতিয়াও সংসাৰ-যন্ত্ৰটো ঘূৰাবলৈ হাত লগাব পৰা হোৱা নাই। ধনেশ্বৰ বৰ্মন মৰমিয়াল মানুহ, কুঁহিলা বাইৰ প্ৰতি বৰ সহানুভূতিশীল, সেয়ে সদায় মাছ খাব পৰা অৱস্থা নথকাতো বাইৰ পুতেকৰ মৃত্যুৰ পিছত তাইৰ পৰা অলপ-অচৰপ হ'লেও মাছ কিনি সহায় কৰাৰ চেষ্টা কৰিছিল। কিন্তু হঠাতে তেওঁৰ সেই মাছ কিনা বন্ধ হৈ গ'ল। কুঁহিলা বাইৰ পুতেকৰ মৃত্যুৰ প্ৰায় ছমাহমান পিছৰ ঘটনা। ধনেশ্বৰ বৰ্মনৰ পুতেক ৰাতিৰ স্কুলত পঢ়ে বাবে আন্দোলনটোত ছাত্ৰসকলে ভাগ লৈ কৰা কোনো ধৰণৰ সভা-শোভাযাত্ৰাতে তাৰ যোগ দিয়াৰ সুযোগ নঘটে, ছাত্ৰনেতাসকলৰ উদাত্ত আহ্বানত সঁহাৰি দি বীৰদৰ্পে স্কুল এৰি ওলাই আহি শোভাযাত্ৰাত মিলি যোৱাৰ কোনোদিন সৌভাগ্য নঘটে; কিন্তু নৈশ স্কুলৰ ছাত্ৰ হ'লেও সিতো দেশদ্ৰোহী নহয়, তাৰো তৰুণ দেহত টগবগাই উতলি আছে দেশপ্ৰেমৰ তপ্ত তেজ। গতিকে 'দেশ বুলি ক'লে আদেশ নেলাগে' জাতীয় অনুপ্ৰেৰণাৰে উদ্দীপ্ত হৈ সিয়ো গৈ পিছলৈ দিনৰ সভা-শোভাযাত্ৰাবোৰত যোগ দিবলৈ আৰম্ভ কৰিছিল।

সেই সময়ত ৰাজ্যখন আন্দোলনৰ ঢৌত উখল-মাখল। পঢ়া-শুনা, কাজ-কাৰবাৰ আদি বন্ধ, ধনেশ্বৰ বৰ্মনৰ কাঠ মিস্ত্ৰিৰ কামো প্ৰায় বন্ধ, ঘৰত খোৱা-লোৱাও প্ৰায় বন্ধ হ'বৰ উপক্ৰম, কিন্তু পুতেকে পেটত একপ্ৰকাৰ পানী-গামোচা বান্ধিয়ে আন্দোলনৰ কাৰ্যসূচীবোৰত যোগদান কৰিছিল। এদিন শোভা-যাত্ৰা এটাত পুলিচে গুলী চলাইছিল, তিনি-চাৰিজন ছাত্ৰ নিহত হৈছিল, তাৰে ভিতৰত এজন আছিল ধনেশ্বৰ বৰ্মনৰ পুতেকো। গতিকে সেই অঞ্চলৰ আৰু এজন মানুহে ৬০৬ জন শ্বহীদৰ ভিতৰত কোনোবা এটা নম্বৰৰ শ্বহীদ পিতৃ হোৱাৰ সম্মান আৰু সমবেদনা লাভ কৰিলে।

কুঁহিলা বায়ে অভ্যাসবশতঃ ধনেশ্বৰ বৰ্মনৰ ঘৰটোৰ পিনে চালে। খিৰিকী-দুৱাৰ বন্ধ ঘৰটোত মৰিশালিৰ নিস্তব্ধতা বিৰাজ কৰিছে। ল'ৰাটোৰ মৃত্যুৰ পিছৰে পৰা ঘৰটোৰ পৰিবেশ তেনেকুৱা হৈছে। বৰ্মনে হয়তো তাইৰ দৰেই বাধ্য হৈ বৃদ্ধ, জৰ্জৰিত শৰীৰটো লৈ কামৰ আশাত ক'ৰবালৈ ওলাই গৈছে, সৰু ল'ৰাটো হয়তো স্কুললৈ গৈছে আৰু বায়েকজনী ঘৰ-দুৱাৰ মাৰি সোমাই আছে। আগেয়ে কিন্তু খিৰিকীবোৰ খোলা আছিল, আগেয়ে ল'ৰাটোৱে য'তেই কাম নকৰক কিয়, ভনীয়েকে ৰন্ধা ভাতকেইটা খাবলৈ চাইকেল মাৰি ঘৰলৈ আহিছিল। এতিয়া ভৰ দুপৰীয়াখন তেনেকৈ আহিবলৈ কোনো নাই বাবে গাভৰু ছোৱালীজনীয়ে বাপেক-ভায়েক ওলাই যোৱাৰ পিছতে সমস্ত দুৱাৰ-খিৰিকী বন্ধ কৰি পেলায়। কুঁহিলা বায়ে লক্ষ্য কৰিছে, বাহিৰৰ কোনোধৰণৰ ঘটনা, হাই-উৰুমিতে সেই খিৰিকী-দুৱাৰ খোল নাখায়। ল'ৰাটো মৰাৰ পিছত আজি এবছৰ-ডেৰবছৰে আন্দোলনৰ বিভিন্ন কাৰ্যসূচী অনুযায়ী কিবা যদি ডাঙৰ শোভাযাত্ৰাও সেইফালে আগবাঢ়ি যায়, তথাপি তাক চাবলৈ ছোৱালীজনীয়ে এখনো খিৰিকী নোখোলে। কুঁহিলা বায়ে ভাবে– খিৰিকী খোলক ছাৰি ছোৱালীজনীয়ে হয়তো শ্লোগানবোৰৰ শব্দ নুশুনিবলৈ কাণ দুখনত হেঁচা মাৰি ধৰে। কত যে শ্লোগান– 'আহ ঐ আহ ওলাই আহ', 'অসম মৰিলে আমিও মৰিম–', 'ছয়ত্ৰিছ বছৰে পালোঁ কি? লাঠী-গুলী চি-আৰ-পি', 'জয় আই অসম, জয় আই অসম' আৰু কত যে শ্লোগান। কুঁহিলা বাইহঁতৰ ওচৰ-চুবুৰীয়াৰ ল'ৰা-ছোৱালীবোৰৰ সেইবোৰ মুখে মুখে। শুনি শুনি বাইৰো বহুত মুখস্থ হৈ গৈছে। নাতি-নাতিনী দুটা সৰু হৈ আছে, ভালকৈ মাতেই ফুটা নাই, সেইবাবে সিহঁতে এতিয়াও শ্লোগানবোৰ আওৰাব পৰা হোৱা নাই।

ধনেশ্বৰ বৰ্মনৰ ঘৰৰ ওচৰৰ পৰা ৰাস্তাটো দুভাগ হৈ দুফালে গৈছে। কুঁহিলা বায়ে দক্ষিণমুখী ৰাস্তাটোৰ পিনে আগবাঢ়িল। সেইফালে বহুতো বঙালী মানুহ থাকে। অসমীয়া মানুহো আছে অৱশ্যে, কিন্তু সংখ্যাত বঙালীতকৈ কম। আন্দোলনৰ ভৰপকৰ সময়ত সেই অসমীয়া মানুহবোৰে বৰ ভয়ে ভয়ে দিন

কটাইছিল, গধূলি হ'লেই দুৱাৰ-ঘৰ মাৰি ঘৰতে সোমাই থাকে। কুঁহিলা বাইহঁতৰ চুবুৰীত থকা দুই-এঘৰ বঙালী মানুহৰো একে দশা হৈছিল, সিহঁতে ভয়ত বেঙে মূতা গৰুৰ দৰে কঁপিছিল। দুই-এক উতনুৱা ল'ৰাই সিহঁতক নানা ধৰণে অত্যাচাৰ নকৰাও নহয়। প্ৰায় একে অৱস্থা হৈছিল এই বঙালী পাৰাত থকা অসমীয়া মানুহকেইঘৰৰো। আনহে নালাগে কুঁহিলা বায়ো ভয়তে এই বঙালী পাৰালৈ মাছ বেচিবলৈ নাহিছিল। কিন্তু এতিয়া মানুহৰ মনৰ উত্তেজনা লাহে লাহে শাম কাটি আহিছে। গতিকে গোলমালবোৰো কমি আহিছে। এতিয়া ইটো চুবুৰী সিটো চুবুৰীৰ মানুহে দিন-ৰাতি সমানে সকলো অঞ্চললৈ নিশ্চিত নিৰ্ভাৱনাৰে অহা-যোৱা কৰে। কুঁহিলা বায়ো বঙালী পাৰালৈ মাছ বেচিবলৈ যায়, বৰং অসমীয়া পাৰাতকৈ তাই বঙালী পাৰালৈহে বেছিকৈ যায়। অসমীয়া মানুহকেইঘৰে নিকিনিলেও, বঙালীকেইঘৰে কিনিবই। মাছৰ বাবে পাগল সিহঁত, আন শাক-পাচলি নহ'লেও চলিব, কিন্তু ভাতৰ পাতত মাছ অকণ সিহঁতক লাগিবই, নহ'লে পেটলৈ ভাতকে হেনো নেযায়। এই সৰু মাছকে যে সিহঁতে কত জুতি কৰি ৰান্ধিব– চচ্চৰি, পাতল জোল, ভাপা– আৰু যে কত কি!

অলপ দূৰ আগবঢ়াৰ পিছত কুঁহিলা বাইৰ কাণ দুখন থিয় হ'ল। দূঁৰৰ পৰা যেন কিছু চিঞৰ-বাখৰ ভাঁহি আহিছে, কোনোবাই যেন শ্লোগান দিছে। কিন্তু কোনে কিয় শ্লোগান দিব, আজি বহুত দিন ধৰি দেখোন এইবোৰ বন্ধই হৈ আছে, বহুত দিন কোনো শোভাযাত্ৰাও ওলোৱা নাই। বাটতে ক্ষন্তেক পৰ থমকি ৰৈ ঘামবোৰ আৰু এবাৰ মচি কুঁহিলা বায়ে আকৌ কাণ থিয় কৰিলে। উস্, বেলা বাঢ়ি অহাৰ লগে লগে ৰ'দৰ তাপো যে ইমান প্ৰখৰ হৈ আহিছে– এৰা, সেই শ্লোগানৰ দৰেই চিঞৰ-বাখৰ যেন লাগিছে। আজি আকৌ অত দিনৰ মূৰত ক'ত কি হৈছে? আন্দোলনটো আকৌ আৰম্ভ হ'ব নেকি বাৰু? তেনেহ'লেতো এই বঙালী পাৰাত মাছ বেচাৰ মুদা মৰিব।

কিন্তু বাটত এনেকৈ ৰৈ থাকিলে তাইৰ মাছ বেচা নেযাব, মাছকেইটা বেচিলেহে ৰাতিৰ সাজৰ ব্যৱস্থা হ'ব! ঘৰত চাৰিটা প্ৰাণীয়ে চাৰিখন মুখ আৰু চাৰিটা পেট লৈ খাপ পাতি আছে। কুঁহিলা বায়ে আকৌ খোজ দিলে, অনৰ্থক জল্পনা-কল্পনা কৰি কি লাভ।

'দিদি, অ' দিদি, মাছ লবি, মাছ? একেবাৰে জীয়া, তাজা মাছ– সৰ্ষা দিয়া ভালো চচ্চৰি বানাইতে পাৰিবি–' বঙালী পাৰাত সোমালে কুঁহিলা বায়ে বাংলা ক'বৰ চেষ্টা কৰে, তাত যেন তাইৰ ক'ব নোৱাৰাকৈয়ে ব্যৱসায়ী বুদ্ধি সোমাই আছে।

তাইৰ চিঞৰত হালধি-মছলাৰ হাত শাৰীৰ আঁচলত মচি মচি চুবুৰীটোৰ প্ৰথম ঘৰটোৰ গৃহিণীগৰাকী ওলাই আহিল।

'আজি কি মাছ আনিছা? হদায় হদায় হৰু হৰু মাছ আৰু কিমান খাম?' কুঁহিলা বাইৰ দৰে বঙালী গৃহিণীগৰাকীয়েও ওলোটাই ভুল উচ্চাৰণৰ অসমীয়া কৈ আগবাঢ়ি আহিল। 'আজি পিছে মাছৰ দাম কত কৰিছা? ছেলেটাই হৰু মাছ খাই ভাল পায় কাৰণেই তোমাৰ কাছত হদায় মাছ ল'ব লগা হয়।'

দ্বিতীয় ঘৰটোলৈ সোমাওঁতে দূৰণিৰ শ্লোগানৰ শব্দ কেৱল আৰু শব্দই হৈ নেথাকিল, এটা বিৰাট শোভাযাত্ৰাৰ মূৰটোও অলপ দেখা গ'ল। ইতিমধ্যে দ্বিতীয় ঘৰৰ বঙালী গৃহিণীও ওলাই আহিছিল, মানুহজনী প্ৰথমজনীৰ দৰে কিন্তু ৰঙিয়াল আৰু তজবজীয়া নহয়। সংসাৰৰ প্ৰয়োজনত তেওঁ মাছ কিনিব লাগে বাবেই কিনে, 'ছেলেটাই হৰু মাছ' খাবলৈ ভাল পায়– এইধৰণৰ কথা এবাৰ তেওঁ নকয়, কাৰণ ক'ব নোৱাৰে। ডাঙৰটো ল'ৰা ৰেলত চাকৰি কৰে, দূৰত থাকে; বাকী তিনিজনী ছোৱালী। ওঠৰ বছৰীয়া আন যিটো ল'ৰা সন্তানৰ তেওঁ মাক আছিল, কুঁহিলা বাইৰ ল'ৰাটো বজাৰত বোমা-বিস্ফোৰণ হোৱাৰ দিনাখন মৰাৰ দৰেই একেদৰেই মৰিল, একে সময়তে! সি অৱশ্যে মাছ কিনিবলৈ গৈছিল, বেচিবলৈ নহয়। বোমাৰ আঘাতে তাৰো দেহ ছিন্ন-ভিন্ন কৰিছিল। অৱশ্যে ৬০৬ জন শ্বহীদৰ মাজত সি কোনো স্থান লাভ কৰিবলৈ সক্ষম নহ'ল, গতিকে তাৰ মাকৰ কুঁহিলা বাইৰ লগত কিছু পাৰ্থক্য থাকি গ'ল। কিন্তু গোটেই সংসাৰখনৰ ভিতৰত মাত্ৰ সেইখন ঘৰৰ সেই বঙালী তিৰোতাজনীক লগ পালেই কুঁহিলা বাইৰ আটাইতকৈ আপোনজনৰ ওচৰলৈ অহা যেন লাগে, সেই তিৰোতাজনীৰ শোকদগ্ধ মুখখনলৈ চালে এনে এক প্ৰবল বাসনা হয় যেন বঙালনীজনীৰ ডিঙিতে সাবট মাৰি ধৰি এসোঁতা কান্দি লয়। আঃ, তেনেকৈ কান্দিব পৰা হ'লে হয়তো বুকুত হেঁচা মাৰি থকা শোকৰ পিণ্ডটো অলপ গলিব পাৰিলেহেঁতেন, আৰু নিশ্চয় সেই বঙালী তিৰোতাজনীৰো একেদৰে অন্তৰ অলপ পাতল লাগিলহেঁতেন।

'হেয়া কিহৰ আৱাজ আহিছে বাই?' কুঁহিলা বাইৰ চিঞৰত ওলাই অহা তিৰোতাজনীয়ে মাছৰ কথা সুধিব এৰি প্ৰথমতে সেই কথাটোকে সুধিলে।

'দূৰত কি একটা পচ্ছেন আইছে। কোথায় আবাৰ কি হইছে, কোন জানে। ভীড় দেখলে, পচ্ছেন দেখলে মোৰ বুক কঁপে।'

'হেইটো আৰু ক'ব লাগিছেনে। আমাৰো বুক কঁপিব ধৰে বাই।'

'চৰতো ঠাণ্ডা হইয়া আইছিল। আবাৰ কি হ'ল বা।'

ইয়াৰ পিছত দুয়ো পদূলিৰ ওচৰত থিয় হৈ ওচৰ চাপি অহা শোভাযাত্ৰাটোৰ পিনে দূৰু দুৰু অন্তৰেৰে চাবলৈ ধৰিলে। শ্লোগানৰ শব্দবোৰ ভাঁহি আহি প্ৰথমতে অস্পষ্ট হৈ কাণত পৰাৰ পাছত লাহে লাহে শোভাযাত্ৰাৰ অগ্ৰগতিৰ লগে লগে সেইবোৰো স্পষ্ট আৰু বোধগম্য হৈ আহিবলৈ ধৰিলে। হঠাৎ কুঁহিলা

ৰায়ে কৈ উঠিল, বঙালী কোৱাৰ সকলো সচেতনতা পাহৰি খাচ মাতৃ ভাষাতে কৈ উঠিল, 'ঐ আই এইবোৰ দেখোন সেই আগৰে শ্লোগানসোপা— আকৌ কি হ'ল ঔ মোৰ পৰভু ইচৰ—'

হয়, আগৰে শ্লোগান। এতিয়া কেৱল 'আহ ঐ আহ ওলাই আহ', 'জয় আই অসম', 'ছাত্ৰসন্থা জিন্দাবাদ'ৰ লগতে যোগ হৈছে 'ৰাজীৱ গান্ধী জিন্দাবাদ'...

'আহ ঐ আহ ওলাই আহ' আহ্বানৰ লগে লগে চুবুৰীৰ খোল খাই থকা দুৱাৰবোৰ বন্ধ হ'ল, বাহিৰত ওলাই থকা দুই-চাৰিজন মানুহ খৰধৰকৈ ভিতৰলৈ সোমাই গ'ল। কিন্তু পুত্ৰহাৰা দুই মাতৃয়েই আগষ্ট মাহৰ সিজোৱা গৰমত শোভাযাত্ৰাটোৰ পিনে চাই অলৰ-অচৰ হৈ থিয় হৈ থাকিল, কুঁহিলা বাইৰ পাচিৰ মাছবোৰ ৰ'দত সিজিবলৈ ধৰিলে, গেলিবলৈ ধৰিলে; কিন্তু তাই যেন মাছবোৰৰ অস্তিত্ব পাহৰিয়ে গ'ল। বঙালী তিৰোতাজনীয়েও যেন চুবুৰীৰ আনবোৰ মানুহৰ দৰে ভিতৰলৈ পলাই যাবলৈ পাহৰি গ'ল।

শোভাযাত্ৰাটো ওচৰ চাপি আহিল। ঘাইকৈ তৰুণ-তৰুণীৰে ভৰা সেই সমদল। উল্লাস আৰু উত্তেজনাত আটায়ে যেন ফাটি পৰিছে, আগষ্ট মাহৰ প্ৰখৰ ৰ'দত সিহঁতৰ কোমল মুখবোৰ ক'লা আৰু ৰঙা পৰি গৈছে, ঘামৰ ধাৰ বৈ গৈছে, ছোৱালীবোৰৰ ব্লাউজৰ পিঠি ঘামত চপচপীয়া হৈ লিপিট খাই লাগি ধৰিছে, ল'ৰাবোৰৰ ছাৰ্টবোৰৰো একে অৱস্থা হৈছে। কিন্তু কোনে গ্ৰাহ্য কৰে সেই সামান্য দৈহিক কষ্টলৈ! সিহঁতৰ যেন আজি আনন্দত হিয়া নধৰাৰ, স্ফূৰ্তিত মতলীয়া হোৱাৰ দিন, পাগল হোৱাৰ দিন, সুখ আৰু আৱেগত হঁহা-কন্দাৰ দিন, বিজয় মহোৎসৱৰ দিন!

স্মৃতিয়ে আহি বুকুত হেঁচা মাৰি ধৰা তিৰোতা দুজনীৰ বিস্ফাৰিত দৃষ্টিৰ সমুখেদি উৎসৱ-মত্ত শোভাযাত্ৰাটো আগবাঢ়ি গৈ তিনিআলিৰ মূৰত ভাঁজ ল'লে, তাৰপিছত ধনেশ্বৰ বৰ্মনৰ ঘৰৰ সমুখেদি চিঞৰি চিঞৰি শ্লোগান দি চহৰৰ বুকুৰ পিনে গৈ থাকিল। ধনেশ্বৰ বৰ্মনৰ ঘৰৰ জপোৱা দুৱাৰ-খিৰিকীবোৰ কিন্তু বন্ধই হৈ থাকিল, বিজয়োল্লাসৰ কোনো এটা শব্দৰ কোনো এটা ধ্বনিতো এখন খিৰিকীৰো পাল্লা খোল নাখালে। □